UG SO S1 01
(DSC/DSE)

চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম
(চি. বি. চি. এচ; এন ই পি ২০২০ অনুসৰি)
প্ৰথম ষাণ্মাসিক

সমাজতত্ত্বৰ পৰিচয়

সমাজতত্ত্ব



সূৰ্যকুমাৰ ভূঞা সমাজ বিজ্ঞান অধ্যয়ন সত্ৰ
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বষয় বিশেষজ্ঞ

অধ্যাপক সঞ্জয় বৰবৰা, টি আই এছ এছ, গুৱাহাটী আৱাস
অধ্যাপক সম্বিৎ মল্লিক, এইছ এছ এছ বিভাগ, আই আই টি, গুৱাহাটী
ড° ইন্দ্রানী শর্মা, সমাজবিদ্যা বিভাগ, কটন বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষীঃ ডোলা বৰকটকী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
১, ৩	**শান্তনা দত্ত** , জাঁজি হেমনাথ শর্মা মহাবিদ্যালয়	শান্তনা দত্ত
২,	**ডোলা বৰকটকী**, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয	গিতাঞ্জলী তালুকদাৰ
৪, ৫	**ড°শ্বাবিনা য়াচমিন শইকীয়া**, গুৱাহাটী বিশ্ববিদ্যালয়	ৰেহানা শইকীয়া (অধ্যায় **চ্ছ্র**) ডক্ট নিভাৰাণী ফুকন, ৰেহানা শইকীয়া আৰু মেঘনা চৌধুৰী (অধ্যায় **প্ত**)
৬, ৭	**ড° উপলা বৰুৱা**, কটন কলেজ	ডক্ট মৃণাল জ্যোতি গোস্বামী (অধ্যায় **ছ**) ডক্ট উপলা বৰুৱা (অধ্যায় **জ্ঞ**
৮	**গার্গী গায়ন**, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	গিতাঞ্জলি মেধি
৯,১২, ১৩	**ড°শ্বাবিনা য়াচমিন শইকীয়া**, গুৱাহাটী বিশ্ববিদ্যালয়	নিলীমা হাজাৰী (অধ্যায় **জ্ঞ**)
১০,১১	**অন্যনা গগৈ**, ডিব্রুগড় বিশ্ববিদ্যালয়	দ্বিপাঞ্জলী গোস্বামী (**১০, ১১**)
১৪	**ডোলা বৰকটকী**, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	ডক্ট নিভাৰাণী ফুকন (অধ্যায় **১২**) ৰেহানা শইকীয়া আৰু মেঘনা চৌধুৰী (অধ্যায় **১৩**) প্রভাত বৰদলৈ (অধ্যায় **১৪**)

সম্পাদনাঃ

মূল ইংৰাজী সম্পাদনা ঃ ড° সুমেশ এচ. এচ., তেজপুৰ কেন্দ্রীয় বিশ্ববিদ্যালয়
ড° নির্মালী গোস্বামী, তেজপুৰ কেন্দ্রীয় বিশ্ববিদ্যালয়

অসমীয়া ভাষা সম্পাদনা ঃ ড° স্বপ্না স্মৃতি মহন্ত, কে.চি. দাস কমার্চ কলেজ, গুৱাহাটী
ড° নিভাৰাণী ফুকন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

গাঁথনিক সম্পাদনা ঃ ডোলা বৰকটকী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

জুলাই ২০২৩

© Krishna Kanta Handiqui State Open University
This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-NonCommercial-ShareAlike4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
নতুন দিল্লীৰ দূৰ শিক্ষা পৰিষদৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

মুখ্য কার্যালয় ঃ পাটগাওঁ, ৰাণী গেট, গুৱাহাটী- ৭৮১০১৭

উপমুখ্য কার্যালয় ঃ ৰেচম নগৰ, খানাপাৰা গুৱাহাটী- ৭৮১০২২, Web : www.kkhsou.in

পাঠ্যবিষয়ৰ পৰিচয় ঃ

'সমাজতত্ত্বৰ পৰিচয়' শীৰ্ষক এই পাঠ্যবিষয়টোৰ দ্বাৰা শিক্ষার্থীসকলক সমাজতত্ত্ব নামৰ অধ্যয়নৰ বিষয়টোৰ সৈতে পৰিচয় কৰাই দিয়াৰ চেষ্ট কৰা হৈছে। এই পাঠ্যবিষয়টোৰ উদ্দেশ্য হ'ল সমাজতত্ত্বৰ সৈতে জড়িত কিছুমান মৌলিক ধাৰণা আৰু আগ্রহ-ক্ষেত্রৰ সৈতে শিক্ষার্থীসকলক চিনাকী কৰাই দিয়া।

এই পাঠ্যবিষয়টোত মুঠ **ৰচ্ছ্র** টা অধ্যায় আছে। **অধ্যায় ১**ত সমাজতত্ত্বৰ উৎপত্তি, ইয়াৰ অর্থ, প্রকৃতি আৰু পৰিসৰৰ বিষয়ে আলোচনা কৰা হৈছে। **অধ্যায় ২**ত সমাজতত্ত্ব আৰু নৃতত্ত্ব বিজ্ঞান, ইতিহাস, অর্থনীতি, ৰাজনীতি বিজ্ঞান আৰু সামাজিক মনোবিজ্ঞানৰ দৰে সমাজবিজ্ঞানৰ অনান্য সমাজবিজ্ঞানৰ মাজৰ সম্পর্ক বর্ণনা কৰা হৈছে। সমাজ, সম্প্রদায়, সংস্থা আৰু সমিতি দৰে ধাৰণাবোৰৰ অর্থ তথা বৈশিষ্ট্য হৈছে **অধ্যায় ৩**ৰ আলোচ্য বিষয়। **অধ্যায় ৪**ত প্রস্থিতি, ভূমিকা, সামাজিক প্রতিমান, প্রমূল্য, লোকপন্থা, প্রথা লোকাচাৰ আৰু সামাজিক বাধা নিষেধ আদিৰ দৰে ধাৰণাবোৰ আলোচনা কৰা হৈছে। **অধ্যায় ৫**ৰ আলোচ্য বিষয় হ'ল সংস্কৃতি অর্থ, বৈশিষ্ট আৰু প্রকাৰ। **অধ্যায় ৬**ত সামাজিক সমূহৰ অর্থ আৰু বৈশিষ্ট্য, সামাজিক সমূহৰ প্রকাৰঃ প্রাথমিক সামাজিক সমূহ, গৌন সামাজিক সমূহ, আন্তঃ সমূহ আৰু বর্হিঃসমূহ, প্রসঙ্গ সমূহ, সুসংবদ্ধ আৰু অসংৱদ্ধ সমূহ, সাদৃশ্য সমূহ এইবোৰৰ অর্থ আলোচনা কৰা হৈছে। **অধ্যায় ৭**ৰ আলোচ্য বিষয় হ'ল সমাজৰ তিনিটা গুৰুত্বপূর্ণ সংস্থা - পৰিয়াল, বিবাহ আৰু স্বজনতাৰ অর্থ, বৈশিষ্ট্য, প্রকাৰ আৰু কার্যসম্পাদন পদ্ধতি। **অধ্যায ৮**ত সামাজিক গাঁথনি, সামাজিক ব্যৱস্থা আৰু সামাজিক সংগঠনবোৰৰ বিষয়ে বর্ণনা কৰাৰ লগতে বিভিন্ন প্রকাৰৰ সামাজিক সংগঠনৰ বিষয়ে আলোচনা কৰা হৈছে। সামাজিকীকৰণ প্রক্রিয়াটোৰ অর্থ, প্রকাৰ, প্রক্রিয়া, গুৰুত্ব আৰু মাধ্যম সমূহৰ ব্যাখ্যা হ'ল **অধ্যায় ৯**ৰ কেন্দ্রীয় বিষয়। **অধ্যায় ১০**ৰ আলোচ্য বিষয় হ'ল সামাজিক স্তৰীকৰণ ধাৰণাটোৰ অর্থ, বৈশিষ্ট্য আৰু কার্য্য-কাৰিতাসমূহ। **অধ্যায় ১১**ত জাতি, সম্প্রদায়, শ্রেণী, সামন্ত প্রথা আৰু লিংগৰ দৰে স্তৰীকৰণৰ গুৰুত্বপূর্ণ সামাজিক আধাৰৰ বিভিন্ন দিশসমূহ ব্যাখ্যা কৰা হৈছে। **অধ্যায় ১২**ৰ আলোচ্য বিষয় হ'ল সামাজিক পৰিৱর্তনৰ অর্থ, বৈশিষ্ট্য, প্রক্রিয়া আৰু প্রকৃতি। ইয়াত বিৱর্তন, প্রগতি আৰু বিকাশৰ দৰে সামাজিক পৰিৱর্তনৰ কিছুমান গুৰুত্বপূর্ণ ৰূপৰ বিষয়ে আলোচনা কৰা হৈছে। **অধ্যায় ১৩**ত সামাজিক নিয়ন্ত্রণৰ অর্থ, আৰু প্রতিমান, প্রমূল্য প্রতিবন্ধকতাৰ দৰে বিভিন্ন সামাজিক নিয়ন্ত্রণৰ উপায়সমূহ বর্ণনা কৰা হৈছে। **অধ্যায় ১৪**ৰ আলোচ্য বিষয় হ'ল সামাজিক গতিশীলতাৰ অর্থ, ইয়াৰ বিভিন্ন প্রকাৰ আৰু ইয়াক প্রভাৱিত কৰা কাৰক সমূহ।

অধ্যায়বোৰ পঢ়ি গৈ থাকোতে আপোনালোকে কিছুমান পার্শ্বীয় বাকচ দেখিব। তাত সহজে বুজি নোপোৱা অথবা আগতে নপঢ়া কিছুমান শব্দ অথবা সংজ্ঞাৰ ব্যাখ্যা পঢ়িবলৈ পাব। আপোনালোকৰ নিজৰ চিন্তাবোৰ কার্যক্ষেত্রত প্রয়োগ কৰিব পৰাকৈ অধ্যায়বোৰত কিছুমান অনুশীলনী 'অর্ন্তভুক্ত কৰা' হৈছে। পাঠ্য বিষয়বোৰৰ লগতে 'জানি থোৱা ভাল' শিতানত কিছুমান অতিৰিক্ত কিন্তু প্রাসংগিক তথ্য/ধাৰণা অর্ন্তভূক্ত কৰা হৈছে। প্রতিটো শিতানৰ সামৰণিত 'অগ্রগতি নিৰীক্ষণ' হিচাপে কিছুমান প্রশ্ন দেখিব। আপোনালোকে অধ্যয়নৰ অগ্রগতি নিজে পৰীক্ষা কৰি চাব পৰাকৈ এই প্রশ্নবোৰ দিয়া হৈছে। শিতানটো পঢ়া শেষ হোৱাৰ লগে লগে প্রশ্নবোৰৰ উত্তৰ কৰি গ'লে আপোনালোক অধিক উপকৃত হ'ব। আপোনাৰ উত্তৰবোৰ পাছত অধ্যায়ৰ একেবাৰে শেষৰফালে থকা 'অগ্রগতিৰ খতিয়ান' শিতানত মিলাই চাব পাৰিব। অধ্যায়বোৰৰ শেষত কেইটিমান 'আর্হি প্রশ্ন' তুলি দিয়া হৈছে। প্রতিটো অধ্যায়ৰ সৈতে জড়িত প্রসংগপুথিবোৰৰ তৃতীয় খণ্ডৰ সামৰণিত দিয়া হৈছে।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ **সমাজতত্ত্বৰ উৎস, প্ৰকৃতি আৰু পৰিসৰ** ৭-১৮
সমাজতত্ত্বৰ অৰ্থ, সমাজতত্ত্বৰ উৎপত্তি আৰু বিকাশ, সমাজতত্ত্বৰ প্ৰকৃতি, বিষয়বস্তু আৰু পৰিসৰ।

অধ্যায় ২ ঃ **সমাজতত্ত্ব আৰু অন্যান্য সমাজ বিজ্ঞান** ১৯-২৮
সমাজতত্ত্ব আৰু ইতিহাস বিজ্ঞান, সমাজতত্ত্ব আৰু ৰাজনীতি সমাজতত্ত্ব আৰু অৰ্থনীতি বিজ্ঞান, সমাজতত্ত্ব আৰু নৃতত্ত্ব বিজ্ঞান, সমাজতত্ত্ব আৰু সামাজিক মনোবিজ্ঞান।

অধ্যায় ৩ ঃ **প্ৰাথমিক অৱধাৰণা - i** ২৯-৪৩
সমাজৰ অৰ্থ আৰু সংজ্ঞা, সমাজৰ বৈশিষ্ট্যসমূহ, সম্প্ৰদায়ৰ অৰ্থ আৰু উৎপাদান, সমাজ আৰু সম্প্ৰদায়ৰ প্ৰভেদ, সংস্থাৰ অৰ্থ, বৈশিষ্ট্যসমূহ আৰু প্ৰকাৰ।

অধ্যায় ৪ ঃ **প্ৰাথমিক অৱধাৰণা - ii** ৪৪-৫৫
প্ৰতিমানৰ অৰ্থ, প্ৰকাৰ বৈশিষ্ট্যসমূহ আৰু সংস্থা, প্ৰমূল্যৰ অৰ্থ, প্ৰতিমানৰ আৰু প্ৰমূল্যৰ সম্পৰ্ক প্ৰস্থিতিৰ অৰ্থ, প্ৰকাৰ, বৈশিষ্ট্য, প্ৰস্থিতি সমষ্টি, ভূমিকাৰ অৰ্থ, ভূমিকাৰ সমষ্টি, ভূমিকাৰ সংঘাত।

অধ্যায় ৫ ঃ **সংস্কৃতি** ৫৬-৬৮
সংস্কৃতিৰ অৰ্থ, প্ৰকৃতি আৰু বৈশিষ্ট্য, সংস্কৃতিৰ বিৰোধ, সংস্কৃতিৰ কাৰ্য্যৱলী, সংস্কৃতিৰ প্ৰকাৰ, সংস্কৃতি আৰু ব্যক্তিত্ব।

অধ্যায় ৬ ঃ **সামাজিক সমূহ** ৬৯-৮৩
সামাজিক সমূহৰ অৰ্থ আৰু বৈশিষ্ট্য, সামাজিক সমূহৰ প্ৰকাৰ ঃ প্ৰাথমিক সামাজিক সমূহ, গৌণ সামাজিক সমূহ, আন্তঃ সমূহ আৰু বৰ্হিঃ সমূহ, প্ৰসঙ্গ সমূহ, সুসংবদ্ধ আৰু অসংবদ্ধ সমূহ, সাদৃশ্য সমূহ।

অধ্যায় ৭ ঃ **পৰিয়াল, বিবাহ আৰু স্বজনতা** ৮৪-৯৭
পৰিয়ালৰ অৰ্থ, বৈশিষ্ট্য, প্ৰকাৰ আৰু প্ৰকাৰ্য, বিবাহৰ অৰ্থ, বৈশিষ্ট্য, প্ৰকাৰ্য আৰু প্ৰকাৰ, স্বজনতাৰ অৰ্থ, স্বজনতা প্ৰণালীৰ পৰিসৰ, স্বজন পদ্ধতি।

অধ্যায় ৮ ঃ **সামাজিক গাঁথনি, সামাজিক ব্যৱস্থা আৰু সামাজিক সংগঠন** **৯৮-১১০**
সামাজিক গাঁথনিৰ ধাৰণা, অর্থ আৰু উপাদানসমুহ, সামাজিক ব্যৱস্থাৰ উৎপত্তি, অর্থ আৰু বৈশিষ্ট্য, সামাজিক সংগঠনৰ বৈশিষ্ট্য আৰু প্রকাৰ।

অধ্যায় ৯ ঃ **সামাজিকীকৰণ** **১১১-১২২**
সামাজিকীকৰণৰ অর্থ, প্রকাৰ, প্রক্রিয়া, গুৰুত্ব আৰু মাধ্যম সমূহ।

অধ্যায় ১০ ঃ **সামাজিক স্তৰীকৰণঃ ধাৰণামূলক আলোচনা** **১২৩-১৩৪**
সামাজিক স্তৰীকৰণৰ অর্থ, বৈসিষ্ট্য সমূহ, আৰু কার্য্য-কাৰিতাসমূহ, সামাজিক স্তৰীকৰণ আৰু সামাজিক অসমতা।

অধ্যায় ১১ ঃ **সামাজিক স্তৰীকৰণৰ আধাৰ** **১৩৫-১৫৩**
গোষ্ঠী আৰু গোষ্ঠীবাদৰ অর্থ, ঔপনিৱেশিকতাবাদ আৰু গোষ্ঠীবাদৰ অর্থ, ঔপনিৱেশিকতাবাদ আৰু গোষ্ঠীবাদ, বর্ণ আৰু জাতি, প্রথা আৰু জাতিৰ ধর্মনিৰপেক্ষ মাত্রা, শ্রেণীৰ তত্ত্ব, সামন্ত প্রথা, পদানুক্রম, সামন্ত প্রথাৰ সমাজতাত্ত্বিক ব্যাখ্যা, লিংগৰ অর্থ, নাৰীবাদ, লিংগ আৰু সামাজিক স্তৰীকৰণ, লিংগবাদ আৰু কর্ম।

অধ্যায় ১২ ঃ **সামাজিক পৰিৱর্তন** **১৫৪-১৬৯**
সামাজিক পৰিৱর্তনৰ অর্থ, বৈশিষ্টসমূহ, সামাজিক পৰিৱর্তনৰ প্রক্রিয়া, স্বৰূপ আৰু প্রকাৰসমূহ আৰু সামাজিক পৰিৱর্তনৰ আকাৰ।

অধ্যায় ১৩ ঃ **সামাজিক নিয়ন্ত্রণ** **১৭০-১৭৯**
সামাজিক নিয়ন্ত্রণৰ অর্থ, প্রতিমানৰ অর্থ, প্রমূল্যৰ অর্থ, অনুশাসনৰ অর্থ, নিয়ন্ত্রণৰ আনুষ্ঠানিক আৰু অনানুষ্ঠানিক ব্যৱস্থাসমূহ।

অধ্যায় ১৪ঃ **সামাজিক গতিশীলতা** **১৮০-১৯৩**
সামাজিক গতিশীলতাৰ অর্থ আৰু প্রকাৰ, মূক্ত আৰু বন্ধ গতিশীলতাৰ অর্থ আৰু প্রভেদ।

অধ্যায় ১ ঃ সমাজতত্ত্বৰ উৎস, প্ৰকৃতি আৰু পৰিসৰ

অধ্যায় গাঁথনি

ৰ.ৰ উদ্দেশ্য

ৰ.চ পৰিচয়

ৰ.১ সমাজতত্ত্বৰ অর্থ

ৰ.২ সমাজতত্ত্বৰ উৎপত্তি আৰু বিকাশ

ৰ.৩ সমাজতত্ত্বৰ প্ৰকৃতি

ৰ.৩.ৰ সমাজতত্ত্বত ব্যৱহৃত পদ্ধতি

ৰ.ছ সমাজতত্ত্বৰ বিষয়বস্তু আৰু পৰিসৰ

ৰ.জ্জ সমাজতত্ত্বৰ দৃষ্টিভংগী

ৰজ্জ্ব অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

ৰ.ঞ্ঞ অধিক জানিবলৈ

ৰ.ৰঞ্ঞ অগ্ৰগতিৰ খতিয়ান

ৰ.ৰৰ আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়নৰ কৰি আপুনি—

- সমাজতত্ত্বৰ উৎপত্তি সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব
- সমাজতত্ত্বৰ প্ৰকৃতি সম্পৰ্কে আলোচনা কৰিব পাৰিব
- সমাজতত্ত্বৰ বিভিন্ন পদ্ধতিসমূহ ব্যাখ্যা কৰিব পাৰিব
- সমাজতত্ত্বৰ বিষয়বস্তু আৰু পৰিসৰৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব
- সমাজতত্ত্বৰ দৃষ্টিভংগীৰ বিষয়ে বুজি পাব।

১.২ পৰিচয়

কেইবা শতিকা আগেয়ে এৰিষ্টটলে কৈ গৈছে যে— 'মানুহ মৰণশীল'। মানুহে সমাজত জন্ম আৰু ডাঙৰ-দীঘল হৈ পৰিপক্ক হয়। সমাজে আমাৰ জীৱনটো জীয়াই তোলে। সামাজিক প্ৰাণী হিচাপেই আমাৰ মানসিকতা গঢ় লৈ উঠে। সভ্যতাৰ বিকাশৰ আৰম্ভণিৰ পৰাই সমাজ চিন্তা আৰু অনুসন্ধানৰ এক বিষয়বস্তুৰূপে বিবেচিত হৈ আহিছে। সামাজিক পৰিঘটনাবোৰ মানুহৰ বিৰামহীন আৰু অনুসন্ধিৎসু মনক সদায়েই আকৰ্ষণ কৰি আহিছে। চেইণ্ট ছীমনে পোন প্ৰথমবাৰৰ বাবে সমাজৰ বৈজ্ঞানিক অধ্যয়ন আৰম্ভ কৰিছিল। তেওঁৰ পাছত আগষ্ট কম্‌টেই সমাজৰ নতুন বিজ্ঞান হিচাপে 'সমাজতত্ত্ব' নামটো আগবঢ়ায়। এই

অধ্যায়ত আমি সমাজতত্ত্বৰ অৰ্থ, উৎস আৰু ইয়াৰ বিষয়বস্তুৰ বিষয়ে আলোচনা কৰিম।

১.৩ সমাজতত্ত্বৰ অৰ্থ

বহু হাজাৰ বছৰ আগৰ পৰাই মানুহে বাস কৰি থকা সমাজখনৰ বিষয়ে চিন্তা কৰি আহিছে। বিভিন্ন দেশৰ দাৰ্শনিক, চিন্তাবিদ আইন প্ৰণয়নকাৰীসকলৰ লেখনীত আমি সমাজৰ বিষয়ে এক ধাৰণা লাভ কৰো। প্লেট', এৰিষ্টটল, মনু, কনফুচিয়াচ আৰু আন বহুতৰে লেখনীত আমি সমাজৰ প্ৰকৃতিৰ বিষয়ে এক পদ্ধতিগত আৰু শৃংখলাৱদ্ধ অধ্যয়ন দেখিবলৈ পাওঁ । ঊনবিংশ শতিকাতহে আগষ্ট ক'ট, হাৰ্বাৰ্ট স্পেনচাৰ, ইমাইল ডাৰ্খেইম, মেক্স ৱেবাৰ আৰু অন্যসকলে সমাজৰ বৈজ্ঞানিক অধ্যয়ন আৰম্ভ কৰে আৰু 'সমাজতত্ব নামেৰে এটা সূকীয়া অধ্যায়নৰ বিষয় গঠন কৰে।

সমাজ বিজ্ঞানৰ এক নতুন অংশ হিচাপে ই নিজৰ বাবে এক বিশেষ মৰ্যাদা গঢ়ি তুলিছে। সমাজশাস্ত্ৰৰ প্ৰয়োজনীয়তা আৰু উপযোগিতা আজিৰ সমাজত বহুলভাৱে স্বীকৃত। ফৰাচী দাৰ্শনিক আগষ্ট ক'টক সমাজতত্ত্বৰ পিতৃ হিচাপে অভিহিত কৰা হয়। **ৰজ্জ্বজ্ঞা** চনত ক'টে 'সমাজতত্ব' নামটোৰ জন্ম দিছিল আৰু পোন প্ৰথমবাৰৰ বাবে সমাজতত্ত্বৰ বিষয়বস্তু অন্য বিষয়সমূহৰ পৰা পৃথকভাবে চিহ্নিত কৰিছিল। সমাজতত্ত্বৰ মূল ধাৰণা হৈছে মানৰ সমাজৰ অধ্যয়ন। ই মানুহৰ সম্বন্ধৰ সামাজিক প্ৰকৃতিৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। তথাপিও সমাজতত্ত্বৰ অধ্যয়নৰ উদ্দেশ্য কেৱল মাত্ৰ সামাজিক সম্পৰ্ক ব্যাখ্যা কৰাই নহয় ই সম্পৰ্কসমূহ অধ্যয়ন কৰি ইয়াৰ বিভিন্ন নমুনাৰ বিশ্লেষণাত্মক অধ্যয়ন কৰে।

বিভিন্ন সমাজতত্ত্ববিদে সমাজতত্ত্বক ভিন্ ভিন্ সংজ্ঞা প্ৰদান কৰিছে। ইয়াৰে কেইটামান তলত দিয়া হ'ল। সমাজতত্ব হ'ল—

- সামাজিক পদ্ধতিৰ বিজ্ঞান (আগষ্ট ক'ট)
- সামাজিক সংস্থাৰ বিজ্ঞান (এমাইল ডাৰ্খেইম)
- সামাজিক ক্ৰিয়াৰ অৰ্থপূৰ্ণ অধ্যয়ন (মেক্স ৱেবাৰ)
- সামাজিক শাখাসমূহৰ বিষয়ে কৰা অধ্যয়ন (এইচ. এম. জন্চন)
- মানুহৰ পাৰস্পৰিক ক্ৰিয়া আৰু সম্পৰ্কৰ লগতে, ইয়াৰ অৱস্থা আৰু ফলাফল জানিবলৈ কৰা অধ্যয়ন (মৰিচ গিন্চবাৰ্গ)

ওপৰৰ সংজ্ঞাসমূহৰ পৰা আমি ইয়াকেই ক'ব পাৰো যে সমাজতত্ত্বৰ মানুহৰ সামাজিক সম্পৰ্ক আৰু সমাজৰ বিষয়ে বৈজ্ঞানিকভাৱে অধ্যয়ন কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৰঃ খালী ঠাই পূৰণ কৰক ঃ

(ক) 'সমাজতত্ত্ব' শব্দটো পোন প্ৰথমবাৰৰ বাবে ..... চনত ব্যৱহাৰ কৰা হৈছিল।

(খ) সমাজতত্ত্ব সামাজিক ক্ৰিয়াৰ ..... অধ্যয়ন।

১.৪ সমাজতত্ত্বৰ উৎপত্তি আৰু বিকাশ

ঊনবিংশ শতিকাৰ মধ্যভাগত সমাজ বিজ্ঞানৰ স্বাধীন আৰু ভিন্ন ভাগ হিচাপে সমাজশাস্ত্ৰৰ অধ্যয়ন আৰম্ভ হয়। সমাজতত্ত্বক এক ভিন্ন বিষয় হিচাপে চিহ্নিত কৰাৰ অথবা সমাজতত্ত্বৰ উৎপত্তিৰ আৰৰ তিনিটা মূল কাৰণ হ'ল—

- ইংলেণ্ডৰ ঔদ্যোগিক বিপ্লৱ আৰু ফ্ৰান্সৰ সামাজিক তথা ৰাজনৈতিক বিপ্লৱ।
- প্ৰকৃতি বিজ্ঞানৰ উন্নতিৰ দ্বাৰা পোৱা অনুপ্ৰেৰণা।
- ঔপনিৱেশিক সাম্ৰাজ্যৰ অতি বৈচিত্ৰ্যময় সমাজ আৰু সংস্কৃতিৰ দ্বাৰা পোৱা অনুপ্ৰেৰণা।

অষ্টাদশ শতিকাৰ দ্বিতীয়ার্ধত পশ্চিম ইউৰোপত কিছু বিশেষ ধৰণৰ পৰিবৰ্তনৰ সূচনা হৈছিল। এই পৰিবৰ্তনসমূহে জনসাধাৰণক তেওঁলোকৰ চৌপাশে কি হৈ আছে সেই বিষয়ে জানিবলৈ কৌতূহলী কৰি তোলে। অষ্টাদশ শতিকাৰ ইংলেণ্ডত হোৱা ঔদ্যোগিক বিপ্লৱ এনে এটা পৰিঘটনা যিয়ে তাৎপৰ্যপূৰ্ণ সামাজিক পৰিবৰ্তনৰ সূচনা কৰে। এই বিপ্লৱৰ আগলৈকে কেতিয়াও এনেধৰণৰ বৃহৎ পৰিবৰ্তনৰ ইতিহাস পঢ়িবলৈ পোৱা নাযায়। ইয়াৰ ফলত সাধাৰণ গ্ৰাম্য জীৱন আৰু গৃহ উদ্যোগবোৰ জটিল নগৰীয়া জীৱন আৰু বৃহৎ উদ্যোগলৈ সলনি হৈছিল। ঔদ্যোগীকৰণে সভ্যতাৰ দিশ সলনি কৰি দিছিল। অতি দ্ৰুত গতিত সৃষ্টি হোৱা উন্নয়নশীল নগৰসমূহত সামাজিক সমস্যা প্ৰবল হৈ উঠিছিল। হঠাতে ইয়াৰ বাসিন্দাসমূহে এনে কিছুমান সমস্যাৰ সন্মুখীন হৈছিল যিবোৰৰ অভিজ্ঞতা তেওঁলোকৰ পূৰ্বপুৰুষসকলৰ কেতিয়াও নাছিল। এই পৰিবৰ্তনসমূহে মানুহৰ মনত গভীৰভাৱে প্ৰভাৱ পেলাইছিল। ধনী-দুখীয়া, শ্ৰমিক-মালিকৰ মাজৰ বৈষম্য অধিক প্ৰকট হৈ পৰিছিল। ৰাজনৈতিক অস্থিৰতা, অৰ্থনৈতিক অসমতা, দৰিদ্ৰতা ইত্যাদি বিভিন্ন ধৰণৰ সামাজিক বিশৃংখল আৰু সামাজিক সমস্যাই জনসাধাৰণৰ জীৱন ছানি ধৰিছিল। ক'ট, স্পেনচাৰ আৰু আন আন চিন্তাবিদসকলে বিপ্লৱৰ পৰিণতিত সৃষ্টি হোৱা এই সামাজিক সমস্যাসমূহ কেনেদৰে সমাধান কৰিব পাৰি, তাকে লৈ বহুলভাবে চিন্তা-চৰ্চা আৰম্ভ কৰিছিল। তেওঁলোক এই কথাত একমত হৈছিল যে এই সমস্যাসমূহ সমাধানৰ বাবে সমাজত এক পৃথক বিজ্ঞানৰ অধ্যয়ন আৰম্ভ হ'ব লাগে আৰু এই বিজ্ঞান সমাজৰ প্ৰকৃতি তথা অসুবিধাসমূহ বুজাৰ লগতে ইয়াক সমাধান কৰাৰ ক্ষেত্ৰত বিশেষভাবে সহায়ক হ'ব লাগে।

ঊনবিংশ শতিকাত প্ৰাকৃতিক বিজ্ঞানে বিশেষ প্ৰসাৰ লাভ কৰিছিল। প্ৰাকৃতিক বিজ্ঞানীসকলৰ সফলতাই সামাজিক চিন্তাবিদসকলক তেওঁলোকৰ মত উপস্থাপন কৰাত যথেষ্ট অনুপ্ৰেৰণা যোগাইছিল। মানুহৰ মনত এটা প্ৰশ্ন উঠিছিল যে যদি প্ৰাকৃতিক বিজ্ঞানে প্ৰয়োগ কৰা পদ্ধতিৰে যদি ভৌতিক পৃথিৱীৰ ভৌতিক আৰু প্ৰাকৃতিক পৰিঘটনাবোৰ বুজাত সফলতা লাভ কৰিব পাৰে তেন্তে সেই পদ্ধতিটোৱে সামাজিক পৰিঘটনা বুজাবলৈ কিয় সফল নহ'ব? ইয়াৰ উত্তৰ হিচাপে ক'টে আৰু আন আন চিন্তাবিদসকলে কৈছিল যে এই বৈজ্ঞানিক পদ্ধতিসমূহ সামাজিক পৃথিৱীতো প্ৰয়োগ কৰিব পাৰি। ইয়াৰ উপৰি সেই সময়ছোৱাত ইউৰোপৰ ঔপনিৱেশিক শক্তিবোৰে নিজ নিজ সাম্ৰাজ্যৰ ভিতৰত অতি বৈচিত্ৰ্যময় সমাজ আৰু সংস্কৃতিৰ অভিজ্ঞতা লাভ কৰিছিল। এই কথাই সমাজতত্ত্ববিদসকলক এক ধৰণৰ বৌদ্ধিক প্ৰত্যাহ্বান জনাইছিল। অৰ্থাৎ, এটা স্বতন্ত্ৰ অধ্যয়নৰ বিষয় হিচাপে সমাজতত্ত্বৰ উত্থান ঘটাৰ আঁৰৰ চৰ্তবোৰ আছিল সামাজিক আৰু বৌদ্ধিক।



জানি থোৱা ভাল

আগষ্ট ক'টে (Isidore Auguste Marie Francois Xavier Comte – 1798-1857) ৰজ্জুজ্ম চনত তেওঁৰ বিখ্যাত গ্ৰন্থ 'Positive Philosophy'ত 'সমাজতত্ত্ব' শব্দটো পোন প্ৰথমবাৰ ব্যৱহাৰ কৰিছিল। ইংৰাজী Sociology শব্দটো লেটিন শব্দ Socius (যাৰ অৰ্থ হ'ল সহচৰ অথবা সন্মিলিত) আৰু গ্ৰীক শব্দ 'Logos' (যাৰ অৰ্থ হ'ল অধ্যয়ন বা বিজ্ঞান) লোৱা হৈছে । সেয়েহে শব্দবিজ্ঞান অনুসৰি সমাজতত্ত্বৰ পৰা অৰ্থ হ'ল সমাজৰ বিজ্ঞান।

১.৫ সমাজতত্ত্বৰ প্ৰকৃতি

সমাজতত্ত্বৰ প্ৰকৃতি বিজ্ঞানসন্মত। এক কথাত সমাজতত্ত্ব হ'ল সামাজিক ক্ৰিয়া আৰু সামাজিক ঘটনাৰ বিজ্ঞানসন্মত অধ্যয়ন। এই উক্তিয়ে এটা প্ৰশ্নৰ উত্থাপন কৰিব পাৰে— বিজ্ঞানসন্মত অধ্যয়ন কি?

যেতিয়া মানুহে কোনো এটা বিষয় শৃংখলাৰদ্ধ আৰু যুক্তিসংগতভাৱে বুজাৰ চেষ্টা কৰে তাকেই বিজ্ঞানসন্মত অধ্যয়ন বুলি কোৱা হয়। অন্যহাতে বিজ্ঞানসন্মত অধ্যয়ন সত্যতাৰ ভেটিত গঠিত আৰু ই গৱেষকৰ বিষয়নিষ্ঠ মানসিকতাৰ দ্বাৰা পৰিচালিত নহয়। দ্বিতীয়তে, অধ্যয়ন অথবা গৱেষণাত সত্য উদ্‌ঘাটনৰ ববে উপযুক্ত পদ্ধতি ব্যৱহাৰ আৰু উদ্‌ঘাটিত তথ্যবোৰৰ বিশ্লেষণৰ জৰিয়তে এটা যুক্তিসংগত ফলাফল প্ৰস্তুত কৰিব লাগিব। এই ফলাফল অথবা সাধাৰণিকৰণ গৱেষণাধীন পৰিঘটনাটোৰ ক্ষেত্ৰত সাৰ্বজনীনভাৱে সত্যাপনসাধ্য, ভৰসাযোগ্য আৰু বৈধ হ'ব লাগিব।

যিহেতু সমাজতত্ত্ব মানুহ আৰু মানুহে বাস কৰা সমাজৰ প্ৰমূল্যৰ লগত জড়িত,

সেয়েহে প্ৰাকৃতিক বিজ্ঞানীসকলে ব্যৱহাৰ কৰা পদ্ধতিতকৈ ই কিছু পৃথক হ'ব। উদাহৰণস্ৱৰূপে, ৰসায়ন বিজ্ঞান তথা পদাৰ্থ বিজ্ঞানৰ বিষয়বস্তু অজৈৱিক। এই বিষয়বস্তুসমূহৰ নিজা কোনো চেতনাবোধ নাথাকে। আনহাতে, আমি আগতেই কৈ আহিছো যে সমাজতত্ত্ৱৰ বিষয়বস্তু হ'ল মানুহ, যাৰ নিজা চেতনাবোধ থাকে। সেয়েহে কোনোবাই নিৰীক্ষণ কৰি আছে বুলি গম পালে মানুহে পৃথকভাৱে আচৰণ কৰে। মানুহক যিহেতু গৱেষণাগাৰত অধ্যয়ন কৰিব নোৱাৰি, সেয়েহে সমাজতত্ত্ৱবিদসকলে মানুহৰ প্ৰকৃতি জানিবলৈ মানুহক প্ৰাকৃতিক পৰিৱেশতেই অধ্যয়ন কৰিব লাগিব। কিন্তু এইটো সত্য যে প্ৰতিটো বিজ্ঞানৰে (সমাজতত্ত্ৱৰো) অধ্যয়ন বিজ্ঞানসন্মত হ'ব লাগিব। অৰ্থাৎ, নিৰীক্ষণকাৰীয়ে কি দেখি আছে সেয়া নিৰ্ভুলভাৱে টুকি যাব লাগিব। একেদৰে এগৰাকী সমাজতত্ত্ৱবিদে নিজৰ গৱেষণাকালত ব্যক্তিগত পূৰ্বধাৰণাবোৰ আঁতৰাই থ'ব পাৰিব লাগিব। যেনে, গৱেষকে অধ্যয়ন কৰিব খোজা সমাজ এখনৰ বিষয়ে তেওঁৰ কিছু আগতীয়া ধাৰণা থাকিব পাৰে। কিন্তু গৱেষণাকালত তেওঁ সমাজখনৰ বিষয়ে 'কি ভাবে' (feel) সেয়া লিখিব নোৱাৰে, তেওঁ কি লিখিছে সেয়াহে টুকি যাব লাগিব।

১.৫.১ সমাজতত্ত্ৱত ব্যৱহৃত পদ্ধতি

সমাজতত্ত্ব হ'ল সমাজৰ বিজ্ঞানসন্মত বিষয়। ইয়াৰ প্ৰধান লক্ষ্য হ'ল— সামাজিক ঘটনাবোৰক বিজ্ঞানসন্মত অধ্যয়নৰ জৰিয়তে ইয়াৰ কাৰণ আৰু প্ৰকৃতি নিৰ্ণয় কৰি একোটা সাধাৰণ সিদ্ধান্ত প্ৰকাশ কৰা। সমাজতত্ত্ৱবিদসকলে সামাজিক পৃথিৱীখনৰ সত্য উদ্‌ঘাটনৰ বাবে বিভিন্ন পদ্ধতি প্ৰয়োগ কৰে। ইয়াৰে কেইটামান পদ্ধতি চমুকৈ আলোচনা কৰা হ'ল—

➢ **জৰীপ পদ্ধতি** (Survey Method) ঃ

এই পদ্ধতিত কোনো এটা বিশেষ ভৌগোলিক, সাংস্কৃতিক বা প্ৰশাসনীয় অঞ্চলত বাস কৰা লোকৰ প্ৰণালীৱদ্ধ তথ্য গোটোৱা হয়। যেনে— লোকপিয়ল। সামাজিক জৰীপে সাধাৰণতে এক নিৰ্দিষ্ট সমাজৰ মনোভাৱ, মতামত আৰু আচৰণ বিন্যাসৰ সামাজিক তথ্য সংগ্ৰহ কৰে। এই পদ্ধতিয়ে সাধাৰণতে এক বৃহৎ অঞ্চল সামৰি লয়। সেয়েহে গৱেষণাবিদসকলে তেওঁলোকৰ অধ্যয়নৰ বাবে প্ৰয়োজনীয় এক প্ৰশ্নাৱলী তৈয়াৰ কৰে। এই প্ৰশ্নাৱলীসমূহ উত্তৰ দিওঁতালৈ ব্যক্তিগতভাবে ডাকযোগে পঠিয়াই দিয়া হয় অথবা হাতে হাতে দিয়া হয়। উত্তৰ দিওঁতাসকলৰ উত্তৰসমূহ বিশ্লেষণ কৰি গৱেষণাটোত এটা সিদ্ধান্ত গ্ৰহণ কৰা হয়।

➢ **ঐতিহাসিক পদ্ধতি** (Historical Method) ঃ

ঐতিহাসিক পদ্ধতিয়ে ধৰি লয় যে এখন সমাজৰ সমসাময়িক অৱস্থাটোৰ শিপাডাল সমাজখনৰ অতীতৰ লগত জড়িত। সেয়েহে এই পদ্ধতিত গৱেষকে এখন সমাজৰ স্ৱৰূপ আৰু প্ৰকৃতি বুজিবলৈ ইয়াৰ ঐতিহাসিক ঘটনা, প্ৰক্ৰিয়া আৰু অনুষ্ঠানসমূহৰ অধ্যয়ন কৰে। উদাহৰণস্ৱৰূপে, কাৰ্ল মাৰ্ক্সে এখন আধুনিক পুঁজিবাদী

সমাজৰ অসুবিধাসমূহ বিশ্লেষণ কৰিবলৈ সমাজখনৰ অতীতৰ অৱস্থাসমূহ বিশ্লেষণ কৰিছিল।

➢ **তুলনামূলক পদ্ধতি** (Comparative Method) ঃ

তুলনামূলক পদ্ধতিত গৱেষকজনে মানুহৰ সামাজিক আচৰণ বিভিন্ন দিশ বুজিবলৈ একেখন সমাজৰ ভিতৰতে থকা বিভিন্ন সমাজৰ বিভিন্ন গোটৰ বিভিন্ন পটভূমিত তুলনা কৰে। উদাহৰণস্বৰূপে মেক্স ৱেবাৰে পশ্চিমীয়া সমাজত পুঁজিবাদৰ সৃষ্টিৰ কাৰণ জানিবলৈ প্ৰাচ্য আৰু পাশ্চাত্যৰ ধৰ্মৰ তুলনা কৰিছিল।

➢ **ঘটনা অধ্যয়ন পদ্ধতি** (Case Study Mehtod) ঃ

এই পদ্ধতিত কোনো এটা পৰিঘটনা, ব্যক্তি অথবা সম্প্ৰদায়ক বিস্তৃত বিশ্লেষণৰ জৰিয়তে বুজিবলৈ চেষ্টা কৰা হয়। এই পদ্ধতিয়ে অধ্যয়নৰ বাবে লোৱা বিষয়টোৰ (ব্যক্তি, গোট অথবা সম্প্ৰদায়) প্ৰতি মিনিটৰ বিতং অধ্যয়ন কৰে।

➢ **পৰিসংখ্যামূলক পদ্ধতি** (Statistical Method) ঃ

এই পদ্ধতিয়ে পৰিঘটনা বুজিবলৈ কোনো সামাজিক গাণিতিক হিচাপ-নিকাচৰ সহায় লয়। এই পদ্ধতিৰ দ্বাৰা জীৱন ধাৰণৰ মান, বিবাহ বিচ্ছেদ আৰু বিবাহ, আত্মহত্যা, অপৰাধ প্ৰব্ৰজন আদিৰ লগত জড়িত গৱেষণাৰ তথ্য সংগ্ৰহ কৰা হয়।

➢ **সূচী বিশ্লেষণ** (Content Analysis) ঃ

এই পদ্ধতিত গৱেষকে বাতৰি কাকত আৰু আলোচনীৰ দৰে প্ৰকাশিত সমল বিশ্লেষণৰ দ্বাৰা কোনো এটা বিশেষ সামাজিক পৰিঘটনাৰ বিষয়ে বুজিবলৈ চেষ্টা কৰে। উদাহৰণস্বৰূপে, যদি এজন গৱেষকে উত্তৰ-পূব ভাৰতক ঘাইসূঁতিৰ সংবাদ মাধ্যমে কেনেদৰে উপস্থাপন কৰে সেয়া অধ্যয়ন কৰিব খোজে তেন্তে তেওঁ বিষয়টোৰ ওপৰত ৰাষ্ট্ৰীয় দৈনিক কাকতবোৰে কেনে মন্তব্য দিছে সেই বিষয়ে অধ্যয়ন কৰিব লাগিব। গৱেষকজনে অঞ্চলটোৰ লগত জড়িত কৰা শব্দবোৰ বিশ্লেষণ কৰিব লাগিব। যদি অধিক ইতিবাচক শব্দ ব্যৱহৃত হৈছে তেন্তে ই উত্তৰ-পূব ভাৰতৰ ইতিবাচক উপস্থাপনৰ কথা বুজাব। ঠিক তেনেদৰে যদি নেতিবাচক শব্দৰ ব্যৱহাৰ বেছি হয় তেন্তে ই অঞ্চলটোৰ নেতিবাচক উপস্থাপনৰ কথা বুজাব।

➢ **নৃগোষ্ঠী বৰ্ণনা তত্ত্ব** (Ethnography) ঃ

এই পদ্ধতিয়ে কোনো এটা বিশেষ গোটৰ সামাজিক জীৱনৰ বিষয়ে ব্যাখ্যা কৰাৰ সলনি বৰ্ণনা কৰিবলৈ চেষ্টা কৰে। অন্য কথাত গৱেষকে তেওঁ অধ্যয়ন কৰা গোটটোৱে নিজে যিখন সমাজৰ বাসিন্দা সেই সামাজিক পৃথিৱীখনৰ বিষয়ে আৰু তেওঁলোকে এই সমাজৰ দৈনন্দিন জীৱনত পালন কৰা অনুশীলনবোৰৰ কি অৰ্থ বুজি পায় সেই বিষয়ে জানিবলৈ চেষ্টা কৰে।

১.৬ সমাজতত্ত্ৱৰ বিষয়বস্তু আৰু পৰিসৰ

প্ৰথমাৱস্থাৰ পৰাই সমাজতত্ত্ববিদসকলৰ বাবে মানুহ আৰু সকলো সামাজিক ক্ৰিয়াকলাপ এক বিশেষ আলোচ্য বিষয় বুলি বিবেচিত হৈ আহিছে। সেয়ে, সমাজতত্ত্ৱৰ বিষয়বস্তু অতি ব্যাপক। তলত সমাজতত্ত্ৱৰ বিষয়বস্তুৰ এক সাধাৰণ আভাস দিয়া হৈছে।

সমাজতত্ত্ৱৰ মুখ্য বিষয় হ'ল সামাজিক বিশ্লেষণ। ইয়াৰ অৰ্থ হ'ল সমাজতত্ত্ববিদসকলে মানৱ সমাজ আৰু সংস্কৃতিৰ সমাজতাত্ত্বিক বিশ্লেষণ কৰিব বিচাৰে। সমাজতত্ত্বই সামাজিক জীৱনৰ প্ৰাথমিক গোটসমূহক যথেষ্ট গুৰুত্ব প্ৰদান কৰে। ই সামাজিক ক্ৰিয়া আৰু সম্পৰ্ক, বিভিন্ন ধৰণৰ প্ৰতিষ্ঠান, সম্প্ৰদায় (নগৰীয়া, গাঁৱলীয়া আৰু জনজাতি) আৰু জনসংখ্যাৰ লগত জড়িত।

- সমাজতত্ত্বই বিভিন্ন মৌলিক সামাজিক অনুষ্ঠান যেনে— পৰিয়াল আৰু জ্ঞাতি, ধৰ্ম, অৰ্থনৈতিক, ৰাজনৈতিক, আইন-কানুন, শৈক্ষিক, আৰু বৈজ্ঞানিক প্ৰতিষ্ঠানৰ বিকাশ, গাঁথনি তথা কাৰ্য সম্পাদন পদ্ধতি অধ্যয়ন কৰে।
- সমাজতত্ত্ৱৰ অধ্যয়নত বিভিন্ন সামাজিক পদ্ধতি যেনে— সহযোগিতা, প্ৰতিযোগিতা, সদৃশকৰণ, সামাজিক সংঘৰ্ষ, সামাজিক পৰিৱৰ্তন, সামাজিক প্ৰভেদ আৰু স্তৰীকৰণ, সমাজিকীকৰণ, সামাজিক নিয়ন্ত্ৰণ আৰু বিচ্যুতি ইত্যাদিয়ে বিশেষ গুৰুত্ব লাভ কৰে।
- গৱেষণা পদ্ধতিৰ ওপৰতো সমাজতত্ত্বই যথেষ্ট গুৰুত্ব আৰোপ কৰে। সমাজতত্ত্বই দাৰ্শনিক আৰু আদৰ্শবাদী বৈশিষ্ট্য পৰিহাৰ কৰি আগতকৈ অধিক যুক্তিসংগত আৰু পৰীক্ষামূলক প্ৰকৃতিৰ হৈ উঠিছে।
- সমাজতত্ত্ববিদসকলে সমাজ সম্পৰ্কীয় বিভিন্ন ধাৰণা আৰু সূত্ৰ গঠনৰ প্ৰচেষ্টা কৰে।
- জ্ঞান বিস্ফোৰণৰ বৰ্তমান যুগত সমাজতত্ত্ববিদসকলে বিশেষ ব্যুৎপত্তি অৰ্জন কৰিছে। সেয়ে, বৰ্তমান অনুসন্ধানৰ বহুতো বিশেষ ব্যুৎপত্তি অৰ্জন কৰিব পৰা ক্ষেত্ৰত উত্থান ঘটিছে। জ্ঞানৰ সমাজতত্ত্ব, ইতিহাসৰ সমাজতত্ত্ব, ঔষধৰ সমাজতত্ত্ব, সংস্কৃতিৰ সমাজতত্ত্ব, ধৰ্মৰ সমাজতত্ত্ব, শিক্ষাৰ সমাজতত্ত্ব আদিয়ে এনে বিশেষ ব্যুৎপত্তি লাভৰ ক্ষেত্ৰবোৰৰ প্ৰতিনিধিত্ব কৰে।

সমাজতাত্ত্বিক অনুসন্ধানৰ ক্ষেত্ৰখন ইমানেই ব্যাপক হৈ পৰিছে যে বৌদ্ধিক উদ্ভাৱনক্ষমতা আৰু সমৃদ্ধ সমাজতাত্ত্বিক কল্পনাৰ গৰাকী যিকোনো সমাজতত্ত্ব শিক্ষাৰ্থীয়েই বিষয়টোত সামগ্ৰিকভাৱে নতুন মাত্ৰা যোগ কৰিব পাৰে।

সমাজতত্ত্ৱৰ পৰিসৰ আৰু বিষয়বস্তুৰ বিভিন্ন দিশসমূহ চিহ্নিত কৰিবলৈ দুটা চিন্তাধাৰা আছে— আনুষ্ঠানিক বা বিশেষাত্ম চিন্তাধাৰা আৰু সমন্বয়াত্মক চিন্তাধাৰা। বিশেষাত্মক চিন্তাধাৰা অনুসৰি সমাজতত্ত্বই সমাজবিজ্ঞান হিচাপে এক বিশেষ ক্ষেত্ৰ লাভ কৰিছে। বিশিষ্ট সমাজতাত্ত্বিক জৰ্জ চিমেল, ফাৰ্ডিনেণ্ড টনিজ, আলফ্ৰেড ভিয়াৰকাণ্ট আৰু লিঅ'পৰ্ড ভন ওৱাইজক এই চিন্তাধাৰাৰ প্ৰতিষ্ঠাপক বুলি কোৱা হয়।

আনহাতে ইমাইল ডাৰ্খেইম, এল. টি. হবহাউচ আৰু পিটিৰিম চৰ'কিন আদি সমাজতত্ত্ববিদসকলে আন আন সামাজিক বিজ্ঞানৰ লগত সমাজতত্ত্বক জড়িত কৰি সমন্বয়াত্মক আলোচনা কৰাৰ পক্ষপাতী।

সমাজতত্ত্বৰ বিশেষাত্মক চিন্তাধাৰা ঃ

এই চিন্তাধাৰাৰ সমৰ্থকসকলে সমাজতত্ত্বক এক বিশেষ বিষয়বস্তুৰে এক পৃথক বিষয় হিচাপে চিহ্নিত কৰিব বিচাৰে। এই চিন্তাধাৰাই সমাজতত্ত্বক এক স্বাধীন ৰূপ দিয়াত বিশ্বাস। জৰ্জ ছিমেলৰ মতে সমাজবদ্ধ মানুহৰ পাৰস্পৰিক ক্ৰিয়া-প্ৰতিক্ৰিয়াবোৰক বিভিন্ন প্ৰকাৰত ভাগ কৰাটো হ'ল সমাজতত্ত্বৰ আলোচ্য বিষয়। আনুষ্ঠানিক সম্পৰ্কসমূহ, যেনে— সহযোগিতা, প্ৰতিযোগিতা, প্ৰভুত্ব আৰু অধীনতা আদি আছিল তেওঁৰ অধ্যয়নৰ অন্তৰ্ভুক্ত বিষয়। ভিয়াৰকাণ্টৰ মতে আমাৰ সামাজিক জীৱন যিবোৰ মানসিক অথবা অতিন্দ্ৰীয় সম্পৰ্কৰ ওপৰত নিৰ্ভৰশীল সেই সম্পৰ্কবোৰ বিশ্লেষণ কৰাই হ'ল সমাজতত্ত্বৰ আলোচ্য বিষয়। মেক্স ৱেবাৰৰ মতে, সমাজতত্ত্বৰ লক্ষ্য হ'ল সামাজিক সম্পৰ্ক বুজা।

সমন্বয়াত্মক চিন্তাধাৰা ঃ

সমাজতত্ত্বৰ সমন্বয়াত্মক চিন্তাধাৰাই বিভিন্ন সমাজ বিজ্ঞানৰ লগত সমাজতত্ত্বৰ সমন্বয় ঘটাই ইয়াৰ পৰিসৰ ব্যাপক কৰাত বিশ্বাসী। ডাৰ্খেইমৰ মতে, সমাজতত্ত্বৰ তিনিটা মূল ভাগ আছে। সামাজিক সংগঠন তত্ত্ব, সামাজিক শৰীৰ সংৰচনা তত্ত্ব আৰু সাধাৰণ সমাজতত্ত্ব। সামাজিক সংগঠনতত্ত্বত ভৌগোলিক অৱস্থান, জনসংখ্যাৰ বসতি, ঘনত্ব, প্ৰব্ৰজন ইত্যাদি বিষয়বোৰে সমাজ গঠনত কেনেধৰণৰ প্ৰভাৱ বিস্তাৰ কৰে এই বিষয়ে আলোচনা আৰু বিশ্লেষণ কৰা হয়। সমাজত নানা ধৰণৰ সংস্থাৰ কেনেকৈ উদ্ভৱ হয়, এই সম্পৰ্কে অনুসন্ধান কৰাটো হ'ল সামাজিক শৰীৰ সংৰচনা তত্ত্বৰ আলোচনাৰ বিষয়। ধৰ্ম, ৰীতি-নীতি, আইন বা অৰ্থনৈতিক ব্যৱস্থাৰ সামাজিক পটভূমি নিৰ্ণয় কৰাটোৱেই এই ভাগটোৰ বিষয়বস্তু। সাধাৰণ সমাজতত্ত্বৰ মূল লক্ষ্য হ'ল সাধাৰণ সামাজিক আইনৰ প্ৰয়োগ। হব্হাউচৰ মতে, মানুহৰ সামাজিক জীৱনৰ বিভিন্ন অংশৰ গৱেষণালব্ধ সিদ্ধান্তৰ একত্ৰীকৰণ হ'ল সমাজতত্ত্বৰ আলোচনাৰ বিষয়। অইন বিজ্ঞানৰ লগত ইয়াৰ সম্বন্ধ এক বিনিময় আৰু পাৰস্পৰিক উদ্দীপনা সৃষ্টিকাৰী বুলি ধৰা হয়। কাৰ্ল মেনহেইমে সমাজতত্ত্বক দুটা মুখ্য ভাগত বিভক্ত কৰিছে— প্ৰণালীৱদ্ধ আৰু সাধাৰণ সমাজশাস্ত্ৰ আৰু ঐতিহাসিক সমাজতত্ত্ব। প্ৰণালীৱদ্ধ আৰু সাধাৰণ সমাজতত্ত্বই সমাজৱদ্ধ জীৱন গঢ়ি উঠাত সহায় কৰা প্ৰতিটো কাৰকৰ বিষয়ে আলোচনা কৰে। এই কাৰকবোৰ প্ৰতিখন সমাজতে পোৱা যায়। ঐতিহাসিক সমাজতত্ত্বত সমাজৰ সাধাৰণ ৰূপবোৰৰ ঐতিহাসিক বৈচিত্ৰ্যতা আৰু যথাৰ্থতা অধ্যয়ন কৰা হয়। উদাহৰণস্বৰূপে, অৰ্থনৈতিক আৰু ৰাজনৈতিক, নীতিগত আৰু আইনী, বুদ্ধিমত্তা আৰু সামাজিক কাৰকসমূহ। ই সামাজিক পৰিবৰ্তনৰ মৌলিক অৱস্থাসমূহ প্ৰকাশ কৰিবলৈ চেষ্টা কৰে আৰু সামাজিক জীৱনক পৰিচালিত কৰা মুখ্য সমাজতাত্ত্বিক কাৰণসমূহ আৱিষ্কাৰ কৰিবলৈ যত্ন কৰে।

ওপৰৰ আলোচনাৰ পৰা আমি ক'ব পাৰো যে, সমাজতত্ত্ৱৰ বিষয়বস্তু হ'ল সমাজ জীৱনৰ সকলো দিশ আৰু ই সামাজিক ক্ৰিয়াৰ মুখ্য কাৰকৰ লগত জড়িত। সেয়েহে, সমাজতত্ত্ৱৰ পৰিসৰ অতি ব্যাপক। ই এবিধ সাধাৰণ বিজ্ঞান হোৱাৰ উপৰি এক বিশেষ বিজ্ঞান।



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ঃ ঔদ্যোগিক বিপ্লৱ ক'ত আৰম্ভ হৈছিল?

.....

.....

.....

প্ৰশ্ন নং ঃ সমন্বয়াত্মক চিন্তাধাৰাৰ সমৰ্থক কেইজনমানৰ নাম লিখক।

.....

.....

.....

১.৭ সমাজতাত্ত্বিক দৃষ্টিভংগী

সমাজতত্ত্বই সমগ্ৰ পৃথিৱীখনৰ বিষয়ে এক বিশেষ দৃষ্টিভংগী প্ৰদান কৰে। সমাজতাত্ত্বিক দৃষ্টিভংগী হ'ল প্ৰশিক্ষিত বিজ্ঞানীৰ দৃষ্টিৰে সমাজৰ ঘটনা, ৰূপ আৰু প্ৰতিক্ৰিয়াবোৰলৈ চোৱা। সমাজতাত্ত্বিক দৃষ্টিভংগীয়ে আমাৰ সমাজখনক সমালোচনাত্মক দৃষ্টিভংগীৰে চাবলৈ শিকায়। ই আমাক বুজায় যে, আমি সকলো সংস্কৃতিৰ উপাদন। সমাজতাত্ত্বিকৰ দৃষ্টিভংগীৰ মূল লক্ষ্য হ'ল সামাজিক জীৱন নিয়ম মাফিক পুনৰাবৃত্তি ঘটা দিশবোৰৰ বিন্যাস চিনাক্ত আৰু ব্যাখ্যা কৰা তথা সামাজিক আচৰণত ইয়াৰ প্ৰভাৱ অনুসন্ধান কৰা। তলত আমি মুখ্য সমাজতাত্ত্বিক দৃষ্টিভংগীবোৰৰ বিষয়ে চমুকৈ আলোচনা কৰিম—

- সমাজতত্ত্ব হ'ল এক বিজ্ঞানসন্মত প্ৰচেষ্টা। আধুনিক যুগত এক সবল মানৱীয় দিশ সম্বলিত সমাজতত্ত্ব বিজ্ঞানসন্মত আৰু মানৱীয় বিজ্ঞান অধ্যয়ন হিচাপে ই সামাজিক পৰিঘটনাবোৰ প্ৰমূল্য মুক্ত তথা বস্তুনিষ্ঠ কাৰ্য-কাৰণ সম্বলিত বিশ্লেষণ আগবঢ়ায়।
- সমাজতত্ত্বই সমাজ অথবা সামাজিক সম্পৰ্কক ব্যক্তিৰ উৰ্দ্ধৰ বাস্তৱ ৰূপ লোৱা সংৰচনাত্মক বিষয় হিচাপে গ্ৰহণ কৰে। মনোবিজ্ঞানৰ দৰে সমাজতত্ত্বই মানুহৰ আচৰম, সমাজৰ আচৰণ কিদৰে গঠন হয় আৰু কিদৰে সলনি হয় সেই বিষয়ৰ লগত জড়িত।
- সমাজতত্ত্বই কি পদ্ধতিৰে সমাজে ব্যক্তিক গঢ় দিয়ে আৰু ব্যক্তিয়ে সমাজক আকাৰ প্ৰদান কৰে সেই বিষয়ে অনুসন্ধান কৰে।
- সমাজতত্ত্বই সৰ্বাত্মক আৰু সম্বন্ধভিত্তিক এই দুয়োটা দৃষ্টিকোণেৰেই সামাজিক পৰিঘটনাবোৰ অধ্যয়ন কৰে। এই দৃষ্টিকোণে সমাজতত্ত্ববিদসকলক সামাজিক, আচৰণৰ

মৌলিক পৌনঃপুনিক সামাজিক বিন্যাস চিনাক্ত আৰু এই আচৰণৰ ওপৰত এই বিন্যাসৰ প্ৰভাৱ কেনেদৰে পৰে সেই বিষয়ে বুজাত সহায় কৰে।

- সমাজতত্ত্বই মানুহৰ আচৰণক গোট অথবা সমূহৰ পটভূমিত অধ্যয়ন কৰে। এজন সমাজতত্ত্ববিদৰ বাবে পুৰুষ অথবা মহিলাৰ বিশেষ ক্ৰিয়া প্ৰয়োজনীয় নহয়, তেওঁ কৰা কাৰ্যত তেওঁৰ স্থিতি অথবা ভূমিকা কেনেধৰণৰ সেয়াহে প্ৰয়োজনীয়।
- সামাজিক দৃষ্টিভংগী কল্পনাপ্ৰসূত বা অদৃষ্টবাদী নহয়, বৰঞ্চ বিজ্ঞানসন্মত। কিন্তু এটা সময়ত ই কেতিয়াবা কি, কেনেকৈ, কিয় আৰু ক'ত এই প্ৰশ্নৰ বাহিৰলৈ যায় আৰু ব্যৱহাৰিক বিজ্ঞানৰ চৰিত্ৰ গ্ৰহণ কৰে। সেয়েহে সমাজতাত্ত্বিক দৃষ্টিভংগী নিৰপেক্ষবাদী আৰু মধ্যস্থতাবাদী। প্ৰাচীন সমাজতত্ত্ববিদসকল প্ৰত্যক্ষবাদী আছিল। তেওঁলোকে সমাজ তত্ত্বৰ নিৰপেক্ষবাদী চৰিত্ৰৰ ওপৰত গুৰুত্ব দিছিল। কিন্তু আধুনিক সমাজ তত্ত্ববিদসকলে ইয়াৰ বিপৰীত মত পোষণ কৰে। তেওঁলোকৰ মতে সমাজতত্ত্ববিদসকলে মধ্যস্থতাকাৰীৰ ভূমিকা পালন কৰাৰ লগতে বৈজ্ঞানিকৰ পৰম্পৰাগত ভূমিকাও পালন কৰিব লাগে।
- সূক্ষ্ম আৰু বৃহৎ এই দুয়োবিধ সমস্যাৰ অনুসন্ধান সমাজতত্ত্বৰ দৃষ্টিভংগীৰ অন্তৰ্গত। সূক্ষ্ম ভাগত সমাজতত্ত্বই ব্যক্তিয়ে সৰু অথবা বৃহৎ গোট হিচাপে বিভিন্ন সামাজিক পৰিৱেশ, যেনে— কামত, খেলত, ঘৰত, অথবা বিদ্যালয়ত কেনে আচৰণ কৰে সেই বিষয়ে অধ্যয়ন কৰে। ই ব্যক্তিৰ দৈনন্দিন আন্তঃক্ৰিয়াৰ লগত জড়িত। বৃহৎ ভাগত সমাজতত্ত্বই সমগ্ৰ সমাজখনক বৈশিষ্ট্য প্ৰদান কৰা আচৰণৰ বিন্যাস আৰু অনুষ্ঠানসমূহৰ গুৰুত্ব আৰোপ কৰে। এই ভাগত সমাজতত্ত্বই বৃহৎ সামাজিক সংৰচনা, অনুষ্ঠান, সামাজিক পদ্ধতি আৰু সামাজিক সমস্যা আদিৰ অধ্যয়ন কৰি আনুষ্ঠানিক পৰ্যায়ত এইবোৰৰ সমাধান উলিওৱাৰ প্ৰয়াস কৰে।



১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলো

- সমাজ সদায়ে অনুমান আৰু অনুসন্ধানৰ বিষয় হৈ পৰে।
- **ৰজ্জুজ্ঞা** চনত আগষ্ট ক'টে সমাজতত্ত্বৰ সংজ্ঞা দিছিল— সমাজতত্ত্ব এনে এক বিজ্ঞান যিয়ে সমাজক বিজ্ঞানসন্মতভাবে অধ্যয়ন কৰে।
- সমাজতত্ত্বৰ উৎপত্তিৰ আঁৰত তিনিটা মূল কাৰক আছে—
  - ইংলেণ্ডৰ ঔদ্যোগিক বিপ্লৱ আৰু ফৰাচীৰ সামাজিক আৰু ৰাজনৈতিক বিপ্লৱ।
  - প্ৰাকৃতিক বিজ্ঞানৰ দ্বাৰা অনুপ্ৰেৰণা।
  - সমাজৰ আমূল পৰিবৰ্তন আৰু ঔপনিবেশিক সাম্ৰাজ্যৰ দ্বাৰা অনুপ্ৰেৰণা।

- সমাজতত্ত্ৱৰ প্ৰকৃতি বিজ্ঞানসন্মত।
- সামাজিক জৰীপ পদ্ধতিৰে এক নিৰ্দিষ্ট ভৌগোলিক, প্ৰশাসনিক আৰু সাংস্কৃতিক অঞ্চলত বাস কৰা লোকৰ তথ্য সংগ্ৰহ কৰা হয়।
- ঐতিহাসিক পদ্ধতিত গৱেষকে এখন সমাজ অতীতৰ বিভিন্ন পদ্ধতি, ঘটনাৱলী আৰু অনুষ্ঠানৰ বিষয়ে অধ্যয়ন কৰে।
- তুলনামূলক পদ্ধতিত এজন গৱেষকে মানুহৰ সামাজিক আচৰণ বুজিবলৈ একেখন সমাজৰ ভিতৰত থকা বিভিন্ন ক্ষুদ্ৰ সমাজৰ বা গোটৰ বিভিন্নতাসমূহৰ তুলনামূলক অধ্যয়ন কৰিবলৈ চেষ্টা কৰে।
- ঘটনা অধ্যয়ন পদ্ধতিত কোনো এটা গোট বা ব্যক্তিৰ বিস্তৃত বিশ্লেষণৰ সহায়ত এটা বিশেষ পৰিঘটনাৰ পুংখানুপুংখ অধ্যয়ন কৰা হয়।
- পৰিসংখ্যামূলক পদ্ধতিত গাণিতিক হিচাপ নিকাচৰ প্ৰয়োগেৰে কোনো এটা সামাজিক পৰিঘটনাৰ বিষয়ে অধ্যয়ন কৰা হয়।
- সূচী বিশ্লেষণ পদ্ধতিত, এজন গৱেষকে বাতৰি কাকত অথবা আলোচনীৰ বিশ্লেষণেৰে এটা বিশেষ সামাজিক পৰিঘটনাৰ বিষয়ে জানিবলৈ চেষ্টা কৰে।
- সমাজৰ সকলো দিশেই— অৰ্থনৈতিক, ৰাজনৈতিক, আৰু সামাজিক সমাজতত্ত্ৱৰ অন্তৰ্গত বিষয়বস্তু।
- সমাজতত্ত্ৱৰ পৰিসৰ আৰু বিষয়বস্তু অধ্যয়নৰ বাবে দুটা চিন্তাধাৰা আছে— বিশেষাত্মক আৰু সমন্বয়াত্মক চিন্তাধাৰা।
- সমাজতত্ত্ৱৰ লগত আন আন সামাজিক বিজ্ঞানসমূহৰ লগত পাৰস্পৰিক বিনিময় আৰু পাৰস্পৰিক উদ্দীপনা প্ৰদানৰ সম্পৰ্ক আছে।
- সমাজতত্ত্বই সমাজ আৰু সামাজিক সম্পৰ্কক সংগঠিত বাস্তৱ ৰূপত দেখুৱায়। এই ৰূপ ব্যক্তিৰ উৰ্দ্ধত।
- সমাজতত্ত্বই সমাজ কেনেদৰে গঠিত হৈছে, কেনেদৰে বৰ্তি আছে আৰু কেনেদৰে সলনি হৈছে সেয়া অধ্যয়ন কৰে।
- সমাজতত্ত্বই মানুহৰ আচৰণক গোটৰ পটভূমিত অধ্যয়ন কৰে।
- সমাজতাত্ত্বিক দৃষ্টিভংগী কাল্পনিক বা অদৃষ্টবাদী নহয়, ই বিজ্ঞানসন্মত। সমাজতাত্ত্বিক দৃষ্টিভংগীয়ে সূক্ষ্ম আৰু বৃহৎ দুয়োবিধ অসুবিধাকে বিশ্লেষণ কৰে।



১.৯ অধিক জানিবলৈ

ৰ) Earl Babbie, (2004). The practice of Social Research. Wadsworth Publication, U.S.A.

চ) H.M. Johnson, (1960). Sociology, A Systematic Introduction, Allied publication, New Delhi.

ঞ) R.M MacIver and C.H Page, (1965). Society: An Introductory Analysis, Macmillan India Ltd, New Delhi

ছ) H.K. Rawat, (2007). Sociology: Basic Concepts, Rawat Publications, Jaipur



১.১০ অগ্ৰগতিৰ খতিয়ান

ৰ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) সমাজতত্ত্বৰ শব্দটো **ৰজ্জুজ্ম** চনত প্ৰথমে গ্ৰহণ কৰা হয়।
(খ) সমাজতত্ব সামাজিক ক্ৰিয়াৰ অৰ্থপূৰ্ণ অধ্যয়ন বুজোৱা বিজ্ঞান।

চ নং প্ৰশ্নৰ উত্তৰ ঃ অষ্টাদশ শতিকাৰ শেষভাগত ইংলেণ্ডত ঔদ্যোগিক বিপ্লৱৰ সূচনা হৈছিল।

ঞ নং প্ৰশ্নৰ উত্তৰ ঃ সমন্বয়াত্মক চিন্তাধাৰাৰ কেইজনমান সমৰ্থক হ'ল— ইমাইল ডাৰ্খেইম, হব্হাউচ আৰু পিত্ৰিম চৰোকিন।



১.১১ আৰ্হি প্ৰশ্ন

ক) চমু প্ৰশ্ন (**ৰপ্তজ্ম** শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ সমাজতত্ত্বৰ উত্থানত কিহে মুখ্য ভূমিকা পালন কৰিছিল?

প্ৰশ্ন ২ঃ বৈজ্ঞানিক পদ্ধতি বুলিলে কি বুজে?

খ) ৰচনাধৰ্মী প্ৰশ্ন (**জ্ঞজ্ঞ-প্তজ্ঞজ্ঞ** শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ সমাজতত্ব বুলিলে কি বুজে? সমাজতত্ত্বৰ পৰিসৰ আৰু বিষয়বস্তু চমুকৈ বৰ্ণনা কৰক।

প্ৰশ্ন ২ঃ সমাজতত্বত ব্যৱহাৰ হোৱা বিভিন্ন পদ্ধতিসমূহ আলোচনা কৰক।

*** ***** ***

অধ্যায় ২ ঃ সমাজতত্ব আৰু অন্যান্য সমাজ বিজ্ঞান

অধ্যায় গাঁথনি

চ.ৰ উদ্দেশ্য

চ.চ পৰিচয়

চ. সমাজতত্ব আৰু ইতিহাস

চ.চ্ছ্ৰ সমাজতত্ব আৰু ৰাজনীতি বিজ্ঞান

চ.প্ত সমাজতত্ব আৰু অর্থনীতি বিজ্ঞান

চ.ছ সমাজতত্ব আৰু নৃতত্ত্ব বিজ্ঞান

চ.জ্জ সমাজতত্ব আৰু সামাজিক মনোবিজ্ঞান

চ্জ্জ্ব অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

চ.জ্ঞা অধিক জানিবলৈ

চ.ৰজ্ঞ অগ্রগতিৰ খতিয়ান

চ.ৰৰ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- সমাজতত্ব আৰু ইতিহাসৰ মাজৰ সম্বন্ধ জানিব পাৰিব।
- সমাজতত্ব আৰু ৰাজনীতি বিজ্ঞানৰ মাজৰ সম্পর্ক ব্যাখ্যা কৰিব পাৰিব।
- সমাজতত্ব আৰু অর্থনীতি বিজ্ঞানৰ মাজৰ সম্পর্ক আলোচনা কৰিব পাৰিব।
- সমাজতত্ব আৰু নৃতত্ত্ব বিজ্ঞানৰ মাজৰ সম্পর্ক আলোচনা কৰিব পাৰিব।
- সমাজতত্ব আৰু সামাজিক মনোবিজ্ঞানৰ মাজৰ সম্পর্ক জানিব পাৰিব।

২.২ পৰিচয়

আমি জানো যে সমাজতত্ব হ'ল সমাজৰ বিজ্ঞান। কিন্তু যিহেতু মানৰ সমাজ এখন জটিল সমাজ, সমাজৰ প্রতিটো দিশ ইয়াৰ পৰিসৰৰ ভিতৰত অকলে সামৰি লোৱাটো সমাজতত্ব বাবে সম্ভৱ নহয়। সমাজৰ প্রতিটো দিশ আয়ত্ব কৰিবৰ কাৰণে সমাজতত্বই অন্য বিষয় যেনে- অর্থনীতি বিজ্ঞান, ৰাজনীতি বিজ্ঞান, ইতিহাস, নৃতত্ত্ব বিজ্ঞান ইত্যাদিৰ ওপৰত নির্ভৰশীল হ'ব লগীয়া হয়। অর্থাৎ, সমাজৰ সামগ্রিক দিশটো অধ্যয়ন কৰিবলৈ সমাজতত্বই অন্য বিষয়ৰ ওপৰত নির্ভৰশীল। অন্য বিষয়বোৰে সমাজৰ কিছুমান বিশেষ দিশ নিজৰ অধ্যয়নৰ বিষয়বস্তু হিচাপে অর্ন্তভুক্ত কৰি লয়। উদাহৰণস্বৰূপে, ৰাজনীতি বিজ্ঞানে ৰাজনৈতিক ব্যৱস্থা, শাসন প্রণালী আৰু ৰাজনীতিৰ লগত জড়িত বিষয়বস্তু সমূহৰ অধ্যয়ন কৰে। সমাজৰ বিষয়ে সম্পূর্ণ অধ্যয়নৰ

বাবে সমাজতত্ববিদ সকলৰ শাসন তন্ত্র আৰু ইয়াৰ কার্যব্যৱস্থাৰ ওপৰত জ্ঞান থকাটো নিতান্তই প্রয়োজন। সেয়েহে সমাজতত্ববিদে বিশেষভাৱে শাসনপ্রণালীৰ লগত জড়িত বিষয়বস্তু সমূহৰ বাবে ৰাজনীতি বিজ্ঞানৰ ওপৰত নির্ভৰশীল হ'ব লগীয়া হয় । বেলেগ বিষয়সমূহৰ ক্ষেত্রত একেই কথা প্রযোজ্য। গতিকে আমি ক'ব পাৰো যে অন্য বিষয়সমূহ একমুখী কিন্তু সমাজতত্বৰ প্রকৃতি বহুমুখী । আকৌ যি কোনো এটা সামাজিক সমস্যা সমাজৰ বিভিন্ন দৃষ্টিকোণৰ পৰা বিশ্লেষণ কৰিব আৰু বুজিব পাৰি। উদাহৰণস্বৰূপে, নিচাযুক্ত দ্রব্য আসক্ত বা শিশু বেচা-কিনা বিষয় সমূহ চিকিৎসক, অর্থনীতিবিদ আৰু ইতিহাসবিদৰ দ্বাৰা বিশ্লেষণ কৰা হয়; তেওঁলোকে লাভ কৰা প্রশিক্ষণৰ ওপৰত ভিত্তি কৰি বিষয় সমূহ বিশ্লেষণ কৰে। এজন সমাজতত্ববিদে যিকোনো এটা সমস্যা বুজি পাবৰ কাৰণে সামাজিক গঠন বিশ্লেষণ কৰে। তেওঁ সামাজিক সম্পর্কৰ ওপৰত এই সমস্যা সমূহৰ প্রভাৱ বিশ্লেষণ কৰে।

ইয়াৰ আগৰ অধ্যায়টিত আমি সমাজতত্বৰ উৎস, প্রকৃতি আৰু পৰিসৰ সম্পর্কে আলোচনা কৰিলো। এই অধ্যায়টিত আমি অন্য সমাজবিজ্ঞানৰ লগত সমাজতত্বৰ সম্পর্কৰ বিষয়ে আলোচনা কৰিম।

২.৩ সমাজতত্ব আৰু ইতিহাস

ইতিহাসৰ সৈতে সমাজতত্বৰ এক ওতঃপ্রোত সম্পর্ক আছে। আমি জানো যে ইতিহাস হৈছে অতীতৰ তথ্য সংগ্রহ। ইতিহাসে মানৰ সভ্যতাৰ সামাজিক ক্রমবিকাশ কোন দিশত হৈছিল সেইটো সূচায়। ইতিহাসে অতীতৰ লগত জড়িত বিভিন্ন বিষয় , ঘটনা আৰু দৃশ্য বর্ণনা কৰে। সমাজতত্বই বিশেষ ভাৱে সমাজৰ ঐতিহাসিক বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰে আৰু কেনেদৰে মানৰ সভ্যতা তথা সামাজিক সম্বন্ধৰ উদ্ভৱ আৰু পৰিৱর্তন ঘটে তাৰ ওপৰত আলোকপাত কৰে। ইয়াৰ বাবে সমাজতত্ব ইতিহাসৰ ওপৰত নির্ভৰশীল হয়। সেয়েহে ইতিহাসে আমাক তথ্য আৰু সমল দিয়ে যাক আমি বিশ্লেষণ কৰিব পাৰো। আকৌ সমাজতত্বই আমাক সামাজিক সম্বন্ধ তথা ঐতিহাসিক তথ্যসমূহ বুজাত সহায় কৰে। সামাজিক সম্বন্ধ অবিহনে ঐতিহাসিক তথ্য সংগ্রহ কৰাটো অর্থহীন। সেয়েহে ইতিহাস আৰু সমাজতত্বই ইটোৱে আনটোক সহায় কৰে আৰু এটা আনটোৰ ওপৰত নির্ভৰশীল। যদিও দুয়োটা বিষয়ত মিল আছে তথাপি পার্থক্যও নোহোৱা নহয়। ইতিহাসে মানৰ সমাজৰ অতীতত ঘটি যোৱা ঘটনাসমূহৰ ওপৰত আলোকপাত কৰে কিন্তু সমাজতত্বই সমাজত উদ্ভৱ হোৱা সামাজিক সম্বন্ধসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এজন ইতিহাসবিদে ঘটি যোৱা যুদ্ধ এখনৰ বিষয়ে বর্ণনা কৰোঁতে বিভিন্ন দিশ তথা পৰিস্থিতিৰ ওপৰতো গুৰুত্ব প্রদান কৰে। কিন্তু এজন সমাজতত্ববিদে সামাজিক সম্বন্ধ, সামাজিক পৰিৱর্তন আৰু সমাজৰ বৃহত্তৰ পৰিৱর্তনৰ ওপৰত যুদ্ধৰ প্রভাৱ বিশ্লেষণ কৰে। সমাজতত্ববিদে যুদ্ধ এখন সামাজিক ঘটনা হিচাপে বর্ণনা কৰে। আকৌ ইতিহাসে ঘটি যোৱা ঘটনা সূহৰ ওপৰত গুৰুত্ব আৰোপ কৰে, ইয়াৰ পৰিৱর্তে সমাজতত্বই সাধাৰণ নীতি- নিয়ম সমূহৰ ওপৰত আলোকপাত কৰে। ইমানখিনি পার্থক্য থকা স্বত্ত্বেও কোনেও অস্বীকাৰ কৰিব

নোৱাৰে যে সমাজতত্ব আৰু ইতিহাস ইটো আনটোৰ ওপৰত নির্ভৰশীল আৰু পৰিপূৰক। সেয়েহে জি.ই. হ'ৱার্ড (G.E.Howard) এ কৈছিল যে ইতিহাস হ'ল অতীতৰ সমাজতত্ব আৰু সমাজতত্ব হ'ল বর্তমানৰ ইতিহাস।

২.৪ সমাজতত্ব আৰু ৰাজনীতি বিজ্ঞান

সমাজতত্ব আৰু ৰাজনীতি বিজ্ঞানে ইটোৱে সিটোৰ লগত এটি ওতঃপ্রোত সম্পর্ক ৰক্ষা কৰি চলে। সমাজতত্ব আৰু ৰাজনীতি বিজ্ঞানৰ মাজত পার্থক্য নির্ণয় প্রক্রিয়াটো শেহতীয়াভাৱেহে আৰম্ভ হৈছে। ৰাজনীতি বিজ্ঞানৰ নিজস্ব অধ্যয়নত আইনৰ প্রকৃতি আৰু ব্যৱস্থা, ৰাজনৈতিক প্রতিনিধিত্বৰ পদ্ধতি ইত্যাদিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। কিন্তু শাসন তন্ত্রৰ কিছুমান দিশ বৃহত্তৰ সামাজিক বিষয়বস্তুৰ পৰা পৃথক কৰিব নোৱাৰি। সেয়ে আমি শাসনতন্ত্রক সামাজিক পটভূমিৰ পৰা পৃথক কৰি বুজিব নোৱাৰো। একেদৰে শাসনতন্ত্রক একাষৰীয়া কৰি সমাজখনক সামগ্রিকভাৱে বুজিব পৰা নাযায়। সেয়েহে সমাজতত্ব আৰু ৰাজনীতি বিজ্ঞান এটা আনটোৰ ওপৰত নির্ভৰশীল।

সকলো সামাজিক সমস্যাৰে এটি ৰাজনৈতিক কাৰণ থাকে আৰু সমাজতত্বই ৰাজনৈতিক কাৰণসমূহ জানিবৰ বাবে ৰাজনীতি বিজ্ঞানৰ সহায় লয়। সেয়েহে সমাজতত্ব ৰাজনীতি বিজ্ঞানৰ ওপৰত নির্ভৰশীল। সমাজতত্বই সামাজিক সমস্যা সম্পূর্ণভাৱে অধ্যয়ন কৰাৰ সময়ত শাসনতন্ত্রক একাষৰীয়াকৈ ৰাখিব নোৱাৰে। তদুপৰি এজন সমাজতত্বই ৰাজনীতি বিজ্ঞানৰ সহায় নোলোৱাকৈ ৰাজনৈতিক ঘটনাসমূহ উপলব্ধি কৰাটো অসম্ভৱ। শাসনতন্ত্রই কঢ়িয়াই অনা সামাজিক পৰিৱর্তনসমূহ বুজিবলৈ এজন সমাজতত্ববিদে ৰাজনৈতিক পদ্ধতি আৰু ইয়াৰ পৰিৱর্তনসমূহ উপলব্ধি কৰাটো নিতান্তই প্রয়োজন। গতিকে সমাজতত্বই নিজৰ পৰিসৰ ভালদৰে বুজাবলৈ ৰাজনীতি বিজ্ঞানৰ ওপৰত নির্ভৰশীল হ'ব লগীয়া হয়। এজন সমাজতত্ববিদে যিকোনো এটি ঘটনা, সমস্যা, তথা পৰিৱর্তন উপলব্ধি কৰিবলৈ ইয়াৰ অন্তৰালত থকা ৰাজনীতি অধ্যয়ন কৰাটো অতি জৰুৰী আৰু তেওঁ শাসনতন্ত্রৰ লগত ইয়াৰ সম্বন্ধ বিশ্লেষণ কৰি চোৱা উচিত।

ম'ৰিচ গিনচ্বার্গ (Morris Ginsberg) ৰ মতে, " ঐতিহাসিকভাবে সমাজতত্বৰ মূল শিপাডাল ৰাজনীতি আৰু ইতিহাসৰ দর্শনৰ লগত জড়িত হৈ থাকে।" ৰাজনীতিবিদ যেনে-প্লেটোৰ দ্বাৰা লিখিত 'দ্য ৰিপাব্লিক', এৰিষ্টটলৰ 'দ্য পলিটিক্ছ' আৰু কৌটিল্যৰ 'অর্থশাস্ত্র' এই আটাইবোৰেই সমাজতত্বৰ শিক্ষার্থীসকলক কথাবোৰ বিশদভাৱে বুজাত সহায় কৰে।

ৰাজনীতি বিজ্ঞানো সমাজতত্বৰ ওপৰত নির্ভৰশীল । প্রতিটো ৰাজনৈতিক সমস্যা বা ঘটনা সামাজিক পটভূমিত সংঘটিত হয়। আৰু এই পটভূমিটো পৰীক্ষা কৰিবলৈ তথা বুজিবৰ বাবে আমি দুয়োটাৰে সম্পর্ক সম্পূর্ণভাবে জনা উচিত। সকলো ৰাজনৈতিক সমস্যাৰে এটি সামাজিক কাৰণ থাকে আৰু সমস্যাসমূহ সমাধানৰ বাবে ৰাজনীতি বিজ্ঞানে সমাজতত্বৰ সহায় লয়। প্রতিখন ৰাষ্ট্রই সামাজিক ৰীতি, পৰম্পৰা আৰু প্রমূল্যৰ ওপৰত ভিত্তি কৰি ইয়াৰ আইন প্রস্তুত কৰে। সমাজতাত্বিক পটভূমি অবিহনে ৰাজনীতি বিজ্ঞানৰ অধ্যয়ন আধৰুৱাহৈ ৰ'ব। ৰাজনীতি

বিজ্ঞানী সকল সমাজতত্ববিদৰ গৱেষণাৰ দ্বাৰা বহুলভাবে উপকৃত হয়। কিছুমানে আকৌ ৰাজনীতি বিজ্ঞানক সমাজতত্বৰ এটি শাখা হিচাপে গণ্য কৰে।

সমাজতত্ব আৰু ৰাজনীতি বিজ্ঞানৰ বিষয়বস্তু সমূহ বহুক্ষেত্রত একে যদিও দুয়োৰে দৃষ্টি ভঙ্গীসমূহ পৃথক। উদাহৰণস্বৰূপে, এজন সমাজতত্ববিদে ৰাষ্ট্রক এটি সামাজিক সংস্থা হিচাপে বুজাটো প্রয়োজন। আনহাতে ৰাষ্ট্র সম্পর্কে এজন ৰাজনীতিবিদৰ দৃষ্টিভঙ্গী, ক্ষমতা সম্প্রদায়ৰ চৰম নিয়ন্ত্রণ তথা ৰাজনৈতিক আইনৰ উৎসৰ লগত জড়িত হোৱাটো প্রয়োজনীয়। সমাজতত্ব আৰু ৰাজনীতি বিজ্ঞানৰ মাজৰ পার্থক্য-

- সমাজতত্ব হ'ল সমাজ তথা সামাজিক সম্বন্ধৰ বিজ্ঞান। আনহাতে ৰাজনীতি বিজ্ঞান হ'ল ৰাষ্ট্র আৰু চৰকাৰৰ বিজ্ঞান।
- সমাজতত্ব হ'ল সাধাৰণ বিজ্ঞান কিন্তু ৰাজনীতি বিজ্ঞান হ'ল বিশেষ বিজ্ঞান।
- সমাজতত্বই সংগঠিত, অসংগঠিত আৰু বিশৃংখল সমাজৰ বিষয়ে অধ্যয়ন কৰে । আনহাতে ৰাজনীতি বিজ্ঞানে মাথো সংগঠিত সমাজৰ বিষয়ে অধ্যয়ন কৰে।
- সমাজতত্বয়ে মানুহৰ সামাজিক কার্য্যকলাপৰ বিষয়ে অধ্যয়ন কৰে; কিন্তু ৰাজনীতি বিজ্ঞানে মানুহৰ ৰাজনৈতিক কার্য্যকলাপৰ বিষয়ে অধ্যয়ন কৰে।
- সমাজতত্ব হ'ল নতুন অথবা তৰুণ বিজ্ঞান; কিন্তু ৰাজনীতি বিজ্ঞান হ'ল পুৰণি বিজ্ঞান।
- সমাজতত্বই আনুষ্ঠানিক আৰু অনানুষ্ঠানিক সম্পর্কৰ বিষয়ে অধ্যয়ন কৰে । আনহাতে ৰাজনীতি বিজ্ঞানে মাথো আনুষ্ঠানিক সম্পর্কৰ বিষয়েহে অধ্যয়ন কৰে।
- সমাজতত্বই মানুহৰ সচেতন আৰু অসচেতন কার্য্যকলাপ সমূহৰ বিশ্লেষণ কৰে। আনহাতে ৰাজনীতি বিজ্ঞানে মাথো মানুহৰ সচেতন কার্য্যকলাপ সমূহে বিশ্লেষণ কৰে।
- সমাজতত্ব সকলো ধৰণৰ সংগঠনৰ লগত জড়িত। আনহাতে ৰাজনীতি বিজ্ঞান মাথো ৰাষ্ট্র নামৰ সংগঠনটোৰ সৈতেহে জড়িত।

২.৫ সমাজতত্ব আৰু অর্থনীতি বিজ্ঞান

আমি জানো যে সমাজতত্ব হ'ল সমাজৰ বিজ্ঞান। সামাজিক সম্বন্ধসমূহ বুজোৱাটোৱেই ইয়াৰ মুখ্য উদ্দেশ্য। সমাজতত্বই অর্থনীতি বিজ্ঞানৰ লগত ওতঃপ্রোত সম্পর্ক ৰক্ষা কৰে। কাৰণ অর্থনৈতিক সম্বন্ধসমূহে সমাজৰ কার্য্যকলাপ আৰু সামাজিক সম্পর্ক সমূহত প্রভাৱ বিস্তাৰ কৰে। একেধৰণে, সামাজিক সম্বন্ধসমূহে অর্থনৈতিক সম্বন্ধসমূহক প্রভাৱিত কৰে। সমাজত অর্থনৈতিক প্রক্রিয়াবোৰৰ উন্নতি ঘটাৰ লগে লগে ই মানুহৰ সামাজিক জীৱনত প্রভাৱ পেলাইছে আৰু নিজেও ইয়াৰ দ্বাৰা প্রভাৱিত হৈছে। অর্থনীতিবিদ, যেনে- মেক্স ৱেবাৰ, পাৰেট' (Max weber, Pareto) আৰু স্কানপিটাৰ (Schumpeter)এ যিয়ে অর্থনৈতিক পৰিৱর্তনক সামাজিক পৰিৱর্তনৰ ফলত সংঘটিত পৰিবর্তন বুলি আৰু সামাজিক পটভূমি অবিহনে অর্থনীতি বিজ্ঞান আধৰুৱা বুলি বুজাব পাৰিছিল। সমাজতত্বৰ ক্ষেত্রতো একে কথাই প্রযোজ্য। যেনেদৰে অর্থনৈতিক অনুষ্ঠানসমূহ সমাজৰ এটি অংশ, একেধৰণে সকলোবোৰ সামাজিক পৰিঘটনাতে একোটা

অর্থনৈতিক দিশ জড়িত হৈ থাকে। সেয়েহে সমাজ তথা সামাজিক সম্বন্ধৰ অধ্যয়ন আধৰুৱা হৈ ৰ'ব যদিহে অর্থনৈতিক দৃষ্টিভঙ্গীসমূহ অৱহেলা কৰা হয়। মেক্ আইভেৰ (Maclver) এ সেয়েহে কৈছে যে, "অর্থনৈতিক পৰিঘটনাক সকলো ধৰণৰ সামাজিক আৱশ্যকতা আৰু কার্য্যকলাপে নির্ধাৰিত কৰে। এই পৰিঘটনাই অহৰহ সকলোধৰণৰ সামাজিক আৱশ্যকতা আৰু গতিবিধি পুনৰ নির্ধাৰণ, পুনৰ সৃষ্টি, পুনৰ গঠন আৰু ৰূপান্তৰ কৰি আছে।

মার্ক্স (Marx) এ মতপোষণ কৰে যে অর্থনৈতিক সম্বন্ধই সমাজৰ ভেটি স্থাপন কৰে। তেওঁ অর্থনীতিক সমাজৰ আন্তঃগাঁথনি হিচাপে গণ্য কৰে। ইয়াৰ ওপৰতে সমাজৰ বাকী বিষয়বোৰ নির্ভৰশীল হয়। অর্থনৈতিক কাৰকসমূহে সামাজিক জীৱনত এটি গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। সেয়েহে সমাজতত্ববিদ সকলে অর্থনৈতিক অনুষ্ঠানসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই কাৰণতে স্পেনচাৰ (Spencer), ৱেবাৰ (weber),ডার্খেইম (Durkheim) আৰু অন্যান্য সমাজ বিজ্ঞানীয়ে সামাজিক সম্বন্ধ বুজাবৰ বাবে অর্থনীতিৰ সহায় লৈছে।

ওপৰৰ আলোচনাৰ পৰা আমি ক'ব পাৰো যে, দুয়োটা বিষয়বস্তু এটা আনটোৰ ওপৰত নির্ভৰশীল; ইটোৰ আনটোৰ লগত আন্তঃ সম্পর্ক আছে আৰু এটাই আনটোৰ পৰা সহায় লয়। কিন্তু দুয়োটাৰে মাজত ইমান সাদৃশ্যতা থকা সত্ত্বেও বিভিন্ন বিষয়ত দুয়োটা বিষয় পৰস্পৰৰ পৰা পৃথক। সমাজতত্ব আৰু অর্থনীতি বিজ্ঞানৰ মাজত থকা পার্থক্যসমূহ তলত উল্লেখ কৰা হ'ল।

- সমাজতত্বক সমাজৰ বিজ্ঞান হিচাপে গণ্য কৰা হয়। ই সামাজিক সম্বন্ধসমূহ অধ্যয়ন কৰে। আনহাতে অর্থনীতি হ'ল সম্পত্তি আৰু পছন্দৰ বিজ্ঞান।
- সমাজতত্ব অর্থনীতিৰ তুলনাত এক নতুন বিজ্ঞান। সমাজ শাস্ত্রৰ উৎপত্তি শেহতীয়াকৈ হৈছে। সেয়েহে ইয়াক সর্বকণিষ্ঠ সমাজ বিজ্ঞান বোলে। আনহাতে অর্থনীতিৰ উৎপত্তিৰ ইতিহাস প্রাচীন।
- সমাজতত্ব হ'ল এক বিমূর্ত বিজ্ঞান। আনহাতে, অর্থনীতি বিজ্ঞানৰ প্রকৃতি স্পষ্ট।
- সমাজতত্ব হ'ল সাধাৰণ সমাজ বিজ্ঞান। আনহাতে অর্থনীতি হ'ল এক বিশেষ সমাজ বিজ্ঞান।
- সমাজতত্বই মানুহৰ সামাজিক দিশসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰে। আনহাতে অর্থনীতিয়ে মানুহৰ অর্থনৈতিক দিশসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰে।
- সমাজতত্বই সমাজক অধ্যয়নৰ এটি অংশ হিচাপে গ্রহণ কৰে। আনহাতে অর্থনীতিয়ে মানুহক অধ্যয়নৰ এটি অংশ হিচাপে গ্রহণ কৰে।
- সমাজতত্বৰ আৰু অর্থনীতি বিজ্ঞানৰ পদ্ধতি তথা কৌশলৰ ক্ষেত্রতো পার্থক্য দেখা যায়।

২.৬ সমাজতত্ব আৰু নৃতত্ত্ব বিজ্ঞান

সমাজতত্ব আৰু নৃতত্ত্ব বিজ্ঞানৰ সম্বন্ধ ইমান গভীৰ যে প্রায়ে দুয়োটাকে এটা আনটোৰ সমার্থক আৰু এটা অধ্যয়নৰে দুটা নাম বুলি ধৰা হয়।

'Anthropology' শব্দটো গ্রীক শব্দ 'Anthropos' আৰু 'Logos' শব্দ দুটাৰ পৰা

উৎপত্তি হৈছে। 'Anthropos' ৰ অর্থ হ'ল 'মানুহ' আৰু 'Logos' মানে 'অধ্যয়ন'। সেয়েহে ইয়াৰ বুৎপত্তিগত অর্থ হ'ল মানুহৰ অধ্যয়ন , অর্থাৎ নৃতত্ব বিজ্ঞান হ'ল মানৱ প্রজাতিৰ বিকাশৰ অধ্যয়ন। নৃতত্ব বিজ্ঞানৰ পৰিসৰ বহল। নৃতত্ব বিজ্ঞানে মানুহৰ শাৰীৰিক তথা সামাজিক দুয়োটা দিশৰ অধ্যয়নক সামৰি লয়।

নৃতত্ব বিজ্ঞানে মানুহ আৰু মানৱ সংস্কৃতিৰ ঐতিহাসিক বিকাশৰ অধ্যয়ন ওপৰত গুৰুত্ব আৰোপ কৰে। আনহাতে সমাজতত্বই বর্তমানত ঘটা ঘটনাসমূহৰ ভিত্তিত একেবোৰ পৰিঘটনা অধ্যয়ন কৰে। নৃতত্ব বিজ্ঞাননে যোগান ধৰা সমলৰ ওপৰত সমাজতত্ব নির্ভৰশীল। দৰাচলতে সমাজতত্বৰ ঐতিহাসিক অংশসমূহ সাংস্কৃতিক নৃতত্ব বিজ্ঞানৰ দৰে একে। সমাজতত্বৰ অধ্যয়নত নৃতত্ব বিজ্ঞানৰ অৰিহণা অতিগভীৰ।

২.৭ সমাজতত্ব আৰু সামাজিক মনোবিজ্ঞান

সামাজিক মনোবিজ্ঞান মানুহৰ মানসিক প্রক্রিয়াৰ লগত জড়িত। ইয়াৰ মুখ্য উদ্দেশ্য হ'ল মানুহৰ মানসিক অৱস্থা অধ্যয়ন কৰা। সামাজিক মনোবিজ্ঞানে মানুহৰ মানসিক অৱস্থাত সামাজিক সমূহৰ আৰু সামাজিক জীৱনৰ প্রভাৱ বিশ্লেষণ কৰে। সেয়েহে সামাজিক মনোবিজ্ঞানত ব্যক্তি আৰু সামাজিক সমূহৰ মন আৰু মানসিক অৱস্থা অধ্যয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। মানুহৰ মানসিক অৱস্থা তথা ইয়াৰ বিকাশ বুজিবলৈ সামাজিক মনোবৈজ্ঞানিকক সমাজতত্ববিদৰ সহায়ৰ প্রয়োজন, কিয়নো মানুহ সামাজিক প্রাণী আৰু মানুহৰ মানসিকতা সামাজিক পটভূমিত বিকশিত হয় আৰু গঢ় লয়। মানুহৰ আচৰণ,মনোভাৱ, কার্য্যকলাপ ইত্যাদিও সমাজে গঢ় দিয়ে। মানুহৰ সংস্কৃতি সামাজিকীকৰণ প্রক্রিয়াৰে গঢ় লয়। সেয়েহে মানৱ প্রকৃতি তথা মানৱআচৰণ বুজিবলৈ সামাজিক মনৌবৈজ্ঞানিকে ব্যক্তি যিখন সমাজৰ সদস্য সেই সমাজখনৰ সামাজিক গাথনি, সংস্থা আৰু সংস্কৃতি অধ্যয়নৰ সহায় লব লগীয়া হয়। সমাজৰ পটভূমি তথা এই পটভূমিয়ে মানৱ জীৱনক কেনেদৰে প্রভাৱিত কৰে সেই বিষয়ে ধাৰণা কৰিবলৈ এজন সমাজ মনোবৈজ্ঞানিকে সমাজতত্ব অধ্যয়ন কৰাটো নিতান্তই আৱশ্যক। তেও সামাজিক পটভূমিক বাদ দিয়াৰ কথা কল্পনা কৰিব নোৱাৰে। এনেকৰিলে তেওঁৰ অধ্যয়ন আধৰুৱা হৈ ৰ'ব। কিম্বলয়াং (Kimball Young) এ সেয়েহে কৈছে যে 'আমি প্রধানকৈ ব্যক্তিৰ আন্তঃক্রিয়াশিলতাৰ ওপৰত গুৰুত্ব দিও যদিও তেনেকুৱা আন্তঃক্রিয়া কেৱল সামাজিক জীৱন আৰু সাংস্কৃতিক দিশ বোৰৰ ওপৰত ভিত্তি কৰিহে বুজা যায়।'

আনহাতে অকল সামাজিক মনোবৈজ্ঞানিকে তেওঁৰ বিশ্লেষণৰ বাবে সমাজতত্ববিদৰ ওপৰতহে যে নির্ভৰশীল তেনে নহয়। সমাজতত্ববিদও সামাজিক মনোবৈজ্ঞানিকৰ ওপৰত নির্ভৰশীল। সামাজিক গঠনৰ পৰিবর্তন বুজাত মনোবৈজ্ঞানিক কাৰক সমূহৰ গুৰুত্বক আওকাণ কৰিব নোৱাৰি। মোটৱানি (Motwani)ৰ মতে, "সামাজিক মনোবিজ্ঞান হ'ল মনোবিজ্ঞান আৰু সমাজতত্বৰ মাজৰ এক যোগসূত্র।" সেয়েহে এইটো স্পষ্ট যে দুয়োটা বিষয়বস্তুৰে ঘনিষ্ঠ সম্পর্ক আছে আৰু এটা আনটোৰ ওপৰত নির্ভৰশীল। দুয়োটা বিষয়ৰ ইমান সাদৃশ্যতা আছে

যে কার্ল পীয়েৰ্চন (Karl Pearson) এ দুয়োটাৰে মাজত থকা পার্থক্যৰ কথা গ্রহণ কৰিব খোজা নাছিল।মেক্ আইভাৰ (Maclver) ৰ মতে, "সমাজতত্বই মনোবিজ্ঞানক বিশেষ সহায় প্রদান কৰে। একেদৰে মনোবিজ্ঞানেও সমাজতত্বক বিশেষ সহায় প্রদান কৰে।"

এতিয়া আমি ধৰি ল'ব পাৰো যে সামাজিক পৰিঘটনাসমূহৰ বিজ্ঞান সন্মত অধ্যয়নৰ এটি মনোবৈজ্ঞানিক আধাৰ থাকিব লাগে আৰু মানৰ প্রকৃতিৰ লগত জড়িত মনোবৈজ্ঞানীক কথাবোৰ অনুমান কৰি নলৈ প্রত্যক্ষ নিৰিক্ষণ আৰু পৰীক্ষাৰ সহায়ত অন্বেষণ কৰা উচিত। মানৰ আচৰণৰ উন্নত জ্ঞানে সমাজতত্বৰ অধ্যয়নক আৰু অধিক বস্তু নিষ্ঠ তথা বাস্তৰ সন্মত কৰি তোলে।

এম.চি ড'গাল (M C Dougall) আৰু ফ্রয়ড (Freud) ৰ মতে সামাজিক জীৱনক সামগ্রীক ভাৱে মনোবৈজ্ঞানিক শক্তিলৈ ৰূপান্তৰিত কৰিব পাৰি। যদি তেনেকুৱা হয় তেন্তে সমাজতত্ব মাথো মনোবিজ্ঞানৰ এটি শাখা হিচাপে ৰয় যাব। ই কোনোপধ্যে অধ্যয়নৰ এটি সম্পূর্ণ শাখা হিচাপে বিবেচিত নহ'ব। আনহাতে তেখেতসকলৰ মন্তব্যও গ্রহণযোগ্য নহয় কিয়নো মানুহৰ সামাজিক ব্যৱহাৰ, প্রভাৱ, গঠন কেৱল মনোবৈজ্ঞানিক উপাদানেৰে গঠিত, প্রভাবিত অথবা নিয়ন্ত্রিত নহয়। অর্থনৈতিক, ভৌগোলিক তথা ৰাজনৈতিক উপাদানসমূহেও মানুহৰ সামাজিক আচৰণত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। এই উপাদানসমূহে মানুহৰ সামাজিক আচৰণ তথা সম্বন্ধত গুৰুত্বপূর্ণ প্রভাৱ পেলাই। সেয়েহে মানৰ আচৰণ কেৱল মাথো মনোবৈজ্ঞানিক উপাদানসমূহেৰে গঠিত বুলি বুজাব খোজাটো ভুল হ'ব আৰু সামাজিক জীৱন কেৱল মাথো মনোবৈজ্ঞানিক পদ্ধতিৰে অধ্যয়ন আৰু বিশ্লেষণ কৰাটো সম্ভৱ নহয়। সামাজিক মনোবিজ্ঞান আৰু সমাজতত্বৰ পাৰস্পৰিক নির্ভৰশীলতাই এইটো নুবুজায় যে এটা আনটো শাখাৰ সৈতে এক অথবা এটা আনটো শাখাৰ সদৃশ।

ওপৰৰ আলোচনাৰ পৰা আমি জানিব পাৰিলো যে সমাজতত্বআৰু সামাজিক মনোবিজ্ঞানে এটি ঘনিষ্ঠ সম্পর্ক ৰক্ষা কৰি চলে। দুয়োৰে মাজত সাদৃশ্যতা থকাৰ লগতে কেইটামান পার্থক্যও নথকা নহয়। দুয়োটাৰে মাজত থকা পার্থক্যসমূহ এনেধৰণৰ-

- সমাজতত্ব হ'ল সমাজৰ সামগ্রিক অধ্যয়ন। আনহাতে সামাজিক মনোবিজ্ঞান হ'ল ব্যক্তিগত তথা দলীয় আন্তঃক্রিয়া অধ্যয়ন কৰা বিজ্ঞান। সামাজিক মনোবিজ্ঞানে বিশেষ ভাবে মানুহৰ মানসিক অৱস্থাৰ ওপৰত দলীয় আন্তঃক্রিয়াৰ প্রভাৱ অধ্যয়ন কৰে। ব'গাৰ্ডাচ (Bogardus) এ লিখিছে যে "মনোবিজ্ঞানে মানসিক প্রক্রিয়া বর্ণনা কৰাৰ দৰে সমাজতত্ত্বই সামাজিক প্রক্রিয়া বর্ণনা কৰে।"
- সমাজতত্বই সামাজিক সংগঠন সমূহৰ, সমূহবোৰৰ প্রধান মূল্যবোধ সমুহ আৰু বিভিন্ন ধৰণৰ সাংগঠনিক আচৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। সামাজ মনোবিজ্ঞানে ব্যক্তিক দলৰ সদস্য হিচাপে অধ্যয়ন কৰে।
- ব্যক্তি হ'ল সামাজিক মনোবিজ্ঞানৰ বিশ্লেষণৰ বিষয়বস্তু। কিন্তু সমাজতত্ববিদৰ বাবে সামাজিক দল তথা সামাজিক সম্বন্ধ সমূহ হ'ল অধ্যয়নৰ প্রধান বিষয়। ক্লাইনবার্গ

(Klineberg) ৰ মতে "সমাজতত্ববিদৰ প্ৰধান অধ্যয়নৰ বিষয় হ'ল সমূহগত আচৰণ। আনহাতে সামাজিক মনোবৈজ্ঞানিকৰ অধ্যয়নৰ প্ৰধান বিষয় হ'ল দলীয় পৰিস্থিতিত মানুহে কৰা আচৰণ।"

- সামাজিক জীৱনক সমাজতত্ববিদে আৰু সামাজিক মনোবিজ্ঞানীয়ে বিভিন্ন দিশৰ পৰা অধ্যয়ন কৰি চায়। সমাজতত্ববিদে সমাজক সম্পদায়ৰ দৃষ্টিৰে অধ্যয়ন কৰে। আনহাতে সামাজিক মনোবিজ্ঞানীয়ে মনোবৈজ্ঞানিক দৃষ্টিভঙ্গীৰে সমাজৰ অধ্যয়ন কৰে।



আগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ৰঃ সমাজতত্ব আৰু ইতিহাসৰ মাজত কি পাৰ্থক্য?

.....

.....

.....

প্ৰশ্ন নং চঃ Anthropology শব্দটো কোনটো শব্দৰ পৰা উৎপত্তি হৈছে?

.....

.....

প্ৰশ্ন নং ংঃ সমাজ মনোবিজ্ঞানৰ বিষয়বস্তু কি?

.....

.....

প্ৰশ্ন নং ছঃ কেৱল মনোবৈজ্ঞানিক উপাদান সমূহে মানৱ আচৰণ নিৰ্ধাৰণ কৰেনে?

.....

.....



২.৮ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

- সমাজতত্ব হ'ল সমাজৰ বিজ্ঞান। কিন্তু মানৱ সমাজ জটিল বাবে সমাজ বিজ্ঞাননে অকলে ইয়াৰ পৰিসৰ বুজাব নোৱাৰে।
- সমাজৰ বিষয়ে সম্পূৰ্ণ জ্ঞান লাভ কৰিবলৈ সমাজতত্বই অন্য বিষয়বস্তুৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয় । যেনে- ৰাজনীতি বিজ্ঞান, ইতিহাস আৰু নৃতত্ব বিজ্ঞান ইত্যাদি।
- আমি জানো যে ইতিহাস হ'ল অতীতৰ তথ্য সংগ্ৰহ।
- ইতিহাসে বিশেষভাবে অতীতৰ বিভিন্ন বিষয়বস্তু, ঘটনা, দৃশ্য আদি বৰ্ণনা কৰে।
- সমাজতত্বই সমাজৰ ঐতিহাসিক উন্নতিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। কিয় আৰু

কেনেকৈ মানৰ সমাজ আৰু সামাজিক সম্বন্ধসমূহৰ উৎপত্তি তথা পৰিৱৰ্তন হয় সমাজতত্বই তাৰ ওপৰত আলোকপাত কৰে।

- ইতিহাসে মানৰ ঘটনাসমূহ সময়ৰ লগত সংগতি ৰাখি নিৰীক্ষণ কৰে । কিন্তু সমাজতত্বই সামাজিক সম্বন্ধসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰে।
- সমাজতত্বই ৰাজনীতি বিজ্ঞানৰ লগত এটি ঘনিষ্ঠ সম্পর্ক ৰক্ষা কৰি চলে।
- আমি শাসনতন্ত্রক সামাজিক পটভূমিৰ পৰা বিচ্ছিন্নভাৱে বুজিব নোৱাৰো আৰু সমাজৰো সামগ্রীক ৰূপটো শাসনতন্ত্রৰ পৰা আঁতৰাই বুজিব নোৱাৰো। সমাজতত্ব আৰু ৰাজনীতি বিজ্ঞানে বহুক্ষেত্রত ইটো আনটোৰ ওপৰত নির্ভৰশীল হ'ব লগিয়া হয়।
- বহুক্ষেত্রত সমাজতত্ব আৰু ৰাজনীতি বিজ্ঞানৰ বিষয়বস্তু সমূহ একে হয় যদিও সেইবোৰ ব্যৱহাৰ কৰাৰ পদ্ধতি পৃথক পৃথক।
- সমাজতত্বই অর্থনীতি বিজ্ঞানৰ লগত এটা ঘনিষ্ঠ সম্পর্ক ৰক্ষা কৰি চলে। অর্থনৈতিক সম্বন্ধসমূহৰ সামাজিক কার্য্যকলাপৰ লগত ওতঃপ্রোত সম্পর্ক আছে। আনহাতে সামাজিক সম্বন্ধসমূহে অর্থনৈতিক সম্বন্ধসমূহৰ ওপৰত প্রভাৱ পেলায়।
- নৃতত্ব বিজ্ঞানে সম্পূর্ণভাৱে মানুহ তথা মানৰ সভ্যতাৰ অধ্যয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰে। আনহাতে সমাজতত্বই একেবোৰ পৰি ঘটনাকে বর্তমান সংঘটন হিচাপে অধ্যয়ন কৰে।
- সামাজিক মনোবিজ্ঞানে সামাজিক প্রাণী হিচাপে মানুহৰ মানসিক প্রক্রিয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰে। সামাজিক মনোবিজ্ঞানৰ কেন্দ্রিয় বিষয় হ'ল মানুহৰ মানসিক অৱস্থা।
- মানুহৰ মানসিক অৱস্থা আৰু ইয়াৰ উন্নতিৰ বিষয়ে বুজিবলৈ সামাজ মনোবৈজ্ঞানিকক সমাজতত্ববিদৰ সহায়ৰ প্রয়োজন হয় । কিয়নো মানুহ সমাজত বসবাস কৰে আৰু মানুহৰ মানসিকতা সামাজিক পটভূমিত গঢ়লৈ উঠে।
- সমাজতত্ববিদেও সামাজিক মনোবৈজ্ঞানিকৰ ওপৰত নির্ভৰশীল হ'ব লগীয়া হয়। মনোবৈজ্ঞানিক কাৰক মূহক আওকাণ কৰি সামাজিক গাঁঠনিৰ পৰিবর্তন বুজাটো অসম্ভৱ।



২.৯ অধিক জানিবলৈ

ৰ) Gisbert.P (2010) "Fundamentals of Sociology"; Orient Black Swan; New Delhi.

চ) Kumar. A (2003) "Sociology Basic Concepts"; Swarup and Sons; New Delhi.



২.১০ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰঃ ইতিহাসে মানৱ ঘটনাসমূহ সময়ৰ লগত সঙ্গতি ৰাখি দেখুৱায়। কিন্তু সমাজতত্বই ঘটনাবোৰৰ সৈতে উৎপত্তি হোৱা সামাজিক সম্বন্ধসমূহ বুজিবলৈ চেষ্টা কৰে। আকৌ ইতিহাস কিছুমানৰ লগত জড়িত। আনহাতে সমাজতত্বই সমাজৰ সাধাৰণ নীতি-নিয়ম অধ্যয়ন কৰে।

২নং প্রশ্নৰ উত্তৰঃ Anthropology শব্দটো গ্রীক শব্দ 'Anthropos' শব্দটোৰ পৰা উৎপত্তি হৈছে। 'Anthropos' ৰ অর্থ হ'ল 'মানুহ' আৰু 'Logos' মানে 'অধ্যয়ন'।

৩নং প্রশ্নৰ উত্তৰঃ সামাজিক মনোবিজ্ঞানে সামাজিক প্রাণী হিচাপে মানুহৰ মানসিক প্রক্রিয়াৰ অধ্যয়ন কৰে। সমাজ মনোবিজ্ঞানে বিশেষ ভাবে দলগত জীৱনে ব্যক্তিৰ মানসিক উন্নতিৰ ওপৰত কেনে প্রভাৱ পেলায় আৰু দলত ব্যক্তিগত মনেকেনে প্রভাৱ পেলায়, দলবোৰৰ নিজৰ মাজতে সৃষ্টি হোৱা মানসিক জীৱন আৰু পাৰস্পৰিক সম্বন্ধৰ বিকাশ অধ্যয়ন কৰে।

৪নং প্রশ্নৰ উত্তৰঃ ব্যক্তিৰ সামাজিক আচৰণক কেৱল মনোবৈজ্ঞানিক কাৰকেই প্রভাৱিত নকৰে। অর্থনৈতিক, ভৌগলিক, ৰাজনৈতিক আদি কাৰকেও মানুহৰ সামাজিক আচৰণ গঠনত বিশেষ ভূমিকা পালন কৰে।



২.১১ আৰ্হি প্রশ্ন

ক) **চুটি প্রশ্ন** (**ৰপ্তত্ত্ব** শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন **ৰঃ** সমাজতত্বৰ বিষয়বস্তু কি?

প্রশ্ন **চঃ** নৃতত্ব বিজ্ঞানে কি অধ্যয়ন কৰে?

প্রশ্ন**্ঃ** ৰাজনীতি বিজ্ঞান আৰু সমাজতত্বৰ মাজত কি পার্থক্য আছে?

প্রশ্ন **চ্ছ্রঃ** সমাজতত্ব আৰু অর্থনীতি বিজ্ঞানৰ মাজৰ পার্থক্য নিৰূপণ কৰক।

খ) **ৰচনাধর্মী প্রশ্ন** (**ত্ত্বত্ত্ব-প্তত্ত্বত্ত্ব** শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন **ৰঃ** সমাজতত্ব আৰু ইতিহাসৰ মাজত থকা সম্বন্ধসমূহ বর্ণনা কৰক।

প্রশ্ন **চঃ** সমাজতত্ব আৰু সামাজিক মনোবিজ্ঞানৰ মাজত থকা সম্বন্ধসমূহ বর্ণনা কৰক।

প্রশ্ন**্ঃ** ' সমাজতত্বই অন্য সামাজিক বিজ্ঞানৰ লগতো সম্পর্ক ৰক্ষা কৰি চলে''উক্তিটো বহলাই বুজাই লিখক।

*** ***** ***

অধ্যায় ৩ ঃ প্ৰাথমিক অৱধাৰণা-I

অধ্যায় গাঁথনি

৩.০ ৰ উদ্দেশ্য

৩.০ চ পৰিচয়

৩.০.১ সমাজ ঃ অর্থ আৰু সংজ্ঞা

৩.০.১.ৰ সমাজৰ বৈশিষ্ট্যসমূহ

৩.০.১.চ মানৱ সমাজ আৰু অমানৱ সমাজৰ পার্থক্য

৩.০.ছ্ৰ সম্প্রদায়ৰ অৱধাৰণা

৩.০.ছ্ৰ.ৰ অর্থ আৰু সংজ্ঞা

৩.০.ছ্ৰ.চ সম্প্রদায়ৰ উপাদান

৩.০.ছ্ৰ.১ সমাজ আৰু সম্প্রদায়ৰ প্রভেদ

৩.০.প্ত সংস্থাৰ অৱধাৰণা

৩.০.প্ত.ৰ অর্থ আৰু সংজ্ঞা

৩.০.প্ত.চ বৈশিষ্ট্যসমূহ

৩.০.প্ত.১ প্রকাৰসমূহ

৩.০.ছ সমিতিৰ অৱধাৰণা

৩.০.ছ.ৰ অর্থ আৰু সংজ্ঞা

৩.০.ছ.চ বৈশিষ্ট্যসমূহ

৩.০.জ্ঞ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.০.জ্ঞ্ব অধিক জানিবলৈ

৩.০.জ্ঞা অগ্রগতিৰ খতিয়ান

৩.০.ৰজ্ঞ আর্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়নৰ কৰি আপুনি—

- সমাজৰ অর্থ আৰু বৈশিষ্ট্যসমূহ বুজিবলৈ সমর্থ হ'ব
- সম্প্রদায়ৰ ধাৰণা বুজিব পাৰিব
- সমাজ আৰু সম্প্রদায়ৰ পার্থক্য উলিয়াব পাৰিব
- সংস্থাৰ ধাৰণা আৰু অর্থ ব্যাখ্যা কৰিব পাৰিব
- সমিতিৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিব।

৩.২ পৰিচয়

সমাজশাস্ত্ৰত সমাজৰ অধ্যয়নে বিশেষ প্ৰাধান্য লাভ কৰে। ই সামাজিক বাতাৱৰণত মানৱৰ সামাজিক আচৰণকে প্ৰতিভাত কৰে। সমাজেই সামাজিক বাতাৱৰণৰ সৃষ্টি কৰে আৰু নিৰ্দিষ্ট পৰিসীমাৰ ভিতৰত ই সীমিত থাকে। মানুহ সামাজিক জীৱ। ব্যক্তিয়ে অন্যান্য বহু ব্যক্তিৰ সতে সমাজত সহাৱস্থান কৰি থাকে। পৰবৰ্ত্তী অনুচ্ছেদত আমি এই বিষয়ে আলোচনা কৰিম। মানুহ সমাজপ্ৰিয় প্ৰাণী - গ্ৰীক মনিষী এৰিষ্টটলে দাঙি ধৰা এই মহাসত্যৰ প্ৰতিফলন স্বৰূপে মানুহে আজিও সমাজপাতি বাস কৰিছে। মানুহে সদায় অন্য এজনৰ সঙ্গীৰূপে বাস কৰিবলৈ শিকিছে। দৰাচলতে মানুহ আৰু সমাজ দুয়োটাই অভিন্ন। সমাজে আমাৰ জীৱনবোৰ জীয়াই থাকিবৰ বাবে উপযোগী কৰি তোলে। এজন ব্যক্তিক এখন সমাজেই ব্যক্তিত্ব সম্পন্ন লোক হিচাপে গঢ়ি তোলে। অতি প্ৰাচীন কালৰে পৰাই সমাজ বিভিন্ন চিন্তাবিদৰ আলোচ্য বিষয়ৰূপে পৰিগণিত হৈ পৰিছে। অৱশ্যে 'সমাজ' সন্দৰ্ভত বিজ্ঞানসন্মত অনুসন্ধানৰ পথ মুকলি কৰে দাৰ্শনিক চেইণ্ট চিমনেহে আৰু এই অনুসন্ধানৰ ফলশ্ৰুতিত জন্ম হয় এক নতুন সমাজবিজ্ঞান সমাজতত্ত্বৰ। এই অধ্যায়ত আমি সমাজ, সম্প্ৰদায়, সংস্থা, সমিতি, সমূহ, আদি অৱধাৰণাবোৰৰ বিষয়ে চমুকৈ আলোচনা কৰিম।

৩.৪ সমাজ ঃ অর্থ আৰু সংজ্ঞা

বিভিন্নজন সমাজবিজ্ঞানীয়ে সমাজতত্ব সম্পৰ্কত বিভিন্ন ধৰণৰ সংজ্ঞা ডাঙি ধৰিছে। তাৰে কেইটিমান সংজ্ঞা আমি ইয়াত আলোচনা কৰিম। সমাজ বিজ্ঞানী গিন্‌চবাৰ্গৰ মতে "*এখন সমাজ কিছুমান নিৰ্দিষ্ট সম্পৰ্ক আৰু আচৰণ বিধিৰ বান্ধোনেৰে বন্ধা ব্যক্তি বিশেষৰ সমষ্টি মাত্ৰ। এই সমষ্টি আৰু আচৰণ বিধিয়ে ইয়াৰ সৈতেসম্বন্ধিত নোহোৱা সকলৰ পৰা সমাজক চিহ্নিত কৰে।*" আনহাতে মেকাইভাৰৰ মতে ঃ *"সমাজ হ'ল সামাজিক সম্পৰ্কৰ এক জালগোঠনি স্বৰূপ, যি সততে পৰিবৰ্ত্তনশীল।"*

এতিয়া আমি এই সংজ্ঞাসমূহ আলোচনা কৰিম ঃ-

সমাজ শব্দটোৰ ইংৰাজী প্ৰতিশব্দ Society ৰ উদ্ভৱ হৈছে লেটিন শব্দ "Socius "ৰ পৰা, যাৰ অর্থ হ'ল সাহচর্য্য বা বন্ধুত্ব। যেনেকৈ বন্ধুৰ মাজত এক পাৰস্পৰিক সম্বন্ধ বর্ত্তি থাকে, ঠিক তেনেকৈ সন্তান আৰু পিতৃ-মাতৃৰ মাজতো এক ধৰণৰ সম্বন্ধ থাকে ; একেদৰে শিক্ষক আৰু ছাত্ৰ, গ্ৰাহক আৰু বিক্ৰেতা, শাসক আৰু শাসিত, দেশ আৰু নাগৰিক সকলৰ মাজতো বর্ত্তি থাকে একো একো প্ৰকাৰৰ সম্পৰ্ক। এনে ধৰণে বিভিন্ন স্তৰত, বিভিন্ন জনৰ মাজত ভিন ভিন প্ৰকাৰৰ সম্পৰ্ক বর্ত্তি থাকিব পাৰে। সেয়ে আমাৰ আশে পাশে থকা বিভিন্নজনৰ সৈতেও আমাৰ ভিন ভিন প্ৰকাৰৰ সম্পৰ্ক থাকিব পাৰে। আপোনাৰো হয়তো এনেদৰে প্ৰতিনিয়ত বিভিন্নজনৰ সতে কথা-বতৰা হৈছে, দেখা সাক্ষাৎ ঘটিছে, অথবা সম্বন্ধও স্থাপন হৈছে। ইয়াৰ ভিতৰত মূল কথাটো হ'ল সেই সকলো সম্বন্ধই হ'ল আচৰণ ভিত্তিক। আচৰণৰ আদান-প্ৰদান ঘটিলেও ই সত্য যে,

ভিন ভিন সম্পৰ্ক আৰু সম্বন্ধৰ আধাৰত আচৰণৰ বিধিও বেলেগ বেলেগ হব পাৰে আৰু বিশেষ কিছুমান নীতি নিয়ম সামাজিক আচৰণ বিধিৰ আধাৰতেই মানুহে মানি চলিব লাগে। পাৰস্পৰিক বুজাপৰাও ইয়াৰ ভিত্তিতেই সম্ভৱ হয়।

এনেভাৱেই যেতিয়া বহুজন ব্যক্তিৰ মাজত বিভিন্ন ভাৱে, বিভিন্ন স্তৰত সামাজিক সম্পৰ্ক সমূহ গঢ় লয়, সকলো মানুহ সংগঠিত হৈ একোটা গোটৰ সৃষ্টি হয়। সকলো মানুহ তেতিয়া সেই বিশেষ সামাজিক গোটৰো সদস্য হৈ পৰে। ব্যক্তিৰ সতে ব্যক্তিৰ সম্বন্ধ থকাৰ দৰেই গোটসমূহৰ মাজতো পাৰস্পৰিক ভাৱে সম্পৰ্ক বৰ্ত্তি থাকিব পাৰে। ই স্বাভাৱিক যে সেই সমূহ ব্যক্তিআৰু গোটে নিজৰ ভিতৰত পাৰস্পৰিক সম্পৰ্ক ৰক্ষা কৰি চলে। নির্দিষ্ট কিছুমান আচৰণ বিধি এই ক্ষেত্ৰত অনুসৰণ কৰা হয়। গোটবোৰৰ দ্বাৰাই বৃহত্তৰ গোটৰো জন্ম হয়। একেই আচৰণ বিধি তেতিয়া আটাইবে বাবে প্ৰযোজ্য হৈ পৰে। এনে বৃহত্তৰ গোটবোৰকেই তেতিয়া সমাজ আখ্যা দিয়া হয়। সমাজত সেয়ে সৰু সৰু বহুবোৰ গোট স্বাভাৱিকতে বৰ্ত্তি থাকে।

এখন সমাজত এনে সম্বন্ধবোৰ সততে স্থায়ী আৰু দীৰ্ঘসূত্ৰী হয়। সেয়ে সমাজখন হল এক দীৰ্ঘস্থায়ী সামাজিক গোট।



চিন্তা-চৰ্চা কৰক ৲.ৰ

আপুনি নিজকে আপোনাৰ সমাজৰ এজন সদস্য বুলি ভাবেনে? কাৰণ দৰ্শাওক।

.....

.....

.....

সমাজ সম্পৰ্কে আপুনি নিজৰ ভাষাৰে চমুকৈ ব্যাখ্যা কৰক।

.....

.....

.....

আমি ইতিমধ্যে জানিলো যে--

- সমাজ হ'ল বহুতো সৰু সৰু গোটৰ সমষ্টি এক বৃহত্তৰ গোট।
- ব্যক্তি আৰু গোট সমূহৰ ভিতৰত আন্তঃ ক্ৰিয়া চলি থাকে।
- সিহঁতে কিছুমান একেধৰণৰ নিয়মও আচৰণ মানি চলে।
- সিহঁত আটাইবে মাজত সামাজিক সম্পৰ্ক বৰ্ত্তি থাকে।
- সকলো ব্যক্তি আৰু গোটসমূহে নিজকে সমাজ খনৰ সদস্য জ্ঞান কৰে।
- সমাজ দীৰ্ঘস্থায়ী।

৩.৩.১ বৈশিষ্ট্যসমূহ

এতিয়ালৈকে আমি সমাজ শব্দটোৰ মূল অর্থ আৰু ইয়াৰ কিছুমান মৌলিক বৈশিষ্ট্য সম্পর্কে আলোচনা কৰিলোঁ। সমাজৰ আৰু কিছুমান বৈশিষ্ট্য আছে। এতিয়া আমি এই বিষয়ে জানিবলৈ চেষ্টা কৰিম।

- **সমাজ ব্যক্তি আৰু গোটৰ সমষ্টি ঃ** সমাজ এক বৃহৎ গোট। ইয়াৰ ক্ষুদ্র এককটো হ'ল ব্যক্তি। ব্যক্তিয়েই একোটাহঁত গোট সংগঠিত কৰে। সমাজত এনেদৰে ব্যক্তি আৰু গোটসমূহ অন্তর্ভুক্ত হৈ থাকে।
- **সামাজিক সম্বন্ধ বা সম্পর্ক ঃ** আমি ইতিমধ্যে সামাজিক সম্পর্কনো কি আৰু কিদৰে সামাজিক সম্পর্কৰ জৰিয়তে এখন সমাজ গঢ় লয়, সেই বিষয়ে আলোচনা কৰিছো। এতিয়া আমি শিকিম, কেনেকৈনো ব্যক্তিয়ে সামাজিক সম্পর্কৰ জাল গোঠনিৰে সংগঠিত হৈ থাকে। তেনেদৰে সামাজিক সম্পর্কৰ জালগোঠনিৰ ভিতৰতে সমাজৰ বিভিন্ন গোট সমূহো স্বাভাৱিকতে সংগঠিত হৈ থাকে। ঠিক যেন এখন মকৰা জালৰ দৰে এই জাল গোঠনিৰ প্রক্রিয়াটো। জালৰ দৰে ই প্রত্যেকজন ব্যক্তিকে আৰু প্রত্যেকটো গোটকেই ইটোক আনটোৰ সৈতে যুক্ত কৰি ৰাখে; প্রায় সকলো দিশেৰেই পৰস্পৰে পৰস্পৰৰ সৈতে সাঙুৰ খাই থাকে।
- **সামাজিক আন্তঃ ক্রিয়া ঃ** সামাজিক সম্পর্কৰ ভিতৰতেই আন্তঃ ক্রিয়াও ঘটি থাকে। আন্তঃ ক্রিয়া হ'ল এজন ব্যক্তিয়ে কোনো কার্য্য বা ক্রিয়া কৰে আৰু আনজন ব্যক্তিয়ে সেই ক্রিয়াৰেই প্রতিক্রিয়া দেখুৱায়। আপুনি যেতিয়া দোকানত কোনো এবিধ বস্তু কিনে, তেতিয়া ক্রিয়া ৰূপত সেই কিনি লোৱা বস্তুবিধৰ দামটো দোকানীজনক পৰিশোধ কৰে। প্রতিক্রিয়াৰ ৰূপত তেতিয়া দোকানীজনেও আপোনাক সেই একেবিধ বস্তু বিক্রি কৰে। সমাজৰ নিয়মানুযায়ী এয়ে হ'ল, আন্তঃ ক্রিয়া। সাধাৰণ সামাজিক নিয়মানুসাৰে আপোনাৰ লগতে সমাজৰ আনসকলেও উক্ত ধৰণে নিয়ম মানি চলি সেইমতে আচৰণ কৰে। এনেভাৱে সমাজত বস্তুকিনা গ্রাহকজন আৰু বস্তুবেচা দোকানীজনৰ মাজত এক সামাজিক সম্পর্কও ৰক্ষা হয়। সামাজিক সম্পর্ক সেয়ে দুমুখীয়া যাতায়তৰেই লেখীয়া।
- **পাৰস্পৰিক সতর্কীকৰণ ঃ** ইয়াৰ অর্থ হ'ল, প্রত্যেকজন ব্যক্তিয়েই সতর্ক হব লাগিব যে, তেওঁৰ দৰেই সমাজত আৰু অন্যান্য ব্যক্তি আছে আৰু তেওঁৰ প্রতিটো কর্মৰেই আনৰ ওপৰত প্রভাৱ থাকিব পাৰে। সেইদৰেই অন্যজনৰ বা আন ব্যক্তি সকলৰ কর্মৰো প্রভাৱ আপোনাৰ ওপৰতো স্বাভাৱিকতেই পৰিব। সেয়ে, পাৰস্পৰিক বুজাপৰাৰ মাজেৰে আমি উভয়পক্ষই চলিব লগীয়া হয়। এনে পাৰস্পৰিক বুজাপৰাৰ দ্বাৰাই সামাজিক সম্পর্কই গঢ় লৈ উঠে।

- **সমাজে সামাজিক প্ৰয়োজন সমূহ পূৰণ কৰে ঃ** প্ৰত্যেকজন ব্যক্তিৰেই খাদ্য, বস্ত্ৰ, আশ্ৰয়, মৰম, আবেগ - অনুভূতি, বন্ধুত্ব আদি কৰি কিছুমান ব্যক্তিগত প্ৰয়োজনো থাকে। অধিকাংশ এনে প্ৰয়োজন তেতিয়াহে ভালদৰে পূৰ্ণ হয়, যেতিয়া মানুহে পৰস্পৰে একেলগে বাসকৰে আৰু একেলগে কাম কৰে। ঘৰ এটা সজাৰ উদাহৰণ দিলেই বুজিব পৰা যায় যে ঘৰটো সজাৰ সময়তো মানুহে বহুজনৰ পৰা বহুধৰণে সহায় লব লগীয়া হয়। সেয়ে আমি পৰস্পৰে পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল। এয়ে আমাৰ সামাজিক প্ৰয়োজন। সমাজে আমাৰ সামাজিক প্ৰয়োজন সমূহো পূৰ্ণ কৰে। আমি সেয়ে আমাৰ পাৰস্পৰিক নিৰ্ভৰশীলতা ৰক্ষা কৰি চলিব লগা হয়। ইয়াৰ অন্যথা সমাজ বৰ্ত্তি থাকিব নোৱাৰে।



জানি থওঁ আহক

আধুনিক যুগটোত আমি জানো যে কৃষক সকলে শস্য উৎপাদন কৰে, সেই শস্যকে বজাৰত বিক্ৰী কৰে আৰু তেনেকৈ তেওঁলোকে জীৱন নিৰ্বাহ কৰে। পাইকাৰী গ্ৰাহকে সেই শস্য ক্ৰয় কৰি লৈ, খুচুৰা বিক্ৰেতাক বজাৰত বিক্ৰি কৰে। আমি খুচুৰা বিক্ৰেতাৰ পৰা সেই শস্যকে আমাৰ খাদ্যৰূপে কিনি লওঁ। এনেদৰে খুচুৰা বিক্ৰেতাই নিজে জীৱন নিৰ্বাহ কৰাৰ লগতে আমিও আমাৰ প্ৰয়োজনৰ খাদ্যসম্ভাৰ এনেকৈয়ে লাভ কৰো। এনেকৈয়ে আমি পৰস্পৰে পৰস্পৰৰ ওপৰত নিৰ্ভৰশীলতাৰ এনাজৰি ডালো ধৰি ৰাখোঁ। শস্য উৎপাদন কৰা বাবেই কৃষকজনৰ ওচৰত, বজাৰত শস্য কিনা বেচা কৰা কাৰণেই পাইকাৰী আৰু খুচুৰা বিক্ৰেতাৰ ওচৰত আমাৰ প্ৰয়োজনীয় খাদ্যসম্ভাৰৰ তাগিদাত আমি নিৰ্ভৰশীল হৈ থাকোঁ। আনহাতে আমাৰ লেখীয়া গ্ৰাহকসকলৰ ওপৰতে নিৰ্ভৰশীল হৈ উৎপাদক তথা কৃষক আৰু বিক্ৰেতাসকলে নিজৰ নিজৰ জীৱন নিৰ্বাহ কৰি চলিব পাৰে। সেয়ে আমি প্ৰত্যক্ষ আৰু পৰোক্ষ উভয় দিশেৰেই পৰস্পৰৰ ওপৰত পৰস্পৰে নিৰ্ভৰশীল হৈ চলি থাকোঁ।

- **ব্যক্তি আৰু গোটসমূহৰ মাজত সহযোগিতা ঃ** সামাজিক সম্পৰ্কৰ ক্ষেত্ৰত আন এটা বিশেষত্ব হ'ল, পাৰস্পৰিক সহযোগিতা। সমাজত বৰ্ত্তি থাকিবলৈ হলে, সমাজৰ অংগস্বৰূপ ব্যক্তি আৰু গোট সমূহৰ মাজতো সুষম সহযোগিতাৰ বিশেষ প্ৰয়োজন হয়। ই অত্যন্ত জৰুৰী।
- **সমাজত সংঘাত ঃ** কম বেছি পৰিমানে সকলোবোৰ সমাজতে সংঘাত থাকিবই। আনকি নিজৰ পৰিয়ালটোৰ ভিতৰতে কেতিয়াবা কোনো কোনো বিষয়ত মতানৈক্য থকাৰ হেতুকে নিজৰ পিতৃ-মাতৃ অথবা নিজৰ সহোদৰ বাই-ভনী, ভাই-ককাইৰ মাজতো মনৰ অমিল ঘটাতো স্বাভাৱিক। এনেকুৱা মতৰ অমিল স্বত্বেও কিন্তু পাৰিবাৰিক সম্পৰ্ক চলি থাকে। সমাজৰ ক্ষেত্ৰতো একেই কথাকে

কব পৰা যায়। সংঘাত থকাটো স্বাভাৱিক বাবেই সংঘাত চলি থকা স্বত্বেও সমাজ বৰ্ত্তি থাকে। সংঘাতে যেতিয়া অত্যন্ত গুৰুতৰ ৰূপ ধাৰণ কৰে তেতিয়া সমাজৰ বন্ধন কিছু শিথিল হৈ পৰে আৰু সমাজৰ পক্ষে ক্ষতিকৰ বুলি প্ৰমাণিত হয়। সেয়ে কোৱা হয় যে, 'সমাজ হ'ল সকলো সংঘাত ৰ উৰ্দ্ধত'। অৰ্থাৎ সামাজিক সংঘাত সামাজিক সম্পৰ্কৰে এক অৱশ্যম্ভাবী দিশ স্বৰূপ।

- **সামাজিক পৃথকীকৰণ ঃ** এখন ঘৰতে আপুনি দেখিবলৈ পায় যে, পিতৃ-মাতৃৰ কৰ্ত্তব্য আৰু অধিকাৰ সমূহৰ সতে সন্তান সকলৰ কৰ্ত্তব্য আৰু অধিকাৰ সমূহৰ মাজত বিস্তৰ প্ৰভেদ থাকে। ই এক স্বাভাৱিক বৈষম্য। নিজ নিজ স্থানত সকলোৱে এক প্ৰকাৰ নিজস্ব কৰ্ত্তব্য আৰু অধিকাৰ ভোগ কৰিবলৈ পায়। এই ক্ষেত্ৰত সন্তানবৰ্গ আৰু অভিভাৱক বৰ্গই ভোগ কৰি থকা অধিকাৰ বা কৰ্ত্তব্যৰ ক্ষেত্ৰসমূহৰ মাজত এক বিস্তৰ পাৰ্থক্য বিদ্যমান। উদাহৰণ স্বৰূপে, এজন চিকিৎসক আৰু এজন ৰোগীৰ স্থানৰ মাজতো পাৰ্থক্য থাকিবই। সমাজ বিদ্যাৰ ভাষাৰে ইয়াক প্ৰস্থিতি বোলা হয়। আমি পৰৱৰ্ত্তী অনুচ্ছেদত এই বিষয়ে বিশদভাৱে আলোচনা কৰিম। ইয়াৰ পৰা এইটো প্ৰতিপন্ন হ'ল যে,- সমাজত বসবাস কৰা বিভিন্ন জনৰ বিভিন্ন প্ৰস্থিতি আছে আৰু সেই প্ৰস্থিতি সমূহৰ মাজত বহুতো পাৰ্থক্যও থাকে। ইয়াকেই বোলা হয়,-সামাজিক পৃথকীকৰণ।
- **সামাজিক নিয়ন্ত্ৰণ ঃ** সমাজ এখন সাৱলীলভাৱে চলি থাকিবলৈ হলে ইয়াত অতি কম পৰিমানেহে সংঘাত সৃষ্টি হব লাগিব। সংঘাত অথবা মতানৈক্য যিমানে কম হয়, সমাজৰ সুস্থতাও সিমানে অটুট থাকিব। সেয়েহে আমি চাব লাগিব যাতে, কোনোৱে সামাজিক নিয়ম অথবা অনুশাসন ভংগ কৰি সংঘাত ৰ সৃষ্টি নকৰে। কাৰণ সংঘাতেই সমস্যাৰো জন্ম দিয়ে। সমাজখন যাতে সুচাৰুৰূপত পৰিচালিত হব পাৰে, সেই কাৰণে সমাজত কিছুমান সামাজিক নিয়ম-নীতি আৰু আচৰণ বিধি আমি প্ৰত্যেকে মানি চলিব লগীয়া হয়। এই সন্দৰ্ভত সামাজিক নিয়ন্ত্ৰণৰো বিশেষ প্ৰয়োজনীয়তা আহি পৰে। পৰিয়ালত যিদৰে জ্যেষ্ঠজনে বা অভিভাৱকে সন্তান সকলক অথবা পৰিয়ালৰ কনিষ্ঠসকলক ভুল কৰিলে, শুধৰাই দিয়ে বা নিয়ন্ত্ৰণ কৰে, সমাজৰ ক্ষেত্ৰতো সামাজিক ভাৱে প্ৰতিষ্ঠিত নিয়ম- কানুন ভংগকাৰী সকলক অত্যাৱশ্যকীয়ভাৱে নিয়ন্ত্ৰণ কৰাৰ প্ৰয়োজন হয়। সমাজ ব্যৱস্থাত সেয়ে আৰক্ষীৰ দৰকাৰ হয়। সামাজিক নিয়ন্ত্ৰণৰ বিভিন্ন উপায়ৰ ভিতৰত ইও অন্যতম।
- **সমাজ গতিশীল ঃ** ইয়াৰ অৰ্থ হ'ল সমাজ প্ৰতিনিয়ত পৰিবৰ্ত্তনশীল। আপুনি বাৰু আপোনাৰ সমাজখনতেই বিগত দশকটোত পৰিবৰ্ত্তন সাধন হোৱাটো মন কৰিছেনে? এনে কোনো সমাজ নাই, যিখন সমাজত পৰিবৰ্ত্তন ঘটা নাই। কোনো সমাজেই স্থিতিশীল নহয়, বা নিশ্চল অথবা স্থবিৰ নহয়। সমাজৰ বুকুত মানুহৰ

যাত্ৰা অব্যাহত আছে আৰু এনেভাৱেই সমাজখনো পৰিবৰ্ত্তনশীলতাৰ মাজেৰেই গতিশীলো হৈ আছে।

- **সংস্কৃতি ঃ** সংস্কৃতিয়েই সমাজৰ জীৱন পদ্ধতি। মানুহে যি বোৰ নিয়ম অনুশাসন গঢ়ি তোলে আৰু অনুসৰণ কৰি চলে, সামাজিক নিয়ন্ত্ৰণ মানি চলে, ভাষা কয়, খাদ্য গ্ৰহণ কৰে, পোছাক পৰিচ্ছদ পৰিধান কৰে, কথা কয় বা চিন্তন-মনন কৰে, ঘৰ-দুৱাৰ সাজি বসবাস কৰে, সেই সকলোবোৰেই হ'ল সামাজিক সংস্কৃতিৰ অংগ স্বৰূপ। চমুকৈ সংস্কৃতি হ'ল, মানুহে সমাজত যি শিকে আৰু যিবোৰ কৰে। প্ৰত্যেক সমাজৰে নিজাকৈ সুকীয়া সংস্কৃতি থাকে।

এইবোৰেই হ'ল সমাজৰ কেতবোৰ বিশেষ বৈশিষ্ট্য। সমাজৰ আন কিছুমান বৈশিষ্ট্যও আছে যদিও, উপৰোক্ত সমূহ হ'ল সমাজৰ মৌলিক বৈশিষ্ট্য ।



চিন্তা-চৰ্চা কৰক ৩.২

আপোনাৰ সমাজখনত আপুনি এনে কোনো বৈশিষ্ট্য মন কৰিছেনে ?

.....

.....

.....

বিগত শতিকাটোত আপুনি আপোনাৰ সমাজত কিবা পৰিবৰ্ত্তন মন কৰিছেনে ? তেনে দুটি পৰিবৰ্ত্তনৰ বিষয়ে উল্লেখ কৰক।

.....

.....

.....



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৰঃ সমাজ (Society) শব্দটো কোনটো প্ৰতিশব্দৰ পৰা উদ্ভৱ হৈছে ?

.....

.....

.....

প্ৰশ্ন নং চঃ সমাজ স্থিতিশীল অথবা নিশ্চল নে ?

.....

.....

.....

৩.৩.২ মানৱ আৰু অমানৱ সমাজৰ পার্থক্য

পৰুৱা, বেবুন, বনমানুহ, হাতী আদি বহুবিধ মানবেতৰ জীৱই নিজ নিজ প্রণালী অনুসৰি পৃথিৱীত সুকীয়াকৈ গোট গোট হৈ বাস কৰি আহিছে। সিবিলাকৰ জীৱন ধাৰণৰো নিজস্ব প্রণালী আছে আৰু সিবিলাকেও প্রণালীবদ্ধভাৱেই সমন্বয় আৰু সহযোগিতা সহকাৰে নিজ নিজ গোট সমূহত বসবাস কৰে। অর্থাৎ, সিহঁতেও সিহঁতৰ নিজস্ব সমাজ একোখনৰেই সদস্যৰূপত বাস কৰিছে। সেয়ে হলেও সিহঁতৰ সমাজ আৰু মানৱ সমাজৰ মাজত বিস্তৰ পার্থক্য বিদ্যমান।

- মানৱ সমাজৰ বিপৰীতে মানৱেতৰ সমাজবোৰ হ'ল স্থবিৰ আৰু নিশ্চল; অর্থাৎ সিবিলাকৰ জীৱন নির্বাহ পদ্ধতিৰ পৰিবর্ত্তন নহয়। হেজাৰ হেজাৰ বছৰৰ আগেয়ে হাতীবোৰে যেনেদৰে বসবাস কৰিছিল, আজিও তেনেদৰেই সিহঁত জীয়াই আছে। কিন্তু কেইবা হেজাৰ বছৰৰ ব্যৱধানত মানৱজাতিয়ে চিকাৰৰ দ্বাৰা খাদ্য সংগ্রহ কৰাৰ জীৱন পদ্ধতি অতিক্রম কৰি, আধুনিক জীৱন যাত্রাত অভ্যস্ত হৈছে; আনকি মহাকাশ যাত্রাও অব্যাহত ৰাখিব পাৰিছে।
- মানুহৰ সংস্কৃতি আছে। আমি আমাৰ পিতৃ-মাতৃ অভিভাৱক, বন্ধুবর্গ পঢ়াশালি অথবা কাষে পাজৰে থকা লোকসকলৰ পৰা সামাজিক নীতি নিয়ম আৰু অনুশাসন বোৰৰ বিষয়ে শিক্ষা লাভ কৰো। একেদৰেই এনে শিক্ষনীয় সকলো বিষয়কেই আমি আকৌ আমাৰ কনিষ্ঠ সকলক অথবা ওচৰে পাজৰে থকা সকলকো শিকাও এনেদৰে শিক্ষা আহৰণৰ ক্ষমতা তথা শিক্ষাদান কৰাৰ ক্ষমতা মানুহৰ থাকে। এনেদৰে আমি আমাৰ বিবেকৰো সহায় লওঁ। জীৱজগতৰ অইন কোনো প্রাণীৰ ক্ষেত্রত বিবেকৰ ক্ষমতা নাথাকে। মানৱেতৰ জীৱই মাত্র *প্রবৃত্তি কহে* অনুসৰণ কৰি চলাৰ ক্ষমতা ৰাখে। কুকুৰে যদি কিবা নতুন কাম কৰিব শিকেও, ই আনক কিন্তু সেইকাম শিকাব নোৱাৰে। মানুহৰ এই ক্ষমতা আছে। সেয়ে মানুহৰ সংস্কৃতি থাকে; কিন্তু মানবেতৰ সমাজত কোনো ধৰণৰ সংস্কৃতি থাকিব নোৱাৰে।

সমাজৰ বিষয়ে অধ্যয়ন কৰি আমি শিকিলো যে ঃ-

- মানুহ এবিধ সামাজিক জীব, যি সমষ্টিগত ভাৱে জীয়াই থাকে। সমাজেই মানৱীয় প্রয়োজন সমূহ পূর্ণ কৰে।
- ইয়ে মানুহক সু-সংগঠিত জীৱন দিয়ে।
- সমাজৰ ভিতৰত থাকিয়েই মানুহে সংস্কৃতিৰ জৰিয়তে অতি সাধাৰণ জীৱন পদ্ধতি অতিক্রম কৰি আহি এক জটিল আৰু আধুনিক জীৱন পদ্ধতি লাভ কৰিবলৈ সমর্থ হৈছে।
- সামাজিক আচৰণ সম্বন্ধেও সমাজত মানুহে শিক্ষা লাভ কৰে।

- ই আমাক শিকায়, কেনেকৈ মানুহে বিভিন্ন প্ৰস্থিতি সহকাৰে জীৱন নিৰ্বাহ কৰে।

আমি জানিলো যে, সামাজিক সম্পৰ্ক হ'ল দীৰ্ঘস্থায়ী।

- প্ৰত্যেক সমাজেই গতিশীল।
- সংস্কৃতি হ'ল মানৱৰ নিজা সম্পদ।
- ই আমাক আমাৰ নিজৰ বিষয়ে জানিবলৈ সক্ষম কৰে।

৩.৪ সম্প্ৰদায়ৰ অৱধাৰণা

সামাজিক সংৰচনাৰ এটি বিশেষ গোট হ'ল সম্প্ৰদায় বা সমুদায়। প্ৰকৃতাৰ্থত সম্প্ৰদায় এটি সামাজিক সমূহ। 'সম্প্ৰদায়' শব্দই উমৈহতীয়া স্বাৰ্থজড়িত আমি ভাৱাপন্ন ব্যক্তিৰ সমষ্টিগত অৱস্থাৰ কথাকে সূচায়। সমাজত সম্প্ৰদায় শব্দটোৰ ব্যৱহাৰ অতি প্ৰাচীন। পূৰ্ববস্থাত সম্প্ৰদায়ে কোনো এডোখৰ নিৰ্দিষ্ট ঠাইত বসবাস কৰা জন সমষ্টিকে বুজাইছিল, যি আৰ্থিক দিশত পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল আছিল। এই দিশৰ পৰা সম্প্ৰদায় এক সংৰচনা স্বৰূপ। কিন্তু পৰিৱৰ্তিত সমাজ ব্যৱস্থাত সম্প্ৰদায়বোৰ সামাজিক সংৰচনাই নহয়, ই এটি প্ৰক্ৰিয়াও।

৩.৪.১ অৰ্থ আৰু সংজ্ঞা

একোটা অঞ্চলত স্থায়ীভাৱে ওচৰা-ওচৰিকৈ বসবাস কৰি থকা জনসংখ্যাক লৈয়েই এটা সম্প্ৰদায় গঠিত হয়। 'আমি ভাৱ', উমৈহতীয়া দৃষ্টিভংগী, উমৈহতীয়া অনুভূতি তথা সমভাবাপন্ন মনোভাৱ হৈছে সম্প্ৰদায়ৰ বিশেষত্ব। সমাজতত্ববিদ মেক আইভাৰ আৰু পেজৰ মতে, *"যেতিয়াই যিকোনো বৃহৎ অথবা সৰু সমূহ এটাৰ সদস্যসকলে এনেধৰণে একে লগে বসবাস কৰে, য'ত তেওঁলোকে অংশগ্ৰহণ কৰোতে এটা ব্যক্তিগত স্বাৰ্থলৈ লক্ষ্য নকৰি এটা উমৈহতীয়া স্বাৰ্থৰে কাম কৰে তাকে আমি সম্প্ৰদায় বুলি অভিহিত কৰিব পাৰো।"* বগাৱদাচ নামৰ সমাজতত্ববিদগৰাকীয়ে প্ৰকাশ কৰিছে যে এটুকুৰা নিৰ্দিষ্ট ভূখণ্ডত 'আমি ভাৱ' ৰ জৰিয়তে একেলগে বাস কৰা এক সামাজিক সমূহেই হৈছে সমুদায় বা সম্প্ৰদায়।

সমাজতত্ববিদসকলৰ সংজ্ঞাৰ পৰা এইটো প্ৰতীয়মান হ'ল যে সম্প্ৰদায়ে এডোখৰ নিৰ্দিষ্ট স্থানত বাস কৰা আদিবাসীকে বুজায়। সমুদায়ৰ সদস্যসকলে এক উমৈহতীয়া স্বাৰ্থৰে কাম কৰি যায়। প্ৰত্যেক সম্প্ৰদায়ৰ মাজত কিছুমান সমিতি আৰু সামাজিক অনুষ্ঠান থাকে, সম্প্ৰদায়বোৰৰ ওপৰত এই সমিতিবোৰৰ যেনে - পঢ়াশালি, নামঘৰ, সমবায় আদিৰ প্ৰভাৱ বিশেষ মন কৰিবলগীয়া। সামাজিক অনুষ্ঠানবোৰে সম্প্ৰদায়ৰ অৰ্থনৈতিক, ৰাজনৈতিক, সাংস্কৃতিক আদি দৈনন্দিন ক্ৰিয়া-কলাপবোৰ পৰিচালিত কৰে।

৩.৪.২ সম্প্ৰদায়ৰ উপাদান

সম্প্ৰদায়ৰ কেইটামান বিশেষ উপাদান বা বৈশিষ্ট্য আমি এনেদৰে আলোচনা কৰিব পাৰো -

- ***ব্যক্তিৰ সমষ্টিঃ*** কিছুমান ব্যক্তিৰ সমষ্টিগত অৱস্থাৰ মাজেদিহে সমুদায় এটা পৰিচিত হয়। এই ব্যক্তিসমষ্টি এটা নির্দিষ্ট ভৌগলিক এলেকাত বাস কৰে আৰু তেওঁলোকৰ মাজত 'আমি ভাৱ' বিদ্যমান।
- ***নির্দিষ্ট ভূখণ্ড ঃ*** এক নির্দিষ্ট ভূখণ্ডত বসবাস কৰাটো সম্প্রদায়ৰ এটা প্রধান বৈশিষ্ট্য। সম্প্রদায়ৰ এই বৈশিষ্ট্যই সমুদায় ভূক্ত লোকসকলৰ মাজত ঐক্য সম্প্রীতিৰ ভাৱ সুদৃঢ় কৰি তোলে। সাম্প্রতিক কালত যাতায়ত তথা যোগাযোগ ব্যৱস্থাৰ বহুল প্রসাৰণৰ বাবে সম্প্রদায়ৰ আঞ্চলিক ঐক্যক বহু পৰিমাণে ম্লান কৰি পেলাইছে।
- ***সাম্প্রদায়িক অনুভূতি ঃ*** সাধাৰণতে একে অঞ্চলত বসবাস কৰা, অভিন্ন আচাৰ - আচৰণ, ৰীতি-নীতি, ভাষা-সংস্কৃতি আৰু অভিন্ন জীৱন পদ্ধতিৰ অংশগ্রহণৰ ফলত সম্প্রদায়ৰ সদস্যসকলৰ মাজত একাত্মবোধৰ সৃষ্টি হয়। এই দৃঢ় একাত্মবোধৰ ভিত্তিতে যি বিশেষ অনুভূতি গঢ়ি উঠে সিয়েই সাম্প্রদায়িক অনুভূতি. এই অনুভূতিয়ে সম্প্রদায়টোৰ সদস্যসকলৰ মাজত "আমি ভাৱ"ৰ সঞ্চাৰ ঘটায়। যেনে - আমাৰ গাঁও, আমাৰ ধর্মীয় সম্প্রদায় ইত্যাদি।
- ***সুস্থিৰতা ঃ*** সম্প্রদায়ৰ কেৱল নির্দিষ্ট ভূখণ্ড বা সাম্প্রদায়িক অনুভূতিয়েই নাথাকে, ইয়াৰ উপৰি সুস্থিৰতাও থাকে। সম্প্রদায় আপেক্ষিক বা ক্ষন্তেকীয়া নহয়। এক নির্দিষ্ট ভূখণ্ডত সমূহ এটাৰ স্থায়ী সামাজিক জীৱনকহে সমুদায় ৰূপে অভিহিত কৰা হয়।
- ***প্রকৃতিগত আৰু স্বাভাৱিক ঃ*** সমুদায় প্রকৃতিগতভাৱে গঠন হয়। ইচ্ছাকৃতভাৱে সম্প্রদায় সৃষ্টি কৰিব নোৱাৰে। জন্মৰ জৰিয়তে ব্যক্তিয়ে কোনো এটা সম্প্রদায়ৰ সদস্য হয়। সম্প্রদায় স্বাভাৱিক আৰু স্বতঃস্ফুর্তভাৱে জন্ম আৰু বিকশিত হয়।
- ***সম্প্রদায়ৰ আকাৰ ঃ*** সমুদায় এটাৰ আকাৰ ক্ষুদ্র অথবা বৃহৎ হ'ব পাৰে। এটা বৃহৎ সম্প্রদায়ত কেইবাটাও সৰু সৰু সম্প্রদায় অন্তর্ভূক্ত হৈ থাকিব পাৰে। উদাহৰণস্বৰূপে - এখন সৰু চহৰ বা গাঁও, এখন জিলাৰ অন্তর্ভূক্ত হ'ব পাৰে।

৩.৪.৩ সমাজ আৰু সম্প্রদায়ৰ পার্থক্য

সমাজ আৰু সম্প্রদায় এই দুয়োটাৰে মাজত ঘনিষ্ঠ সম্পর্ক আছে। সম্প্রদায়ক সমাজৰ ক্ষুদ্র সংস্কৰণ বুলিও ক'ব পৰা যায়। সমাজৰ যি মৌলিক চৰিত্র সেই চৰিত্র সম্প্রদায়টোত দেখা পোৱা যায়। তথাপি সমাজ আৰু সম্প্রদায়ৰ মাজত কিছুমান পার্থক্য তলত উল্লেখ কৰা ধৰণে পৰিলক্ষিত হয়।

- ***সমাজ ঃ*** সমাজ সামাজিক সম্বন্ধৰ জাল গোঠনি স্বৰূপ। সমাজৰ বাবে নির্দিষ্ট ভূখণ্ডৰ প্রয়োজন নাই। সমাজ হ'ল অমূর্ত্ত। সমাজত সাম্প্রদায়িক অনুভৱ বা 'আমিভাৱ' নাথাকিবও পাৰে। একেখন সমাজতে কেইবাটাও সম্প্রদায় অন্তর্ভূক্ত

হৈ থাকিব পাৰে। সাদৃশ্য আৰু বৈসাদৃশ্য সমাজৰ অন্যতম উল্লেখযোগ্য বৈশিষ্ট্য। পাৰস্পৰিক সম্বন্ধৰে বান্ধ খাই থাকিলেও সমাজৰ বাবে উমৈহতীয়া উদ্দেশ্য বিশেষ লক্ষণীয় বিষয় নহয়।

- ***সম্প্ৰদায় ঃ*** কোনো এক নির্দিষ্ট ভৌগোলিক সীমাৰ মাজত "আমি ভাৰে"ৰে বসবাস কৰা জনসংখ্যাৰে সম্প্ৰদায় এটা গঠিত হয়। মূৰ্ত্ত অৱস্থাত পোৱা সম্প্ৰদায়বোৰৰ বাবে, সাম্প্ৰদায়িক মনোভাৱ অতি আৱশ্যকীয় উপাদান। সাম্প্ৰদায়িক মনোভাৱে সম্প্ৰদায় এটাৰ অন্তর্ভূক্ত ব্যক্তিসকলৰ মাজত পাৰস্পৰিক বান্ধোন সুদৃঢ় কৰাত সহায় কৰে। সামূহিক লক্ষ্য আৰু উদ্দেশ্যক গুৰুত্ব প্ৰদান কৰা সম্প্ৰায়ত সদায়ে সাদৃশ্যতা বিৰাজমান।



চিন্তা-চর্চা কৰক ৩.৩

"মানুহ সামাজিক প্ৰাণী" - এই বাক্যশাৰীত নিহিত ভাৱাৰ্থ আপোনাৰ নিজৰ ভাষাৰে লিখক।

.....

.....

.....

.....

.....

.....

৩.৫ সংস্থাৰৰ অৱধাৰণা

সমাজৰ ব্যক্তিসকলে তেওঁলোকৰ বিভিন্ন উদ্দেশ্য সাধনৰ অর্থে নানা ধৰণৰ সংঘ-সংগঠন গঢ়ি তোলে। উদাহৰণ স্বৰূপে, পৰিয়াল, বিদ্যালয়, মঠ-মন্দিৰ, ৰাষ্ট্ৰ আদিৰ কথা ক'ব পাৰি। স্থায়িত্বৰ দিশৰ পৰা বিচাৰ কৰিলে এই সকলোবোৰ সংগঠন একেধৰণৰ নহয়- কিছুমান স্থায়ী আৰু কিছুমান অস্থায়ী। পৰিয়াল, শিক্ষানুষ্ঠান, ৰাষ্ট্ৰ আদি অপেক্ষাকৃতভাৱে স্থায়ী সংগঠনসমূহে সাংগঠনিক কাঠামোক অটুত ৰখা সংগঠনৰ উদ্দেশ্যসমূহক বাস্তৱত ৰূপায়িত কৰাৰ বাবে কিছুমান কার্য পদ্ধতি, বিধি বা নিয়ম অনুসৰণ কৰে। এই সকলো বিধি বিধান বা নিয়ম-নীতিৰ মাধ্যমেৰে সামাজিক সংগঠন সমূহৰ প্ৰাত্যাহিক কার্যকলাপ সম্পাদিত হয় আৰু ইয়াৰ অন্তর্ভূক্ত সদস্যসকলৰ আচৰণ নিয়ন্ত্রিত কৰা হয়। সমাজৰ সংগঠনসমূহৰ এই সকলো কার্য পদ্ধতি আৰু নীতি -নিয়মে যেতিয়া স্থায়ী ৰূপ লাভ কৰে তেতিয়া সেইবোৰক সংস্থাৰ বুলি অভিহিত কৰা হয়।

৩.৫.১ অর্থ আৰু সংজ্ঞা

মানৱ সমাজত সামাজিক সমূহৰ ভূমিকা অতি গুৰুত্বপূর্ণ। সামাজিক কার্য আৰু ব্যক্তিসকলৰ আচৰণক এক সু-সংহত আৰু শৃংখলিত ৰূপ প্রদানৰ ক্ষেত্রত সামাজিক সংস্থাসমূহৰ অৱদান অনস্বীকার্য। সংস্থা সন্দর্ভত সমাজবিজ্ঞানী মেক আইভাৰ আৰু পেজে কৈছে, "*সংস্থা পদ্ধতিৰ সংস্থাপিত ৰূপ*"। এর্নল্ড গ্রীনৰ মতে, "*কিছুমান জনৰীতি আৰু লোকাচাৰ একোটি গোটত সংগঠিত হৈ কেইটিমান সামাজিক কার্য সমাপন কৰাকে সংস্থা বুলি কোৱা হয়।*"

সংজ্ঞাসমূহৰ পৰা এইটো পৰিস্ফুট হৈছে যে সংস্থা হৈছে সমাজত প্রচলিত হৈ থকা কিছুমান ক্রিয়া পদ্ধতি। প্রত্যেক সমাজতেই পদ্ধতিগতভাৱে প্রচলিত হৈ অহা কিছুমান ৰীতি-নীতি বা ক্রিয়া পদ্ধতি থাকে। প্রত্যেক ব্যক্তিয়েই সংস্থাৰ প্রতি মান্যতা প্রকাশ কৰে। সংস্থা এক স্বতঃস্ফুর্ত প্রক্রিয়া। ব্যক্তিৰ সংঘবদ্ধ উদ্দেশ্য পূৰণত সংস্থাই সহায় কৰে।

৩.৫.২ বৈশিষ্ট্য

সংস্থাৰ প্রধান বৈশিষ্ট্য সমূহ হ'ল -

- ব্যক্তিৰ সমূহীয়া কার্যৰ ফলতে সংস্থাৰ উদ্ভৱ হয়। ই স্বতঃস্ফুর্ত। সংস্থা প্রকৃতিগতভাৱে সামাজিক।
- পৃথিৱীৰ প্রত্যেক সমাজতে সংস্থা বিদ্যমান। সমাজৰ বিকাশৰ প্রতিটো স্তৰতে সামাজিক সংস্থাই গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।
- মানৱ সমাজৰ প্রত্যেকটো সামাজিক সংস্থাৰে একোটা নির্দিষ্ট লক্ষ্য বা উদ্দেশ্য থাকে।
- সংস্থা সদায়ে স্থায়ী আৰু অমূর্ত (abstract) প্রকৃতিৰ। অনুষ্ঠানৰ কিছুমান নীতি নিয়মৰ পৰিবর্তন ঘটিলেও সমাজৰ পৰা সম্পূর্ণ বিনাশ নহয়।
- সংস্থাই ব্যক্তিৰ আৱশ্যকতা পূৰণ কৰে। সমাজত সামূহিক ঐক্য আৰু সংহতি বর্তি থকাত সংস্থাই সহায় কৰে।
- সংস্থাই ব্যক্তিৰ আচৰণ নিয়ন্ত্রণ কৰে। ব্যক্তিৰ অনাকাংক্ষিত আৰু অনিয়মীয়া আচৰণসমূহ আঁতৰাই তাৰ পৰিৱর্তে আকাংক্ষিত, পদ্ধতিগত, নিয়মীয়া আৰু প্রাসংগিক আচৰণৰ প্রয়োগ কৰে।

৩.৫.৩ সংস্থাৰ প্রকাৰ

সাধাৰণতে সংস্থাক দুটা ভাগত বিভক্ত কৰা হয়— প্রাথমিক সংস্থা আৰু গৌণ বা দ্বিতীয়ক সংস্থা।

অধিক মৌলিক সংস্থাবিলাক যিবিলাক আনকি আদিম সমাজতো দেখা পোৱা যায়, যেনে - ধর্ম, পৰিয়াল, বিবাহ আদি চৰিত্রগত দিশৰ পৰা প্রাথমিক সংস্থা। অন্যহাতে সমাজ ক্রমাগতভাৱে আকাৰৰ ফালৰ পৰা বিকাশ হোৱাৰ লগতে জটিল হৈ অহাৰ লগে লগে অনুষ্ঠান অধিক প্রগতিশীল আৰু বিশেষীকৃত হ'ল। ফলশ্রুতিস্বৰূপে মানুহৰ দ্বিতীয়ক প্রয়োজন সমূহ পূৰণ কৰিবলৈ এক বুজন সংখ্যক সংস্থা জড়িত হৈ পৰিল। এই সংস্থা সমূহক দ্বিতীয়ক বা গৌণ অনুষ্ঠান হিচাপে অভিহিত কৰা হয়। উদাহৰণস্বৰূপে, আইন, সংবিধান, সংসদীয় পদ্ধতি, ব্যৱসায় আদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ঃ সম্প্রদায় আপেক্ষিক বা ক্ষন্তেকীয়া নেকি ?

.....

.....

প্রশ্ন নং ঃ সংস্থা কি?

.....

.....

৩.৬ সমিতিৰ ধাৰণা

সামাজিক প্রাণী হিচাপে মানুহৰ বিভিন্ন ৰুচি-অভিৰুচি, আৱশ্যকতা তথা বহুতো সমস্যা আছে। সমাজত নিজৰ আকাংক্ষাসমূহ পূৰণ কৰিবলৈ ব্যক্তিগতভাৱে মানুহে প্রচেষ্টা চলাই যদিও বহুক্ষেত্রত অন্য ব্যক্তিৰ সহায়ৰ প্রয়োজন হয়। মানুহে এজনে অন্যজনৰ প্রতি কৰা সহযোগিতা আৰু পাৰস্পৰিক সহানুভূতি আদিয়ে সমিতি বা সস্থা গঠনত সহায় কৰে।

৩.৬.১ অর্থ আৰু সংজ্ঞা

সমিতি হৈছে মূলতঃ বিশেষ কিছুমান উদ্দেশ্য সাধনৰ সাংগঠনিক প্রচেষ্টা। ইয়াত একে উদ্দেশ্য বা স্বার্থ জড়িত ব্যক্তিৰহে সমাবেশ ঘটে। সমিতি ব্যক্তিৰ ইচ্ছাকৃত প্রচেষ্টাৰ প্রতিফলন। কেইজনমান ব্যক্তিয়ে ইচ্ছা কৰিলেই যিকোনো ধৰণৰ সমিতি এখন গঠন কৰি ল'ব পাৰে অথবা ইতিমধ্যেই গঠিত যিকোনো ধৰণৰ সমিতিৰ অৱলুপ্তিও ঘটাব পাৰে। মেক আইভাৰ আৰু পেজে সমিতিৰ সংজ্ঞা আগবঢ়াই কৈছে - "*সমিতি হ'ল কোনো এক উদ্দেশ্য সাধনৰ বাবে সাধাৰণভাৱে সংগঠিত হোৱা বা সম অংশ গ্রহণৰ বাবে ইচ্ছুক ব্যক্তিৰ সমষ্টি*"। মৰিচ জিনচ বাৰ্গৰ মতে, "*সমিতি হ'ল বিশেষ এটা লক্ষ্যত উপনীত হোৱাৰ উদ্দেশ্যৰে এটা উমৈহতীয়া সংগঠনত পাৰস্পৰিক সম্বন্ধৰে বান্ধ খোৱা সামাজিক শ্রেণীৰ এটি সমূহ*"।

মানুহৰ বিভিন্ন ৰুচি-অভিৰুচি, আশা-আকাংক্ষা থাকে। এই আশাবোৰ পৰিপূৰণ

কৰিবলৈ মানুহে বিভিন্ন ধৰণৰ সমিতি গঠন কৰে। যেনে - ৰাজনৈতিক সমিতি (ভাৰতীয় জনতা দল, কংগ্রেছ দল) ধর্মীয় সমিতি (ৰামকৃষ্ণ মিছন, আর্য সমাজ) আৰু অন্যান্য। এই সমিতিবোৰ গঠিত হৈছে নির্দিষ্ট উদ্দেশ্য সাধনৰ বাবে। গতিকে সমিতি মূলতঃ এটা সংগঠিত সমূহ।

৩.৬.২ বৈশিষ্ট্য

সমিতিৰ মুখ্য বৈশিষ্ট্যসমূহ এনেধৰণৰ -

- ব্যক্তিৰ দ্বাৰা সমিতি গঠন হয়।
- প্রতিখন সমিতিৰে এটা বা তাতোধিক বিশেষ লক্ষ্য আৰু উদ্দেশ্য থাকে।
- প্রত্যেক সমিতিৰ কিছুমান নিজস্ব প্রতিমান থাকে। এই প্রতিমানবোৰে সমিতিৰ কার্যকলাপক নিয়ন্ত্রণ কৰে।
- সমিতিৰ সদস্যসকলৰ বিভিন্ন বিষয়বাব থাকে। যেনে - সভাপতি, সম্পাদক, প্রচাৰ সচিব ইত্যাদি।
- সমিতিৰ লক্ষ্য আৰু উদ্দেশ্য সাধনৰ ক্ষেত্রত প্রয়োজনীয় কার্যবোৰ পৰিচালনা কৰিবৰ বাবে কিছুমান সদস্যক বিশেষ দায়িত্ব, কর্তব্য আৰু ক্ষমতা অর্পন কৰা হয়।
- প্রত্যেক সমিতিৰ মাজত নিজস্ব কিছুমান পৃথক পদমর্যাদা বা প্রস্থিতিৰ ব্যৱস্থা প্রৱর্তন কৰা থাকে।



৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলো

- সমাজ শব্দটোৰ ইংৰাজী প্রতিশব্দ Societyৰ উদ্ভৱ হৈছে লেটিন শব্দ ‘Socius’ৰ পৰা, যাৰ অর্থ হ’ল সাহচর্য্য বা বন্ধুত্ব
- সমাজত সম্বন্ধবোৰ সততে স্থায়ী আৰু দীর্ঘসূত্রী হয়। সেয়ে সমাজখন হ’ল এক দীর্ঘস্থায়ী সামাজিক গোট।
- একোটা অঞ্চলত স্থায়ীভাৱে ওচৰা-ওচৰিকৈ বসবাস কৰি থকা জনসংখ্যাক লৈয়েই এটা সম্প্রদায় গঠিত হয়
- সংস্থা হৈছে সমাজত প্রচলিত হৈ থকা কিছুমান ক্রিয়া পদ্ধতি
- সাধাৰণতে অনুষ্ঠানক দুটা ভাগত বিভক্ত কৰা হয়— প্রাথমিক অনুষ্ঠান আৰু গৌণ বা দ্বিতীয়ক অনুষ্ঠান
- কেইজনমান ব্যক্তিয়ে ইচ্ছা কৰিলেই যিকোনো ধৰণৰ সমিতি এখন গঠন কৰি ল’ব পাৰে অথবা ইতিমধ্যেই গঠিত যিকোনো ধৰণৰ সমিতিৰ অৱলুপ্তিও ঘটাব পাৰে।
- সমিতি হৈছে মূলতঃ বিশেষ কিছুমান উদ্দেশ্য সাধনৰ সাংগঠনিক প্রচেষ্টা।



৩.৮ অধিক জানিবলৈ

ৰ) Bhushan B.(2006). *Dictionary of Sociology*.New Delhi : Anmol Publications Pvt. Ltd.

চ) Rao, C.N. Shankar.(2003). *Sociology - Primary Principles of Sociology with an Introduction to Social thought*. New Delhi : S. Chand and company Ltd.

ছ) Vidya Bhushan and D.R. Sachdeva.(2005). *An Introduction to Sociology*.New Delhi : Kitab Mahal.

জ) শইকীয়া, জ্যোতি প্রসাদ (**চম্বুজ্বুজ্ঞ** *সমাজতত্ব পৰিচয়*। ডিব্রুগড় ঃ বনলতা।

ঞ) নাথ, গুণমনি। *স্নাতক মহলাৰ সমাজশাস্ত্রৰ চমু পৰিচয়*। পাণ বজাৰঃ জ্যোতি প্রকাশন।



৩.৯ অগ্রগতি খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ সমাজ শব্দটোৰ ইংৰাজী প্রতিশব্দ Societyৰ উদ্ভৱ হৈছে লেটিন শব্দ ‘Socius’ৰ পৰা,যাৰ অর্থ হ’ল সাহচর্য্য বা বন্ধুত্ব

২ নং প্রশ্নৰ উত্তৰঃ সমাজ স্থিতিশীল অথবা নিশ্চল নহয়। সমাজ গতিশীল

৩ নং প্রশ্নৰ উত্তৰঃ সম্প্রদায় আপেক্ষিক বা ক্ষন্তেকীয়া নহয়। ই সুস্থিৰ আৰু স্থায়ী

৪ নং প্রশ্নৰ উত্তৰঃ সংস্থা হৈছে প্রধানত কিছুমান ৰীতি-নীতিৰ সমষ্টি। ই হৈছে সমাজত প্রচলিত হৈ থকা কিছুমান ক্রিয়া পদ্ধতি।



৩.১০ আৰ্হি প্রশ্ন

(ক) চুটি প্রশ্ন (ৰপ্তুত্ব শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ সমাজ কি? মানৰ সমাজ কিদৰে অমানৰ সমাজতকৈ পৃথক।

প্রশ্ন ২ঃ সমাজ আৰু সম্প্রদায়ৰ মাজত পার্থক্য দেখুওৱাক।

প্রশ্ন ৩ঃ সংস্থাৰ সংজ্ঞা দিয়ক। সংস্থা আৰু সমিতিৰ মাজত পার্থক্য দেখুওৱাক।

(খ) ৰচনাধর্মী প্রশ্ন (ত্বুত্ব-প্তুত্বুত্ব শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ সম্প্রদায়ৰ সংজ্ঞা দিয়ক। ইয়াৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

প্রশ্ন ২ঃ সমাজৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

*** ***** ***

অধ্যায় ৪ ঃ প্রাথমিক অৱধাৰণা-II

অধ্যায় গাঁথনি

চ্ছ্রৰ উদ্দেশ্য

চ্ছ্র.চ পৰিচয়

চ্ছ্র.্ প্রতিমান ঃ অর্থ আৰু সংজ্ঞা

চ্ছ্র.্.ৰ প্রতিমানৰ বৈশিষ্ট্য

চ্ছ্র.্.চ প্রতিমানৰ প্রকাৰ

চ্ছ্র.্.্ প্রতিমান আৰু প্রমূল্যৰ মাজৰ সম্পর্ক

চ্ছ্রচ্ছ্র সামাজিক অনুমোদন

চ্ছ্র্প্ত প্রস্থিতি অর্থ আৰু সংজ্ঞা

চ্ছ্র.প্ত.ৰ প্রস্থিতিৰ বৈশিষ্ট্য

চ্ছ্র.প্ত.চ প্রস্থিতিৰ প্রকাৰ

চ্ছ্রছ ভূমিকাৰ অর্থ আৰু সংজ্ঞা

চ্ছ্র.জ্জ ভূমিকা আৰু প্রস্থিতিৰ লগত জড়িত পুৰস্কাৰ আৰু শাস্তি

চ্ছ্রজ্র অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

চ্ছ্রজ্ঞা অধিক জানিবলৈ

চ্ছ্রৰজ্ঞ অগ্রগতিৰ খতিয়ান

চ্ছ্র.ৰৰ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- প্রতিমানৰ অর্থ আৰু বৈশিষ্ট্যবোৰ বুজিব পাৰিব
- প্রতিমানৰ বিভিন্ন প্রকাৰ জানিব পাৰিব
- প্রতিমান আৰু প্রমূল্যৰ পার্থক্য বুজিব পাৰিব
- ভূমিকাৰ আৰু বিভিন্ন প্রকাৰ জানিব পাৰিব
- ভূমিকা সমষ্টি কি বুজিব পাৰিব
- ভূমিকা সংঘাত কি জানিব পাৰিব।

৪.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টিত আমি সমাজতত্বৰ কিছুমান প্রার্থমিক অৱধাৰণা যেনে সমাজ, সম্প্রদায়, সংস্থা আৰু সমিতিৰ বিষয়ে আলোচনা কৰিলো। এই অধ্যায়ত আমি অন্য কিছুমান

গুৰুত্বপূৰ্ণ ধাৰণা যেনে প্ৰতিমান, প্ৰমূল্য, ভূমিকা আৰু প্ৰস্থিতিৰ বিষয়ে আলোচনা কৰিম। প্ৰতিমানৰ বিভিন্ন প্ৰকাৰ— লোকাচাৰ, লোকনীতি, ৰীতি-নীতি, সামাজিক অনুমোদন, নিষেধাজ্ঞা, আইন ইত্যাদিৰ বিষয়েও আমি এই অধ্যায়ত অধ্যয়ন কৰিম।

৪.৩ প্ৰতিমান ঃ অৰ্থ আৰু সংজ্ঞা

আমি জানো যে সমাজ হ'ল সামাজিক সম্পৰ্কবোৰৰ এখন জাল। সম্পৰ্কবোৰ ধৰি ৰাখিবৰলৈ এইটো প্ৰয়োজনীয় যে মানুহে আচৰণৰ কিছুমান সাধাৰণ গ্ৰহণযোগ্য পথ অনুকৰণ কৰিব লাগে। গতিকে প্ৰত্যেক সমাজতে নিশ্চিত নিৰ্দিষ্ট আচৰণৰ ৰূপ থাকে। সামাজিক প্ৰতিমান অথবা সৰল আদৰ্শৰ কিছুমান নিৰ্দেশনা থাকে যিয়ে আমাৰ আভ্যন্তৰীণ বা বাহ্যিক আচৰণবোৰ শাসন কৰে। আমি কি বিশ্বাস কৰো, কেনেকৈ আনৰ লগত ভাৱৰ আদান-প্ৰদান কৰো আৰু চাল-চলন কৰো এইবোৰে প্ৰভাৱিত কৰে। প্ৰত্যেক সমাজৰে এটা প্ৰত্যক্ষ কামৰ বাবে নিজস্ব প্ৰতিমান আৰু নিৰ্দেশনাৰ নক্সা থাকে। তথাপিও কিছুমান অন্যান্যতকৈ বেছি কঠোৰ। ডাৰ্খাইমৰ মতে "প্ৰতিমান হ'ল সামাজিক কাৰ্য, কাৰণ এইবোৰৰ স্বাধীন অস্তিত্ব আছে। কোনো ব্যক্তিয়ে ইচ্ছামতে তাক সলনি কৰিব নোৱাৰে। অতি আৱশ্যকীয় যে এখন সমাজত প্ৰত্যেকৰে ওপৰত এইবোৰৰ দমনকাৰী শক্তি থাকে। সমাজ বিজ্ঞানীৰ মতে মানুহ হ'লেই স্বাভাৱিক জ্ঞান প্ৰাপ্তি নহয়। তেওঁলোকৰ কাম-কাজবোৰ প্ৰতিমান আৰু প্ৰমূল্যৰ দ্বাৰা নিৰূপিত হয়। এখন সমাজত জীৱিত বিভিন্ন ব্যক্তিৰ মাজত সমতা ধৰি ৰাখিবৰ নিমিত্তে প্ৰতিমান আৰু মূল্যবোৰে সকলো ভগাই দিয়ে।

৪.৩.১ প্ৰতিমানৰ বৈশিষ্ট্য

- প্ৰতিমানেআচৰণৰ নিৰ্দেশকৰূপে কাম কৰে। বিভিন্ন সামাজিক পৰিস্থিতিত কোনটো আচৰণ আকাংক্ষিত আৰু কোনটো অনাকাংক্ষিত সেয়া প্ৰতিমানে নিৰ্দ্ধাৰণ কৰে।
- সমাজৰ শৃংখলাৱদ্ধতা গঢ় দিয়াত আৰু ধৰি ৰখাত প্ৰতিমানে গুৰুত্বপূৰ্ণ ভূমিকা লয়। তথাপি কেতিয়াবা এখন সমাজ অস্থিৰ হৈ পৰাৰ সম্ভাৱনা দেখা যায়। কাৰণ সমাজৰ চাৰিওদিশে সামাজিকীকৰণ প্ৰক্ৰিয়াটো একে নহয়।
- প্ৰতিমানবোৰে এটা প্ৰজন্মৰ পৰা আন এটালৈ গতি কৰে।
- জন্মৰ পৰা মৃত্যুলৈ এজন ব্যক্তিয়ে আচৰণৰ এনে নিৰ্দিষ্ট ৰূপৰ পৰা, অৰ্থাৎ-প্ৰতিমানবোৰৰ, পৰা এনে শিক্ষা গ্ৰহণ কৰিয়েই থাকে। শিক্ষাৰ দ্বাৰা এজন ব্যক্তিয়ে বিভিন্ন পৰিস্থিতিত প্ৰতিমানবোৰৰৰ পৰা পোৱা উপযুক্ত আচৰণ কৰিবলৈ শিকে।

৪.৩.২ প্রতিমানৰ প্রকাৰ

➢ **লোকাচাৰ**

সমাজবিজ্ঞানী উলিয়াম গ্রাহাম চামনাৰৰ মতে, লোকাচাৰ হ'ল সেইবোৰ প্রতিমান যিবোৰ মানুহৰ সাময়িক আন্তঃক্রিয়াৰ ফলত উদ্ভৱ হয় আৰু লাহে লাহে নিত্য অভ্যাসত পৰিণত হয়। কালক্রমত এই প্রতিমানবোৰে মানুহক অনুশীলনৰ বাবে একধৰণৰ সামাজিক হেঁচা দিয়ে। সেয়েহে এই প্রতিমানবোৰক আক্ষৰিক অর্থত 'সাধাৰণ মানুহৰ ৰীতি' (ways of the folks) বোলা হয়। এই প্রতিমানবোৰৰ ভিতৰত খোৱা-লোৱা, অভিবাদনৰ ৰূপ, সাজপাৰৰ চানেকি, এটা পৰিয়ালৰ আকাংক্ষিত আচাৰ-ব্যৱহাৰ আদিৰ নিয়মক সামৰি লোৱা হয়। এইবোৰৰ বেছিভাগ অলিখিত। লোকাচাৰবোৰ সদায় অলিখিত ৰূপক থাকে; কাৰণ এইবোৰ প্রাচীন, ঘৰুৱা আৰু সহজ। এই প্রতিমানবোৰ সমাজত 'সদায়েই থাকে' (always been there)। কিন্তু এইবোৰৰ কোনো নৈতিক বৈশিষ্ট্য নাথাকে আৰু লোকাচাৰ ভংগ কৰিলে কেতিয়াবাহে মানুহে কঠিন শাস্তি পায়।

➢ **লোকনীতি**

নৈতিকতাৰ ধাৰণাৰ সৈতে যুক্ত হৈ থকা লোকাচাৰবোৰকে লোকনীতি বোলে। এখন নির্দিষ্ট সমাজত কোনটো কথাৰ ন্যায়নিষ্ঠ বুলি বিবেচনা কৰা হ'ব তাকেই লোকনীতিয়ে নির্দ্ধাৰণ কৰে। লোকনীতিৰ নির্দেশনাবোৰ ভুল নোহোৱাকৈ অনুসৰণ কৰিবলৈ প্রত্যেক ব্যক্তিৰেই সামাজিকীকৰণ ঘটে। এনে আদর্শবোৰৰ যিকোনো ভংগ কৰিলে ব্যক্তিক সমাজচ্যুত কৰি দিব পাৰে। ধর্মীয় নীতিবোৰ এনে লোকনীতিৰ উদাহৰণ যিবোৰে আমাৰ সামাজিক আচৰণক দিক্-নির্দেশনা প্রদান কৰে। উদাহৰণস্বৰূপে— কিছুমান ধর্মত বিবাহৰ পূর্বে সহবাস কৰাটো নিষেধ। সেইবাবে বহু সময়ত এইটো দেখিবলৈ পোৱা যায় যে যেতিয়া ৰক্ষণশীল পৰিয়ালৰ যুবক-যুৱতীৰ মাজত প্রেমৰ সম্পর্ক গঢ়ি উঠে তেতিয়া তেওঁলোকক সমাজৰ পৰা নির্বাসিত কৰা হয় আৰু কেতিয়াবা তেওঁলোকৰ জীৱনৰ প্রতি ভাবুকিৰ সৃষ্টি হয়।

➢ **প্রতিষিদ্ধ কার্য**

প্রতিষিদ্ধ কার্য এটা প্রতিমানৰ ৰূপ যিয়ে কিছুমান নির্দিষ্ট কাম-কাজক দৃঢ়তাৰে বাধা দিয়ে। কিছুমান বিষয়ৰকাম-কাজক সমাজে যিকোনো কাৰণতে অসহনীয় বুলি বিবেচনা কৰে। সেইবাবে এইবোৰ কামৰ বিৰুদ্ধে সমাজে কঠোৰ নিষেধাজ্ঞা বলবৎ কৰে। এনেবোৰ ৰীতি ভংগ কৰিলে চৰম শাস্তি ভূগিবলগীয়া হ'ব পাৰে। উদাহৰণস্বৰূপে— তেজৰ সম্পর্ক থকা মানুহৰ লগত যৌন সম্পর্ক কৰাটো প্রায়বোৰ সমাজতে দোষণীয় বুলি ধৰা হয়। আকৌ বেছিভাগ সমাজত নৰ মাংস খোৱাটোও এটা প্রতিষিদ্ধ কার্য।

➢ **ৰীতি-নীতি**

সমাজতত্ত্বৰ অক্সফ'ৰ্ড অভিধানৰ মতে ৰীতি-নীতি হ'ল এখন সমাজত চিন্তা আৰু কার্য সম্পাদন কৰাৰ প্ৰতিষ্ঠিত পথ। আকৌ লাণ্ডবার্গে কৈছে যে, ৰীতি-নীতি হ'ল এনে কিছুমান লোকাচাৰ যিবোৰে বহু বছৰ ধৰি সমাজত প্ৰচলিত হৈ অহাৰ পাচত সামাজিক স্বীকৃতি লাভ কৰে আৰু সেইবোৰ এটাৰ পাচত আনটো প্ৰজন্মলৈ প্ৰবাহিত হৈ থাকে। এইবোৰক মানুহৰ দীৰ্ঘদিনীয়া প্ৰতিষ্ঠিত আচাৰ-ব্যৱহাৰ আৰু অভ্যাস বুলিও ক'ব পাৰি। সৰহসংখ্যক আইন এই ৰীতি-নীতিৰ ওপৰত আধাৰিত।

➢ **আইন**

সমাজৰ কোনো এক বৈধ প্ৰাধিকৰণে নির্দেশ কৰা কিছুমান প্ৰতিমানেই হৈছে আইন। সমাজত শৃংখলা বর্তাই ৰাখিবলৈ আইনৰ সৃষ্টি। এজনৰ চাল-চলনে আন এজনৰ স্বাধীনতা উলংঘা কৰিব পাৰে। এনেধৰণৰ উলংঘাক আইনে বাধা দিবলৈ যত্ন কৰে। ভাৰতীয় সংসদ আৰু ৰাজ্যিক বিধানসভা হ'ল সমাজত নিয়ম-কানুন প্ৰৱর্তনকাৰী বৈধ প্ৰাধিকৰণ। আইনৰ সুৰক্ষা আৰু সঠিক প্ৰয়োগৰ নিশ্চিত কৰে ৰাষ্ট্ৰৰ আৰক্ষী আৰু ন্যায়িক ব্যৱস্থাই। এই ন্যায় ব্যৱস্থাৰ সৈতে নিম্ন আৰু উচ্চ ন্যায়ালয়সমূহ জড়িত হৈ থাকে। আইন ভংগ কৰোতাজন বিশেষ শস্তিৰ সন্মুখীন হয়।

➢ **প্ৰমূল্য**

প্ৰমূল্য হৈছে এক বিশ্বাস যিটোয়ে সেয়া নির্ধাৰণ কৰে কোনটো ভাল আৰু উচিত। এখন সমাজত কোনটো প্ৰয়োজনীয় অথবা যোগ্য সেইটো মূল্যবোধে নিৰূপণ কৰে। উদাহৰণস্বৰূপে— পশ্চিমীয়া দেশসমূহত ব্যক্তিগত সফলতা আৰু বস্তুবাদক বেছি প্ৰাধান্য দিয়া হয়। সেইবাবে কোনো এজনৰ ব্যক্তিগত সম্পত্তিৰ গুণ আৰু পৰিমাণৰ দ্বাৰা সেইগৰাকী ব্যক্তিৰ ব্যক্তিগত সমৃদ্ধিৰ পৰিমাণ জোখা হয়। আনহাতে ভাৰতীয়সকলৰ মাজত পৰোপকাৰৰ মূল্য অধিক। সমাজ এখনৰ প্ৰতিমানবোৰ হ'ল ইয়াৰ প্ৰমূল্যৰ প্ৰতিফলন। অন্য কথাত, প্ৰতিমান হ'ল প্ৰমূল্য আহৰণৰ নির্দেশ ৰেখা।

৪.৩.৩ প্ৰতিমান আৰু প্ৰমূল্যৰ মাজৰ সম্পর্ক

প্ৰতিমানৰ বিষয়ে আলোচনা কৰাৰ আগতে প্ৰমূল্য সম্পর্কে কিছু কথা জনাটো প্ৰয়োজন। প্ৰমূল্য হ'ল সৎ কৰণীয়ৰ এটা সমষ্টি। এই কৰণীয়বোৰক সাধাৰণতে ভাল, উচিত আৰু যোগ্যতাৰ মাপকাঠি বুলি ধৰা হয়। মূল্যবোধে বিভিন্ন প্ৰকাৰৰ প্ৰতিমান নির্দ্ধাৰণ কৰে। দুয়োটাৰে মাজত ঘনিষ্ঠ সম্পর্ক আছে। প্ৰতিমানে আচাৰ-ব্যৱহাৰৰ কিছুমান বিশেষ নির্দেশনা দিয়ে; মূল্যবোধে দিয়া আচৰণৰ সাধাৰণ নির্দেশনাক কেন্দ্ৰ কৰি আচৰণৰ নির্দিষ্ট প্ৰথা অথবা প্ৰতিমান বিকশিত হয়। সহজ অর্থত,

প্রতিমান আৰু প্রমূল্য হ'ল সমাজ এখনৰ মূল্যৱান উপাদান। ভাৰতীয় সংস্কৃতি মতে সততা এক প্রাচীন প্রমূল্য; গণতন্ত্র আৰু মানৱ অধিকাৰৰ প্রতি সন্মান হ'ল আধুনিক প্রমূল্য। সততাৰ প্রমূল্যক কেন্দ্র কৰি ঠগ আৰু প্রৱঞ্চনাৰ বিৰুদ্ধে আমাৰ সমাজত বহুতো আইনৰ সৃষ্টি হৈছে। গণতন্ত্রৰ মূল্যত আধাৰিত আমাৰ কিছুমান প্রতিমান আছে, যেনে— **ৰজ্জু** বছৰ বা তাতোধিক বয়সৰ ভাৰতীয় নাগৰিকৰ ভোটদানৰ বিশ্বজনীন অধিকাৰ, শিক্ষাৰ অধিকাৰ, নিজৰ আৰু সমাজৰ হানি নোহোৱাকৈ জীৱিকা উপার্জন কৰাৰ অধিকাৰ ইত্যাদি।

৪.৪ সামাজিক অনুমোদন

সামাজিক অনুমোদনৰ জৰিয়তে এখন সমাজে সামাজিকভাৱে স্বীকৃত আচাৰ-ব্যৱহাৰসমূহৰ সৈতে সহমত প্রকাশ কৰে। সামাজিক অনুমোদন তেতিয়া ইতিবাচক হয় যেতিয়া সমাজৰ আকাংক্ষিত আচৰণ কৰি কোনো ব্যক্তি পুৰস্কৃত হয়। সামাজিক অনুমোদন তেতিয়া নেতিবাচক হয় যেতিয়া মানুহে স্বীকৃত অনুমোদনৰ পৰা বিচ্যুত আচৰণ কৰে। উদাহৰণস্বৰূপে— আইনগত বাধা-নিষেধসমূহ সামাজিক আনুষ্ঠানিক অনুমোদন যিবোৰে বিপথগামী আচৰণক বাধা দিয়ে। মৌখিক গালি-গালাজ হৈছে অনানুষ্ঠানিক অনুমোদনৰ এটা ৰূপ যিয়ে আওবাটে যোৱাত কিছু পৰিমাণে বাধা দিয়ে। গতিকে সামাজিক অনুমোদনে কোনো ব্যক্তিৰ আচৰণক সামাজিকভাৱে নিয়ন্ত্রণ কৰে। কিন্তু এই অনুমোদন প্রদান কৰাৰ আগতে কোনবোৰ আচৰণ ইতিবাচক আৰু কোনবোৰ নেতিবাচক হ'ব সেয়া নির্দ্ধাৰণ কৰি লোৱা প্রয়োজন।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৰঃ লোকাচাৰ বুলিলে কি বুজে?

.....

.....

.....

প্রশ্ন নং চঃ লোকাচাৰৰ বিষয়ে চর্চা কৰা এগৰাকী সমাজতাত্ত্বিকৰ নাম লিখক।

.....

.....

.....

প্রশ্ন নং ্ঃ নিষেধাজ্ঞা বুলিলে কি বুজে?

.....

.....

.....

৪.৫ প্ৰস্থিতিৰ অর্থ আৰু সংজ্ঞা

সমাজে বিভিন্ন সামাজিক স্থিতি ঠিক কৰে। প্ৰতিটো স্থিতিৰে কিছুমান সুনির্দিষ্ট অধিকাৰ আৰু দায়িত্ব থাকে। সেই স্থিতিবোৰ দখল কৰি আমি কাম কৰি যাওঁ। নির্দিষ্ট অধিকাৰ আৰু দায়িত্বৰ সৈতে জড়িত সামাজিক স্থিতিকে প্ৰস্থিতি বুলি কোৱা হয়। আপোনাৰ মাতৃৰ আপোনাৰ লগতে ভাই-ভনীসকলৰ বাবে এগৰাকী মাতৃ হিচাপে এটা প্ৰস্থিতি থাকে। আপোনাৰ দেউতাৰ ক্ষেত্ৰত তেখেতে পত্নীৰ স্থান দখল কৰে। আপুনি আপোনাৰ বন্ধুৰ লগত বজাৰ কৰিবলৈ যাওঁতে এজন বন্ধুৰ প্ৰস্থিতিৰ জড়িত হৈ আপোনাৰ বন্ধুৰ লগত সম্পর্ক স্থাপন কৰে। কিন্তু যেতিয়া আপুনি দোকানত উপস্থিত হৈ বস্তু কিনিবলৈ আৰম্ভ কৰে তেতিয়া আপুনি গ্ৰাহকৰ প্ৰস্থিতিৰে জড়িত হৈ দোকানীজনৰ সৈতে সম্পর্ক স্থাপন কৰে। প্ৰতিটো সামাজিক প্ৰস্থিতিৰ সৈতে কিছুমান আকাংক্ষিত আচাৰ-ব্যৱহাৰ জড়িত হৈ থাকে। এনেবোৰ আচাৰ-ব্যৱহাৰত অধিকাৰ আৰু দায়িত্ব অন্তর্ভুক্ত হৈ থাকে। দায়িত্বসমূহ পালন কৰিবলৈ প্ৰয়োজনীয় সমলো এক নির্দ্ধাৰিত প্ৰস্থিতিয়ে আগবঢ়ায়। উদাহৰণস্বৰূপে— ল'ৰা-ছোৱালীৰ ওপৰত এগৰাকী অভিভাৱকৰ ভূমিকা ফলস্পূতাৰে পালন কৰাৰ নিমিত্তে সিহঁতৰ সময় নিয়ন্ত্ৰণ কৰাৰ বাবে ক্ষমতাৰ সমল কিছুমানৰ প্ৰয়োজন। আচাৰ-ব্যৱহাৰৰ এই পার্থক্যই বিভিন্ন সামাজিক প্ৰস্থিতিক পৃথক কৰে। প্ৰস্থিতি হ'ল সামাজিক স্থিতিবোৰৰ অনুষ্ঠানিকৃত ৰূপ।

কিংছেল ডেভিডৰ মতে "সাধাৰণ আনুষ্ঠানিক পদ্ধতিত প্ৰস্থিতি হ'ল এনে এক স্থান যিটোক সমাজে সমর্থন কৰাৰ লগতে স্বীকৃতি দিয়ে।"

ডানকান মিট্‌চেলে প্ৰস্থিতিৰ সংজ্ঞা দিছে এনেদৰে— "এটা সামাজিক পদ্ধতিত কোনো ব্যক্তি, পৰিয়াল অথবা গোষ্ঠী দলৰ সামাজিক স্থিতি এটাই এটা আনটোৰ সাপেক্ষ। এজন ব্যক্তিৰ অন্যান্য প্ৰস্থিতিৰ ব্যক্তিৰ সৈতে সম্পর্কৰ ধৰণ আৰু পৰিসৰ নির্ধাৰণ কৰাৰ লগতে এই পৰস্পৰ সাপেক্ষতাই অধিকাৰ, কর্তব্য আৰু অন্য আচাৰ-ব্যৱহাৰো নির্দ্ধাৰণ কৰে।

৪.৫.১ প্ৰস্থিতিৰ বৈশিষ্ট্য

- প্ৰস্থিতি হ'ল সমাজত লাভ কৰা এক স্থান।
- প্ৰতিটো প্ৰস্থিতিৰ সৈতে নির্দ্ধাৰিত আচৰণৰ লগতে অধিকাৰ আৰু দায়িত্ব জড়িত হৈ থাকে।
- এটা প্ৰস্থিতিৰ আন এটা প্ৰস্থিতিৰ সৈতে সম্পর্ক থাকে। প্ৰস্থিতিসমূহে সমাজত সম্পর্কৰ আদান-প্ৰদান কৰে।
- একে সময়ত অথবা পৃথক সময়ত এজন ব্যক্তিয়ে বিভিন্ন প্ৰস্থিতি গ্ৰহণ কৰিব পাৰে।
- প্ৰস্থিতি সমাজে নির্দ্ধাৰণ কৰে। সামাজিক প্ৰস্থিতিসমূহ স্বীকৃত ৰীতিৰ দ্বাৰা পৰিচালিত হয়।

- সমাজৰ প্ৰতিজন ব্যক্তিয়ে এই প্ৰস্থিতিবোৰ দখল কৰে।
- যিহেতু সমাজে সামাজিক প্ৰস্থিতি নিৰ্দ্ধাৰণ কৰে আৰু প্ৰতিজন ব্যক্তিয়ে সেইবোৰ দখল কৰে, সেয়েহে ই সকলোকে এই কথাটো জনাত সহায় কৰে যে সমাজে তেওঁলোকৰ পৰা কি বিচাৰে। সমাজত মত বিনিময় আৰু পৰস্পৰ বুজাবুজিৰ মান উন্নত কৰাত এই কথাই কিছু পৰিমাণে সহায় কৰে। গতিকে প্ৰস্থিতিয়ে সমাজখন কিছু পৰিমাণে সুস্থিৰ আৰু শৃংখলাবদ্ধ কৰি ৰাখে।

৪.৫.২ প্ৰস্থিতিৰ প্ৰকাৰ

ৰাল্ফ লিণ্টনে এখন সমাজত প্ৰস্থিতি প্ৰত্যেক ব্যক্তিৰ দখলৰ প্ৰকৃতিৰ ওপৰত ভিত্তি কৰি প্ৰস্থিতিক দুটা ভাগত ভাগ কৰিছে। ভাগ দুটা হ'ল— পূৰ্ব নিৰ্দ্ধাৰিত প্ৰস্থিতি আৰু আৰ্জিত প্ৰস্থিতি।

- **জন্ম প্ৰদত্ত প্ৰস্থিতি**

এজন ব্যক্তিৰ জন্মৰ সৈতে এনেবোৰ প্ৰস্থিতিৰ বৈশিষ্ট্য নিৰ্ভৰশীল, এইবোৰৰ ওপৰত মানুহৰ ইচ্ছা অথবা নিয়ন্ত্ৰণ নাথাটে। বয়স আৰু লিংগ হ'ল দুটা এনে প্ৰস্থিতিৰ উদাহৰণ। এয়া মানুহে জন্মসূত্ৰে লাভ কৰে। তদুপৰি যিকোনো পৰিয়াল, গোষ্ঠী অথবা কোনো নৃগোষ্ঠীয় শ্ৰেণীত জন্মগ্ৰহণ কৰাৰ লগে লগে লিংগই এক সামাজিক প্ৰস্থিতি গ্ৰহণ কৰে। যি মুহূৰ্তত আপুনি জন্মগ্ৰহণ কৰে ঠিক সেই সময়তে আপুনি আপোনাৰ পিতৃ-মাতৃৰ বাবে এটি সন্তানৰ প্ৰস্থিতি লাভ কৰে আৰু এই প্ৰস্থিতিৰ ওপৰত আপোনাৰ কোনো নিয়ন্ত্ৰণ নাথাকে। আপুনি যদি ল'ৰা সন্তান হিচাপে জন্মগ্ৰহণ কৰে তেন্তে আপোনাৰ পিতৃ-মাতৃৰ বাবে আপুনি এজন পুত্ৰৰ প্ৰস্থিতি লাভ কৰে আৰু কন্যা সন্তান হ'লে এজনী জীয়ৰীৰ প্ৰস্থিতি লাভ কৰে। জাতি পদ্ধতি হ'ল সামাজিক সংগঠনৰ এটা সাধাৰণ ৰূপৰ ইয়ে মানুহৰ আৰু বিভিন্ন প্ৰস্থিতি আৰোপ কৰে। ইংৰাজী কাষ্ট (caste) শব্দটোৰ পৰ্তুগীজ শব্দ 'কাষ্টা' (casta)ৰ পৰা উৎপত্তি হৈছে, যাৰ অৰ্থ হ'ল— বিশুদ্ধ বংশ।

- **স্বলব্দ প্ৰস্থিতি**

যিবোৰ প্ৰস্থিতি কোনো ব্যক্তিয়ে নিজে আহৰণ কৰা বৈশিষ্ট্যৰ ওপৰত নিৰ্ভৰশীল আৰু সেই প্ৰস্থিতি সমূহৰ ওপৰত ব্যক্তিজনৰ নিয়ন্ত্ৰণ আৰু ইচ্ছা খাটে তেনে প্ৰস্থিতিক স্বলব্দ প্ৰস্থিতি বোলে। উদাহৰণস্বৰূপে— এজন ব্যক্তিয়ে অধ্যয়ন বাছি ল'লে তেওঁ এজন ছাত্ৰ হৈ পৰিব। এনে প্ৰস্থিতিবোৰ ব্যক্তিয়ে নিজ প্ৰচেষ্টা আৰু পচন্দৰ জৰিয়তে অৰ্জন কৰে।

- **প্ৰস্থিতি সমষ্টি**

এই ধাৰণামতে এজন ব্যক্তিয়ে গ্ৰহণ কৰি থকা সকলো প্ৰস্থিতিকে একেলগে প্ৰস্থিতি সমষ্টি বুলি কোৱা হয়। বৰ্তমান সময়ত আপুনি হয়তো বহুতো প্ৰস্থিতি গ্ৰহণ

কৰি আছে, যেনে— এজন ছাত্ৰ, বন্ধু, পুত্ৰ অথবা জীয়ৰী, সহোদৰ, সম্পৰ্কীয় ভাই-ভনী, ভাৰতীয় নাগৰিক ইত্যাদি। এই আটাইবোৰ মিলি আপোনাৰ প্ৰস্থিতি সমষ্টিটো গঢ় লৈ উঠে।



চিন্তা-চৰ্চা কৰক ৪.১

এইকেইদিনত আপুনি গ্ৰহণ কৰি থকা দহটা প্ৰস্থিতিৰ এখন তালিকা বনাওক। পূৰ্ব নিৰ্দ্ধাৰিত আৰু আৰ্জিত দুয়োবিধ প্ৰস্থিতি অন্তৰ্ভুক্ত কৰাৰ চেষ্টা কৰক।

.....

.....

.....

৪.৬ ভূমিকাৰ অৰ্থ আৰু সংজ্ঞা

প্ৰস্থিতিৰ ধাৰণাৰ সৈতে ভূমিকাৰ ধাৰণাৰ মিল আছে। প্ৰস্থিতি হ'ল সমাজত লাভ কৰা এক স্থিতি; ভূমিকা হ'ল এক গতিশীলতা অথবা প্ৰস্থিতিৰ আচৰণগত স্বৰূপ। প্ৰস্থিতি দখল কৰা হয় কিন্তু ভূমিকা পালন কৰা হয়। গতিকে এটা প্ৰস্থিতিৰ দ্বাৰা ভূমিকা নিৰ্ণয় কৰিব পাৰি। আন কথাত প্ৰস্থিতিয়ে কোনো এজন ব্যক্তিক এক বিশেষ পৰিস্থিতিত আকাংক্ষিত ব্যৱহাৰ চিনাক্ত কৰাত আৰু উপযুক্ত প্ৰতিক্ৰিয়া নিৰ্দ্ধাৰণ কৰাত সহায় কৰে। সমাজতত্ত্ববিদ ৰালফ লিণ্টনে ভূমিকাৰ তত্ত্বটোলৈ যথেষ্ট অৰিহণা যোগাইছিল। তেওঁ ভূমিকাক প্ৰস্থিতিৰ নিৰ্দ্ধাৰিত আৰু স্থিৰ আচৰণ সম্পৰ্কীয় আকাংক্ষাৰ প্ৰকাশ বুলি গণ্য কৰিছিল। প্ৰস্থিতিৰ অন্তৰ্গত স্বীকৃত ৰীতিসন্মত আচৰণৰ প্ৰকাশেই হ'ল ভূমিকা। প্ৰস্থিতিয়ে আচৰণৰ বাবে উপযুক্ত নিৰ্দেশনা আগবঢ়ায়

ৰবাৰ্ট বিয়েৰষ্টেডে ভূমিকা সম্পৰ্কে কৈছিল যে— "প্ৰস্থিতিৰ গতিশীলতা আৰু আচৰণ সম্পৰ্কীয় ৰূপেই ভূমিকা... ব্যক্তিই প্ৰস্থিতি অনুসৰি কৰা জড়িত কাৰ্যৰ সৈতে।"

অগবাৰ্ণ আৰু নিমকফ্ৰ মতে ভূমিকা হ'ল "কোনো এক শ্ৰেণীৰ এক বিশেষ স্থিতিৰ সৈতে জড়িত সামাজিকভাবে আকাংক্ষিত আৰু অনুমোদিত আচৰণ বিন্যাস যাৰ সৈতে দায়িত্ব আৰু বিশেষ সা-সুবিধাসমূহ জড়িত হৈ থাকে।"

কিংছেল ডেভিডে কৈছে যে, "ভূমিকা হ'ল এক শৈলী যাৰ জৰিয়তে এজন ব্যক্তিয়ে তেওঁৰ স্থিতিৰ প্ৰয়োজনীয়তাখিনি পালন কৰে।

আৰ. কে. মৰ্টনে ভূমিকাৰ ধাৰণাক এক নতুন মাত্ৰা দিছিল। প্ৰচলিত ধাৰণা মতে এটা প্ৰস্থিতিয়ে এটাহে ভূমিকা পালনৰ সুযোগ দিয়ে। কিন্তু মৰ্টনে কৈছিল যে এটা প্ৰস্থিতি গ্ৰহণ কৰি এজন ব্যক্তিয়ে কেৱল এটা শ্ৰেণীৰ মানুহৰ লগতেই সম্পৰ্ক স্থাপন কৰাৰ পৰিবৰ্তে বিভিন্ন শ্ৰেণীৰ মানুহৰ সৈতে সম্পৰ্ক স্থাপন কৰে। সেয়েহে এজন ব্যক্তিয়ে এটা প্ৰস্থিতি গ্ৰহণ

কৰি থাকিলেও একাধিক ভূমিকা পালনকাৰীৰ সৈতে সম্পর্ক ৰক্ষা কৰিব পাৰে। ভূমিকা সমষ্টিক বুজাবলৈ মেৰ্টনে কৈছে যে— "কোনো ব্যক্তিয়ে এটা নির্দিষ্ট সামাজিক প্রস্থিতি গ্রহণৰ জড়িত হোৱা ভূমিকা সম্পর্কীৰ পৰিপূৰকেই হ'ল ভূমিকা সমষ্টি।" উদাহৰণস্বৰূপে— এখন বিদ্যালয়ত শিক্ষকৰ প্রস্থিতি গ্রহণ কৰা এজন ব্যক্তিয়ে শিক্ষার্থী, সহকর্মী, শিক্ষার্থীৰ অভিভাৱক আৰু বিদ্যালয় সমিতিৰ সদস্যৰ সৈতে বিভিন্ন ভূমিকা পালন কৰিবলগীয়া হয়।

ভূমিকা সমষ্টি

প্রস্থিতি সমষ্টিৰ ধাৰণাৰ পৰা আমি গম পালোঁ যে একোজন মানুহৰ ভিন্ ভিন্ প্রসংগত ভিন্ ভিন্ প্রস্থিতি থাকিব পাৰে। প্রতিটো প্রসংগতে প্রস্থিতিসমূহৰ সৈতে এজন ব্যক্তিয়ে কিছুমান ভূমিকা পালন কৰিবলগীয়া হয়। গতিকে এজন ব্যক্তিয়ে বিভিন্ন প্রস্থিতিৰ ক্ষেত্রত গ্রহণ কৰা ভূমিকাবোৰক একেলগে ভূমিকা সমষ্টি বোলে।

ভূমিকা সংঘাত

এজন ব্যক্তি একাধিক শ্রেণী অথবা উপশ্রেণীৰ সদস্য হ'ব পাৰে। প্রতিটো শ্রেণীতে ব্যক্তিজনক কিছুমান প্রস্থিতি প্রদান কৰা হয় আৰু শ্রেণীটো সূচাৰুৰূপে পৰিচালিত কৰাৰ উদ্দেশ্যে তেওঁ সেইমর্মে কিছুমান ভূমিকা গ্রহণ কৰাটো প্রয়োজনীয়। যেতিয়া ব্যক্তিজনৰ এটা শ্রেণীৰ ভূমিকাৰ সৈতে আন এটা শ্রেণীৰ ভূমিকাৰ লগত সংগতি নাথাকে তেতিয়া ভূমিকা সংঘাতৰ সৃষ্টি হয়। উদাহৰণস্বৰূপে— 'ক' আৰু 'খ' দুই ভাই-ককাই (এটা শ্রেণী**য**পৰিয়ালৰ অন্তর্গত)। কিন্তু এওঁলোক আন শ্রেণীৰো সদস্য। যেনে— 'ক' এখন পুলিচ থানাৰো এজন সদস্য আৰু সেয়েহে তেওঁ দোষীক শাস্তি দিয়াৰ ভূমিকা লয়। আনহাতে কোনো কাৰণত 'খ' কোনো অপৰাধমূলক কার্যৰ সৈতে জড়িত হৈ পৰে। এইক্ষেত্রত 'ক' ভূমিকা সংঘাতৰ মুখামুখি হ'ব পাৰে। যদি 'ক'ই 'খ' ক ৰক্ষা কৰাৰ চেষ্টা কৰে তেন্তে তেওঁ এজন পুলিচ বিষয়াৰ ভূমিকা পালন কৰিব নোৱাৰিব আৰু যদিহে 'ক'ই 'খ'ক শাস্তি দিয়ে তেন্তে তেওঁৰ ভাই**য**পৰিয়ালৰ সদস্য হিচাপে যি ভূমিকা সেই ভূমিকাৰ প্রয়োগ নহ'ব।

৪.৭ ভূমিকা আৰু প্রস্থিতিৰ লগত জড়িত পুৰস্কাৰ আৰু শাস্তি

প্রতিখন সমাজতে এজন ব্যক্তিৰ ভূমিকা আৰু তেওঁৰ সেই ভূমিকা পালনৰ প্রকৃতিৰ দ্বাৰা জৰিয়তে ব্যক্তিজনৰ সামাজিক স্থান নির্দ্ধাৰিত হয়। উদাহৰণস্বৰূপে— এজন ছাত্রৰ ভূমিকা হ'ল নিয়মিত অধ্যয়ন কৰা আৰু তেওঁক কৰিবলৈ দিয়া কামবোৰ সময়মতে সম্পূর্ণ কৰা। যদি কোনো ছাত্রই এইখিনি কাম নিয়াৰিকৈ কৰে তেন্তে তেওঁক ভাল নম্বৰেৰে পুৰস্কৃত কৰা হয়। আকৌ প্রতিখন সমাজত এনে কিছুমান ভূমিকা থাকে যিবোৰক অন্য ভূমিকাতকৈ কঠিন আৰু প্রয়োজনীয় বুলি বিবেচনা কৰা হয়। এইবাবে এনে ভূমিকাই সমাজত উচ্চ প্রস্থিতি লাভ কৰে। উচ্চ প্রস্থিতি দখল কৰি থকা ব্যক্তিসকলে সমাজত অধিক পুৰস্কাৰ লাভ কৰে। সমাজে নির্দ্ধাৰণ কৰে কোনটো কাম বেছি প্রয়োজনীয়। উদাহৰণস্বৰূপে, প্রাচীন কালৰ আদিবাসী সমাজত লোকসকলে শত্রুৰ সৈতে বা বন্য জীৱ-জন্তুৰ সৈতে যুদ্ধ-বিগ্রহত লিপ্ত হ'বলগীয়া

হৈছিল। সেয়েহে যিসকল যোদ্ধাই অধিক শত্ৰু বধ কৰিব পাৰিছিল তেওঁলোকক সমাজত উচ্চ আসন দিয়া হৈছিল। লগতে তেওঁলোকক মাটি আৰু অন্যান্য মূল্যৱান সামগ্ৰী পুৰস্কাৰ দিয়া হৈছিল। ঠিক তেনেদৰে যেতিয়া কোনো ব্যক্তিয়ে তেওঁক প্ৰদান কৰা ভূমিকা সূচাৰুৰূপে পালন নকৰে, তেন্তে তেওঁক শাস্তি দিয়াৰো ব্যৱস্থা আছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ঃ ভূমিকা বুলিলে আপুনি কি বুজে?

.....

.....

.....

প্ৰশ্ন নং ৫ঃ প্ৰস্থিতি বুলিলে আপুনি কি বুজে?

.....

.....

.....

.....



৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এখন সমাজত আচৰণৰ গ্ৰহণযোগ্য আৰ্হিৰ বাবে প্ৰতিমানে নিৰ্দেশনা আগবঢ়ায়।
- যিহেতু সমাজ এখন সূচাৰুৰূপে চলাৰ বাবে নীতি-নিৰ্দেশনাৰ প্ৰয়োজন, সেয়েহে প্ৰতিমানবোৰৰ সৈতে পুৰস্কাৰ আৰু শাস্তিৰ দৰে কিছুমান শক্তি জড়িত থাকে।
- আইনৰ ক্ষেত্ৰত এই শক্তি বেছি প্ৰবল হ'ব পাৰে যাক অমান্য কৰিলে শাস্তি দিয়া হয়। আনহাতে কিছু ক্ষেত্ৰত এই শাস্তি অতি লঘু অনুমোদন, যেনে— প্ৰশংসা অথবা চোকা দৃষ্টি হ'ব পাৰে।
- জন্মৰ পৰা মৃত্যুলৈ এজন ব্যক্তিয়ে আচৰণৰ এনে নিৰ্দিষ্ট ৰূপৰ পৰা শিক্ষা গ্ৰহণ কৰি থাকে। উদাহৰণ— প্ৰতিমান, এনে প্ৰতিমানবোৰৰ শিক্ষাৰ দ্বাৰা এজন ব্যক্তিয়ে বিভিন্ন পৰিস্থিতিত উপযুক্ত আচৰণ কৰিবলৈ শিকে।
- লোকাচাৰ হ'ল সেইবোৰ প্ৰতিমান যিবোৰ সামাজিক ভাৰ বিনিময়ৰ দ্বাৰা বিকশিত হয়।
- লোকাচাৰত খোৱা-লোৱা, অভিবাদনৰ ৰূপ, সাজপাৰৰ চানেকি, এটা পৰিয়ালৰ আকাংক্ষিত আচাৰ-ব্যৱহাৰ আদি নিয়মবোৰ অন্তৰ্ভুক্ত হৈ থাকে।

- লোকাচাৰ মূলতঃ অলিখিত।
- লোকাচাৰবোৰ এক দীর্ঘ সময় ধৰি চলি অহাৰ পাচত এটা সময়ত লাহে লাহে এক আনুষ্ঠানিক স্বীকৃতি লাভ কৰে।
- ৰীতি-নীতিবোৰ এটা প্রজন্মৰ পৰা আন এটালৈ হস্তান্তৰিত হৈ গৈ থাকে।
- আইন হ'ল বৈধ প্রাধিকৰণৰ দ্বাৰা বিকশিত কিছুমান আনুষ্ঠানিক নিয়ম।
- আৰক্ষী ব্যৱস্থা আৰু ন্যায়িক ব্যৱস্থাৰ দৰে আনুষ্ঠানিক কৌশলৰ দ্বাৰা আইনক সুৰক্ষিত ৰখা হয়।
- প্রতিমানে আচৰণৰ বিশেষ নির্দেশনা আগবঢ়ায়; মূল্যবোধে সাধাৰণ নির্দেশনা আগবঢ়ায়। ইয়াক কেন্দ্র কৰি আচৰণৰ বিশেষ ধৰণ, উদাহৰণস্বৰূপে— স্বীকৃত ৰীতি বিকশিত হয়।
- প্রস্থিতি হ'ল সমাজত লাভ কৰা এক স্থান।
- প্রত্যেক প্রস্থিতিৰে আচাৰণৰ নির্দিষ্ট ধৰণ থাকে আৰু ইয়াৰ সৈতে দায়িত্ব তথা অধিকাৰ জড়িত হৈ থাকে।
- এটা প্রস্থিতিৰ আন এটা প্রস্থিতিৰ সৈতে সম্পর্ক থাকে। প্রস্থিতিসমূহে সমাজত ভাৰৰ আদান-প্রদান কৰে।
- একে সময়ত অথবা পৃথক সময়ত এজন ব্যক্তিয়ে বিভিন্ন প্রস্থিতি দখল কৰিব পাৰে।
- সমাজে প্রস্থিতি নির্দ্ধাৰণ কৰে। সামাজিক প্রস্থিতিসমূহ প্রতিমানৰ দ্বাৰা পৰিচালিত হয়। যিবোৰ প্রস্থিতি মানুহৰ জন্মসূত্রে লাভ কৰা বৈশিষ্ট্যৰ ওপৰত আধাৰিত সেইবোৰ প্রস্থিতিক জন্ম প্রদত্ত প্রস্থিতি বোলে।
- জন্ম প্রদত্ত প্রস্থিতিৰ ওপৰত ব্যক্তিৰ নিয়ন্ত্রণ নাথাকে।
- এজন ব্যক্তিয়ে নিষ্ঠা আৰু কষ্টৰ বলত আহৰণ কৰা প্রস্থিতিসমূহক স্বলব্দ প্রস্থিতি বোলে।
- এজন ব্যক্তিয়ে প্রদর্শন কৰা সামাজিকভাৱে স্বীকৃতিপ্রাপ্ত আৰু আকাংক্ষিত আচাৰ-ব্যৱহাৰক ভূমিকা বোলা হয়।
- বিভিন্ন প্রস্থিতি দখল কৰি থকা এজন ব্যক্তিয়ে প্রদর্শন কৰা আটাইবোৰ ভূমিকাক একেলগে ভূমিকা সমষ্টি বোলে।
- যেতিয়া এজন ব্যক্তিৰ এটা ভূমিকাই আন ভূমিকাযভূমিকাবোৰৰ বিৰোধিতা কৰে তেতিয়াই ভূমিকা সংঘাতৰ সৃষ্টি হয়।
- সকলো ভূমিকা আৰু প্রস্থিতিৰ সৈতে কিছুমান পুৰস্কাৰ আৰু শাস্তি জড়িত থাকে।



৪.৯ অধিক জানিবলৈ

ৰ) Johnson, Harry M. (2011). Sociology: A systematic introduction. Allied publishers. New York.

চ) Marshall, Gordon. (2006). The Oxford Dictionary of Sociology. OUP: New Delhi.



৪.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ মানুহৰ সাময়িক আন্তঃ ক্রিয়াৰ ফলত উদ্ভৱ হৈ যিবোৰ প্রতিমান দৈনন্দিন কার্যলৈ ৰূপান্তৰ হয় তেনে স্বীকৃত ৰীতিবোৰকে লোকাচাৰ বোলে। কালক্রমত এই ৰীতিবোৰে মানুহক অনুশীলনৰ বাবে একধৰণৰ সামাজিক হেঁচা দিয়ে।

২ নং প্রশ্নৰ উত্তৰ ঃ গ্রাহাম চামনাৰ হ'ল লোকাচাৰৰ বিষয়ে চর্চা কৰা এগৰাকী সমাজতাত্ত্বিক।

৩ নং প্রশ্নৰ উত্তৰ ঃ প্রতিষিদ্ধ কার্য হ'ল এনে এক প্রতিমান যিয়ে কিছুমান কাম নকৰিবলৈ দৃঢ়তাৰে বাধা দিয়ে।

৪ নং প্রশ্নৰ উত্তৰ ঃ অগবার্ন আৰু নিমকফৰ মতে ভূমিকা হ'ল কোনো এক শ্রেণীৰ এক বিশেষ স্থিতিৰ সৈতে জড়িত থকা সামাজিকভাবে আকাংক্ষিত আৰু অনুমোদিত আচৰণ বিন্যা যাৰ সৈতে দায়িত্বৰ লগতে বিশেষ সুবিধাসমূহ জড়িত হৈ থাকে।

৫ নং প্রশ্নৰ উত্তৰ ঃ কিংছেল ডেভিডৰ মতে সাধাৰণ আনুষ্ঠানিক ব্যৱস্থাত প্রস্থিতি হ'ল এনে এক স্থান যিটোক সমাজে সমর্থন কৰাৰ লগতে স্বীকৃতি দিয়ে।



৪.১১ আৰ্হি প্রশ্ন

ক) **বস্তুধর্মী প্রশ্ন**

প্রশ্ন ১ঃ জাতি পূর্ব নির্দ্ধাৰিত প্রস্থিতি অথবা আর্জিত প্রস্থিতি হয়নে?

খ) **চুটি প্রশ্ন** (**ৰপ্তুজ্ম** শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ ভূমিকা বুলিলে আপুনি কি বুজে? ভূমিকা আৰু পুৰস্কাৰৰ মাজত সম্পর্ক কি?

প্রশ্ন ১ঃ প্রতিমান আৰু প্রমূল্যৰ মাজৰ পার্থক্য কি?

গ) **ৰচনাধর্মী প্রশ্ন** (**ৰপ্তুজ্ম-জ্ঞজ্ম** শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ এখন সমাজত প্রতিমানৰ আৱশ্যকতা কি? প্রতিমানৰ প্রকাৰবোৰ কি কি? বহলাই আলোচনা কৰক।

*** ***** ***

অধ্যায় ৫ঃ সংস্কৃতি

অধ্যায় গাঁথনি

প্ত.ৰ উদ্দেশ্য

প্ত.চ পৰিচয়

প্ত .্ সংস্কৃতিৰ ধাৰণা

প্তচ্ছ্র সংস্কৃতিৰ প্রকৃতি

- **প্তচ্ছ্র.ৰ** বৈশিষ্ট্যসমূহ (Characteristics)
- **প্ত.চ্ছ্র.চ** **সংস্কৃতিৰ বিৰোধ** (Paradoxes of Culture)
- **প্ত.চ্ছ্র.্** **সংস্কৃতিৰ কার্যাৱলী** (Functions of Culture)
- **প্ত.চ্ছ্র.চ্ছ্র** **সংস্কৃতিৰ সার্বজনীনতা** (Universals of Culture)

৫.৫ সংস্কৃতি**ৰ প্রকাৰ**

প্ত.ছ সংস্কৃতি আৰু ব্যক্তিত্ব

প্ত.জ্জ সংস্কৃতি আৰু সভ্যতা

প্তজ্ঞ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

প্তজ্ঞা অধিক জানিবলৈ

প্ত.ৰজ্ঞ অগ্রগতিৰ খতিয়ান

প্ত.ৰৰ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সংস্কৃতিৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিব
- সংস্কৃতিৰ প্রকৃতি সম্পর্কে আলোচনা কৰিব পাৰিব
- সংস্কৃতিৰ বিভিন্ন প্রকাৰ চিনাক্তকৰণ কৰিব পাৰিব
- সংস্কৃতি লগত ব্যক্তিত্বৰ সম্পর্কৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- সংস্কৃতি লগত সভ্যতাৰ সম্পর্ক চিনাক্তকৰণ কৰিব পাৰিব

৫.২ পৰিচয়

ইতিমধ্যে আমি সমাজ সম্পর্কে ধাৰণা লাভ কৰিছো। আমাৰ দৈনন্দিন আলোচনাসমূহত সঘনাই প্রয়োগ হোৱা অন্য এটা শব্দ হ'ল 'সংস্কৃতি'। সমাজ আৰু সংস্কৃতিৰ ধাৰণা পাৰস্পৰিক সম্বন্ধ যুক্ত। দুয়োটা একেটা মুদ্রাৰ দুটা পিঠিৰ দৰে। প্রত্যেকখন সমাজৰে নিজৰ সংস্কৃতি আছে। সমাজৰ নিয়ম, ধাৰণা, আচৰণ আৰু সদস্যসকলে সৃষ্টি তথা ব্যৱহাৰ কৰা বয়-বস্তু এই সকলোবোৰ

সংস্কৃতিৰ ভিতৰুৱা। সমাজ আৰু সংস্কৃতিৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখিবলৈ সদস্যসকলে সমাজৰ বিধি-নিয়মৰ লগত পৰিচিত হৈ সেই অনুসৰি আচৰণ কৰাতো প্ৰয়োজন। এই শিক্ষণ পদ্ধতিটোকে **সামাজিকীকৰণ** বোলা হয়। ইয়াৰ উপৰি আৰু এক প্ৰক্ৰিয়া আছে যিটোৰ জৰিয়তে সমাজৰ সদস্য সকলক সামাজিক বিধিসমূহ মানি চলিবলৈ বাধ্য কৰোৱা হয়। ইয়াকে কোৱা হয় ***সামাজিক নিয়ন্ত্ৰণ***। এয়া হ'ল সামাজিক জীৱনৰ দুটা গুৰুত্বপূৰ্ণ দিশ। এই পাঠটোত আমি সংস্কৃতি, সামাজিকীকৰণ আৰু সামাজিক নিয়ন্ত্ৰণৰ বিষয়ে অধ্যয়ন কৰিম।

৫.৩ সংস্কৃতিৰ ধাৰণা (Concept of Culture)

ইতিমধ্যে আমি জানিব পাৰিছো যে আমি সকলোৱে একোখন সমাজত বাস কৰো। ৰাতিপুৱা শুই উঠাৰ পৰা আৰম্ভ কৰি ৰাতি শোৱালৈকে সমাজত আমি যিবোৰ কাম কৰো সেই আটাইবোৰ সংস্কৃতিৰ বিভিন্ন দিশ। আমি কি খাওঁ, কি দৰে খাওঁ, কি পিন্ধো, কি কথা পাতো, কি বিশ্বাস কৰো, লিখোঁ, আমি কিদৰে চিন্তা কৰো ইত্যাদি এই সকলোবোৰ সংস্কৃতিৰ বিভিন্ন দিশৰ কেতবোৰ উদাহৰণ। যদিওবা ব্যক্তি ভেদে ধৰণবোৰ সুকীয়া, তথাপিতো এই পাৰ্থক্যসমূহ সংস্কৃতি অনুক্ৰমে নিৰ্ণয় কৰিব পাৰি। এইখিনিতে সংস্কৃতিনো কি সেই প্ৰশ্নটো উদয় হয়।

ৰজ্জ্বজ্জ চনত ই. বি. টাইলৰে আগবঢ়াই থৈ যোৱা সংস্কৃতিৰ বহল সংজ্ঞাটো আজিকালি বহুলভাৱে ব্যৱহাৰ হয়। *"সমাজৰ সদস্য হিচাপে মানুহে আহৰণ কৰা জ্ঞান, বিশ্বাস, কলা, নৈতিক শিক্ষা, আইন, ৰীতি-নীতি আৰু অনান্য যোগ্যতা আৰু অভ্যাসৰ এক সমন্বিত সমাহাৰেই হল সংস্কৃতি।"* কুনে সংস্কৃতিৰ সংজ্ঞা দি কৈছে, *"মানুহে কিদৰে জীৱন-যাপন কৰে আৰু শিক্ষণৰ মাধ্যমেৰে ই কেনেদৰে এটা পীৰিৰ পৰা আন এটা পীৰিলৈ সংক্ৰমিত হয় তাৰ সমষ্টিয়েই সংস্কৃতি।"* মালিনৌস্কিৰ মতে *"সংস্কৃতি হ'ল মানুহৰ ক্ৰমবৰ্ধনশীল সৃষ্টি।"*

এতেকে সমাজৰ সদস্য হিচাপে মানুহে যিবোৰ কথা শিকে আৰু কৰে সংস্কৃতিয়ে সেই আটাইবোৰকে সামৰি লয়। আমি সকলোৱেই একোখন সমাজৰ সদস্য। আমি সমূহীয়া ভাবে জীয়াই থাকিবৰ বাবে সকলোৰে বাবে কম বেছি পৰিমাণে গ্ৰহণযোগ্য সামাজিক জীৱনৰ কেতবোৰ নিয়ম প্ৰণালীৰ সৃষ্টি কৰা আৱশ্যক হৈ পৰে আৰু সমাজত আমি এই নিয়ম প্ৰণালীসমূহৰ ভিত্তিতে আচৰণ কৰো। ইয়াৰ উপৰি সমাজত ভৌতিক সামগ্ৰীৰ প্ৰস্তুতকৰণ আৰু ব্যৱহাৰৰ ব্যৱস্থা সমূহ নিৰ্ণয় কৰো। এই সকলোবোৰৰ সমাহাৰেই হ'ল সংস্কৃতি। ইয়াক মানুহে সামাজিকভাৱে বাচি থকাৰ আহিলা হিচাপেও চিহ্নিত কৰিব পাৰি।

সংস্কৃতিৰ সৈতে জড়িত এই ৰীতি-নীতি, আচৰণ আৰু ভৌতিক সামগ্ৰীসমূহ আমাৰ দৈনন্দিন জীৱনৰ খোৱা, শোৱা, কথা পাতা, খোজ কঢ়া আদি বিভিন্ন ক্ষেত্ৰত প্ৰযোজ্য হয়। কিছুমান অৱশ্যে মাজে মধ্যেই ব্যৱহাৰ হয়, যেনে— গণৰাজ্য দিৱসত ৰাষ্ট্ৰপতিৰ ভাষণ, বিহু উৎসৱ ইত্যাদি। এই আটাইবোৰেই সংস্কৃতিৰ অংগ। এই সকলোবোৰৰ সমাহাৰেই হ'ল সংস্কৃতি। আমি দেখিবলৈ পাওঁ যে অসমৰ বিভিন্ন অঞ্চলত বাস কৰা লোকে অসমীয়া ভাষাটো উচ্চাৰণ কৰা ধৰণ সুকীয়া সুকীয়া। এই অনানুষ্ঠানিক কথনভংগীৰ স্থানীয় তাৰতম্য আছে। আকৌ অসমীয়া

ভাষাটোৰ বিশেষ আক্ষৰিক ৰূপ আৰু গঠনশৈলী আছে। এই সকলোবোৰ অনানুষ্ঠানিক আৰু আনুষ্ঠানিক তাৰতম্য সংস্কৃতিৰ দিশ। সংস্কৃতিয়ে কেৱল মার্জিত বা অভিজাত সংস্কৃতিকে নুবুজায়, বৰঞ্চ ই জনপ্রিয় সংস্কৃতিকো বুজায় যাৰ বিষয়ে আমি এই অধ্যায়টোত আলোচনা কৰিম। থোৱতে সংস্কৃতি হ'ল, *"এখন সম্পূর্ণ সমাজৰ জীৱন যাত্রাৰ সামগ্রীক প্রণালী।"*

৫.৪ সংস্কৃতিৰ প্রকৃতি (Nature)

এতিয়া আমি সংস্কৃতিৰ বৈশিষ্ট্য বিষেয়ে জানিবলৈ চেষ্টা কৰো। সংস্কৃতিৰ বৈশিষ্ট্যৰ বিষয়ে আলোচনা কৰোঁতে আমি সংস্কৃতিৰ চাৰিত্রিক বৈশিষ্ট্য, বৈষম্যতা, কার্যাৱলী আৰু বিশ্বজনীনতা এই বিষয়কেইটা অনুধাৱন কৰিবলৈ চেষ্টা কৰিম। ইয়ে আমাৰ সংস্কৃতিৰ ধাৰণা আৰু অধিক পৰিস্কাৰ কৰি তুলিব।

৫.৪.১ সংস্কৃতিৰ বৈশিষ্ট্যসমূহ (Characteristics)

সংস্কৃতিৰ বৈশিষ্ট্য বহুত। ইয়াত আমি সংস্কৃতিৰ কেইটামান মৌলিক বৈশিষ্ট্যৰ বিষয়েহে আলোচনা কৰিম।

- **সংস্কৃতি জৈৱিকভাৱে আহৰণ কৰা নাযায়ঃ** সংস্কৃতি অভিজ্ঞতাৰ সহায়ত আহৰণ কৰা হয়। সংস্কৃতি জৈৱিকভাৱে আহৰণ কৰা নাযায়।চুলিৰ স্বাভাৱিক ৰংটো জৈৱিক, আনহাতে চুলি ৰং কৰাটো সাংস্কৃতিক চিন্তাৰ ভিতৰুৱা।নিজৰ সংস্কৃতিৰ বিষয়ে শিক্ষা লাভ কৰা প্রক্রিয়াটোক **সংস্কৃতিকৰণ** বোলে। এই বৈশিষ্ট্যটোৰ বাবেই ভাৰতত ডাঙৰ-দীঘল হোৱা ব্যক্তি এজনে পিছত বৃটেইনত বসবাস কৰিবলৈ ল'লে তেওঁ ইংৰাজ সংস্কৃতিৰ বিভিন্ন দিশৰ লগত পৰিচিত হৈ সেই মতে আচৰণ কৰিব পাৰে।
- **এখন সমাজত বাস কৰা সকলো লোকেই সংস্কৃতিৰ অংশীদাৰঃ** সমাজৰ সদস্যসকলে সংস্কৃতিক গঢ় দিয়ে আৰু ইয়াক মান্যতা প্রদান কৰে। ই কেৱল এজনৰ সংস্কৃতি হ'ব নোৱাৰে। পাৰস্পৰিক সামাজিক আদান-প্রদানৰ অবিৰত প্রক্রিয়াৰ মাজেদি সংস্কৃতি গঢ় লৈ উঠে। সংস্কৃতি মানুহৰ দ্বাৰা সৃষ্ট আৰু সমাজত বাস কৰা মানুহে ইয়াক গ্রহণ কৰে। যিহেতু সমাজৰ সকলো সদস্য সংস্কৃতিৰ অংশীদাৰ, সেয়েহে সকলোৱে পৰস্পৰে পৰস্পৰক বুজি পায় আৰু ভাবৰ আদান-প্রদান কৰে। গতিকে সংস্কৃতি হ'ল মানৰ সৃষ্ট সামাজিক আচৰণ।
- **সংস্কৃতি প্রতীকাত্মকঃ** মানুহে প্রতীকাত্মকভাৱে চিন্তা কৰিব পাৰে আৰু ঘটনা ভেদে অর্থ নির্ধাৰণ কৰিব পাৰে। আমি আমাৰ চৌপাশৰ পৃথিৱীখন প্রত্যক্ষ কৰি প্রতীকৰ সহায়েৰে দেখা বস্তুবোৰৰ অর্থ ব্যাখ্যা কৰোঁ। ভাৰতীয় সংস্কৃতিত 'নমস্কাৰ' আৰু পাশ্চত্য সংস্কৃতিত 'কৰমর্দন' হ'ল শুভেচ্ছা আৰু সন্মান প্রদর্শনৰ

বিভিন্ন প্রতীক। ইয়াত আমি দেখিবলৈ পাওঁ যে বিভিন্ন প্রতীকে একেটা অর্থকে বহন কৰে। পাশ্চত্য সংস্কৃতিত বুঢ়া আঙুলিটোৰ প্রদর্শনে শুভেচ্ছা জনোৱা বুজায়। আনহাতে ভাৰতীয় সংস্কৃতিত এনে প্রদর্শন অপমান সূচক। আমি প্রতীকাত্মক ভাষা ব্যৱহাৰ কৰো। সেয়েহে আমি প্রত্যক্ষ কৰিবলৈ পোৱা কেতবোৰ একেধৰণৰ আচৰণ আৰু একেধৰণৰ শব্দৰ অর্থ সংস্কৃতিভেদে বেলেগ বেলেগ হ'ব পাৰে। আমি এই প্রতীকবোৰৰ সাধাৰণ অর্থ শিকো আৰু আমাৰ আচৰণ, প্রয়োগ কৰা ভাষা, ইত্যদিৰ মাধ্যমেৰে এই অর্থবোৰ সংচাৰিত কৰি ভাব বিনিময় কৰো। যিহেতু সংস্কৃতি প্রতীকমূলক, ই প্রেৰণক্ষম আৰু ইয়াক শিকিব পাৰি।

- **সংস্কৃতিৰ এটা সংহত ৰূপ আছেঃ** সংস্কৃতিৰ উপাদানবোৰ পৰস্পৰ সম্বন্ধ যুক্ত। উদাহৰণস্বৰূপে, সংস্কৃতিৰ অর্থনৈতিক উপাদানসমূহ ৰাজনৈতিক উপাদানৰ লগত জড়িত। ভাৰতত সংস্কৃতিৰ ৰাজনৈতিক উপাদানসমূহ চৰকাৰখনৰ মাজেদি প্রকাশ পায়। চৰকাৰে দেশখনৰ অর্থনীতি নির্ধাৰণ কৰাৰ লগতে দেশৰ অর্থনীতিক প্রভাৱিত কৰে। সেই একে দৰে শিক্ষাও অর্থনীতিৰ লগত জড়িত। সংস্কৃতিৰ ভিতৰুৱা সকলো উপাদান পৰস্পৰ সম্বন্ধযুক্ত হোৱাৰ বাবে সংস্কৃতিয়ে এটা জটিল সমষ্টিৰ ৰূপ গ্রহণ কৰে। ই কম-বেছি পৰিমাণে এটা সংহত গোট। সংহতি বুলিলে বিভিন্ন ভাগ বা দিশসমূহৰ মাজত থকা পাৰস্পৰিক সম্বন্ধৰ কথা বুজো যিয়ে এই বিভিন্ন ভাগসমূহক এটা বৃহৎ গোট হোৱাত সহায় কৰে। ইয়াৰ বিভিন্ন অংশসমূহৰ মাজত পূর্ণাংগ ৰূপত পাৰস্পৰিক সম্বন্ধ নাথাকিবও পাৰে। ইয়াৰ ফলতেই সংস্কৃতি বিভিন্ন অংশৰ মাজত সংঘাতৰ সূত্রপাত হয়। তথাপিতো সংস্কৃতি বর্তি থাকিবলৈ হ'লে কিছু পৰিমাণৰ সংহতিৰ প্রয়োজন।



চিন্তা-চর্চা কৰক ৫.১

সংস্কৃতিৰ দিশ বুলি বিবেচনা কৰা পাঁচটা বস্তুৰ নাম উল্লেখ কৰক।

.....

.....

.....

৫.৪.২ সংস্কৃতিৰ বিৰোধ (Paradoxes of Culture)

- **সংস্কৃতি একেধাৰে জৈৱিক আৰু অতি-জৈৱিকঃ** আমি ইতিমধ্যে কৈ আহিছো যে সংস্কৃতি মানৱ সৃষ্ট। এই অর্থতহে ই জৈৱিক। তথাপিতো মানুহৰ বাবে ইয়াক এটা বাহ্যিক দিশ হিচাপে গণ্য কৰা হয়। আমি জৈৱিক উত্তৰাধিকাৰ সূত্রে সংস্কৃতি লাভ নকৰো। ফৰাচী সমাজতত্ত্ববিদ ইমাইল ডুর্খাইমে এই কথাটোৰ

ওপৰত জোৰ দিছে যে সংস্কৃতি এটা বাহ্যিক উপাদান আৰু ই আমাক প্ৰৱলভাৱে প্ৰভাৱিত কৰে। যেতিয়া আমি ইয়াৰ বিৰোধ কৰিবলৈ চেষ্টা কৰো তেতিয়া সংস্কৃতিৰ শক্তি স্পষ্ট হৈ পৰে। এই বিবেচনাৰে সংস্কৃতি অতি-জৈৱিক।

- **সংস্কৃতি সুস্থিৰ যদিও ই সদা পৰিৱৰ্তনশীনঃ** সংস্কৃতিৰ অন্তৰ্গত অংশসমূহৰ মাজত কিছু পৰিমাণে সংহতি ৰক্ষা কৰি চলে যিয়ে সংস্কৃতিক কিছু পৰিমাণে সুস্থিৰতা প্ৰদান কৰে। অৱশ্যে এই সুস্থিৰতাই সংস্কৃতিক স্থবিৰ নকৰে; ইয়াৰ পৰিৱৰ্তন হৈ থাকে।
- সংস্কৃতি সার্বজনীন, যদিও ইয়াৰ স্থানীয় আৰু অঞ্চলিক অভিব্যক্তি আছে। প্ৰত্যেকখন সমাজৰে একোটা সংস্কৃতি থাকে যদিও, কোনো দুটা সংস্কৃতি সম্পূৰ্ণৰূপে একে নহয়।

৫.৪.৩ সংস্কৃতিৰ কার্যাৱলী (Functions of Culture)

- সংস্কৃতিয়ে মানুহক তেওঁলোকে বাস কৰা সমাজখন আৰু তাৰ চৌপাশৰ বিষয়ে বুজাত সহায় কৰে।
- ই মানুহক কিছুমান উমৈহতীয়া অর্থ প্রদান কৰে আৰু সিবিলাকে পৰস্পৰে পৰস্পৰক বুজা আৰু ভাব বিনিময় কৰাত সহায় কৰে।
- ই জৈৱিক আৰু সামাজিক অভাৱবোৰ পূৰণ কৰে।
- ই মানুহক পৰিবেশৰ লগত খাপ খুৱাই চলিবলৈ সহায় কৰে।
- ই সমাজৰ সদস্যসকলৰ ব্যক্তিত্বক গঢ় দিয়ে।
- সংস্কৃতিয়ে সমাজক এটা পৰিচয় প্রদান কৰে।

প্ৰত্যেকটো সংস্কৃতিয়ে এই ওপৰোক্ত কার্যসমূহ সমাধা কৰে। প্ৰশান্ত মহাসাগৰৰ **মেলানেচিয়া দ্বীপ**ৰ বাসিন্দাসকল আৰু আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জৰ আদিবাসী-সকলৰ সৰল সংস্কৃতিৰ পৰা আদি কৰি ইউৰোপীয় সংস্কৃতিৰ জটিল সমাজলৈকে সকলোবোৰ সমাজে ওপৰত উল্লেখ কৰি অহা কার্যবোৰ সমাধা কৰে। সেই হেতুকে কোনো এক সংস্কৃতিক অন্য এক সংস্কৃতিৰ তুলনাত উৎকৃষ্ট বা নিকৃষ্ট বুলি বিবেচনা কৰিব নোৱাৰি। ক'বলৈ গ'লে সংস্কৃতিৰ জটিলতাৰ মাত্রা আৰু প্ৰকৃতি আৰু অন্যান্য আনুষঙ্গিক দিশৰ ওপৰত ভিত্তি কৰি বিভিন্ন সংস্কৃতিৰ মাজত থকা প্রভেদ নির্ণয় কৰা হয়। সংস্কৃতিৰ ধাৰণা লাভে এগৰাকী ব্যক্তিক সকলোবিলাক সংস্কৃতিৰ মর্ম উপলব্ধি কৰাত সহায় কৰে আৰু কি প্রসংগত সংস্কৃতিৰ উদ্ভৱ হৈছে তাক বুজাত সহায় কৰে। ইয়াক **সাংস্কৃতিক আপেক্ষিকতাবাদ** (Cultural relativism) বুলি কোৱা হয়। অন্য কথাত ক'বলৈ গ'লে ইয়ে আমাক আমাৰ নিজৰ সংস্কৃতিৰ প্রমূল্য, বিশ্বাস, আচৰণ আৰু চিন্তাৰ দ্বাৰা অন্যৰ সংস্কৃতিক মূল্যায়ণ কৰাত সহায় কৰে। ইয়ে আমাক বেলেগ বেলেগ সংস্কৃতিয়েনো মানবীয় সমস্যাসমূহৰ লগত কেনেকৈ মোকাবিলা কৰে সেই

বিষয়ে ধাৰণা লাভ কৰাত সহায় কৰে। সংস্কৃতিৰ জ্ঞানে আমাক **স্বজাতিকেন্দ্রিক** (Ethnocentrism) মনোভাৱটো জয় কৰাত সহায় কৰে। স্বজাতিকেন্দ্রিক ধাৰণাই সেই মনোভাৱৰ ইংগিত দিয়ে য'ত ব্যক্তিয়ে নিজৰ সংস্কৃতিক সর্বোত্তম আৰু অন্যৰ সংস্কৃতিক নিকৃষ্ট জ্ঞান কৰে।

৫.৪.৪ সংস্কৃতিৰ সার্বজনীনতা (Universals of Culture)

মানুহৰ অভিজ্ঞতাত সংস্কৃতি সার্বজনীন, অর্থাৎ প্রত্যেকখন মানৰ সমাজৰে সংস্কৃতি থাকে। সকলোবোৰ সংস্কৃতিতে কিছুমান নির্দিষ্ট সার্বজনীন সংঘটন থাকে যাক **সংস্কৃতিৰ সার্বজনীনতা** (Universals of culture বা cultural universals) বোলা হয়। **ৰজ্মাচু** চনত ক্লার্ক ৱিজলাৰে সকলোবোৰ মানৰ সমাজত সার্বজনীনভাৱে দেখিবলৈ পোৱা সংস্কৃতিৰ নটা দিশৰ কথা উল্লেখ কৰে। সেইকেইটা হ'ল ঃ

- ভাষা আৰু লেখন প্রণালীকে ধৰি মানুহৰ মাত কথা
- বস্তুগত (ভৌতিক) লক্ষণ
- পৌৰাণিক আখ্যান আৰু বৈজ্ঞানিক জ্ঞান
- কলা
- ধর্মীয় বিশ্বাস আৰু আচৰণ ৰোগীৰ চিকিৎসা আৰু মৃতকৰ সৎকাৰ পদ্ধতি
- পৰিয়াল আৰু সমাজ নিয়ন্ত্রণ
- সম্পত্তি, ব্যৱসায় আৰু বিনিময় ব্যৱস্থা
- চৰকাৰ আৰু ৰাজনৈতিক পদ্ধতি
- যুদ্ধ

৫.৫ সংস্কৃতিৰ প্রকাৰ

অচগুডৰ মতে সংস্কৃতিৰ তিনিটা প্রাথমিক উপাদান থাকে ঃ আদর্শগত বা মানসিক, সামাজিক আৰু ভৌতিক (বস্তুবাদী)। আদর্শগত আৰু সামাজিক উপাদানক একেলগে অনা-ভৌতিক অথবা অ-বস্তুবাদী সংস্কৃতি বোলা হয়।

- **অনা-ভৌতিক অথবা অবস্তুবাদী সংস্কৃতি (Non- Material Culture)**
  - **মানসিক সংস্কৃতি (Mental Culture):** একোটা সংস্কৃতিৰ সামূহিক আদর্শ, বিশ্বাস, প্রমূল্য, মান আৰু লক্ষ্য ইয়াৰ অন্তর্ভুক্ত। অন্য কথাত ক'বলৈ গ'লে এই উপাদানে সমাজত পালন কৰিবলগীয়া আচৰণ বিধিসমূহ সামৰি লয়। আমাৰ সংস্কৃতিত জ্যেষ্ঠসকলক সন্মান কৰা আৰু পৰিয়ালৰ প্রতি আনুগত্য প্রকাশ কৰাতো আমাৰ মূল্যবোধৰ ভিতৰুৱা; বিবাহ আৰু সন্তানৰ প্রতিপালনৰ লগত জড়িত আইনসমূহ আমাৰ কেতবোৰ বিধি-ব্যৱস্থাৰ ভিতৰুৱা। এইবোৰ আমাৰ মানসিক সংস্কৃতিৰ অংগ।

- **সামাজিক সংস্কৃতি (Social Culture):** এই সামূহিক আদর্শ, প্রমূল্য, বিশ্বাস, বিধি ইত্যাদিৰ ওপৰত ভিত্তি কৰি সমাজৰ সদস্যসকলে আচৰণ কৰে। সংস্কৃতিৰ আচৰণৰ দিশটোৱেই হ'ল সামাজিক সংস্কৃতি। ই স্বাভাৱিকতে মানসিক দিশটোৰ লগত জড়িত। মানুহে যথাযথ ভাৱেবিধিসমূহ পালন কৰি সেইমতে সমাজত আচৰণ কৰে। সমাজৰ প্রমূল্য আৰু বিধিসমূহে সৃষ্টিশীলতা আৰু বিবিধতাৰ প্রসাৰৰ পথ প্রশস্ত কৰি তোলে। সেয়েহে প্রমূল্য আৰু বিধিৰ বহল জালখনত আচৰণৰ বিবিধৰ নমুনা দৃষ্টিগোচৰ হয়। আকৌ এই বিধিসমূহক যেনেদৰে পালন কৰিব লাগে তেনেদৰে পালন কৰা নহয়। মাজেসময়ে বিধিসমূহ পালন কৰাত *বিচ্যুতি* ঘটে। অন্য বহুতো সংস্কৃতিৰ দৰে হিন্দু সংস্কৃতিত এজন পুৰুষে কেইবা গৰাকী পত্নী বিবাহ কৰাটো নিষিদ্ধ। হিন্দু বিবাহ আইনে ইয়াক নিষিদ্ধ কৰিছে। অথচ মাজে সময়ে আমি এজন পুৰুষে কেইবাগৰাকী পত্নী বিয়া কৰা দেখা পাওঁ আৰু সমাজৰ একাংশই তেনে আচৰণ মানি লয়। ইছলাম ধর্মীসকলৰ মাজত মদ্যপান ধর্মীয়ভাৱে নিষিদ্ধ। অথচ, এই বাধা নিষেধ সকলো সময়তে মানি চলা নহয়। বিধি উলংঘা কৰাটোকে বিচ্যুতি বোলে। আকৌ সময় আগবঢ়াৰ লগে লগে বিচ্যুতি আৰু নতুন নমুনাবোৰক সমাজে স্বীকৃতি প্রদান কৰাত সেইবোৰ সমাজৰ বিধি আৰু প্রমূল্য ৰূপে পৰিগ্রহ কৰিছে। উদাহৰণস্বৰূপে, বহু শতিকা জুৰি *সবর্ণ* বিবাহ ভাৰতীয় সমাজৰ পৰম্পৰা আছিল। ঊনবিংশ শতিকাত ভাৰতবর্ষত হোৱা সমাজ সংস্কাৰ আন্দোলনৰ পৰিপ্রেক্ষিতত অসবর্ণ বিবাহ প্রথা আৰম্ভ হয়। এতিয়া ভাৰতবর্ষৰ সংবিধানে এনেধৰণৰ বিবাহ সুচল কৰাৰ লগতে বিশেষ বিবাহ আইন **ৰজ্মাপ্তুছ** (Special Marriage Act 1956)ৰ নিচিনা আইন প্রণয়ন কৰি এনে বিবাহক আইনগত সুৰক্ষা প্রদান কৰিছে। এতেকে সংস্কৃতিৰ আচৰণগত বা সামাজিক পৰিধি মানসিক পৰিধিৰ লগত জড়িত। মানসিক পৰিধি সামাজিক আচৰণৰ পথ প্রদর্শক হোৱাৰ লগতে ইয়াক প্রভাৱিত কৰে আৰু ইয়াৰ দ্বাৰা প্রভাৱিতও হয়।

- **ভৌতিক বা বস্তুবাদী সংস্কৃতি (Material Culture)**

ভৌতিক সংস্কৃতিয়ে সমাজত বাস কৰা মানুহে ব্যৱহাৰ কৰা তথা তৈয়াৰ কৰা আৰু ব্যৱহাৰ কৰা (*কাৰিকৰী* বস্তু) সকলোবোৰ সামৰি লয়। ইয়াৰ ভিতৰত আমি খোৱা খাদ্য, যেনে— কেঁচা আপেল আৰু আপেলৰ পৰা তৈয়াৰ কৰা জাম ইত্যাদি আমাৰ কাপোৰ, ঘৰ, যান-বাহন আদিও পৰে। ভৌতিক বস্তুবোৰ প্রকৃতিৰ পৰা আহৰণ কৰি পোনপটীয়াকৈ ব্যৱহাৰ কৰা হয় অথবা ইয়াক প্রকৃতিৰ পৰা আহৰণ কৰি পৰিশোধন কৰি মানুহৰ বাবে ব্যৱহাৰোপযোগী কৰা হয়। ভৌতিক সংস্কৃতিৰ মাধ্যমেৰে সমাজৰ লগত পৰিৱেশৰ প্রত্যক্ষ যোগাযোগ ঘটে আৰু ইয়াৰ দ্বাৰা ব্যক্তিগত আৰু সামাজিক অভাৱসমূহ পূৰণ হয়। ভৌতিক সংস্কৃতিৰ বিবিধ আহিলা নির্মাণ আৰু ব্যৱহাৰৰ ক্ষেত্রত কেতবোৰ নির্দিষ্ট নীতি আৰু বিধি অনুসৰণ কৰা হয় আৰু এই প্রক্রিয়াত ব্যক্তিসমূহৰ মাজত পাৰস্পৰিক

ভাব বিনিময় ঘটে। উদাহৰণস্বৰূপে, এখন কুঠাৰ তৈয়াৰ কৰিবলৈ হ'লে এজন মানুহে এটা স্বীকৃত চানেকি অনুসৰণ কৰে আৰু ইয়াক মনত ৰাখে। কুঠাৰখন তৈয়াৰ কৰাৰ বেলিকা তেওঁ কুঠাৰখনৰ ধাৰ থকা ফালটো তৈয়াৰ কৰিবলৈ বজাৰৰ কোনোবা এজনৰ পৰা লো ডোখৰ কিনিব আৰু কুঠাৰখনৰ নালডালৰ বাবে কাৰোবাৰ পৰা কাঠ কিনিব। এইদৰে বিধি অনুসৰণ কৰি কুঠাৰখন তৈয়াৰ কৰাৰ প্ৰক্ৰিয়াত মানুহজনে আচৰণমূলক ভাবে অন্য বহুতো মানুহৰ লগত ভাব বিনিময় কৰে। ইয়াত আমি এইটো দেখা পাও যে মানসিক আৰু সামাজিক সংস্কৃতিয়ে ভৌতিক সংস্কৃতিৰ লগত ভাবৰ আদান প্ৰদান কৰে।



জানি থোৱা ভাল

আধুনিক যাতায়তৰ মাধ্যম আৰু মোবাইল ফোন ভৌতিক সংস্কৃতিৰ উদাহৰণ। এইবোৰৰ ব্যৱহাৰে মানুহৰ সামাজিক সম্পৰ্কৰ প্ৰকৃতি সলনি কৰিলে। মানুহে এতিয়া পূৰ্বৰ তুলনাত অধিক সহজভাৱে ভাবৰ আদান প্ৰদান কৰিব পাৰে। গাঁৱৰ মানুহে চহৰ আৰু নগৰবোৰলৈ দৈনিক অহা-যোৱা কৰি কাম-কাজ কৰিব পাৰে। এইটোৱে গাঁৱৰ সামাজিক জীৱনলৈ অনেক পৰিৱৰ্তন কঢ়িয়াই আনিছে। ম'বাইল ফোন আৰু ইণ্টাৰনেটৰ ব্যৱহাৰে মানুহক যিকোনো সময়তে আৰু যি কোনো ঠাইৰ পৰা যোগাযোগ ৰক্ষা কৰিবলৈ সুবিধা দিছে। এইদৰে তেওঁলোকে বিভিন্ন কাম-কাজৰ আঁচনি প্ৰস্তুত কৰি হাতলৈ অহা নানানটা সুযোগৰ সদ্ব্যৱহাৰ কৰিব পাৰে। যোগাযোগৰ এই আধুনিক মাধ্যমসমূহৰ বাবে কামৰ বিবিধতা বঢ়াৰ লগে লগে কামবোৰ খৰতকীয়াকৈ সমাধা হৈছে। ফলস্বৰূপে আচৰণ আৰু বিধিৰ নতুন নমুনাই বিকাশ লাভ কৰিছে।

ওপৰত উল্লেখ কৰি অহা সংস্কৃতিৰ শ্ৰেণীবিভাজনে সংস্কৃতিৰ তিনিওটা দিশৰ ভিতৰত থকা পাৰস্পৰিক সম্পৰ্কৰ কথা ব্যক্ত কৰে। এইদৰে আমি দোহাৰিব পাৰো যে সংস্কৃতি হ'ল এটা জটিল সমষ্টি (complex whole) আকৌ, শ্ৰেণী বিভাজনৰ এই আৰ্হি প্ৰয়োগ কৰি সংস্কৃতিৰ যিকোনো অংগ সি অৰ্থনীতি, ৰাজনীতি, শিক্ষা, ধৰ্ম, পৰিয়াল ইত্যাদি যিয়েই নহওক কিয়, তাৰ বিশ্লেষণ আগবঢ়াব পাৰি। উদাহৰণস্বৰূপে ভাৰতবৰ্ষত ৰাজনীতিৰ আদৰ্শগত দিশসমূহ ভাৰতৰ সংবিধানখনৰ প্ৰমূল্য আৰু নীতিসমূহৰ মাজেদি প্ৰস্ফুটিত হয়। যেনে— ভাৰতবৰ্ষ এখন 'সাৰ্বভৌম, সমাজবাদী ধৰ্মনিৰপেক্ষ গণতান্ত্ৰিক গণ ৰাজ্য' —এইটোৱেই আমাৰ সংবিধানখনৰ প্ৰমূল্য আৰু লক্ষ্য। এই সমূহৰ ওপৰত ভিত্তি কৰিয়েই আমি ভাৰতৰ নাগৰিক সকলে আচৰণ কৰা উচিত। আমাৰ ৰাজনৈতিক আচৰণৰ এটা উদাহৰণ হ'ল যে আমি আমাৰ চৰকাৰ গঠন কৰিবলৈ বিধানমণ্ডললৈ আমাৰ প্ৰতিনিধি-সকলক ভোট দি নিৰ্বাচিত কৰো। ভৌতিক সংস্কৃতিয়ে ভোট দিয়া যন্ত্ৰ, বেলট কাকত ইত্যাদিক সামৰে।

ওপৰত আগবঢ়াই অহা ব্যাখ্যাই সমাজ আৰু সংস্কৃতিৰ মাজত থকা সম্পৰ্কৰ প্ৰতি আঙুলিয়াই দিয়ে। যি স্থূলত সমাজ হ'ল ব্যক্তি আৰু সমষ্টিৰ গোট যিয়ে পৰস্পৰৰ ভিতৰত

ভাবৰ আদান প্ৰদান কৰে, সেই স্থলত সংস্কৃতি হ'ল এটা জটিল সমষ্টি (complex whole) যিয়ে সমগ্ৰ গোটটো আৰু সমাজখনৰ সামগ্ৰিক জীৱন যাত্ৰাৰ কথা সামৰি লয়। এখন সমাজ লুপ্ত হোৱাৰ পৰা ৰক্ষা পাবলৈ হ'লে ইয়াক সংস্কৃতিৰ প্ৰয়োজন অৰ্থাৎ এটা উমৈহতীয়া জীৱনযাত্ৰাৰ প্ৰণালী। সংস্কৃতি বৰ্তি থাকিবলৈ হ'লে ইয়াক এখন সমাজৰ প্ৰয়োজন। সমাজ অবিহনে সংস্কৃতি হ'ব নোৱাৰে। গতিকে সমাজ আৰু সংস্কৃতি একেটা মুদ্ৰাৰ দুটা পিঠি।



চিন্তা-চৰ্চা কৰক ৫.২

আপুনি যিটো সংস্কৃতিৰ লগত জড়িত আপোনাৰ পৰিয়ালটো সেই বিশাল সংস্কৃতিৰেই এটা অংশ। আপোনাৰ পৰিয়ালটোকে উদাহৰণ হিচাপে গ্ৰহণ কৰি ইয়াৰ মানসিক, সামাজিক আৰু ভৌতিক দিশসমূহ বিচাৰি উলিয়াওক।

.....

.....

সংস্কৃতিৰ অন্য কিছুমান শ্ৰেণীবিভাজনো আছে যিবিলাকে সংস্কৃতিৰ অন্যান্য দিশৰ ওপৰত দৃষ্টিপাত কৰে। আমি এইবোৰৰে কেইটামান দিশৰ বিষয়ে আলোচনা কৰিম—

- ***উপসংস্কৃতি (Sub-Culture)*** ঃএখন সমাজ বিবিধ সামাজিক গোটৰ দ্বাৰা গঠিত যিবিলাকৰ নিৰ্দিষ্ট আৰ্হিৰ সামাজিক আৰু সাংস্কৃতিক জীৱন আছে। এনেধৰণৰ গোটবোৰেই বিশাল সংস্কৃতিৰ ভিতৰত উপসংস্কৃতিৰ সৃষ্টি কৰে। ভাৰতীয় সমাজখনৰ এক বিশাল আৰু যৌগিক সংস্কৃতি আছে যাক আমি ভাৰতীয় সংস্কৃতি হিচাপে জানো। ইয়াৰ ভিতৰত অনেক ধৰ্মীয় গোট, উপসম্প্ৰদায়, সম্প্ৰদায়, শ্ৰেণী, বিবিধ ভাষিক, নৃগোষ্ঠীয় গোট, ইত্যাদি আছে। বিশাল ভাৰতীয় সংস্কৃতিৰ প্ৰেক্ষাপটত প্ৰত্যেকটো গোটেই একোটা উপসংস্কৃতিক গঢ় দিয়ে। এক বিশাল সংস্কৃতিৰ অন্তৰ্গত ইমানবিলাক উপ সংস্কৃতিৰ অৱস্থিতিয়ে সেইবিলাকৰ ভিতৰত পাৰস্পৰিক সম্বন্ধ থকাটো সূচায়। সামূহিকভাৱে এই গোটসমূহৰ এনে কিছুমান উমৈহতীয়া বিশাল সাংস্কৃতিক নমুনা আছে যিয়ে এই উপসংস্কৃতিসমূহক কম-বেছি পৰিমাণে ঐক্যবদ্ধ কৰি ৰাখে। এটা উমৈহতীয়া সাংস্কৃতিক নমুনাৰ উদাহৰণ হ'ল ভাৰতৰ সংবিধানখন।

  সৰল সমাজ অৰ্থাৎ সৰল প্ৰযুক্তি আৰু সামাজিক ব্যৱস্থাযুক্ত সমাজৰ সাধাৰণতে সকলোৱে উমৈহতীয়াভাৱে অনুসৰণ কৰিব পৰা এটা সৰল সংহত সংস্কৃতি থাকে। জটিল সমাজৰ ভিতৰত বহুত উপসংস্কৃতি থাকে যিয়ে সমাজখনক জটিল কৰে। ভাৰতীয় সমাজখন এখন জটিল সমাজ।

- ***উচ্চ সংস্কৃতি বা অভিজাত সংস্কৃতি (High Culture or Elitist Culture)*** ঃ সংস্কৃতিৰ এনে কিছুমান উপাদান আছে যি বিলাকক মৰ্যাদা প্ৰদান কৰা হয় আৰু সেইবিলাক সমাজৰ কিছুমান বিশেষ শ্ৰেণীৰ বাবে সংৰক্ষিত যেনে, শাসক শ্ৰেণীৰ বাবে, শিল্পী আৰু সাহিত্যিকৰ

বাবে ইত্যাদি। যদিওবা এই উপাদানসমূহ মর্যাদাসম্পন্ন, সিবিলাক সমাজৰ সকলো শ্রেণীৰ বাবে সুলভ নহয়। যিহেতু সাহিত্য কেৱল শিক্ষিত শ্রেণীটোৰ বাবে সুলভ আৰু শাসক শ্রেণীটো এটা মুষ্ঠিমেয় গোট হোৱাৰ পৰিপ্রেক্ষিতত এই গোটটোৰ ভিতৰত প্রবেশ কৰাতো বহুতৰে বাবে অসুবিধাজনক।

- ***জনপ্রিয় সংস্কৃতি বা পপ্ সংস্কৃতি(Popular or Pop Culture)*** ঃ জনপ্রিয় সংস্কৃতি বা পপ্ সংস্কৃতিয়ে এনেবোৰ জনপ্রিয় উপাদানৰ কথা সূচায় যিবিলাক সংস্কৃতিত প্রতিনিধিত্বমূলক সংস্কৃতিৰ সংজ্ঞাই হ'ল উমৈহতীয়া সামূহিক জীৱনযাত্রাৰ পথ। এইটোৱে ইয়াকে বুজায় যে সংস্কৃতিৰ সকলোবোৰ দিশ জনপ্রিয়। কিন্তু যেতিয়া আমি জটিল সমাজসমূহক বিশ্লেষণ কৰো তেতিয়া আমি দেখিবলৈ পাওঁ যে তাত উচ্চ সংস্কৃতি বা অভিজাত সংস্কৃতিৰ অৱস্থিতি আছে। বেছি ভাগ মানুহে এই ভিন্ন নমুনা বিশিষ্ট সাংস্কৃতিক জীৱনৰ লগত জড়িত হৈ পৰা বাবে সাংস্কৃতিক উপাদানসমূহ বিস্তৃত পৰিসৰৰ হয়। ইয়াত অন্তর্ভুক্ত হয় মূলসূতি (সংখ্যাগৰিষ্ঠ সাধাৰণ জনতা)ৰ দৈনন্দিন জীৱনৰ লগত জড়িত ভাবাত্মক আদান-প্রদান, অভাৱ, ইত্যাদি। ৰন্ধা-বঢ়া, কানি-কাপোৰ, লোককৃষ্টি, গণ মাধ্যম, ইত্যাদি বিলাক হ'ল জনপ্রিয় সংস্কৃতিৰ উপাদান। এইবোৰ স্থানীয় ভাষা বা সাধাৰণ সৰলীকৃত উমৈহতীয়া ভাষা (Lingua Franca)ৰ যোগেদি সহজ লভ্য হয় আৰু সেই বাবে এইবোৰৰ আবেদনো সুদূৰ প্রসাৰী হয়।
- ***জন-সংস্কৃতি (Mass Culture)*** ঃ পপ্ সংস্কৃতিৰ লগত জন-সংস্কৃতিৰ মিল থকা দেখা যায়। ইয়াক বাণিজ্যিক সংস্কৃতি হিচাপে গণ্য কৰা হয় যাক জন সাধাৰণৰ উপভোগৰ বাবে পৰিৱেশন কৰা হয়। যেতিয়া জনপ্রিয় সংস্কৃতিক জনমাধ্যমে গঢ় দিয়ে, বিতৰণ কৰে তথা বিপণন কৰে (marketed), তেতিয়া তাক জন-সংস্কৃতি বোলা হয়। আধুনিক যোগাযোগ ব্যৱস্থা আৰু বৈদ্যুতিক মাধ্যমৰ দ্বাৰাহে জন সংস্কৃতি বাস্তবায়িত হয়। গণমাধ্যমেমে অভিজাত সংস্কৃতি আৰু জনপ্রিয় সংস্কৃতিৰ প্রচলিত উপাদান কিছুমান সংগ্রহ কৰি জনসাধাৰণৰ মাজলৈ সেইবিলাক আগবঢ়াই দিয়ে। এইটো কোৱা হয় যে গণমাধ্যমৰ অন্তর্গত বিনোদন উদ্যোগত (Entertainment industry) ফেশ্বন (fashion), বিজ্ঞাপন, দূৰদর্শনত প্রচাৰিত হোৱা অত্যাধিক আবেগময় কাহিনীৰ ধাৰাবাহিকসমূহ, খেলা-ধূলা, ইত্যাদিয়ে সর্বসাধাৰণ লোকক বাৰুকৈ প্রভাৱিত কৰে।সর্বসাধাৰণে সেইবিলাক ব্যাপক মাত্রাত উপভোগ কৰে। এইদৰে, এইবিলাকেই এনে এটা সংস্কৃতিক গঢ় দিয়ে যাক কোৱা হয় জন-সংস্কৃতি।

৫.৬ সংস্কৃতি আৰু ব্যক্তিত্ব (Culture and Personality)

সংস্কৃতি আৰু ব্যক্তিত্বৰ সম্পর্কক পাৰস্পৰিক আৰু পৰস্পৰ নির্ভৰশীল সম্পর্ক হিচাপে গণ্য কৰা হয়। মানুহৰ ব্যক্তিত্ব, তেওঁৰ চিন্তা, অনুভূতি আৰু আচৰণৰ বিশিষ্ট নমুনাৰ দ্বাৰা গঠিত, আৰু ইয়েই তেওঁক অনন্য কৰি তোলে। ইয়াৰ উপৰি, গোটেই জীৱন জুৰি ব্যক্তিত্ব

সংগতিপূর্ণ হৈ থাকে।

প্রত্যেকখন সমাজৰে একোটা সংস্কৃতি থাকে। সামাজিকীকৰণৰ মাধ্যমেৰে সমাজৰ সংস্কৃতিক তাৰ সদস্যসকলে নিজৰ কৰি লয়। ব্যক্তিয়ে শিশু অৱস্থাৰ পৰাই সমাজৰ প্রমূল্য, বিশ্বাস, বিধি, সামাজিক আৰু সাংস্কৃতিক আচাৰ-আচৰণসমূহৰ শিক্ষা লাভ কৰে। এই প্রক্রিয়াৰে সংস্কৃতিয়ে সমাজৰ সদস্যসকলৰ ব্যক্তিত্বক গঢ় দিয়ে। কার্ডিনাৰ আৰু লিনটনে কৈছে যে *"সংস্কৃতিয়ে সমাজৰ বেছি ভাগ সদস্যৰ মাজত সাধাৰণতে পৰিলক্ষিত হোৱা 'ব্যক্তিত্বৰ প্রাথমিক প্রকাৰভেদ'ৰ গাঁথনি তৈয়াৰ কৰে।"*

সংস্কৃতি মানৱ সৃষ্ট আৰু ই পৰিৱর্তনশীল। সমাজৰ সদস্যই সংস্কৃতিলৈ পৰিৱর্তন আনে। সংস্কৃতিয়ে অহৰহ সৃষ্টিশীলতাৰ বাবে বাট সুপ্রশস্ত কৰি থয়। সদস্যসকলৰ ব্যক্তিত্বত এনে বৈশিষ্ট্য আৰু সৃজন ক্ষমতাই পৰিস্ফুৰণৰ বাট বিচাৰি পায়। আকৌ সংস্কৃতিত দেখা পোৱা কিছুমান সংঘাত আৰু উদ্বিগ্নতা (Tension) ইয়াৰ সদস্যসকলৰ ব্যক্তিত্বৰ মাজেদি প্রতিফলিত হয়। এই বৈশিষ্ট্যবোৰেও মানুহৰ মাধ্যমেদি সংস্কৃতিলৈ পৰিৱর্তন কঢ়িয়াই আনে। এইবোৰৰ যোগেদি মানুহে তেওঁলোকৰ সংস্কৃতিলৈ পৰিৱর্তন আনে। আকৌ সংস্কৃতিৰ ধাৰাবাহিকতাও সংস্কৃতিয়ে গঢ় দিয়া ব্যক্তিত্বসমূহৰ ওপৰত নির্ভৰশীল। মানুহে তেওঁলোকে অর্জন কৰা সংস্কৃতি অব্যাহত ৰাখে।

৫.৭ সংস্কৃতি আৰু সভ্যতা (Culture and Civilization)

মানৱ সভ্যতাৰ উদ্‌গমন হোৱাৰ পিছৰ পৰা মানৱ সমাজ তিনিটা প্রধান স্তৰৰ মাজেৰে পাৰ হৈ আহিছে। সেই স্তৰসমূহ হ'ল — আদিম, বর্বৰ আৰু সভ্যতা।

সভ্যতা সমাজৰ এটা বিকশিত স্তৰ যাৰ পা�ৱস্পৰিক সম্বন্ধ বর্দ্ধিত চহৰ, লিখনৰ আগমন আৰু বহুতো। এই সভ্যতাই এক বিশেষ ধৰণৰ সংস্কৃতিৰ ৰূপ আগবঢ়ায়। তথাপিও সভ্যতা আৰু সংস্কৃতিৰ মাজত কিছু বৈসাদৃশ্য আছে। সংস্কৃতি হ'ল মানুহৰ নীতি সম্বন্ধীয় (নৈতিক), আধ্যত্মমিক আৰু বৌদ্ধিক জ্ঞান প্রাপ্তিৰ স্থল। অন্যহাতেদি সভ্যতাই মানুহৰ দ্বাৰা আৱশ্যকতাৰ যোগান ধৰে। আৰু লগতে ইয়াত প্রযুক্তি বিদ্যা, বাস্তৱ সমাজ আৰু সামাজিক অনুষ্ঠান নিহিত থাকে। অর্থাৎ সাংস্কৃতিক জীৱনৰ আহিলাৰ এক সমষ্টি হ'ল সভ্যতা।

সংস্কৃতি হ'ল আভ্যন্তৰীণ। ই ব্যক্ত কৰে জীয়াই থকাৰ স্বৰূপ আৰু চিন্তাশীলতা। মেকাইভাৰ আৰু পেজৰ মতে, 'সভ্যতা হ'ল, আমাৰ যি আছে আৰু সংস্কৃতি হ'ল আমি যি'।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং১ঃ খালী ঠাই পূৰ কৰক।

ক) নিজৰ সংস্কৃতিৰ বিষয়ে শিক্ষা লাভ কৰা প্রক্রিয়াটোক ..... বোলে।

খ) ..... ধাৰণাই সেই মনোভাৱৰ ইংগিত দিয়ে য'ত ব্যক্তিয়ে নিজৰ সংস্কৃতিক সর্বোত্তম আৰু অন্যৰ সংস্কৃতিক নিকৃষ্ট জ্ঞান কৰে

প্রশ্ন নং২ঃ জন-সংস্কৃতি কি?

.....

.....

.....

.....



৫.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই আধ্যায়টিত কৰা আলোচনাৰ পৰা আমি এইটো জানিলো যে—

- সমাজ আৰু সংস্কৃতি একেটা মুদ্রাৰ দুটা পিঠি।
- সমাজ আৰু সংস্কৃতি একেটা মুদ্রাৰ দুটা পিঠি।
- সমাজ হ'ল গোটসমূহ আৰু ব্যক্তিৰ সামাজিক সম্পর্ক। সংস্কৃতি হ'ল সামাজিক গোট আৰু সমাজত বাস কৰা মানুহৰ সামগ্রিক জীৱন চিন্তা।
- সংস্কৃতিৰ প্রধান দুটা ভাগ হৈছে - বস্তুবাদী সংস্কৃতি আৰু অ-বস্তুবাদী সংস্কৃতি।
- সংস্কৃতিয়ে ব্যক্তিগত আৰু সমষ্টিগত চৰিত্র গঢ় দিয়ে। তথাপিতো ই ব্যক্তিৰ স্বকীয়তা আৰু সৃষ্টিশীলতা প্রদর্শনৰ সুবিধা প্রদান কৰে।



৫.৯ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

ৰ) Johnson, H. M (1960) *Sociology– A Systematic Introduction*. New Delhi : Allied Publications.

চ) Rawat, H. K. (2009) *Sociology : Basic Concepts*. Jaipur : Rawat Publications.

ছ) Sharma, R. K. *Social Change and Social Control. New Delhi :* Atlartic Publishers and Distributors.

জ Ogburn, W. E. and M. F. Nimkoff. *Sociology.* Baston *:* Houghton Mifflin Company.



৫.১০ অগ্রগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰঃ ক) সংস্কৃতিকৰণ খ) স্বজাতিকেন্দ্ৰিক

২নং প্ৰশ্নৰ উত্তৰঃ যতিয়া জনপ্ৰিয় সংস্কৃতিক জনমাধ্যমে গঢ় দিয়ে, বিতৰণ কৰে তথা বিপণন কৰে (marketed), তেতিয়া তাক জন-সংস্কৃতি বোলা হয়। আধুনিক যোগাযোগ ব্যৱস্থা আৰু বৈদ্যুতিক মাধ্যমৰ দ্বাৰাহে জন সংস্কৃতি বাস্তবায়িত হয়।



৫.১১ আৰ্হি প্ৰশ্ন

(ক) **চুটি প্ৰশ্ন (ৰপ্তজ্ঞ শব্দৰ ভিতৰত উত্তৰ লিখক)**

প্ৰশ্ন ১ঃ সংস্কৃতিৰ সংজ্ঞা নিৰূপণ কৰক। ইয়াৰ স্বৰূপ বৰ্ণনা কৰক।

প্ৰশ্ন ২ঃ সংস্কৃতিৰ বিভিন্ন প্ৰকাৰসমূহ কি কি?

(খ) **ৰচনাধৰ্মী প্ৰশ্ন (জ্ঞজ্ঞ-প্তজ্ঞজ্ঞ শব্দৰ ভিতৰত উত্তৰ লিখক)**

প্ৰশ্ন ১ঃ 'সংস্কৃতি এক জটিল সমষ্টি' —আলোচনা কৰক।

প্ৰশ্ন ২ঃ 'সংস্কৃতি আৰু ব্যক্তিত্বৰ মাজৰ সম্পৰ্ক পৰস্পৰ আদান-প্ৰদানমূলক আৰু পৰস্পৰ নিৰ্ভৰশীল।' ব্যাখ্যা কৰক।

*** ***** ***

পাঠ ৬ ঃ সামাজিক সমূহ

অধ্যায় গাঁথনি

ছ.ৰ উদ্দেশ্য

ছ.চ পৰিচয়

ছ.১ সামাজিক সমূহৰ ধাৰণা

ছ.১.ৰ সামাজিক সমূহৰ বৈশিষ্ট্য

ছ.১.চ সমষ্টি (Aggregate) আৰু শ্রেণী (Category) ৰ সৈতে সামাজিক সমূহৰ পার্থক্য

ছ.চ্ছ্র সামাজিক সমূহৰ প্রকাৰ

ছ.চ্ছ্র.ৰ প্রাথমিক সামাজিক সমূহ

ছ.চ্ছ্র.চ গৌণ সামাজিক সমূহ

ছ.চ্ছ্র.১ প্রাথমিক আৰু গৌণ সামাজিক সমূহৰ পার্থক্য

ছ.চ্ছ্র.চ্ছ্র আন্তঃসমূহ (Ingroup) আৰু বর্হিসমূহ (Outgroup)

ছ.চ্ছ্র.প্ত প্রসঙ্গ (Reference) সমূহ

ছ.চ্ছ্র.ছ সুসংবদ্ধ (Organized) আৰু অসংবদ্ধ (Unorganized) সমূহ

ছ.চ্ছ্র.জ্জ স্বেচ্ছামূলক (Voluntary) আৰু অ-স্বেচ্ছামূলক (Involuntary) সমূহ

ছ.চ্ছ্র.জ্জ্ব সাদৃশ্য সমূহ (Quasi Group)

ছ.প্ত অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

ছ.ছ অধিক জানিবলৈ

ছ.জ্জ অগ্রগতিৰ খতিয়ান

ছ.জ্জ্ব আর্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সামাজিক সমূহ কিদৰে গঠিত হয় আৰু সমাজত ইয়াৰ গুৰুত্ব ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব
- বিভিন্ন সামাজিক সমূহৰ গাঁথনি সম্পকে ব্যাখ্যা আগবঢ়াব পাৰিব,
- বিভিন্ন সামাজিক সমূহৰ গঠনৰ উদ্দেশ্য আলোচনা কৰিব পাৰিব।

৬.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টিত আমি সংস্কৃতিৰ অর্থ, বৈশিষ্ট্য আৰু প্ৰকাৰৰ বিষয়ে ধাৰণা লাভ কৰিলো। আমি বুজিব পাৰিলো যে সমাজ আৰু সংস্কৃতি দুয়োতাই আন্তঃসংযুক্ত। সমাজৰ প্ৰত্যেকজন ব্যক্তিয়ে তেখেতৰ নিজস্ব স্থিতি, পদমর্যাদাৰ ভিতৰত থাকি সামাজিক নীতি-নিয়মৰ মাজেদি আচৰণ কৰে। এই আচৰণৰ ভিত্তিতেই সামাজিক সমূহৰ গঠন হয়। আপুনি যদি আপোনাৰ নিজৰ সমাজখনলৈ চকুফুৰায় তেন্তে সমাজত থকা বহুধা বিভক্ত সামাজিক সমূহবোৰ দেখিবলৈ পাব। কিছুমান সমাজত নির্দিষ্ট উদ্দেশ্য আগত ৰাখিহে সামাজিক সমূহৰ সৃষ্টি হয়। তদুপৰি ইয়াত আপেক্ষিকভাৱে সামাজিক সম্পর্কৰ স্থিৰতাও দেখিবলৈ পোৱা যায়। এই প্ৰক্ৰিয়াৰে সামাজিক সমূহ সমূহে সমাজৰ বিভিন্ন আশা আকাঙ্খা পূৰণ কৰিবলৈ সমর্থ হয়। এই অধ্যায়ৰ জৰিয়তে আমি সামাজিক সমূহ কাক কয়, ইয়াৰ বিভিন্ন প্ৰকাৰ, গঠন হোৱাৰ কাৰণসমূহ, সমাজত ইয়াৰ সৃষ্টিৰ অর্থ আৰু সেই সমূহৰ নিজস্ব বৈশিষ্ট্যৰ বিষয়ে জ্ঞাত হম। ইয়াৰ উপৰি সমিতি (Association) আৰু সম্প্ৰদায় (Community)ৰ বিষয়েও বিস্তৃতভাৱে জানিব পাৰিম।

৬.৩ সামাজিক সমূহৰ ধাৰণা

প্ৰত্যেকটো সামাজিক সমূহেই কিছুসংখ্যক সদস্যৰ সমষ্টি। এই সদস্যসকলৰ মাজত আন্তঃক্ৰিয়া চলি থাকে আৰু তেওঁবিলাকে নিজকে সেই নির্দ্দিষ্ট সামাজিক সমূহৰ সদস্য হিচাপে চিনাক্তকৰণ কৰে। সমাজতত্ববিদ মার্চেল জ'নচ্ (Marshall Jones) ৰ মতে— *'দুই বা তাতোধিক ব্যক্তিৰ মাজত নির্দিষ্ট ধৰণে থকা আন্তঃক্ৰিয়াৰ বাবে'* সামাজিক সমূহৰ সৃষ্টি হয় । উল্লিখিত সংজ্ঞা দুটাৰ পৰাই আমি সামাজিক সমূহৰ কিছুমান বিশেষ বৈশিষ্ট্যৰ কথা গম পালো।

৬.৩.১ বৈশিষ্ট্য

সামাজিক সমূহৰ বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা হ'ল -

- সামাজিক সমূহ হ'ল ব্যক্তিৰ সমষ্টি।
- সমূহৰ সদস্যসকলৰ কিছুমান সমূহীয়া লক্ষ্য বা উদ্দেশ্য নির্দ্ধাৰণ কৰা থাকে।
- সমূহৰ সদস্যসকলৰ মাজত সঘনাই যোগাযোগ ৰক্ষিত হয়।
- যোগাযোগবোৰ সুস্থিৰ ৰূপেৰে ৰূপায়িত হয়।
- এনে ধৰণৰ আন্তঃক্ৰিয়াৰ ফলস্বৰূপে সমূহৰ সদস্য সমাজৰ মাজত মূল্যবোধ আৰু বিশ্বাসৰ আদান-প্ৰদান চলে।
- ইয়াৰ বাবেই তেওঁলোক এজনে আনজনৰ অভিন্ন হিচাপে চিহ্নিত হয়।

- এনে কিছুমান নির্দিষ্ট বৈশিষ্ট্যৰ বাবেই তেওঁলোক একতাৰ ডোলেৰে বান্ধ খাই পৰে আৰু সমূহটিয়ে ঐক্যবদ্ধ ৰূপ পৰিগ্রহ কৰে।
- এইবোৰে সমূহটি সৃষ্টি হোৱাৰ মূল 'উদ্দেশ্য' দাঙি ধৰি নিজস্ব উপসংস্কৃতিক উপাদানেৰে সমাজত নিজৰ অস্তিত্ব ঘোষণা কৰে।

সমূহৰ সদস্যসকলৰ ওপৰিও গোটেই সমাজখনৰ বাবেই সামাজিক সমূহ অপৰিহার্য। এনে সামাজিক সমূহৰ কিছুমান অতি সুস্থিৰ আৰু সহিষ্ণু হয় আৰু এই সমূহেই সময়ত সমাজৰ ভিত্তি স্থাপন কৰে। এই অর্থতে এটা পৰিয়াল, এখন গাওঁ, এটা ৰাজনৈতিক দল, এটা শ্রমিক সংঘও একো একোটা সামাজিক সমূহ।

৬.৩.২ সমষ্টি আৰু শ্রেণীৰ সৈতে সামাজিক সমূহৰ পার্থক্য

সামাজিক সমূহ সমষ্টিৰ পৰা স্বতন্ত্র। সাধাৰণ অর্থত সমষ্টি বুলিলে অজ্ঞাত উৎসৰ পৰা আহি এক নির্দিষ্ট স্থানত, একে সময়তে একগোট হোৱাটো বুজায়। উদাহৰণস্বৰূপে — চিনেমা চাবলৈ যোৱা দর্শকসকল, বজাৰৰ বিক্রেতা আৰু ক্রেতাসকল, ইত্যাদি। তেওঁলোক প্রত্যেকেই নিজৰ নিজৰ অভিষ্ট সিদ্ধিৰ বাবেহে তাত একগোট হয়। কেতিয়াবা সেয়া ক্ষন্তেক সময়ৰ বাবেও হয়। সেয়ে আমি ক'ব পাৰো — এটা সমষ্টিৰ ব্যক্তিসকলৰ মাজত অতি অস্থায়ীধৰণৰ সম্পর্ক এটাৰহে সৃষ্টি হয়। এটা সমষ্টিৰ পৰা ব্যক্তি ওলাই যাবও পাৰে, নতুনকৈ যোগদানো কৰিব পাৰে। সমষ্টি অতি কম সময়ৰ বাবে সৃষ্টি হোৱা পৰিঘটনা। সেয়ে ক'ব পাৰি — সমষ্টি সামাজিক সমূহ নহয়। এটা সামাজিক সম্হ এক নির্দিষ্ট লক্ষ্য আগত ৰাখি ঐক্যবদ্ধ হয় আৰু সম্পর্কই অভিন্ন ৰূপ লাভ কৰে। সমষ্টিত এইবোৰ নঘটে। কিন্তু সমষ্টিৰ মাজত এনে শক্তি থাকে যাৰ সহায়েৰে সমাজৰ গতানুগতিক ভাৱধাৰাৰ পৰিবর্তন সাধন হ'ব পাৰে। সমাজতাত্বিক দৃষ্টিভংগীৰে চালে দেখা যায় যে সমাজত সমষ্টিৰো গুৰুত্ব আছে। উদাহৰণস্বৰূপে কোনো সমষ্টিৰ দ্বাৰা সংঘটিত লুণ্ঠন, প্রজাবিপ্লৱ, কোনো সমষ্টিৰ মাজত সৃষ্টি হোৱা ভয়ত পেপুৱা লগা অৱস্থা, নিয়ন্ত্রণহীনভাৱে প্রদর্শিত আবেগেও সমাজ এখনত গভীৰ প্রভাৱ পেলাব পাৰে। শ্রেণী হল কেতবোৰ ব্যক্তিৰ সংগ্রহ যি সকলক কিছুমান উমৈহতীয়া বৈশিষ্ট্য যেনে শিক্ষা, সামাজিক পদমর্যাদা, শাৰিৰীক বৈশিষ্ট্য আদিৰ ভিত্তিত শ্রেণীভুক্ত কৰা হয়। শ্রেণীৰ কেতবোৰ সাধাৰণ উদাহৰণ হ'ল লিংগ বা বয়সভিত্তিক জনসংখ্যাৰ বিভাজন, জাতি কর্মভিত্তিক তথা শিক্ষাৰ পর্য্যায় বা দৰিদ্রতাৰ ভিত্তিত বিভাজন আদি। আনকি সন্ত্রাসৰ বলি হোৱা ব্যক্তিসকল, অতি ওখ ব্যক্তিসকল আদিও একো একোটা শ্রেণীভুক্ত হ'ব পাৰে। শ্রেণীৰ ধাৰণাটি স্থূল অর্থত ব্যৱহৃত বাবে এক নির্দিষ্ট লক্ষ্য ৰাখি একগোট হোৱাৰ ধাৰণাটি আহি নপৰে। সাধাৰণ অর্থত

এয়াই শ্রেণী আৰু সামাজিক সমূহৰ মাজত পার্থক্য। কিন্তু শ্রেণীভুক্ত ব্যক্তিসকলৰ কিছুসংখ্যকৰ উমৈহতীয়া চাৰিত্রিক বৈশিষ্ট্যই তেওঁলোকক সামাজিক সমূহ গঠনৰ ভিত্তি আগবঢ়ায়। উদাহৰণস্বৰূপে এক নির্দিষ্ট ঠাইৰ ডাক্তৰসকলে তেওঁলোকৰ স্বার্থসিদ্ধিৰ বাবে 'ডাক্তৰ সংঘ' খুলিব পাৰে কিন্তু সেই সংঘটো পৃথিৱীৰ সমূহেই ডাক্তৰসকলৰ সংঘ নহয়।



জানি থওঁ আহক

- সমাজ হ'ল সামাজিক সম্পর্কক ভিত্তি কৰি বর্তি থকা এক ব্যৱস্থা। সেয়া কেৱল ব্যক্তিৰ থূপ বা সমূহ নহয়। সমাজৰ প্রত্যেক ব্যক্তিয়েই সমাজখনৰ সদস্য। অর্থাৎ সদস্য হোৱাটো বাধ্যতামূলক।
- সামাজিক সমূহ, সামাজিক শ্রেণী, এক পদমর্যাদাযুক্ত মানুহৰ শ্রেণী বা জুমৰ পৰা পৃথক। এইবোৰৰ কোনো নির্দিষ্ট গঠন প্রণালী নাই; কেৱল শ্রেণীভুক্তহে কৰা হয়। কেতিয়াবা কেতিয়াবা এইবোৰক সাদৃশ্য ধৰণৰ সমষ্টি (Quasi Group)হে বুলিব পাৰি।

৬.৪ সামাজিক সমূহৰ প্রকাৰ

কিছুমান নির্দিষ্ট লক্ষ্য আগত ৰাখি সমাজত বিভিন্ন সামাজিক সমূহৰ জন্ম হয়। সেই সমূহবোৰৰ সংযুক্ত, গঠন হোৱাৰ কাৰণ, সমূহৰ সদস্যসকলৰ মাজত থকা আত্মীয়তা আদিৰ ওপৰত ভিত্তি কৰি সমাজবিজ্ঞানীসকলে সামাজিক সমূহক কেইবাটাও ভাগত বিভক্ত কৰিছে। তলত কেইটিমান উল্লেখযোগ্য ভাগৰ বিষয়ে আলোচনা কৰা হ'ল।

৬.৪.১ প্রাথমিক সামাজিক সমূহ (Primary Social Group)

সদস্যসকলৰ আত্মীয়তাৰ গভীৰতাৰ ওপৰত ভিত্তি কৰি সামাজিক সমূহক প্রধানত দুটা ভাগত ভাগ কৰা হৈছে - প্রাথমিক সামাজিক সমূহ (Primary Social Group) আৰু গৌণ সামাজিক সমূহ (Secondary Social Group)।

যিবোৰ সমূহৰ সদস্যসকলৰ মাজত অতি আত্মিক সম্পর্ক স্থাপন হয় তেনে ধৰণৰ সমূহক প্রাথমিক সামাজিক সমূহ হিচাপে সমাজশাস্ত্রই চিহ্নিত কৰিছে। উদাহৰণস্বৰূপে — এটা পৰিয়াল, বাল্যকালৰ বন্ধু-বান্ধৱী, ইত্যাদি। প্রাথমিক সামাজিক সমূহ হ'ল দৃষ্টান্তস্বৰূপ সৰু সামাজিক সমূহ। এই সমূহৰ সদস্যসকল ইজনে আনজনৰ প্রতি সচেতন, একেধৰণৰ সাংস্কৃতিক জীৱন নির্বাহ কৰে আৰু বহুকাল একেলগে কটায়।

পৃথিৱীৰ সকলো সমাজতে পৰিয়াল হ'ল সার্বজনীন প্রাথমিক সামাজিক সমূহ

প্রাথমিক সামাজিক সমূহৰ মূল বৈশিষ্ট্যসমূহ হ'ল -

- কোনো ধৰণৰ আনুষ্ঠানিকতা অৱলম্বন নকৰাকৈ স্বতঃস্ফূর্তভাৱে প্রাথমিক সমূহৰ সদস্যসকলৰ মাজত পোনপটীয়া সম্পর্ক স্থাপন হয়,
- সাধাৰণতে প্রাথমিক সমূহৰ আকাৰ সৰু সেইবাবে সদস্যসকল এক আত্মিক বান্ধোনেৰে বান্ধ খাই থাকে,
- প্রাথমিক সমূহবোৰ সাধাৰণতে সু-প্রতিস্থিত বা দৃঢ় বান্ধোনেৰে বান্ধ খাই থাকে বাবে স্থায়ীত্বও বেছি,
- তেওঁলোকে ব্যক্তিগত স্বার্থতকৈ সামূহিক স্বার্থক বেছি প্রাধান্য দিয়ে।

প্রাথমিক সমূহৰ সদস্যসকল মাজৰ সম্পর্ক ব্যক্তিগত। অর্থাৎ প্রত্যেকেই প্রত্যেকৰে ব্যক্তিগত জীৱন সম্পর্কে সচেতন। সদস্য সকলে এনেধৰণৰ নিবিড় সামাজিক সম্পর্কৰে জড়িত হৈ থকা বাবে সম্পর্কবোৰ অনানুষ্ঠানিক আৰু দীর্ঘস্থায়ী হয়। যিহেতু সমূহটোৰ সদস্যসকল সমূহটোত সামগ্রিকভাৱে জড়িত হৈ থাকে, গতিকে সমহটোৰ পৰা কোনো এজন ব্যক্তি ওলাই গলেই সমূহটোৰ গাঁথনি ক্ষতিগ্রস্থ হয়। উদাহৰণস্বৰূপে বিবাহিত দম্পতীৰ এটা সমহৰ পৰা যিকোনো এজন আঁতৰি আহিলে সেই সমহটি বর্তি নাথাকে।

৬.৪.২ গৌণ সামাজিক সমূহ (Secondary Social Group)

ইতিমধ্যে আমি প্রাথমিক সামাজিক সমূহৰ বিষয়ে সম্যক ধাৰণা লাভ কৰিলোঁ। এই ধাৰণাৰ ভিত্তিতে গৌণ সামাজিক সমূহৰ বিষয়ে আলোচনা কৰাটো সহজ হ'ব। আমি আগতেই কৈছো যে প্রাথমিক সামাজিক সমূহৰ সদস্যসকল আত্মীয়তাৰে নিকপকপীয়াকৈ বান্ধ খাই থাকে। ইয়াৰ তুলনাত গৌণ সামাজিক সমূহত এই বান্ধোন কম দৃঢ়। তেওঁলোকৰ মাজৰ সম্পর্কবোৰ ইমান বেছি আন্তৰিকতাপূর্ণ নহয় বাবে দীর্ঘম্যাদীও নহয়। কোনো এক নির্দিষ্ট লক্ষ্য আগত ৰাখি গৌণ সামাজিক সমূহ গঠন কৰা হয়। এনে ধৰণৰ সমূহত প্রত্যেক ব্যক্তিৰ ভূমিকা পৰিবর্তন হ'ব পাৰে। উল্লেখযোগ্য যে সমাজৰ প্রত্যেকজন ব্যক্তিয়ে একোটা নির্দিষ্ট ভূমিকা পালন কৰে।



জানি থওঁ আহক

সামাজিক গাঁথনিৰ বাবে সমাজে কিছু সংখ্যক পদমর্যাদা নির্দ্ধাৰণ কৰে। ব্যক্তি বিশেষে পদমর্যাদা লাভ কৰে আৰু পৰিচালনা কৰে। আমাৰ জীৱনৰ কিছুক্ষেত্রত আমি দেখো যে আমাৰ কিছুমান বিশেষ ভূমিকা আন এজন ব্যক্তিৰ কিছুমান ভূমিকাৰ লগতহে সম্পর্কিত; তেওঁৰ

গোটেইবোৰ ভূমিকাৰ লগত সেয়া সম্পর্কিত নহয়। শ্রমিক সংঘৰ নিচিনা সমূহত তেওঁলোকে অর্থনৈতিক স্বাৱলম্বিতাৰ বাবে তেওঁলোকৰ শ্রমিকৰ ভূমিকাৰে সমূহ গঠন কৰে। উদাহৰণস্বৰূপে এটা ফেক্টৰীৰ কথা ক'ব পাৰি। তেওঁলোকে নিজৰ মাজত সম্পর্ক স্থাপন কৰে সেই ফেক্টৰীটোৰ শ্রমিক হিচাপে তেওঁলোকৰ ভূমিকাও শ্রমিক। ইয়াত তেওঁৰ বা ব্যক্তিবিশেষৰ আনবিলাক ভূমিকা উহ্য হৈ থাকে। তেওঁলোকক একগোট কৰি ৰাখে তেওঁলোকৰ মূল উদ্দেশ্যই। তেওঁলোকৰ মাজৰ সম্পর্কবোৰ অতি বেছি ব্যক্তিগত পর্যায়লৈ নাযায়। এনে ধৰণৰ সামাজিক সমূহকে গৌণ সামাজিক সমূহ হিচাপে অভিহিত কৰা হয়।

উপৰোক্ত সংজ্ঞাকেইটাৰ পৰা আমি গম পালো যে —

- গৌণ সামাজিক সমূহবোৰ আকৃতিত ডাঙৰ। উদাহৰণস্বৰূপে ৰাজনৈতিক দল, শ্রমিক সংঘ আৰু নিগম, আন্তঃৰাষ্ট্রীয় সংঘ, ইত্যাদি।
- গৌণ সামাজিক সমূহ ৰ সদস্যভুক্তি প্রধানত স্বেচ্ছামূলক। ব্যক্তিবিশেষে এনে সমূহত যোগদান কৰিবও পাৰে, ওলাই আহিবও পাৰে। কিন্তু এনে কিছুসংখ্যক গৌণ সামাজিক সমূহ আছে য'ত সদস্যভুক্তি অস্বেচ্ছামূলক। এইক্ষেত্রত আমি এখন ৰাজ্যৰ উদাহৰণ দিব পাৰো। ইয়াত সদস্যভুক্তি অস্বেচ্ছামূলক।
- শাৰীৰিকভাৱে যোগাযোগ ৰক্ষিত হোৱাটো গৌণ সামাজিক সমূহৰ বৈশিষ্ট্য নহয়। এনে কিছুমান গৌণ সামাজিক সমূহ আছে যাৰ সদস্য কেৱল নির্দিষ্ট অঞ্চলতে আৱদ্ধ নহয়। ৰটাৰী ক্লাৱ (Rotary) বা লায়নচ্ ক্লাৱ (Lions Club), ইত্যাদি সমূহৰ সদস্য বিভিন্ন দেশত বিস্তৃত হৈ আছে।
- গৌণ সামাজিক সমূহ গঠন হয় এক নির্দিষ্ট লক্ষ্য বা উদ্দেশ্য আগত ৰাখি। সেইবাবে ইয়াক কেতিয়াবা 'বিশেষ স্বার্থান্বিত সমূহ' (Special Interest Group) হিচাপেও চিহ্নিত কৰা হয়। তেওঁলোকে এক নির্দিষ্ট লক্ষ্য আগত ৰাখিহে বা পৰিণতি নির্দ্ধাৰণ কৰিহে একগোট হয়।
- কেতিয়াবা কেতিয়াবা এনে কোনো সমূহ এই বিশেষ লক্ষ্যত খুউব কম সময়ৰ ভিতৰতে উপনীত হয়। সেই সময়ত তেনে নির্দিষ্ট সমূহটি ভাঙি যাবও পাৰে নাইবা নতুন ধৰণেৰে নতুন লক্ষ্য, উদ্দেশ্য আৰু নিয়মেৰে এটা বেলেগ সমূহ গঠন হব পাৰে। উদাহৰণস্বৰূপে এক বিশেষ সমস্যা সমাধানৰ বাবে চৰকাৰে গঠন কৰা 'বিশেষ অনুসন্ধান সমিতি'ও এটা গৌণ সামাজিক সমূহ। অনুসন্ধান কৰি তাৰ প্রতিবেদন ডাঙি ধৰাৰ পাছতে চৰকাৰে সেয়া ভংগ কৰি দিয়ে। ৰটাৰী ক্লাব (Rotary Club), বি.চি.চি.আই. (BCCI) আদি সমূহবোৰৰ লক্ষ্য, স্পৃহা আদি দীর্ঘম্যাদী। সেয়ে এনে ধৰণৰ সমূহ বহুকাল ধৰি কর্মৰত।

- গৌণ সামাজিক সমূহৰ সদস্যসকলৰ মাজত পৰোক্ষভাৱে যোগাযোগ ৰক্ষিত হয়। তেওঁলোকৰ মাজত যোগাযোগৰ বাবে জনসংযোগৰ বিভিন্ন মাধ্যম ব্যৱহাৰ কৰে। সেইবোৰৰ ভিতৰত অনাতাঁৰ যন্ত্ৰ, টেলিফোন, দূৰদৰ্শন, বাতৰি কাকত, চলচিত্ৰ, বিভিন্ন আলোচনী পত্ৰিকা, ডাকসেৱা, টেলিগ্ৰাফ সেৱা, ইত্যাদি উল্লেখযোগ্য।
- এই ধৰণৰ সমূহৰ আকৃতি বৃহৎ, সেয়ে সকলোৱে একেলগে থকামেলা নকৰে। ফলত সম্পৰ্ক ব্যক্তিগত পৰ্যায়লৈ নাযায় আৰু পৰোক্ষভাৱেহে ৰক্ষিত হয়।
- গৌণ সামাজিক সমূহত পদমৰ্যাদা সৃষ্টি কৰি কাৰ্যনিৰ্বাহ কৰা হয়। সদস্যসকলৰ বাবে সেই পদৱীৰ ভূমিকাটোহে গুৰুত্বপূৰ্ণ, পদাধীকাৰজন নহয়। সেই পদাধীকাৰীজনে যদি পদত্যাগ কৰে তেন্তে সমূহটোৰ বেলেগ এজন সেই পদটিত অভিসিক্ত হৈ কাৰ্যনিৰ্বাহ কৰে। গৌণ সামাজিক সমূহ গঠনৰ ক্ষেত্ৰত বিভিন্ন পদৱীৰ গুৰুত্ব বেছি। সেয়ে পদাধীকাৰজন সলনি হলেও সংৰচনাৰ (Structure) পৰিবৰ্তন নহয়।

৬.৪.৩ প্ৰাথমিক আৰু গৌণ সামাজিক সমূহৰ পাৰ্থক্য

উপৰোক্ত আলোচনাৰ পৰা এইটো স্পষ্ট যে প্ৰাথমিক আৰু গৌণ সামাজিক সমূহৰ মাজত পাৰ্থক্য আছে। পৰৱৰ্তী বিশ্লেষণৰ পৰা আপোনালোকে গম পাব যে— সেই পাৰ্থক্যবোৰ পানী নসৰকা বিধৰ নহয়। তলত এই দুয়োটা সমূহৰ পাৰ্থক্যসমূহ দাঙি ধৰা হ'ল -

প্ৰাথমিক আৰু গৌণ সামাজিক সমূহৰ পাৰ্থক্য

প্ৰাথমিক সমূহ	**গৌণ** সমূহ
• প্ৰাথমিক সমূহৰ আকৃতি সৰু।	• গৌণ সমূহৰ আকৃতি ডাঙৰ।
• এনে গোটসমূহ স্বতঃস্ফূৰ্তভাৱে সৃষ্টি হয়।	• কোনো বিশেষ উদ্দেশ্য আৰু লক্ষ্য সমুখত ৰাখিহে সৃষ্টি কৰা হয়।
• সদস্যসকলৰ মাজত মুখামুখী সম্পৰ্কৰ বাবে আত্মীয়তা সৃষ্টি হয়।	• আনুষ্ঠানিক হোৱা বাবে সম্পৰ্কবোৰৰ মাজত আত্মীয়তা কম।
• সোনকালে আৰু পোনপটীয়াভাৱে যোগাযোগ ৰক্ষিত হয়।	• সদস্যসকল বিভিন্ন ঠাইৰ বা বেলেগ বেলেগে থকা বাবে পোনপটীয়াভাৱে যোগাযোগ ৰক্ষিত নহয়।
• সকলোৰে কল্যাণৰ বাবে সামূহিক আগ্ৰহক প্ৰাধান্য দিয়া হয়। ব্যক্তিগত আগ্ৰহৰ স্থিতি ইয়াত গৌণ।	• ব্যক্তিগত আগ্ৰহৰ বাবেহে গৌণ সামাজিক সমূহৰ সদস্যভুক্তি হয়। সেয়ে এনে গোটসমূহক 'বিশেষ স্বাৰ্থান্বিত

	সমূহ' (Special Interest Group) বুলিও কোৱা হয়।
• সদস্যভুক্তি বাধ্যতামূলক।	• সদস্যভুক্তি স্বেচ্ছামূলক।
• প্রত্যেকেই প্রত্যক্ষভাৱে যোগাযোগ ৰক্ষা কৰে আৰু প্রতিকূল পৰিৱেশত একগোট হৈ কাম কৰে।	• পৰোক্ষভাৱেহে যোগাযোগ ৰক্ষিত হয়। আনকি প্রতিকূল পৰিৱেশতো সহযোগিতা স্বতঃস্ফুর্ত নহ'ব পাৰে।
• স্বতঃস্ফুর্তভাৱে সৃষ্টি হয় কাৰণে পদমর্যাদা, নিয়ন্ত্রণৰ অধিকাৰ আনুষ্ঠানিকভাৱে নিৰূপিত নহয়।	• আনুষ্ঠানিকভাৱে তেওঁলোকৰ কার্যপ্রণালী তথা পদমর্যাদা, সমূহৰ নিয়ন্ত্রণৰ অধিকাৰ, প্রভূত্ব আদি নির্দ্ধাৰিত।

উল্লিখিত আলোচনাৰ পৰা আমি গম পালো যে গৌণ সামাজিক সমূহৰ মাজতে প্রাথমিক সামাজিক সমূহ সোমাই থাকে। সাধাৰণতেই তেনে প্রাথমিক সমূহৰ সদস্যসকলেই গৌণ সমূহটিৰ ভিতৰত প্রভাৱশালী, গতিশীল আৰু কার্যাৱলী পৰিচালিত কৰে। শ্রমিকসংঘ বা ৰাজনৈতিক দলৰ মাজতো বন্ধুবর্গৰ সৃষ্টি হয়। ব্যক্তিবিশেষ আৰু বৃহৎ এখন সমাজ বা গৌণসামাজিক সমূহৰ মাজত মধ্যৱর্তী সমূহ (Buffer) হিচাপে প্রাথমিক সামাজিক সমূহে কাম কৰে। আমি দেখো যে আমাৰ পৰিয়াল আৰু বন্ধুবর্গই এখন বৃহৎ সমাজৰ লগত সম্পর্ক স্থাপনৰ ক্ষেত্রত সহায়ৰ হাত আগবঢ়ায়। তেওঁলোকে স্কুল, কলেজ আদিৰ দৰে গৌণ সামাজিক সমূহৰ লগত সহজ হোৱাত সহযোগ কৰে।



অনুশীলনী - ৬.১

- আপুনি সদস্য হিচাপে থকা তিনিটা গৌণ সামাজিক সমূহৰ এখন তালিকা প্রস্তুত কৰক।

  .....

  .....

- আপুনি সদস্য হিচাপে থকা প্রাথমিক আৰু গৌণ সামাজিক সমূহৰ মাজত দেখা চাৰিটা পার্থক্য উল্লেখ কৰক।

  .....

  .....

  .....



অগ্রগতিৰ খতিয়ান

প্ৰশ্ন নং ৰঃ সামাজিক সমূহ এটা সমষ্টি নে?

.....

.....

.....

প্ৰশ্ন নং চঃ শ্ৰেণী কি?

.....

.....

.....

প্ৰশ্ন নং ছঃ প্ৰাথমিক সমূহৰ এটা উদাহৰণ?

.....

.....

.....

প্ৰশ্ন নং ছ্ৰঃ গৌণ সামাজিক সমূহৰ সম্পৰ্কৰ প্ৰকৃতি?

.....

.....

.....

৬.৪.৪ আন্তঃসমূহ (In Group) আৰু বৰ্হিসমূহ (Out Group)

সমাজতত্বত আমি কেইবাবিধৰো সামাজিক সমূহৰ উল্লেখ পাওঁ। তাৰে ভিতৰৰ দুটা হ'ল — আন্তঃসমূহ আৰু বৰ্হিসমূহ। এই দুয়োটা সমূহ বৰ্তি থাকে এটাই আনটোৰ বিপৰীত স্থিতিত। অৰ্থাৎ কৰবাত যদি এটা আন্তঃসমূহ থাকে তেন্তে তাত বৰ্হিসমূহ থাকিবই। আন অৰ্থত বৰ্হিসমূহ নাথাকিলে আন্তঃসমূহ থাকিব নোৱাৰে বা ঠিক ওলোটাতো। সমাজতত্ব মতে একেধৰণৰ আচৰণ, বিশ্বাস আৰু সাংস্কৃতিক সাদৃশ্য থকা ব্যক্তিসকল একগোট হৈ নিজস্ব পৰিচয় ব্যক্ত কৰে আৰু তেনে সমূহকে আন্তঃসমূহ বোলা হয়। বেলেগৰ প্ৰতি থকা অহেতুক তীব্ৰ দ্বেষৰ বাবেই তেওঁলোক একগোট হয়। তেওঁলোকৰ বিপৰীত স্থিতিত থকা সমূহটোকে বৰ্হিসমূহ হিচাপে অভিহিত কৰা হয়।

উদাহৰণস্বৰূপে ক্ৰিকেটখেল ভাল পোৱা ব্যক্তিৰ এটা সমূহৰ বাবে বা ক্ৰিকেট ভালপোৱা আনসকল হ'ল আন্তঃসমূহ। ফুটবল বা হকি ভাল পোৱা গোট বা সমূহ তেওঁলোকৰ বাবে বহিসমূহ হিচাপে চিহ্নিত হ'ব। সমাজতত্ববিদ হৰ্টন (Horton) আৰু হান্টে (Hunt) এই কথাটি আৰু অধিক সৰলীকৃত কৰিলে। তেখেতসকলৰ

মতে এজন ব্যক্তিবিশেষে যিবোৰ সমূহক 'মোৰ সমূহ' (My Group) বুলি চিহ্নিত কৰে তেওঁৰ বাবে সেয়াই হ'ব আন্তঃসমূহ। উদাহৰণস্বৰূপে মোৰ পৰিয়াল, মোৰ গোত্ৰ, মোৰ ধৰ্ম, মোৰ ৰাজ্য, দেশ, ইত্যাদি। আনহাতে যিবোৰ সমূহক আনৰ পৰিয়াল, আনৰ গোত্ৰ, আনৰ ধৰ্ম, ইত্যাদি বুলি কয়, তেনে সমূহক তেওঁৰ বাবে হ'ব বৰ্হিসমূহ।

কেতিয়াবা কেতিয়াবা আন্তঃসমূহ আৰু বৰ্হিসমূহৰ সম্পৰ্কবোৰ উপৰা-উপৰি হৈ পৰে। উদাহৰণস্বৰূপে এখন নগৰৰ এজন সদস্য, যত জাতি-বৰ্ণ নিৰ্বিশেষে কোনো ধৰ্ম বা ধৰ্মৰ মূলনীতিত বিশ্বাসী আদি কথাবোৰ আহি নপৰে - তেনে অৰ্থত আন এখন নগৰৰ বাসিন্দাৰ বাবে তেওঁলোক বৰ্হিসমূহ হ'ব পাৰে। কিন্তু সেই বিশেষ চহৰখনত থকা বিশেষ এটা জাতিৰ কথা বিচাৰ কৰিলে আন আন চহৰত থকা সেই জাতিটোৰ ব্যক্তিসকলো হৈ পৰিব আন্তঃসমূহ। এজন ব্যক্তি বিভিন্ন সমূহৰ সদস্য হ'ব পাৰে বাবেই এনে ধৰণৰ ঘটনা সংঘটিত হয়।

এটা আন্তঃসমূহ যিকোনো এজন সদস্য সকলো সদস্যৰ প্ৰতি অনুৱৰ্তী। তেওঁলোকৰ বৰ্হিসমূহতকৈ নিজকে উচ্চস্থানত অভিষিক্ত কৰিবৰ বাবে প্ৰয়োজনসাপেক্ষে প্ৰত্যেকেই প্ৰত্যেককে সহায় কৰে।

আন্তঃসমূহৰ সদস্যসকলে সদায় বিশ্বাস কৰে যে তেওঁলোকৰ সমূহটি আন সকলো সমূহতকৈ শ্ৰেষ্ঠ আৰু অতি বিশ্বাসী। এনে সমূহবোৰৰ কোনো এজন সদস্যই যদি যোগাযোগ ব্যাহত কৰে তেন্তে গোটেই সমূহটিয়েই বেয়াকৈ ক্ষতিগ্ৰস্ত হয়।

৬.৪.৫ প্ৰসঙ্গ সমূহ (Reference Group)

প্ৰসঙ্গ সমূহ হ'ল আন এক ধৰণৰ সামাজিক সমূহ। যিবোৰ সমূহ তেওঁলোকৰ সাফল্যৰ খতিয়ান, কাৰ্যদক্ষতা, উচ্চাকাংক্ষা, অভিলাষ পূৰণ হৈছেনে নাই সেয়া চাবৰ বাবে সদায় উদ্ধৃতি দাঙি ধৰে তেনে সমূহকে **প্ৰসঙ্গ** সমূহ বোলা হয়। সমাজতত্ত্ববিদ অগবার্ণ *(Ogburn) আৰু নিমকফ (Nimkoff)ৰ মতে 'যিটো সমূহে তুলনাৰ আধাৰ হিচাপে কাম কৰে সেইটো সমূহকেই প্ৰসঙ্গ* সমূহ *বোলা হয়।*' প্ৰখ্যাত সমাজতত্ত্ববিজ মার্টনে (Merton) এই বিষয়ে মন্তব্য দি কৈছে যে '***প্ৰসঙ্গ*** সমূহ *সেইটোৱেই, যিটোৱে কোনো ব্যক্তি বিশেষক তেওঁৰ মতামত, পন্থা আৰু ব্যৱহাৰ আদিক অভিবিন্যাস (Oriented) কৰে।*' এজন ব্যক্তি সাধৰণতে বিভিন্ন প্ৰসঙ্গসমূহৰ দ্বাৰা পৰিবেষ্টিত হৈ থাকে।

কোনো পৰিস্থিতিত এজন ব্যক্তি এটা সমূহৰ সদস্য হোৱা স্বত্বেও অৱজ্ঞাৰ ফলত আন সমূহৰ সদস্য হিচাপেহে চিহ্নিত হ'ব পাৰে। তেওঁৰ বাবে সেই দ্বিতীয় সমূহটিহে আদর্শ সমূহ আৰু সেয়াই প্ৰসঙ্গ সমূহ হিচাপ চিহ্নিত হয়। সমাজত

আমি বিভিন্ন শ্রেণীৰ মানুহ দেখিবলৈ পাওঁ। প্রত্যেকেই নিজতকৈ উচ্চ শ্রেণীটোৰ বৈশিষ্ট্য আৰু তেওঁলোকৰ সমপর্যায় পাবলৈ যত্নপৰ। অর্থনৈতিকভাৱে দুর্বল সকলে সদায় অর্থনৈতিক ভাৱে স্বচ্চল হ'ব বিচাৰে। এই দৰেও ক'ব পাৰি যে তেওঁলোক সমাজৰ উচ্চ শ্রেণীৰ ব্যক্তি হিচাপে চিহ্নিত হ'ব বিচাৰে বা যত্নপৰ। এই ক্ষেত্রত আমি উচ্চ শ্রেণীটোক অর্থনৈতিকভাৱে অস্বচ্চল সমূহটোৰ বাবে প্রসঙ্গ সমূহ হিচাপে অভিহিত কৰিব পাৰোঁ।

৬.৪.৬ সুসংবদ্ধ আৰু অসংবদ্ধ সমূহ (Organized Group and Unorganized Group)

সমূহৰ সংবদ্ধতাৰ মাত্রাৰ ওপৰত ভিত্তি কৰিয়েই সুসংবদ্ধ আৰু অসংবদ্ধ সমূহ - এই দুই ভাগত ভাগ কৰা হৈছে। কোনো নির্দিষ্ট উদ্দেশ্য আৰু প্রণালীবদ্ধভাৱে থকা স্বীকৃত নীতি-নিয়মৰ মাজেদি গঠন কৰা সমূহক সুসংবদ্ধ সমূহ হিচাপে চিহ্নিত কৰা হয়। এনে ধৰণৰ সমূহক 'সন্মিলিত সমূহ' (Associational) বুলিও কোৱা হয়। সুসংবদ্ধ সমূহৰ আকৃতি বিভিন্ন। কেতিয়াবা একোটি পৰিয়ালৰ সমান সৰু আৰু কেতিয়াবা একোটা ৰাজনৈতিক দল বা শ্রমিক সংঘৰ সমান ডাঙৰ। অসংবদ্ধ সমূহ কোনো ধৰণৰ আগতীয়া সুস্থিৰ পৰিকল্পনা নোহোৱাকৈ আকস্মিক ধৰণে গঠন কৰা হয়। এনে সমূহক অসংবদ্ধ সমূহ বোলা হয়। কাৰণ এনে ধৰণৰ সমূহৰ কোনো স্বীকৃত নীতি-নিয়ম বা উদ্দেশ্যাৱলী নাথাকে। এনে সমূহৰ সদস্যসকলৰ মাজত আন্তৰিকতাপূর্ণ সম্ভাৱৰ অভাৱ দেখা যায়। বেছিভাগ ক্ষেত্রত প্রত্যেকেই গাইগুটিয়াকৈ ইজনে- সিজনক চিনি নাপায়। এনে অসংবদ্ধ সমূহ হ্রস্বম্যাদী। ফুটবল বা ক্রিকেট খেল উপভোগ কৰি থকা দর্শকসকল, সাংস্কৃতি সন্ধিয়া উপভোগ কৰি থকা সকল এনে ধৰণৰ সমূহৰ উদাহৰণ। বহু সমাজতত্ববিদে সেইবাবে এনে ধৰণৰ সমূহক সামাজিক সমূহ তকৈ 'সমষ্টি' বুলিহে অভিহিত কৰিব বিচাৰে।

৬.৪.৭ স্বেচ্চামূলক আৰু অস্বেচ্চামূলক সমূহ (Voluntary and Involuntary Group)

এটা বিশেষ সমূহৰ সদস্যভুক্তিৰ ধৰণ বা প্রকাৰৰ ওপৰত ভিত্তি কৰি সেই সমূহটিক স্বেচ্চামূলক বা অস্বেচ্চামূলক সমূহ হিচাপে অভিহিত কৰা হয়। স্বেচ্চামূলক সমূহৰৰ সদস্যভুক্তি বাধ্যতামূলক নহয়। ইচ্ছা কৰিলে কোনো ব্যক্তিয়ে নিজৰ অভিৰুচি পূৰণৰ বাবে এটা সাংস্কৃতিক সমূহত যোগদান কৰিবও পাৰে, নকৰিবও পাৰে। এনে ধৰণৰ সমূহ স্বেচ্চামূলক সমূহ। কিন্তু এনে কিছুমান সমূহ

আছে য'ত সদস্যভূক্তি হোৱাটো প্ৰত্যেকৰ বাবে বাধ্যতামূলক। এজন ব্যক্তি তেখেতৰ গোত্ৰটোৰ সদস্য বা এজন ছাত্ৰ বা এজনী ছাত্ৰী কলেজ বা স্কুলৰ ছাত্ৰ সন্থাৰ সদস্য বা সদস্যা। সেয়া সকলোৰে বাবে বাধ্যতামূলক। এনেধৰণৰ সমূহক অস্বেচ্চামূলক সমূহ বোলা হয়।

৬.৪.৮ সাদৃশ্য সমূহ (Quasi Group)

সাদৃশ্য ধৰণৰ সমূহ সাধৰণতে সুস্থিৰভাৱে সংগঠিত বা সংৰচিত নহয়। এয়া হ'ল একধৰণৰ একত্ৰিত হোৱা ব্যক্তিৰ সমষ্টি, য'ত তেওঁলোকে নিজেও অনুভৱ নকৰে যে তেওঁলোকৰ কিছুমান একে ধৰণৰ উদ্দেশ্য আছে। সাদৃশ্য ধৰণৰ সমূহৰ বিষয়ে বট'ম'ৰ (Bottomore)য়ে সংজ্ঞা দিছে এনে ধৰণে — *'এয়া এক এনে ধৰণৰ সমূহ যিটো সংগঠিত বা সংৰচিত নহয় আৰু সদস্যসকলেও একেবাৰে নাজানে বা ভালদৰে অনুভৱ নকৰে যে তেওঁলোক এনে ধৰণৰ সমূহ এটাৰ সদস্য।'* এই অৰ্থত প্ৰত্যেক বয়স আৰু লিংগৰ সমূহৰ সদস্যসমূহ একোটা সাদৃশ্য ধৰণৰ সমূহৰ সদস্য। একেধৰণৰ শ্ৰেণীভুক্ত আৰু একে পদমৰ্যাদাৰ সমূহকো একোটা সাদৃশ্য ধৰণৰ সমূহৰ উদাহৰণ। বহু সমাজতাত্বিকে এনে ধৰণৰ সমূহক 'বৰ্গ' (Category) বুলিও অভিহিত কৰিছে। এই বিষয়ে এই অধ্যায়টিৰ আৰম্ভণিতেও আলোচনা কৰা হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ঃ অসংবদ্ধ সমূহ স্থায়ী প্ৰকৃতিৰ নে?

.....

.....

.....

প্ৰশ্ন নং ৬ঃ স্বেচ্চামূলক বা অস্বেচ্চামূলক সমূহ মাজত থকা পাৰ্থক্যসমূহ দাঙি ধৰক।

.....

.....

.....



৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- প্ৰত্যেকটো সামাজিক সমূহে কিছুসংখ্যক সদস্যৰ সমষ্টি। এই সদস্যসকলৰ মাজত আন্তঃক্ৰিয়া চলি থাকে আৰু তেওঁবিলাকে নিজকে সেই নিৰ্দ্দিষ্ট সামাজিক সমূহৰ সদস্য হিচাপে চিনাক্তকৰণ কৰে।
- সমূহৰ সদস্যসকলৰ মাজত আন্তঃক্ৰিয়া চলি থাকে
- সামাজিক সমূহৰ সমষ্টিৰ পৰা স্বতন্ত্ৰ।
- কিছুমান নিৰ্দিষ্ট লক্ষ্য আগত ৰাখি সমাজত বিভিন্ন সামাজিক সমূহৰ জন্ম হয়।
- সদস্যসকলৰ আত্মীয়তাৰ গভীৰতাৰ ওপৰত ভিত্তি কৰি সামাজিক সমূহক প্ৰধানত দুটা ভাগত ভাগ কৰা হৈছে - প্ৰাথমিক সামাজিক সমূহ (Primary Social Group) আৰু গৌণ সামাজিক সমূহ (Secondary Social Group)।
- যিবোৰ সমূহৰ সদস্যসকলৰ মাজত অতি আত্মিক সম্পৰ্ক স্থাপন হয় তেনে ধৰণৰ সমূহক প্ৰাথমিক সামাজিক সমূহ বোলা হয় । উদাহৰণস্বৰূপে — এটা পৰিয়াল, বাল্যকালৰ বন্ধু-বান্ধৱী, ইত্যাদি।
- গৌণ সামাজিক সমূহত আত্মীয়তাৰ কম দৃঢ়। তেওঁলোকৰ মাজৰ সম্পৰ্কবোৰ ইমান বেছি আন্তৰিকতাপূৰ্ণ নহয় বাবে দীৰ্ঘম্যাদীও নহয়। কোনো এক নিৰ্দিষ্ট লক্ষ্য আগত ৰাখি গৌণ সামাজিক সমূহ গঠন কৰা হয়।
- সমাজতত্ত্ববিদৰ মতে একেধৰণৰ আচৰণ, বিশ্বাস আৰু সাংস্কৃতিক সাদৃশ্য থকা ব্যক্তিসকল একগোট হৈ নিজস্ব পৰিচয় ব্যক্ত কৰে আৰু তেনে সমূহকে আন্তঃসমূহ বোলা হয়।
- **প্ৰসঙ্গ** সমূহ হ'ল আন এক ধৰণৰ সামাজিক সমূহ। যিবোৰ সমূহে তেওঁলোকৰ সাফল্যৰ খতিয়ান, কাৰ্যদক্ষতা, উচ্চাকাংক্ষা, অভিলাষ পূৰণ হৈছেনে নাই সেয়া চাবৰ বাবে সদায় উদ্ধৃতি দাঙি ধৰে তেনে সমূহকে **প্ৰসঙ্গ** সমূহ বোলা হয়।
- কানো নিৰ্দিষ্ট উদ্দেশ্য আৰু প্ৰণালীবদ্ধভাৱে থকা স্বীকৃত নীতি-নিয়মৰ মাজেদি গঠন কৰা সমূহক সুসংবদ্ধ সমূহ হিচাপে চিহ্নিত কৰা হয়।
- অসংবদ্ধ সমূহ কোনো ধৰণৰ আগতীয়া সুস্থিৰ পৰিকল্পনা নোহোৱাকৈ আকস্মিক ধৰণে গঠন কৰা হয়। এনে সমূহক অসংবদ্ধ সমূহ বোলা হয়। কাৰণ এনে ধৰণৰ সমূহৰ কোনো স্বীকৃত নীতি-নিয়ম বা উদ্দেশ্যাৱলী নাথাকে।
- এটা বিশেষ সমূহ সদস্যভুক্তিৰ ধৰণ বা প্ৰকাৰৰ ওপৰত ভিত্তি কৰি সেই সমূহটোক স্বেচ্চামূলক বা অস্বেচ্চামূলক সমূহ হিচাপে অভিহিত কৰা হয়।
- স্বেচ্চামূলক সমূহৰ সদস্যভুক্তি বাধ্যতামূলক নহয়। ইচ্ছা কৰিলে কোনো ব্যক্তিয়ে

নিজৰ অভিৰুচি পূৰণৰ বাবে এটা সাংস্কৃতিক সমূহত যোগদান কৰিবও পাৰে, নকৰিবও পাৰে।

- কিন্তু এনে কিছুমান সমূহ আছে য'ত সদস্যভুক্তি হোৱাটো প্ৰত্যেকৰ বাবে বাধ্যতামূলক। এনেধৰণৰ সমূহক অস্বেচ্চামূলক সমূহ বোলা হয়।
- সাদৃশ্য সমূহ সাধৰণতে সুস্থিৰভাৱে সংগঠিত বা সংৰচিত নহয়। এয়া হ'ল একধৰণৰ একত্ৰিত হোৱা ব্যক্তিৰ সমষ্টি, য'ত তেওঁলোকে নিজেও অনুভৱ নকৰে যে তেওঁলোকৰ কিছুমান একে ধৰণৰ উদ্দেশ্য আছে।



ছ.ছ অধিক জানিবলৈ

ৰ) Abraham Francis. (2006). *Contemporary Sociology – An Introduction to Concepts and Theories* (Chapter – 1&7). Oxford University Press.

চ) Bhushan B.2006. *Dictionary of Sociology*.New Delhi: Anmol Publications Pvt. Ltd.

ে) Rawat H.K. (2007). *Sociology-Basic Concepts*. Jaipur: Rawat Publications.

ছ্ৰ) R. M. Mac Iver and Charles H. Page. (2001). Society – An Introductory Analysis (Chapter – 1&10). New Delhi: Macmillan India Ltd.

প্ত) Vidya Bhushan and D.R. Sachdeva. (2005). Text Book of Sociology (Chapter – 1, 3, 4, 12, 14, 22).New Delhi: Kitab Mahal.



৬.৭ অগ্ৰগতিৰ খতিয়ান

ৰনং প্ৰশ্নৰ উত্তৰঃ -- সামাজিক সমূহ সমষ্টিৰ পৰা স্বতন্ত্ৰ। সাধাৰণ অৰ্থত সমষ্টি বুলিলে অজ্ঞাত উৎসৰ পৰা আহি এক নিৰ্দিষ্ট স্থানত, একে সময়তে একগোট হোৱাটো বুজায়। উদাহৰণস্বৰূপে — চিনেমা চাবলৈ যোৱা দৰ্শকসকল, বজাৰৰ বিক্ৰেতা আৰু ক্ৰেতাসকল, ইত্যাদি। এটা সামাজিক সমূহ এক নিৰ্দিষ্ট লক্ষ্য আগত ৰাখি ঐক্যবদ্ধ হয় আৰু সম্পৰ্কই অভিন্ন ৰূপ লাভ কৰে ।

চনং প্রশ্নৰ উত্তৰঃ শ্রেণী হল কেতবোৰ ব্যক্তিৰ সংগ্রহ যি সকলক কিছুমান উমৈহতীয়া বৈশিষ্ট্য যেনে শিক্ষা, সামাজিক পদমর্যাদা, শাৰিৰীক বৈশিষ্ট্য আদিৰ ভিত্তিত শ্রেণীভুক্ত কৰা হয়।

নং প্রশ্নৰ উত্তৰঃ পৰিয়াল প্রাথমিক সমূহৰ এটা উদাহৰণ ।

ছনং প্রশ্নৰ উত্তৰঃ গৌণ সামাজিক সমূহ ত আত্মীয়তাৰ বান্ধোন কম দৃঢ়। তেওঁলোকৰ মাজৰ সম্পর্কবোৰ ইমান বেছি আন্তৰিকতাপূর্ণ নহয় বাবে দীর্ঘম্যাদীও নহয়।

প্তনং প্রশ্নৰ উত্তৰঃ অসংবদ্ধ সমূহ স্থায়ী নহয় অস্থায়ী প্রকৃতিৰহে।

ছনং প্রশ্নৰ উত্তৰঃ স্বেচ্চামূলক সমূহৰ সদস্যভুক্তি বাধ্যতামূলক নহয় কিন্তু অস্বেচ্চামূলক সমূহৰ সদস্যভূক্তি হোৱাটো প্রত্যেকৰ বাবে বাধ্যতামূলক



৬.৮ আৰ্হি প্রশ্ন

(ক) চটি প্রশ্ন (ৰপ্তজ্ম শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ সামাজিক সমূহ ৰ বেশিষ্ট্য কি কি?

প্রশ্ন ২ঃ আন্তঃসমূহ আৰু বর্হিসমূহ মাজত থকা পার্থক্যসমূহ দাঙি ধৰক।

প্রশ্ন ৩ঃ প্রসঙ্গ সমূহ কি?

(খ) ৰচনাধর্মী প্রশ্ন (জ্ঞজ্ঞ-প্তজ্ঞজ্ঞ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ প্রাথমিকসমূহৰ বৈশিষ্ট্য কৰক।

প্রশ্ন ২ঃ প্রাথমিক আৰু গৌণ সমূহ ৰ মাজত থকা পার্থক্যসমূহ দাঙি ধৰক

*** ***** ***

অধ্যায় ৭ ঃ পৰিয়াল, বিবাহ আৰু স্বজনতা

অধ্যায় গাথঁনি

জ্জ্ঞ উদ্দেশ্য

জ্জচ পৰিচয়

জ্জ্ব পৰিয়াল: অর্থ আৰু সংজ্ঞা

জ্জ্ব.ৰ বৈশিষ্ট্য

জ্জ্ব.চ প্রকাৰ

জ্জ্ব.্ব প্রকার্য

জ্জ্ঞছ্র বিবাহ ঃ অর্থ আৰু সংজ্ঞা

জ্জ্ঞছ্র.ৰ বৈশিষ্ট্য

জ্জ্ঞছ্র.চ প্রকার্য

জ্জ্ঞচ্ছ্র্ব প্রকাৰ

জ্জ্ঞপ্ত স্বজনতা ঃ অর্থ আৰু সংজ্ঞা

জ্জ্ঞপ্ত.ৰ স্বজনতা প্রণালীৰ পৰিসৰ

জ্জ্ঞপ্ত.চ স্বজনতা পদ্ধতি

জ্জহ্ব অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

জ্জজ্জ অধিক জানিবলৈ

জ্জজ্ঞ্ব অগ্রগতিৰ খতিয়ান

জ্জজ্ঞ্ব আর্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- পৰিয়াল, বিবাহ , স্বজনতাৰ ধাৰণা বুজিবলৈ সমর্থ হ'ব
- পৰিয়ালৰ বৈশিষ্ট্য, প্রকার্য, আৰু প্রকাৰ বিষয়ে আলোচনা কৰিব পাৰিব
- বিবাহৰ বৈশিষ্ট্য আৰু প্রকাৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- স্বজনতা পদ্ধতিৰ গুৰুত্ব বর্ণনা কৰিব পাৰিব।

৭.২ পৰিচয়

প্রত্যেক সমাজত বিভিন্ন অর্থনৈতিক, ৰাজনৈতিক, ধর্মীয় অনুষ্ঠানৰ উপৰি পৰিয়াল, বিবাহ, স্বজনতা অদি থকা দেখা যায়। সমাজ এখন ক্রমে জটিল হৈ অহাৰ লগে লগে সেই সমাজৰ অনুষ্ঠানবোৰো ভিনভিনধৰণৰ হৈ আহে। প্রতিটো সামাজিক অনুষ্ঠান কেতবোৰ মূল্যবোধ

আৰু প্ৰতিমানেৰে গঠিত আৰু এই মূল্যবোধ আৰু প্ৰতিমানবোৰে সমাজত ব্যক্তিসকলৰ আচৰণ নিয়ন্ত্ৰণ কৰি আছে। বিভিন্ন সামাজিক অনুষ্ঠানবোৰৰ মাজত পাৰষ্পৰিক আন্তঃসম্পৰ্ক থকা দেখা যায়। এই অধ্যায়ত আমি কেতবোৰ গুৰুত্বপূৰ্ণ সামাজিক অনুষ্ঠান পৰিয়াল, বিবাহ, স্বজনত বিষয়ে জানিব পাৰিম ।

৭.৩ পৰিয়াল ঃ অৰ্থ আৰু সংজ্ঞা

পৰিয়াল এটা বিশ্বজনীন অনুষ্ঠান আৰু ই সমাজৰ প্ৰাথমিক অনুষ্ঠান। সমাজভেদে পৰিয়ালৰ বিভিন্নতা দেখা যায়। পৰিয়ালৰ সদস্যসকলৰ মাজৰ সম্পৰ্ক সবাটোকৈ পুৱণি সম্পৰ্ক বুলি অভিহিত কৰিব পাৰি। সামাজিক পৰিৱৰ্তনসমূহ গ্ৰহণ কৰাত পৰিয়ালৰ ক্ষমতা অপৰিসীম। বাৰ্গিজ আৰু লক'ৰ ভাষাত "*পৰিয়াল হৈছে বিবাহ, ৰক্তসম্পৰ্ক বা তুলি লোৱা প্ৰথা আদি সম্পৰ্কেৰে একত্ৰিত হৈ এখন গৃহস্থী স্থাপন কৰা কেতবোৰ লোকৰ সমষ্টি। এই লোকসকলে স্বামী-স্ত্ৰী, পিতৃ-মাতৃ, পুত্ৰ-কন্যা, ভাই -ভনী আদি বিভিন্ন ভূমিকা পালনৰ পাৰস্পৰিক আদান-প্ৰদানৰ দ্বাৰা এটা উমৈহতীয়া সংস্কৃতিৰ সৃষ্টি কৰে ।*" জি. পি. মাৰ্ডকে (G. P. Murdock) পৰিয়ালৰ সংজ্ঞা এনেদৰে দিছে— "*পৰিয়াল বুলিলে আমি উমৈহতীয়া বাসস্থান,অৰ্থনৈতিক সহযোগিতা আৰু সন্তান প্ৰজননৰ সুবিধা থকা গোটক বুজো।ই অন্ততঃ দুজন সামাজিকভাৱে স্বীকৃত যৌন সম্পৰ্ক থকা বিপৰীত লিংগৰ প্ৰাপ্তবয়স্ক লোক আৰু তেওঁলোকৰ নিজা বা তোলনীয়া এজন বা ততোধিক সন্তানেৰে গঠিত।*"

৭.৩.১ বৈশিষ্ট্যসমূহ

পৰিয়ালৰ মূল বৈশিষ্ট্যসমূহ হ'ল ঃ

- **ই সাৰ্বজনীনঃ** সকলো সময়ৰ সকলো সমাজতে পৰিয়াল থকা দেখা যায়।
- **আৱেগিক ভেটি ঃ** মানুহৰ কিছুমান বিশেষ বিশেষ আৱেগৰ ওপৰত পৰিয়াল প্ৰতিষ্ঠিত হোৱা দেখা যায়। যৌন মিলন,সন্তান, মাতৃসুলভতা আদি আমাৰ অতি গুৰুত্বপুৰ্ণ জৈৱিক প্ৰবৃত্তিৰ ওপৰত ভিত্তি কৰি পৰিয়াল স্থাপিত হয় ।
- **ব্যক্তিত্বৰ ওপৰত প্ৰভাৱ ঃ** পৰিয়ালে ব্যক্তিৰ ব্যক্তিত্ব গঠনত গুৰুত্বপুৰ্ণ ভূমিকা গ্ৰহণ কৰে। পৰিয়ালেই হৈছে সামাজিকীকৰণৰ মুখ্য কাৰক ।
- **সীমিত আকাৰৰ ঃ** পৰিয়ালৰ আকাৰ সীমিত ।
- **সামাজিক সং ৰচনা (social structure)ত পৰিয়ালে কেন্দ্ৰীয় ভূমিকা গ্ৰহণ কৰে ঃ** সৰল সমাজেই হওক বা জটিল সমাজেই হওক, পৰিয়াল হৈছে সবাটোকৈ গুৰুত্বপূৰ্ণ সংস্থা।
- **সদস্য সকলৰ দায়িত্ব ঃ** পৰিয়াল এটাৰ সদস্যসকলৰ ওপৰত ন্যস্ত দায়িত্ব তথা কাম-কাজ সুচাৰুৰূপে পালন কৰাটো অতি গুৰুত্বপূৰ্ণ।

- **সামাজিক নিয়ন্ত্রণ ঃ** সামাজিক ৰীতি-নীতি তথা মূল্যবোধৰ আধাৰত পৰিয়ালে সদস্যসকলৰ আচৰণ নিয়ন্ত্রণ কৰে।
- **স্থায়ী আৰু বিশ্বজনীন ঃ** সামাজিক সংস্থাৰূপে পৰিয়াল স্থায়ী আৰু বিশ্বজনীন। আনহাতে এটা সমিতি (association) হিচাপে পৰিয়ালৰ গঠনৰ পৰিৱৰ্তন জন্ম, মৃত্যু, বিবাহ, প্ৰব্ৰজন বা বিচ্ছেদৰ দ্বাৰা সংঘটিত হৈ থাকে।
- **পৰিয়াল দ্বি-পার্শ্বিক গোট ঃ** অর্থাৎ পৰিয়ালত পিতৃ-মাতৃ দুয়োৰে বংশক সমমর্যাদা দিয়া হয়। উদাহৰণস্বৰূপে, হিন্দু সমাজৰ গোত্ৰ (clan), জাতি (caste), আদি সামাজিক গোটবোৰত কেৱল দেউতাকৰ ফালৰ আত্মীয়সকলকহে অন্তর্ভুক্ত কৰা হয়। এইবোৰকেই পিতৃসূত্রীয় এক পার্শ্বিক গোট (patrilineal unilateral group) বোলা হয়। আনহাতে খাচী আৰু গাৰো সমাজত গোত্ৰ একোটাত মাকৰ ফালৰ (matrilateral) আত্মীয়ইহে স্থান পায়। কিন্তু সকলো সমাজতে পৰিয়ালৰ বিবাহিত দম্পত্তি হাল দুটা ভিন ভিন গোত্ৰৰ পৰা আহে।

৭.৩.২ পৰিয়ালৰ প্ৰকাৰ

পৰিয়ালক বিভিন্ন দৃষ্টিকোণৰ পৰা চাব পৰা যায়। **গঠন বা আকৃতিৰ দিশ**ৰ পৰা পৰিয়ালক দুটা বহল ভাগত ভাগ কৰিব পাৰি— একক বা প্ৰাথমিক পৰিয়াল আৰু যৌথ পৰিয়াল।

- **একক বা প্ৰাথমিক পৰিয়াল ঃ** এজন লোকৰ পত্নী আৰু নিজা বা তোলনীয়া সন্তানেৰে একক পৰিয়াল গঠিত হয়। সাম্প্ৰতিক কালৰ ভাৰতীয় আৰু পশ্চিমীয়াকে ধৰি বহুতো জনজাতীয় সমাজতো এনে পৰিয়ালৰ প্ৰচলন বৃদ্ধি পাইছে।
- **যৌথ পৰিয়াল ঃ** উমৈহতীয়া আর্থিক পুঁজি আৰু উমৈহতীয়া ৰান্ধনীশালেৰে দুটা বা তাতোধিক একক পৰিয়াল একেটা বাসস্থানত একেলগে থাকিলে যৌথ পৰিয়ালৰ সৃষ্টি হয়। হিন্দু যৌথ পৰিয়ালত কেইবাজনো অবিবাহিতআৰু নিজ নিজ পৰিয়ালেৰে সৈতে বিবাহিত পুত্ৰ পিতৃ-মাতৃৰ লগত একেটা পৰিয়ালৰে সদস্য হোৱা দেখা যায়। যৌথ পৰিয়ালৰ ই এটা সুন্দৰ উদাহৰণ।
- এজন ব্যক্তিৰ (যাক 'ইগ' বোলা হয়)ৰ দৃষ্টিকোণৰ পৰা চাই পৰিয়ালক আনধৰণে দুটা ভাগত ভগাব পৰা যায় ঃ
  - **জন্ম পৰিয়াল** (Family of Orientation) ঃ এজন ব্যক্তিয়ে জন্মগ্ৰহণ কৰা পৰিয়াল-টোৰেই তেওঁৰ বাবে জন্ম পৰিয়াল। জন্ম-পৰিয়ালত ব্যক্তিজনৰ পৰিচিতি মাক-দেউতাকৰ পুতেক বা জীয়েক ৰূপেহে।
  - **প্ৰজনন পৰিয়াল** (Family of Procreation) ঃ ব্যক্তি এজনে বিয়াৰ পিছত যিটো পৰিয়ালৰ সৃষ্টি কৰে সেইটো তেওঁৰ প্ৰজনন পৰিয়াল।

প্রজনন পৰিয়ালত তেখেতৰ চিনাকী সন্তানৰ পিতৃ-মাতৃ হিচাপেহে হ'ব। পিতৃ বা মাতৃৰ বাবে যিটো পৰিয়াল প্রজনন পৰিয়াল, সেই একেটা পৰিয়ালেই সন্তানৰ বাবে জন্ম-পৰিয়াল হয়।

- বাসস্থানৰ আধাৰত পৰিয়ালৰ মূল ভাগবোৰ এনেধৰণৰ ঃ
  - **পিতৃ-স্থানীয় পৰিয়াল ঃ** বিয়াৰ পিছত কইনাই দৰাৰ পিতৃৰ ঘৰলৈ গৈ বসবাস কৰিলে সেই পৰিয়ালক পিতৃ-স্থানীয় পৰিয়াল বোলা হয়। হিন্দু জাতিগোট, মিচিং, কার্বি, বড়ো-কছাৰী আদি সমাজত এনেধৰণৰ পৰিয়াল দেখা যায়।
  - **মাতৃ-স্থানীয় পৰিয়াল ঃ** এনে পৰিয়ালত দৰাজনে বিয়াৰ পিছত কইনাৰ মাকৰ ঘৰত থাকিবলৈ লয়। মেঘালয়ৰ খাচী, গাৰো আৰু জয়ন্তীয়াসকলৰ মাজত এনে মাতৃ-স্থানীয় পৰিয়াল দেখা যায়।

৭.৩.৩ পৰিয়ালৰ প্রকার্য

কিংচ্লে ডেভিছ (Kingsley Davis)ৰ মতে পৰিয়ালৰ মুখ্য কার্যাৱলীহৈছেঃ

- সন্তানৰ জন্ম দিয়া,
- ভৰণ-পোষণ দিয়া,
- সমাজত নতুন সদস্যৰ অন্তর্ভুক্তি আৰু
- সামাজিকীকৰণ

আমি আন ধৰণেৰেও পৰিয়ালৰ প্রকার্যসমূহ আলোচনা কৰিব পাৰো।

- **জৈৰিক প্রকার্য ঃ** সন্তানৰ জন্ম দিয়াটো পৰিয়ালৰ মুখ্য প্রকার্য বুলিব পাৰি। সমগ্র মানৰ জাতিৰেই ধাৰাবাহিকতা পৰিয়ালেই ৰক্ষা কৰি আহিছে। সন্তান জন্মৰ লগে লগে পৰিয়ালে সমাজতনতুন সদস্যৰ অন্তর্ভুক্তিৰ প্রক্রিয়াটো নিয়মীয়া আৰু নিয়ন্ত্রণ কৰে।
- **সামাজিকীকৰণৰ প্রকার্য ঃ** দ্বিতীয়তে, পৰিয়ালে প্রাপ্তবয়স্ক নোহোৱালৈকে সন্তানৰ প্রতিপালন কৰে। ব্যক্তিৰ জৈৰিক প্রবৃত্তি, আশা-আকাংক্ষা আদিবোৰ সামাজিকভাৱে স্বীকৃত আচৰণলৈ পৰিৱর্তিত কৰি তোলাটো পৰিয়ালৰ দায়িত্বৰ ভিতৰত পৰে।
- **ভৰণ-পোষণৰ প্রকার্য ঃ** পৰিয়ালৰ তৃতী য় সামাজিক প্রকার্যটো হ'ল পৰিয়ালৰ সদস্য-সকলৰ ভৰণ-পোষণৰ দায়িত্ব গ্রহণ। সদস্যসকলৰ দৈনন্দিন প্রয়োজনীয় আহাৰ, সাজপাৰ, বাসস্থান, ব্যক্তিগত যত্ন, শুশ্রূষা তথা সুৰক্ষা প্রদানৰ দৰে প্রয়োজনীয় দায়িত্ব পালন পৰিয়ালেই সমাধা কৰে। ফলত সমাজত পৰিয়ালৰ গুৰুত্ব অপৰিসীম হৈ উঠে।

- **সম্পত্তিৰ হস্তান্তৰ ঃ** সম্পত্তি ধাৰণ কৰা আৰু পুৰুষানুক্ৰমে তাক হস্তান্তৰ কৰি থকাটো পৰিয়ালৰ চতুৰ্থটো গুৰুত্ব-পূৰ্ণ প্ৰকাৰ্য। সমাজভেদে সা-সম্পত্তি উত্তৰাধিকাৰৰ নিয়ম বেলেগ বেলেগ হয় যদিও এইক্ষেত্ৰত একমাত্ৰ পৰিয়ালেই সম্পত্তি ধাৰণ বা ভোগ কৰে আৰু যথা সময়ত তাৰ হস্তান্তৰ ব্যৱস্থা গ্ৰহণ কৰে।
- **সংস্কৃতিৰ হস্তান্তৰ ঃ** পৰিয়ালে পুৰুষানুক্ৰমে সাংস্কৃতিক ঐতিহ্যৰ ধাৰাবাহিকতা ৰক্ষা কৰি আহিছে।



চিন্তা-চৰ্চা কৰক - ৭.১

(ক) পৰিয়ালৰ দ্বাৰা পালন কৰা আন কিছুমান কাম-কাজৰ কথা চিন্তা কৰক।

.....

.....

(খ) পৰিয়ালৰ কিছুমান প্ৰকাৰ্য অন্যান্য অনুষ্ঠানলৈ স্থানান্তৰ কৰিব পৰা যাবনে? স্থানান্তৰিত কৰিব পৰা আৰু নোৱাৰা কামকাজ কিছুমানৰ একোখনকৈ দুখন তালিকা বনাওক।

.....

.....

.....

পৰিয়াল এনে এটা গোট যাৰ সদস্যসকলৰ মাজৰ পাৰষ্পৰিক সম্পৰ্ক প্ৰাথমিক পৰ্যায়ৰ। অৰ্থাৎ ইজনে সিজনৰ সৈতে পোনপটীয়াভাৱে জড়িত হৈ থাকে। সেইবাবেই ইয়াক প্ৰাথমিক সামাজিক গোট বুলিব পাৰি। আমি ইতিমধ্যেই উল্লেখ কৰি আহিছো যে পৰিয়ালে নিজৰ সদস্যসকলৰ ভৰণ-পোষণৰ আৰু সামাজিকীকৰণৰ দায়িত্ব গ্ৰহণ কৰি আহিছে। ইয়াৰ ভিতৰত অতিপ্ৰয়োজনীয় শিক্ষা, স্বাস্থ্যৰক্ষা আৰু আমোদ-প্ৰমোদৰ ব্যৱস্থাও সোমাই আছে। পৰিয়ালতেই শিশুৱে তেওঁবিলাকৰ ধৰ্মীয় পৰিচিতি লাভ কৰে, ধৰ্মীয় ধাৰণা তথা কামকাজ শিকে আৰু ৰাজনৈতিক ধাৰণাও গঢ় লৈ উঠে।

আজিৰ জটিল সমাজত, বহুধৰণৰ গৌণ গোট থকা দেখা যায় যিবিলাকে সমাজৰ স্বাস্থ্যৰক্ষা, আমোদ-প্ৰমোদ, শৈক্ষিক, অৰ্থনৈতিক আদি বিভিন্ন দিশৰ বিভিন্ন ধৰণৰ কামত বিশেষভাৱে নিজকে নিয়োজিত কৰি আহিছে। উক্তদিশসমূহৰ কিছু কিছু প্ৰকাৰ্য এই গৌণ অনুষ্ঠানবোৰ আৰু পৰিয়ালে মিলিত প্ৰচেষ্টাৰে সম্পাদন কৰা দেখা যায়। কিন্তু এনে কিছুমান প্ৰকাৰ্য আছে যিবোৰ একমাত্ৰ পৰিয়ালেহে সম্পাদন কৰিব পাৰে। এইবোৰৰ ভিতৰত আইনসংগত যৌন মিলন, বৈধভাৱে সন্তানৰ জন্ম আৰু সামাজিক পৰিচয় তথা প্ৰস্থিতি প্ৰদান আদি অন্যতম। এই বিশেষ ভূমিকাসমূহৰ বাবে

সমাজত পৰিয়ালে এক সার্বজনীন স্থান লাভ কৰিবলৈ সক্ষম হৈছে। সাম্প্রতিক কালৰ কেতবোৰ ব্যৱস্থা, যেনে— বিয়াত নোসোমোৱাকৈয়ে একেলগে থাকিবলৈ লোৱা প্রাপ্তবয়স্কৰ গোট, সমকামিতা আৰু সমলিংগৰ বিবাহ আদিৰ ফলতো কিন্তু পৰিয়ালৰ গুৰুত্ব কমা নাই। একেধৰণে, বিবাহো পৰিয়ালৰ দৰে সার্বজনীন সামাজিক অনুষ্ঠানৰূপে পৰিগণিত হৈছে। এতিয়া আমি বিবাহৰ বিষয়ে আলোচনা কৰিম।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃপৰিয়ালৰ সংজ্ঞা লিখক ।

.....

.....

প্রশ্ন নং ২ঃ জন্ম পৰিয়াল আৰু প্রজনন পৰিয়ালৰ মাজৰ পার্থক্য লিখক।

.....

.....

.....

প্রশ্ন নং ৩ঃ পিতৃ-স্থানীয় পৰিয়ালৰ উদাহৰণ দিয়ক।

.....

.....

.....

৭.৪ বিবাহ অর্থ আৰু সংজ্ঞা

সার্বজনীন সামাজিক অনুষ্ঠানসমূহৰ ভিতৰত বিবাহৰ স্থান অন্যতম। কিয়নো মানুহৰ যৌন প্রবৃত্তি তথা যৌন জীৱন বিবাহেই নিয়ন্ত্রণ কৰে। সামাজিক অনুষ্ঠান হিচাপে পৰিয়ালৰ সৈতে বিবাহৰ সম্বন্ধ নিচেই ওচৰৰ। গিলিন দ্বয়ে (Gillin and Gillin) কোৱাৰ দৰে *"বিবাহ হৈছে প্রজনন পৰিয়াল এটা স্থাপনৰ সামাজিকভাৱে স্বীকৃত উপায়।"* ডানকান মিশ্বেল (Duncan Mitchell)ৰ "সমাজ তত্ত্বৰ অভিধান" খনত বিবাহৰ সংজ্ঞা এনেদৰে পোৱা যায় — *"বিবাহ দুই বা ততোধিক বিপৰীত লিংগৰ ব্যক্তি ৰ মাজৰ এনে এটা সমাজৰ দ্বাৰা স্বীকৃত যৌন সম্পর্ক যিটো গর্ভধাৰণ আৰু সন্তান জন্মৰ পিচলৈকো স্থায়ী হ'ব বুলি আশা কৰা হয়।"*

সংস্কৃতি অনুযায়ী বিবাহৰ তাৎপর্য্য বেলেগ হ'ব পাৰে কিন্তু সকলো সমাজতে ইয়াক দেখা পোৱা যায়। মানৰ সমাজৰ বাবে বিবাহ এটা অন্যতম বিশ্বজনীন অনুষ্ঠান।

৭.৪.১ বিবাহৰ বৈশিষ্ট্যসমূহ

- **সার্বজনীনতা ঃ** বিবাহ সার্বজনীন। বিভিন্ন সমাজত বিবাহৰ ধাৰণা, উদ্দেশ্য,

প্রকার্য তথা প্রকাৰ বেলেগ বেলেগ হোৱা যেন লাগিলেও, সামাজিক সংস্থাৰূপে সকলোতেই বিৰাজমান।

- **বৈবাহিক সম্বন্ধ দীর্ঘস্থায়ী ঃ** সকলো সমাজতে বৈবাহিক সম্পর্ক এক দীর্ঘস্থায়ী সম্বন্ধৰ আৰম্ভণি বুলি ধৰা হয় ।
- **বিবাহ অতি কমেও দুজন ব্যক্তিৰ মাজৰ সম্পর্ক ঃ** প্রায় ভাগ সমাজত বিবাহে অন্ততঃ দুজন ব্যক্তি (বিপৰীত লিংগ)ৰ মাজত যৌন সম্পর্ক আৰু সন্তানৰ জন্মক স্বীকৃতি দিয়ে।
- **সামাজিক স্বীকৃতি ঃ** বৈবাহিক সম্বন্ধত কেৱল বিবাহিত দম্পত্তিৰ মাজৰ বুজাপৰাই যথেষ্ট নহয়। সম্বন্ধটো সমাজৰ দ্বাৰা অনুমোদিতও হ'ব লাগিব। বিবাহৰ ক্ষেত্রত সাধাৰণতে এটা ধর্মীয় অথবা ধর্মনিৰপেক্ষ পার্বণ বা আনুষ্ঠানিকতাৰ মাজেৰে সমাজৰ স্বীকৃতি লাভ কৰা দেখা যায়।
- **পাৰস্পৰিক দায়িত্ববোধ ঃ** বিবাহৰ দ্বাৰা বিবাহিত পতি-পত্নী দুয়োৰে মাজত পাৰস্পৰিক দায়িত্ব আৰু কর্তব্যবোধৰ সৃষ্টি হয়।

৭.৪.২ বিবাহৰ প্রকার্য

সমাজত বিবাহৰ ভূমিকা অপৰিসীম।

- প্রথমেই, বিবাহৰ দ্বাৰা স্বামী-স্ত্রীৰ মাজৰ যৌন সম্বন্ধটো স্থায়ী কৰাৰ লগে লগে পৰিয়ালটোৰো স্থায়িত্ব নিশ্চিত কৰা হয়।
- দ্বিতীয়তে, বিবাহে সন্তানৰ ভৰণ-পোষণৰ বাবে এটা সামাজিকভাৱে স্বীকৃত ব্যৱস্থা সম্ভৱপৰ কৰি তোলে। সামাজিক স্বীকৃতি আৰু পৰিচয় প্রতিজন ব্যক্তিৰ প্রাথমিক প্রয়োজন। এনেদৰে বিবাহে নৱজাতকক সামাজিক স্বীকৃতি আৰু পৰিচয় প্রদান কৰে যিটো প্রতিজন ব্যক্তিৰ প্রাথমিক প্রয়োজন।
- তৃতীয়তে, বিবাহিত দম্পত্তিৰ মাজত অর্থনৈতিক সহযোগিতা বিৰাজ কৰে।

৭.৪.৩ বিবাহৰ প্রকাৰ

বিবাহ বিভিন্ন প্রকাৰৰ হ'ব পাৰে। সমগ্র বিশ্বৰে আটাইতকৈ গতানুগতিক বিবাহ প্রকাৰ হৈছে **এক বিবাহ** য'ত এজন পুৰুষ আৰু এগৰাকী মহিলাৰ মাজত বিবাহ সম্পন্ন হয়।

বহু বিবাহ পদ্ধতি হৈছে এজন ব্যক্তিৰ একাধিক ব্যক্তিৰ সৈতে বিবাহ। বহু বিবাহৰ দুটা বৃহৎ শ্রেণী বিভাগ আছে, যেনে বহু পত্নী বিবাহ আৰু বহু পতি বিবাহ। **বহু পত্নী বিবাহ** হৈছে এজন ব্যক্তিয়ে একাধিক মহিলাক বিবাহ কৰোৱা। জনজাতীয়সকলে, যেনে উত্তৰ-পূর্বাঞ্চলৰ নিশী, ৰাঞ্চুসকলৰ গোষ্ঠীপ্রধানে বহু-পত্নী বিবাহ কৰায়। কিন্তু

এই বিবাহ তেওঁলোকে নিজৰ যৌন প্ৰয়োজনৰ পূৰাবৰ বাবে নকৰায়, বৰঞ্চ ই তেওঁলোকৰ সন্মান বৃদ্ধি কৰে বা তেওঁলোকক সম্পৰ্ক প্ৰসাৰিত কৰিবলৈ সহায় কৰে। যেতিয়া এজন ব্যক্তিয়ে বহু কেইগৰাকী মহিলাক বিবাহ কৰায় যিসকল ভগ্নী সম্পৰ্কৰে জড়িত, তেতিয়া সেই বিবাহক sororal polygyny বা বহুপত্নী বোলা হয়।

আন এক প্ৰকাৰৰ বহু বিবাহ হৈছে **বহু পতি বিবাহ।** এই ক্ষেত্ৰত এগৰাকী মহিলাই একাধিক পুৰুষৰ সৈতে বৈবাহিক সম্পৰ্ক গঢ়ে। সেই পুৰুষ সকল পৰস্পৰ ভাতৃ হ'লে সেই বিবাহক ফ্ৰেটাৰনেল পলিএন্দ্ৰি বা বহু পতি বিবাহ বোলা হয়। দক্ষিণ ভাৰতৰ নীলিগিৰি পাহাৰৰ 'টোডা' নামৰ জনজাতিটোৱে এনে প্ৰথাৰে বিবাহ কৰায়। তিব্বততো এই বিবাহ প্ৰচলিত। এনে সমাজ সমূহতো জৈৱিক পিতৃত্বৰ তুলানাত সামাজিক পিতৃৰ অধিক মৰ্যদা আছে।

বিবাহ আৰু বহুতো প্ৰকাৰ আছে। উদাহৰণস্বৰূপে, কম সংখ্যক হ'লেও এনে কিছু সমাজ আছে য'ত **সমূহীয়া বিবাহ** হয়, য'ত বহু কেইজন পুৰুষে কেইবাগৰাকী নাৰীক বিবাহ কৰায়। এনে বিবাহ অৱশ্যে অতি বিৰল। আফ্ৰিকাৰ দক্ষিণ চুডান অঞ্চলৰ নুৱেৰসকলৰ মাজত বিকল্প বিবাহৰ ব্যৱস্থাও আছে, য'ত এগৰাকী মহিলাই সন্তানহীন অৱস্থাতে মৃত্যু হোৱা বুলি কোনো লোকৰ সৈতে বিবাহ হ'ব পাৰে। তেনে ক্ষেত্ৰত মৃত ব্যক্তিজনৰ ভাতৃয়ে তেওঁৰ বিকল্প হিচাপে মৃতকৰ হৈ কোনো মহিলাক বিবাহ কৰাব পাৰে। জৈৱিক সন্তানক তেতিয়া মৃত ব্যক্তিজনৰ বুলি ধৰি লোৱা হয়। কাৰণ স্বামী গৰাকী অশৰীৰ অৱস্থাত থাকে বুলি বিশ্বাস কৰা হয়। নৃতত্ত্ববিদসকলে এনে কাল্পনিক বিবাহক **প্ৰেতাত্মা বিবাহ** বুলি অভিহিত কৰিছে।

বিবাহৰ পাত্ৰ বিচৰাৰ ক্ষেত্ৰত সমাজে কেতবোৰ বাধা আৰোপ কৰা পৰিলক্ষিত হয়। এই বাধানিষেধৰ ওপৰত ভিত্তি কৰিও বিবাহৰ প্ৰকাৰ ভিন ভিন হয়। অতি নিকট সম্পৰ্কীয় লোকৰ মাজত যৌন সম্পৰ্ক ঘটিলে তাক স্বজন-যৌন ব্যভিচাৰ (ইনচেষ্ট, incest) বুলি কয়। প্ৰাথমিক পৰিয়ালৰ সদস্যৰ ভিতৰত বিবাহ হোৱাটো কোনো সমাজেই নিবিচাৰে। এনে নিষেধক **স্বজন যৌন-টেবু** (টেবু— বাধা বা নিষেধ, incest taboo) বোলে।

বহুতো সমাজত কোনো বিশেষ সামাজিক গোটৰ লোকৰ বাবে নিজ গোটৰ বাহিৰত বিয়া কৰোৱাটো নিষেধ। এনেক্ষেত্ৰত ব্যক্তিজনে নিজ গোটৰ ভিতৰতে বিবাহযোগ্য পাত্ৰ-পাত্ৰী বিচাৰি ল'বলগা হয়। এনেকুৱা নিষিদ্ধ ব্যৱস্থাক **অন্তঃবিবাহ** (endogamy) বোলা হয়। হিন্দু জাতি বা বৰ্ণ এটি অন্তঃবৈবাহিক গোট। তেনেদৰে জনজাতি, সম্প্ৰদায়, ধৰ্মীয় গোট আদিয়ে অন্তঃবিবাহ প্ৰথা মানি চলিব বিচাৰে।

আনহাতে কোনো এটা সামাজিক গোটৰ ভিতৰত বিবাহ নিষিদ্ধৰ ব্যৱস্থাক **বৰ্হিবিবাহ** (exogamy) বোলে। প্ৰাথমিক পৰিয়ালৰ ভিতৰত নাইবা পৰিয়ালতকৈ বৃহৎ পৰ্যায়ৰ গোত্ৰৰ ভিতৰত বিবাহ নিষিদ্ধ। সেই কাৰণে প্ৰাথমিক পৰিয়াল আৰু

গোত্রক বৰ্হিবৈবাহিক (exogamous) সামাজিক গোট বোলে।

হাৱাই, পেৰু আৰু ইজিপ্টৰ ৰাজপৰিয়ালৰ দৰে অতি কম ক্ষেত্রতহে প্রাথমিক পৰিয়ালৰ ভাই-ভনীৰ মাজত আন্তঃ বিবাহ হোৱাৰ উদাহৰণ দেখা যায়। তেওঁলোকৰ বিশ্বাস যে ঐশ্বৰিক শক্তিসম্পন্ন ৰাজপুত্রই একমাত্র নিজ ভগ্নীকহে বিয়া কৰাবৰ বাবে উপযুক্ত পাত্র। এনেবোৰ উদাহৰণ (য'ত ভায়েকৰ লগত-ভনীয়েকৰ, সন্তানৰ লগত মাতা-পিতাৰ মাজত যৌন সম্বন্ধ হয়) কিন্তু বিশ্বজনীন স্বজন যৌন টেবুৰ ব্যতিক্রমহে। সর্বসাধাৰণৰ ক্ষেত্রত ই নিয়ম নহয়।

সহোদৰজ সন্ততি (÷÷in marriage, ভাই-ভনীৰ সন্তানৰ মাজত) হোৱা বিবাহৰ বিভিন্ন প্রথাও বিশ্বৰ বিভিন্ন সমাজত বহুলভাৱে প্রচলিত।

এটা কথা মনত ৰখা উচিত যে বিবাহৰ বিভিন্ন প্রকাৰবোৰৰ প্রতিটোৱেই বিভিন্ন কাৰণত গঢ় লৈ উঠে আৰু প্রত্যেকৰে নিজস্ব সামাজিক প্রকার্য থকা দেখা যায়। যিবিলাক সমাজত ছোৱালীক (কন্যাসন্তান) সামাজিক আৰু আর্থিকভাৱে বোজা বুলি গণ্য কৰা নহয় তেনে বহু সমাজত বিয়াৰ সময়ত বৰপক্ষই কন্যা পক্ষক (কন্যাৰ পিতৃ-মাতৃ বা অভিভাৱকক) গা-ধন দিয়াৰ নিয়ম আছে। সাধাৰণতে নগদ টকাৰ অবিহনে বয়-বস্তু বা জীৱ-জন্তুৰেও এই গা-ধন দিয়া হয়। আনহাতে, যিবিলাক সমাজত ছোৱালীক বোজা বুলি গণ্য কৰা হয়, তেনে সমাজবোৰত কন্যাৰ ঘৰে দৰাঘৰীয়াক বৰ-পণ বা দহেজ হিচাপে কন্যাৰ দায়িত্বগ্রহণৰ ক্ষতিপূৰণ দিবলগীয়াত পৰে।

৭.৫ স্বজনতা পদ্ধতি : অর্থ আৰু সংজ্ঞা

স্বজনতা হৈছে সবাতোকৈ গুৰুত্বপূর্ণ সামাজিক সম্পর্ক। ই এটা মৌলিক সামাজিক অনুষ্ঠানক প্রতিনিধিত্ব কৰে। স্বজনতাই ব্যক্তিসকলৰ সাংস্কৃতিকভাৱে দূৰ সম্পর্কক সূচায়, যিসকলৰ মাজত পৰিয়ালকেন্দ্রিক সম্পর্ক থকাটো সম্ভৱ। বহুতো সমাজত স্বজনতাই এটাৰ পৰা আনটো প্রজন্মলৈ প্রতিপত্তি আৰু সম্পত্তিক চলাই নিয়াৰ বাট মুকলি কৰে। স্বজনতাই বিবাহসূত্রে আৰু জন্মসূত্রে হোৱা সম্পর্কক সামৰি লয়। প্রথম প্রকাৰৰ সম্বন্ধটো বিবাহৰ সামাজিক তথা আইনী সংজ্ঞাৰ জৰিয়তে সমাজত সৃষ্ট হয়। ইয়াক বৈবাহিক সম্বন্ধীয় স্বজনতা (Affinal Kinship) বোলা হয় আৰু এই ধৰণেৰে সম্বন্ধীয় লোকসকল এজন আনজনৰ বৈবাহিক স্বজন (affinal kin) আৰু সাধাৰণতে তেওঁলোকৰ মাজত তেজৰ সম্পর্ক নাথাকে। বৈবাহিক স্বজনতাৰ কিছুমান উদহৰণ হৈছে স্বামী-স্ত্রী, শহুৰ-বোৱাৰীৰ মাজৰ সম্পর্ক।

দ্বিতীয় বিধ সম্বন্ধ হ'ল তেজৰ সম্বন্ধ অর্থাৎ জন্ম সূত্রে বা নিজৰ বুলি গ্রহণ কৰাই (তোলনীয়া সন্তান) লোৱা প্রক্রিয়াৰ দ্বাৰা গঢ়ি উঠা সম্বন্ধ। এনে ধৰণৰ সম্বন্ধ পিতৃ-মাতৃ আৰু সন্তান, ভাই-ভনী, ককা-আইতা আৰু নাতি-নাতিনী আদিৰ মাজত দেখা পাওঁ। এই আত্মীয়-স্বজন সকলৰ মাজত সামাজিক মর্যদাপ্রাপ্ত তেজৰ সম্পর্কতকৈ সামাজিক স্বীকৃতি লাভ কৰাটোহে অধিক গুৰুত্বপূর্ণ। এই সম্পর্কক **সম-ৰক্তীয়** স্বজন বোলা হয়।

অধ্যাপক ধীৰেন্দ্রে নাথ মজুমদাৰ আৰু টি. এন. মদনৰ মতে স্বজনতা পদ্ধতি প্রজননৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা এটা সর্বব্যাপী প্রধান সম্বন্ধ।

স্বজনতা প্রণালী বৈবাহিক আৰু জন্ম সূত্র পোৱা আত্মীয়ৰ মাজৰ সম্বন্ধ আৰু ইয়াত প্রত্যেক ব্যক্তিয়ে নিজৰ স্থিতি আৰু ভূমিকা পালন কৰে। স্বজনতা প্রণালীয়ে **সমান্তৰাল আৰু উলম্বিক** দুই ধৰণে বৈবাহিক আৰু তেজৰ সম্পর্ক থকা সকলো সদস্যকে অন্তর্ভুক্ত কৰে। জন্মগতভাৱে পোৱা আত্মীয়সকলৰ ভিতৰত কিছুমান সমান্তৰালভাৱে আত্মীয়তাৰ দোলেৰে বান্ধ খাই থাকে, যেনে খুড়াক বা পেহীয়েকৰ ল'ৰা-ছোৱালীৰ মাজত থকা সম্বন্ধ। আনহাতে পিতৃ-মাতৃ বা খুড়ায়পেহীয়েক বা বতিজায়ভতিজী, ককা-আইতা আৰু নাতি-নীতিনীৰ আজি একে বংশৰ লোকসকল উলম্বিকভাৱে স্বজনতা পদ্ধতিৰ অন্তর্গত। বিবাহৰ জৰিয়তে হোৱা আত্মীয়-স্বজনৰ ভিতৰত শহুৰ-বোৱাৰীৰ মাজৰ সম্পর্কও উলম্বিক ভাৱে গঠিত।

৭.৫.১ স্বজনতা প্রণালীৰ পৰিসৰ

বিভিন্ন আত্মীয়-স্বজনক তেওঁলোকৰ এজনৰ আনজনৰ সৈতে থকা সম্পর্কৰ পৰিসৰৰ ওপৰত ভিত্তি কৰি বিভিন্ন ভাগত ভগাব পাৰি।

- **প্রথম শ্রেণীৰ আত্মীয় স্বজন**সকলৰ মাজত কোনো ধৰণৰ মধ্যস্থতাকাৰী নথকাকৈ ইজনে আনজনৰ সৈতে পোনপটীয়াভাৱে সম্পর্কৰ দোলেৰে বান্ধ খাই থাকে। এনে ধৰণৰ পোনপটীয়া সম্পর্ক বৈবাহিক ক্ষেত্রত স্বামী-স্ত্রীৰ মাজত আৰু জন্মসূত্রে পিতৃ-মাতৃ আৰু সন্তানৰ লগতে আৰু ভাতৃ-ভগ্নীৰ মাজত পৰিলক্ষিত হয়।
- **দ্বিতীয় শ্রেণীৰ আত্মীয়ই** সেইসকল আত্মীয়-স্বজনক অন্তর্গত কৰা হয়- যি সকল কোনো এজন ব্যক্তিৰ প্রথম শ্রেণীৰ আত্মীয়ৰ সৈতে জড়িত হৈ থাকে, উদাহৰণস্বৰূপে, বোৱাৰী, শাহু-শহুৰ, ননন্দ, তোলনীয়া পিতৃ ইত্যাদি। এই আত্মীয়সকল এজন ব্যক্তিৰ আত্মীয়ৰ দ্বাৰা সম্পর্কিত হৈ থাকে। উদাহৰণ স্বৰূপে এজন ব্যক্তিৰ বোৱাৰী তেওঁৰ পুত্রৰ প্রথম শ্রেণীৰ আত্মীয় অর্থাৎ তেওঁৰ পত্নী।
- **তৃতীয় শ্রেণীৰ আত্মীয়ঃ** দ্বিতীয় শ্রেণীৰ আত্মীয়সকলৰ প্রথম আত্মীয় স্বজনসমূহক তৃতীয় শ্রেণীৰ আত্মীয়ৰ অন্তর্গত কৰা হয়। উদাহৰণস্বৰূপে এজন ব্যক্তিৰ পুত্রৰ শহুৰেক (তেওঁৰ পত্নীৰ দেউতাক) সেই নির্দিষ্ট ব্যক্তিজনৰ বাবে তৃতীয় শ্রেণীৰ আত্মীয়। উক্ত ছবিটোত কয়খ আৰু চয়ছ উভয় পক্ষই ইটো সিটোৰ বাবে তৃতীয় শ্রেণীৰ আত্মীয়।
- **দূৰ সম্পর্কীয় আত্মীয় স্বজনঃ** এই শ্রেণীৰ সেইবোৰ আত্মীয় স্বজনক অন্তর্ভুক্ত কৰা হয়, যিসকল উপৰোক্ত কোনো শ্রেণীৰ অন্তর্গত নহয়।

৭.৫.২ স্বজনতা পদ্ধতি

এই স্বজনতা ব্যৱস্থাই জন্ম আৰু বিবাহৰ দ্বাৰা জড়িত সকলো সম্পৰ্ককে সামৰি লয়। যিয়ে অধিকাৰ আৰু বাধ্য বাধকতাৰ এক বেহুৰ মাজত সকলো সম্পৰ্ক স্থাপন কৰে।

নিম্ন উল্লিখিত বিষয়বস্তুসমূহ আত্মীয়তা পদ্ধতিৰ অন্তৰ্গত —

- আত্মীয়তা প্ৰণালীৰ গোটেই সামাজিক আন্তঃগাঁথনিৰ এক অতি প্ৰয়োজনীয় উপ-পদ্ধতি,
- কোনো এক সম্প্ৰদায়ৰ প্ৰত্যেক ব্যক্তিৰ মাজত সম্পৰ্ক স্থাপনৰ ক্ষেত্ৰত আত্মীয়তাই সংযোগকাৰী হিচাৱে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে,
- বৈবাহিক আৰু ৰক্ত সম্বন্ধীয় স্বজনসকল ইয়াৰ অন্তৰ্গত,
- আত্মীয়তাই সমাজৰ বাবে প্ৰয়োজনীয় অসংখ্য বিষয়বস্তু, যেনে— বিবাহ পদাধিকাৰ, উত্তৰাধিকাৰ আদিৰ সাব্যস্তকৰণ তথা অৰ্থনৈতিক, ৰাজনৈতিক, ধৰ্মীয় আদি ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।
- উক্ত বিষয়বস্তুসমূহ সামাজিক নীতি-নিয়ম আৰু প্ৰতিমানৰ দ্বাৰা পৰিচালিত হয়।

প্ৰখ্যাৎ সমাজ বিজ্ঞানী Radcliffe-Brown -এ স্বজনতা পদ্ধতিক **আত্মীয় আৰু বৈবাহিক সম্বন্ধীয়** (kinship and affinity) বুলি মত পোষণ কৰিছে। ইয়াত আত্মীয়তামানে কেৱল ৰক্ত সম্বন্ধীয় অৰ্থাৎ বংশানুক্ৰমৰ অন্তৰ্গত আত্মীয়সকলৰ কথাহে উল্লেখ আছে। তেওঁৰ মতে ,স্বজনতা পদ্ধতিয়ে সমূহৰ সদস্যসকলৰ মাজত দ্বিয়কীয় (dyadic) সম্বন্ধ ৰক্ষা কৰে তথা কম বেছি পৰিমাণে অন্তৰ্গত সদস্যসকলৰব্যৱহাৰিক দিশসমূহো সামাজিক ৰীতিৰ দ্বাৰা নিয়ন্ত্ৰণ কৰাত সহায় কৰে। ই ব্যক্তিসকলৰ মাজত পোনপটীয়া সম্পৰ্ক ৰক্ষা কৰাত সংযোজক হিচাপে ভূমিকা পালন কৰে।

আমি ইতিমধ্যে উল্লেখ কৰি আহিছো যে সমাজত প্ৰত্যেক ব্যক্তিৰে দুই ধৰণৰ আত্মীয় স্বজন থাকে, ৰক্ত সম্বন্ধীয় আৰু বৈবাহিক সম্বন্ধীয়। এই আত্মীয় সমূহৰ এজনৰ আনজনৰ প্ৰতি থকা কৰ্তব্য আৰু পাৰস্পৰিক অধিকাৰসমূহ সামাজিক প্ৰতিমান আৰু ৰীতিৰ দ্বাৰা নিয়ন্ত্ৰিত হয়। উক্ত সকলোবোৰ সংযোজক, সামাজিক গোটআৰু সামাজিক নীতি-নিয়মসমূহ স্বজনতা পদ্ধতিৰে এটা অংশ বিশেষ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ছ্ৰঃ খালী ঠাই পূৰ কৰক।

(ক) আপোনাৰ দেউতাৰ ভায়েক আপোনাৰ বাবে ..... স্বজন (বৈবাহিকয়সম-ৰক্তীয়)

.....

(খ) আপোনাৰ দেউতাৰ ভায়েক আপোনাৰ বাবে ..... আত্মীয় (প্ৰথম শ্ৰেণীৰয়দ্বিতীয় শ্ৰেণীৰ)

.....

(গ) আপোনাৰ দেউতাৰ ভায়েকৰ ল'ৰা আপোনাৰ বাবে ..... আত্মীয় (দ্বিতীয় শ্ৰেণীৰয়তৃতীয়)

.....

প্ৰশ্ন নং প্তঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক।

(ক) এজন ব্যক্তি আৰু তেওঁৰ ঘৈণীয়েকৰ ডেওৰেক বৈবাহিক আত্মীয়।

.....

(খ) খুড়া বা পেহীয়েকৰ ল'ৰা-ছোৱালীসমূহ জন্মসূত্ৰে হোৱা আত্মীয়।

.....

(গ) জন্মসূত্ৰে হোৱা সম্বন্ধ মানে সামাজিক স্বীকৃতিপ্ৰাপ্ত আনুমানিক জৈৱিক সম্বন্ধ।

.....



৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- প্ৰতিখন সমাজতে পৰিয়াল, বিবাহ, স্বজনতা, ধৰ্ম ৰাজনীতিৰ দৰে সাৰ্বজনীন অনুষ্ঠানসমূহ থাকে আৰু এইসমূহ পৰস্পৰ জড়িত হৈ থাকে।
- পৰিয়াল হৈছে মূল সামাজিক অনুষ্ঠান আৰু এটা পৰিয়ালৰ সদস্যসকলৰ মাজত থকা সম্পৰ্কক মানৱ জাতিৰ সবাতোকৈ প্ৰাচীন সামাজিক অনুষ্ঠান ৰূপে গণ্য কৰা হয়।
- বিবাহ হৈছে দুগৰাকী বা তাতোধিক ব্যক্তিৰ মাজত হোৱা সমাজ স্বীকৃত আৰু সন্মত যৌন সম্পৰ্ক।
- পৰিয়াল আৰু বিবাহ অনুষ্ঠানে যৌনতা নিয়ন্ত্ৰণ, নতুন প্ৰজন্ম সৃষ্টিৰ ধাৰাবাহিকতা নিশ্চিত কৰিবৰ বাবে স্থায়ী গোটৰ পৰিচালনা আৰু নিৰ্ভৰশীল সন্তানৰ যত্নৰ দৰে কাৰ্যসমূহ পালন কৰে।
- বিভিন্ন সাংস্কৃতিক বিবাহৰ অৰ্থ বিভিন্ন। সমাজ ভেদে ইয়াৰ প্ৰয়োজন, কাৰ্য আৰু বিধি ভিন্ন হ'লেও, ই সকলোতে এক অনুষ্ঠান ৰূপে উপস্থিত থাকে।
- সকলো সমাজতে বিভিন্ন সকম্পৰ্কৰে লোকসকল বিভিন্ন গোটত একত্ৰিত হৈ থাকে। এই সম্পৰ্কসমূহৰ ভিতৰত সবাতোকৈ সাৰ্বজনীন আৰু মৌলিক সম্পৰ্ক হৈছে জন্মৰ দ্বাৰা হোৱা সম্পৰ্ক আৰু ইয়াক স্বজনতা বোল হয়।

- স্বজনতাৰ মাজত তেজৰ সম্পৰ্ক (সম-ৰক্তীয়) আৰু বিবাহ সূত্ৰে হোৱা সম্পৰ্ক (বৈবাহিক সম্বন্ধীয়)ক সামৰি লোৱা হয়।



৭.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

১) Bottomore, T. B., *Sociology : A Guide to Problem and Literature*; Blackie and Son (India) Ltd., Mumbai.

২) Madan, T.N. and D.N. Majumdar. (1987). *An Introduction to Social Anthropology*. New Delhi: National Publishing House.



৭.৮ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰঃ দুজন সামাজিকভাৱে স্বীকৃত যৌন সম্পৰ্ক থকা বিপৰীত লিংগৰ প্ৰাপ্তবয়স্ক লোক আৰু তেওঁলোকৰ নিজা বা তোলনীয়া এজন বা ততোধিক সন্তানেৰে গঠিত সামাজিক অনুষ্ঠান।

২নং প্ৰশ্নৰ উত্তৰঃ এজন ব্যক্তিয়ে জন্মগ্ৰহণ কৰাপৰিয়াল-টোৱেই তেওঁৰ বাবে জন্ম পৰিয়াল। আৰু ব্যক্তি এজনে বিয়াৰ পিছত যিটো পৰিয়ালৰ সৃষ্টি কৰে সেইটো তেওঁৰ প্ৰজনন পৰিয়াল।

৩নং প্ৰশ্নৰ উত্তৰঃ হিন্দু জাতিগোট, মিচিং, কাৰ্বি, বড়ো-কছাৰী আদি সমাজত পিতৃ-স্থানীয় পৰিয়াল দেখা যায়।

৪নং প্ৰশ্নৰ উত্তৰঃ (ক) সমৰক্তীয়

(খ) দ্বিতীয় শ্ৰেণীৰ

(গ) তৃতীয়

৫ নং প্ৰশ্নৰ উত্তৰঃ(ক) শুদ্ধ

(খ) শুদ্ধ

(গ) শুদ্ধ



৭.৯ আৰ্হি প্ৰশ্ন

ক) চুটি প্ৰশ্ন (ৰপ্তত্ত্ম শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ৰঃ পৰিয়ালৰ সংজ্ঞা লিখক । ইয়াৰ বৈশিষ্ট্যসমূহ কি কি।

প্ৰশ্ন চঃ বিবাহৰ সংজ্ঞা কিআৰু ইয়াৰ বৈশিষ্ট্যবোৰবৰ্ণনা কৰক।

প্ৰশ্ন ্ঃ সমাজত বিবাহে কি কি ভূমিকা পালন কৰে?

প্ৰশ্ন চ্ছঃ সমৰক্তীয় আৰু বৈবাহিক সম্বন্ধীয় স্বজনতাৰ অৰ্থ কি? উদাহৰণসহ ব্যাখ্যা কৰক।

প্ৰশ্ন প্তঃ স্বজনতা প্ৰণালীৰ পৰিসৰৰ বিষয়ে এটি টোকা লিখক।

খ) ৰচনাধৰ্মী প্ৰশ্ন (ত্ত্বত্ত্ম-প্তত্ত্বত্ত্ম শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ৰঃ পৰিয়ালৰ বিভিন্ন প্ৰকাৰবোৰ বৰ্ণনা কৰক।

প্ৰশ্ন চঃ পৰিয়ালৰ বিভিন্ন প্ৰকাৰ্যবোৰ আলোচনা কৰক।

প্ৰশ্ন ্ঃ বিবাহৰ বিভিন্ন প্ৰকাৰবোৰ কি কি? আলোচনা কৰক।

*** ***** ***

অধ্যায় ৮ ঃ সামাজিক গাঁথনি, সামাজিক ব্যৱস্থা আৰু সামাজিক সংগঠন

অধ্যায় গাঁথনি

৮.ৰ উদ্দেশ্য

৮.চ পৰিচয়

৮.ছ সামাজিক গাঁথনিৰ ধাৰণা

৮.ছ.ৰ সামাজিক গাঁথনিৰ অর্থ আৰু সংজ্ঞা

৮.ছ.চ সামাজিক গাঁথনিৰ উপাদানসমূহ

৮.জ সামাজিক ব্যৱস্থা অর্থ আৰু সংজ্ঞা

৮.জ.ৰ টালকট পাৰছন্সৰ সামাজিক ব্যৱস্থাৰ বিশ্লেষণ

৮.জ.চ সামাজিক ব্যৱস্থাৰ বৈশিষ্ট্য

৮.ঞ সামাজিক সংগঠন

৮.ঞ.ৰ সামাজিক সংগঠনৰ বৈশিষ্ট্য

৮.ঞ.চ সামাজিক সংগঠনৰ প্রকাৰ

৮.ঞ.ছ আনুষ্ঠানিক সামাজিক সংগঠনৰ বৈশিষ্ট্য

৮.ঞ.জ অনানুষ্ঠানিক সামাজিক সংগঠনৰ বৈশিষ্ট্য

৮.ছ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.ঝ অধিক জানিবলৈ

৮.ঞ অগ্রগতিৰ খতিয়ান

৮.ট আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- সামাজিক গাঁথনিৰ আৰু ইয়াৰ উপাদন সমূহ বুজিব পাৰিব
- সামাজিক ব্যৱস্থাৰ আৰু ইয়াৰ বৈশিষ্ট্য সমূহ বুজিব পাৰিব
- সামাজিক সংগঠন, ইয়াৰ বৈশিষ্টা আৰু প্রকাৰ সমূহৰ বিষয়ে বুজিব পাৰিব।

৮.২ পৰিচয়

আগৰ অধ্যায়ত আমি ভূমিকা আৰু প্রস্থিতিৰ ধাৰণা সম্পর্কে বুজিবলৈ যত্ন কৰিছিলো। সেইবোৰে ব্যক্তিক এটা সামাজিক গাঁথনি, এটা সামাজিক ব্যৱস্থা অথবা এটা সামাজিক সংগঠনৰ অংশ বুলি মানি ল'বলৈ বাধ্য কৰায়। এই অধ্যায়ত আমি সামাজিক গাঁথনি, সামাজিক ব্যৱস্থা

আৰু সামাজিক সংগঠনৰ ধাৰণা বুজিবলৈ যত্ন কৰিম। বহল অর্থত এই ধাৰণাসমূহ ইটো-সিটোৰ লগত জড়িত হৈ আছে।

সাধাৰণতে সামাজিক গাঁথনিৰ অর্থ হৈছে আকাৰ অথবা আৰ্হি। উদাহৰণস্বৰূপে, যেতিয়া তাজমহলৰ সংৰচনাৰ বিষয়ে কোৱা হয় তেতিয়া ইয়াৰ আৰ্হি, আকৃতি, মহলটোৰ বিভিন্ন অংশ ইত্যাদিৰ কথাকে বুজা যায়। তেনেদৰে প্ৰত্যেক সমাজৰে একোটা সুসংগঠিত ৰূপ থাকে যাক সামাজিক গাঁথনি বুলি কোৱা হয়। সামাজিক গাঁথনিটো সমাজবিজ্ঞানৰ এক প্ৰয়োজনীয় বিষয়। বিভিন্ন সমাজবিজ্ঞানীয়ে সামাজিক গাঁথনি সম্পৰ্কে বিভিন্ন মতামত আগবঢ়াইছে। সমাজবিজ্ঞানী ইমাইল ডাখেইম আৰু লেভিচ ষ্ট্ৰচ্চৰ মতে সমাজবিজ্ঞানীসকলে সমাজৰ গাঁথনি সম্পৰ্কে ভালদৰে অধ্যয়ন কৰাটো উচিত। সেয়েহে তেওঁলোকক সংৰচনাবাদী (Structuralists) সমাজতাত্ত্বিক বুলিও কোৱা হয়। তেওঁলোকে সমাজখনক এক জৈৱিক অৱয়ব হিচাপে তুলনা কৰে। উদাহৰণস্বৰূপে, মানুহৰ শৰীৰত যেনেদৰে মস্তিষ্ক, হৃৎপিণ্ড হাত-ভৰি ইত্যাদি অংগ প্ৰত্যংগ থাকে তেনেদৰে এখন সমাজত অর্থনীতি, ৰাজনীতি, পৰিয়াল, ধর্ম ইত্যাদি বিভিন্ন অংশ থাকে। প্ৰত্যেকেই ঐক্যবদ্ধভাবে সমাজৰ সর্বাঙ্গীন উন্নতিৰ বাবে কাম কৰি যায়।

৮.৩ সামাজিক গাঁথনিৰ ধাৰণা

সহজ ভাষাত সামাজিক গাঁথনি হৈছে সামাজিক বাস্তৱতা। ই প্ৰতিদিনেই আমাক প্ৰভাবান্বিত কৰি আহিছে। আটাইতকৈ প্ৰয়োজনীয় কথাটো হ'ল আমি এই বাস্তৱতাৰে এক এৰাব নোৱাৰা অংগ। আমাৰ দৈনন্দিন জীৱনটো কিছুমান সৰল আৰু স্পষ্ট নীতি-নিয়মেৰে বন্ধা। যেনে- যান-বাহনৰ নীতি-নিয়ম, বস্তু কিনা-বেচাৰ নীতি-নিয়ম ইত্যাদি। এইবোৰ স্পষ্ট নিয়ম। আকৌ কিছুমান সৰল নীতিও আছে। যেনে- বিভিন্ন কাৰণত পৰিধান কৰা পোছাক-পৰিচ্ছদ ইত্যাদি। এই সকলোবোৰ নীতি-নিয়মে আমাৰ সামাজিক গাঁথনিৰ প্ৰয়োজনীয় দিশ। আন অর্থত ক'বলৈ গ'লে সামাজিক গাঁথনি হ'ল এনে কিছুমান ব্যৱস্থা যিবোৰে মানুহৰ ব্যৱহাৰক নিয়ন্ত্ৰণ অথবা দিক্ নির্দেশনা প্ৰদান কৰে।

ব্যক্তিয়ে নিজ ইচ্ছা নাথাকিলেও সামাজিক গাঁথনিৰ নীতি-নিয়মসমূহ মানি চলিবলৈ সংৰচনাত্মক চিন্তাবিদসকলৰ মতে ব্যক্তিতকৈ সামাজিক গাঁথনি বেছি শক্তিশালী আৰু ই ব্যক্তিৰ ওপৰত ই বাধ্যবাধকতা আৰোপ কৰে।

৮.৩.১ সামাজিক গাঁথনিৰ অর্থ আৰু সংজ্ঞা

টালক'ট পার্চনৰ মতে, 'আন্তঃসম্পৰ্ক থকা অনুষ্ঠান-প্ৰতিষ্ঠান, এজেন্সী, সামাজিক বিন্যাসৰ লগতে এটা দলত প্ৰতিগৰাকী ব্যক্তিয়ে লোৱা প্ৰস্থিতি আৰু ভূমিকাবোৰৰ এক বিশেষ ব্যৱস্থাৰ কথা বুজাবলৈ সামাজিক গাঁথনি অভিধাটো ব্যৱহাৰ কৰা হয়।'

ক্লাড লেভি ষ্ট্ৰাছ (**ৰজ্ঞাজ্ঞজ্ঞ-চজ্ঞাজ্ঞাজ্ঞা**)ৰ মতে, 'সামাজিক গাঁথনি হ'ল এনে এক সামাজিক অৱস্থা যিটোৱে সমাজৰ যাদৃচ্ছিকতা আঁতৰ কৰে; ইয়াৰ উপাদানবোৰ কিছুমান স্পষ্ট শিতান আৰু বিন্যাসৰ অধীনত সুসংগঠিত আৰু সুব্যৱস্থিতভাৱে সজাই লোৱা হয়।'

উদাহৰণস্বৰূপে চৰকাৰ হৈছে এখন বিশেষ সমাজৰ এক প্ৰয়োজনীয় দিশ। ই তেতিয়াহে ফলপ্ৰসূভাৱে কাম কৰিব যেতিয়া ইয়াক নিৰ্দিষ্ট আৰ্হিত শৃংখলাবদ্ধ কৰা যাব। যদি চৰকাৰ এখনে কোনো উপযুক্ত সংগঠন আৰু কাৰ্য-ক্ৰমণিকা অবিহনে যাদৃচ্ছিকভাৱে কাম কৰি যায় তেন্তে সামাজিক গাঁথনিত বহুতো খেলিমেলি তথা সমস্যাৰ সৃষ্টি হ'ব।

এণ্টনি গিদেনে সামাজিক গাঁথনি সম্পৰ্কে এক ভিন্ন মত আগবঢ়াইছে। তেওঁৰ মতে সামাজিক গাঁথনি বলপূৰ্বকভাৱে জাপি দিয়া অৱস্থা হৈ থকা নাই, ইয়াৰ ৰূপ সামৰ্থ প্ৰদানকাৰী হৈ পৰিছে। তেওঁ সামাজিক গাঁথনিক এটা ভাষাৰ লগত তুলনা কৰিছিল। উদাহৰণস্বৰূপে, অসমীয়া ভাষাটোৰ এটা নিৰ্দিষ্ট লিখিত গাঁথনি আছে। কিন্তু যেতিয়া কথা ক'বলগীয়া হয় তেতিয়া অঞ্চলভেদে কোৱাৰ ধৰণ-ভিন ভিন হয়। ঠিক তেনেদৰে প্ৰত্যেক সামাজিক গাঁথনিৰে এক নিৰ্দিষ্ট আৰ্হি থাকে কিন্তু বহু সময়ত ব্যক্তিয়ে নিজৰ ভূমিকা পালনৰ ক্ষেত্ৰত কিছু নমনীয়তা উপভোগ কৰে। এই বিচ্যুতিবোৰে সময়ত গৈ পৰিবৰ্তনৰ সূচনা কৰে যিটো অনিবাৰ্য। এণ্টনি হিদেনে ইয়াকো কৈছিল যে, 'গাঁথনি অভিধাটোৰ দ্বাৰা মই সংৰচনাত্মকবাদত পৰম্পৰাগতভাৱে ব্যৱহৃত সংগঠন গঢ় দিয়া অথবা সমূহীয়া ভাৱনা উৎপন্নকাৰী আন্তঃক্ৰিয়াৰ সম্পৰ্কবোৰৰ বৰ্ণনামূলক বিশ্লেষণৰ কথা বুজোৱা নাই; সৃষ্টিকৰী নীতি-নিয়ম আৰু সম্পদবোৰৰ ব্যৱস্থাৰ কথাহে ক'ব খুজিছো।'

৮.৩.২ সামাজিক গাঁথনিৰ উপাদানসমূহ

সামাজিক গাঁথনিৰ সৃষ্টি কৰা উপাদানসমূহক তলত দিয়া ধৰণে শ্ৰেণী বিভক্ত কৰা হৈছে—

- **আদৰ্শস্বৰূপ পদ্ধতি ঃ** আদৰ্শস্বৰূপ পদ্ধতিয়ে আদৰ্শ আৰু মূল্যবোধৰ সৈতে জড়িত সমাজৰ ধাৰণা এটি আগবঢ়ায়। প্ৰতিটো অনুষ্ঠান আৰু সংস্থাই কিছুমান স্বীকৃত নীতিৰ আধাৰত কাম কৰে। সমাজৰ বিভিন্ন অংগৰ পাৰস্পৰিক সমিল-মিল সামাজিক স্বীকৃত ৰীতিৰ সৈতে থকা বিৰোধহীনতাৰ ওপৰত নিৰ্ভৰ কৰে। প্ৰতিজন ব্যক্তিয়েই স্বেচ্ছামূলকভাৱে বা বাধ্যবাধকতাৰে সমাজৰ বিভিন্ন অনুষ্ঠান তথা সংস্থাৰ অংশ হৈ পৰে। সেইবাবেই তেওঁলোকে সমাজৰ সেই নীতি অনুসৰি নিজৰ ভূমিকা পালন কৰিবলৈ বাধ্য হয়।

- **স্থানসূচক পদ্ধতি ঃ** এই পদ্ধতিয়ে ব্যক্তিৰ সামৰ্থ আৰু কেতিয়াবা জন্মৰ ওপৰত ভিত্তি কৰি বিভিন্ন ভূমিকা নির্ধাৰণ কৰি দিয়ে। উদাহৰণস্বৰূপে, কিছুমান সমাজত কম বয়সীয়াসকলক পৃথক নিয়ম আৰু সমাজৰ আদহীয়াসকলক পৃথক নিয়ম অর্পণ কৰা হয়। ভূমিকাৰ আধাৰত ব্যক্তিয়ে সমাজত বিভিন্ন প্রস্থিতি দখল কৰে।
- **অনুমোদনমূলক পদ্ধতি ঃ** স্বীকৃতি ৰীতিসমূহৰ ফলপ্রসূ প্রয়োগৰ বাবে প্রত্যেক সমাজত শাস্তি বিহা আৰু পুৰস্কাৰ প্রদানৰ ব্যৱস্থা আছে। যিসকলে সমাজৰ নীতিসমূহ অৱমাননা কৰে তেওঁলোকক শাস্তি বিহা হয়। সংৰচনাবাদীসকলৰ মতে এই ব্যৱস্থাই সমাজক স্থিৰতা প্রদান কৰে। যি কি নহওক অ-সংৰচনাবাদীসকলৰ মতে, অ-বাধ্যতা হ'ল সমাজৰ এক প্রয়োজনীয় দিশ, যাৰ অবিহনে সমাজৰ উন্নয়ন আৰু পৰিবর্তন সম্ভৰ নহয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৰঃ সামাজিক গাঁথনি বুলিলে কি বুজে?

.....

.....

প্রশ্ন নং চঃ তলৰ কোনটো সামাজিক গাঁথনিৰ এটা উপাদান —

(ক) প্রস্থিতি (খ) স্বীকৃত ৰীতি

(গ) সংগঠন (ঘ) ওপৰৰ আটাইকেইটা

.....

৮.৪ সামাজিক ব্যৱস্থাৰ অর্থ আৰু সংজ্ঞা

সামাজিক গাঁথনিৰ সৈতে জড়িত এটা ধাৰণা হ'ল সামাজিক ব্যৱস্থা বা পদ্ধতি। সামাজিক ব্যৱস্থাৰ ধাৰণাটো বুজাৰ আগতে 'ব্যৱস্থা' কাক বোলে তাৰ ওপৰত কিছু আলোকপাত কৰো আহক। সাধাৰণতে ব্যৱস্থা বুলিলে আমি কিছুমান উপাদানৰ মাজত গাঁথনিকৃত বা আর্হিকৃত সম্পর্কক বুজো। এনে সম্পর্কবোৰক সম্পূর্ণতাৰ সৃষ্টি কৰে। আৰম্ভণিতে ব্যৱস্থা শব্দটো জৈৱিক অর্থত প্রয়োগ হৈছিল। যেনে— মানৱ দেহৰ পাচন প্রণালীটো অধ্যয়নৰ বাবে ব্যৱস্থা শব্দটো ব্যৱহাৰ কৰা হৈছিল তাৰ পিছত ইয়াক অজৈৱিক বিষয়সমূহ, যেনে— ৰাজনৈতিক ব্যৱস্থা, অর্থনৈতিক ব্যৱস্থা, ঔদ্যোগিক ব্যৱস্থা ইত্যাদিৰ অধ্যয়নৰ বাবে ব্যৱহাৰ কৰা হৈছে।

'ব্যৱস্থা' কি বুজাৰ বাবে কেইটামান মূল কথা মনত ৰখা দৰকাৰ ঃ

- এটা ব্যৱস্থাই বিভিন্ন অংশৰ শৃংখলাবদ্ধ সজ্জাৰ কথা সূচায়। ইয়াৰ অংশসমূহ পাৰস্পৰিক সম্পর্কযুক্ত। প্রতিটো অংশৰে কিছুমান নির্দিষ্ট কার্য থাকে —
- একোটা ব্যৱস্থাৰ নিজস্ব সীমা থাকে। প্রতিটো ব্যৱস্থাই আন এটা ব্যৱস্থাৰ উপাদান অথবা উপব্যৱস্থা হ'ব পাৰে।

- ব্যৱস্থাৰ ধাৰণাটো জৈৱিক আৰু অজৈৱিক দুয়ো ধৰণৰ বাস্তৱিকতা অধ্যয়নৰ ক্ষেত্ৰতে বিষয়তে প্ৰযোজ্য।

অক্সফ'ৰ্ড বিশ্ববিদ্যালয়ৰ মতে, 'ব্যৱস্থা' অভিধাটোৱে 'এক নিয়মীয়া সম্পৰ্কৰ ভিতৰত বস্তুৰ গোট এটাই আৰু বিভিন্ন অংশই একেলগে কাম কৰি থকাটোক বুজায়। এই ধাৰণাটো টালকট পাৰছনে বিস্তৃতভাৱে ব্যৱহাৰ কৰিছিল। তেওঁৰ মত অনুসৰি প্ৰতিটো সামাজিক ব্যৱস্থাত কৰ্তাৰ একাধিক্য থাকে; এই কৰ্তাসকলে পাৰিপাৰ্শ্বিক চৰ্তৰ দ্বাৰা সীমাৱদ্ধ পৰিৱেশত পৰস্পৰৰ সৈতে বিভিন্ন আন্তঃক্ৰিয়া সম্পন্ন কৰে।

৮.৪.১ টালকট পাৰছনৰ সামাজিক ব্যৱস্থাৰ বিশ্লেষণ

যদি আমি সাৱধানে লক্ষ্য কৰো তেন্তে দেখিম যে প্ৰত্যেকটো একক কাৰ্যই একোটা অৰ্থ বহন কৰে। প্ৰত্যেকটো কাৰ্যই কোনো এক লক্ষ্য প্ৰাপ্তিৰ বাবে কোনো এটা উদ্দেশ্যৰ দ্বাৰা পৰিচালিত হয়। এগৰাকী ব্যক্তিয়ে কেনেকৈ লক্ষ্যত উপনীত হ'ব সেয়াও কোনো মূল্যবোধৰ দ্বাৰা পৰিচালিত হয়। উদাহৰণস্বৰূপে যদি এজন ব্যক্তিয়ে বিশ্ববিদ্যালয় গৰকিব বিচাৰে (যিটো ব্যক্তিগৰাকীৰ লক্ষ্যস্থান) তেতিয়া উদ্দেশ্যৰ প্ৰশ্ন উত্থাপিত হ'ব। ব্যক্তিগৰাকীয়ে কিয় বিশ্ববিদ্যালয় গৰকিব বিচাৰে? তাৰ কাৰণ বহুতো হ'ব পাৰে। যেনে - উচ্চ পদবীৰ চাকৰি ক্ষেত্ৰখনৰ বাবে নিজকে প্ৰস্তুত কৰিবলৈ তেওঁ উচ্চ শিক্ষা গ্ৰহণ কৰিব বিচাৰিব পাৰে। আন কিছুমানৰ বাবে উচ্চ শিক্ষা সমাজত এটা উচ্চ স্থান লাভ কৰাৰ মাধ্যমো হ'ব পাৰে। উচ্চ শিক্ষা গ্ৰহণৰ পথ ব্যক্তিৰ মূল্যবোধৰ দ্বাৰা প্ৰভাৱিত হ'ব পাৰে (মূল্যবোধ হ'ল কোনটো ভাল নাই বা বেয়া সেই সম্পৰ্কে থকা ধাৰণা)। উদাহৰণস্বৰূপে, কোনোৱে ভাবিব পাৰে যে বিদেশত উচ্চ শিক্ষা গ্ৰহণ কৰাটো উৎকৃষ্ট। আনহাতেদি কিছুমানে ভাবিব পাৰে যে নিজৰ দেশতে শিক্ষা গ্ৰহণ কৰাটো ভাল। মূল্যবোধৰ লগতে একোজন লোকৰ কাৰ্য নাইবা সিদ্ধান্তসমূহ পৰিস্থিতিগত অৱস্থাৰ দ্বাৰাও প্ৰভাৱিতত হয়। উদাহৰণ স্বৰূপে এজন লোকে কাম কৰি আছে আৰু তেওঁ উচ্চ শিক্ষাও গ্ৰহণ কৰিব বিচাৰে। কিন্তু সময়ৰ অভাৱৰ বাবে তেওঁ এখন নিয়মীয়া বিশ্ববিদ্যালয়ত নামভৰ্তি কৰিব নোৱাৰে আৰু সেইবাবেই তেওঁ এখন মুক্ত বিশ্ববিদ্যালয়ৰ পোষকতা কৰিব। গতিকে, আমি দেখিবলৈ পালো কোনো ব্যক্তিয়ে যাদৃচ্ছিকভাৱে কাৰ্য সম্পাদন নকৰে। তাৰ অৰ্থ হ'ল প্ৰতিটো কাৰ্যই একোটা অৰ্থ বহন কৰে। টালকট পাৰছনৰ মতে প্ৰতিগৰাকী ব্যক্তিয়ে (তেওঁ 'কৰ্তা' শব্দটো ব্যৱহাৰ কৰিছে) কোনো উদ্দেশ্যৰ দ্বাৰা প্ৰভাৱিত হৈ পৰিস্থিতিৰ প্ৰতি আকৰ্ষিত হয়। ইয়াৰ লগতে ব্যক্তি কোনো মূল্যবোধৰ দ্বাৰাও প্ৰভাৱান্বিত হয়। এজন ব্যক্তিৰ উদ্দেশ্য আৰু মূল্যবোধৰ ওপৰত ভিত্তি কৰি তেওঁ কাৰ্য কৰে। তেওঁ একক কাৰ্য শব্দটো ব্যক্তিগত কাৰ্যক বৰ্ণনা কৰিবলৈ ব্যৱহাৰ কৰিছে।

কিন্তু সমাজত এনে বহুতো লোক আছে, যিসকলৰ লক্ষ্য অথবা উদ্দেশ্য ভিন্ন আৰু মতদ্বন্দ্ব থকা। সেয়ে লক্ষ্য প্ৰাপ্তি কৰিবলৈ এজন ব্যক্তিয়ে আন এজন ব্যক্তিৰ সৈতে মত বিনিময় আৰু সহযোগ কৰিব লাগিব। উদাহৰণস্বৰূপে, অৰ্থনৈতিক ক্ষেত্ৰত ক্ৰেতা আৰু বিক্ৰেতা দুয়ো ইজনে আনজনৰ সৈতে মত বিনিময় কৰিব লাগিব। একে সময়তে ক্ৰেতা আৰু বিক্ৰেতা দুয়ো সৰ্বোচ্চ লাভ আহৰণ কৰিব বিচাৰে। এনে অৱস্থাত কোনো নিয়ম-নীতি নোহোৱা হ'লে ইজনে আনজনক ঠগোৱাৰ সম্ভাৱনা থাকে। সেইবাবে প্ৰতিগৰাকী ব্যক্তিয়েই যাতে ফলপ্ৰসূভাৱে নিজ লক্ষ্যত উপনীত হ'ব পাৰে সেয়া সুনিশ্চিত কৰিবলৈ কিছুমান অনুষ্ঠান-প্ৰতিষ্ঠান, নীতি-নিয়ম আৰু স্বীকৃত ৰীতি গঢ় লৈ উঠিছিল। কালক্ৰমত বিভিন্ন উদ্দেশ্যেৰে প্ৰভাৱিত লোকসকলে মত বিনিময়ৰ বিভিন্ন আৰ্হিৰ বিকাশ ঘটাইছে। এই লাহে লাহে নিয়মত পৰিণত হৈ পৰিছে আৰু ব্যক্তিৰ মাজৰ মত বিনিময় ব্যৱস্থাকো আনুষ্ঠানিক ৰূপ প্ৰদান কৰা হৈছে। টালকট পাৰছন্সৰ মতে মত বিনিময়ৰ এই আনুষ্ঠানিক ৰূপটো সামাজিক ব্যৱস্থাৰ বাদে আন একো নহয়।

৮.৪.২ সামাজিক ব্যৱস্থাৰ বৈশিষ্ট্যসমূহ

- একোটা সামাজিক ব্যৱস্থাত এজনে আনজনৰ সৈতে মত বিনিময় কৰা কৰ্তাৰ।
- এই মত বিনিময়ে নিশ্চিয়ভাবে একোটা অৰ্থ বহন কৰে।
- একোটা সামাজিক ব্যৱস্থা বিভিন্ন উপাদানৰ ঐক্যবদ্ধ সমষ্টি। যেনে — নিয়ম-নীতি, প্ৰথা-পৰম্পৰা ইত্যাদি।
- সমাজ ব্যৱস্থাত প্ৰতিটো উপাদানৰেই ইটোৰ সৈতে আনটোৰ সম্পৰ্ক আছে। সমাজখন বৰ্তাই ৰখাত প্ৰতিটো উপাদানে একেলগে কাম কৰি যায়। সমাজৰ প্ৰতিটো অংগই এটা আনটোৰ ওপৰত নিৰ্ভৰশীল। উদাহৰণস্বৰূপে, আমি যদি সমাজখনক এক সামাজিক ব্যৱস্থা হিচাপে বিবেচনা কৰোঁ আৰু এই সমাজৰ যদি ৰাজনৈতিক ব্যৱস্থাটো স্থবিৰ হৈ থাকে তেন্তে ইয়াৰ অৰ্থনৈতিক ব্যৱস্থায়ো সুচাৰুৰূপে কাম নকৰে। একেদৰে, যদি অৰ্থনীতিয়ে ৰাজনৈতিক ব্যৱস্থাক সঁহাৰি নজনায়, তেন্তে ৰাজনৈতিক ব্যৱস্থাও সুচাৰুৰূপে পৰিচালিত নহয়।
- সামাজিক ব্যৱস্থাৰ ফলপ্ৰসূ কাৰ্যকলাপ ইয়াৰ বিভিন্ন অংগৰ ফলপ্ৰসূ কামৰ ওপৰত নিৰ্ভৰশীল। ব্যৱস্থাটো সাংস্কৃতিক আৰু ব্যক্তিত্বমূলক ব্যৱস্থাৰ ওপৰতো নিৰ্ভৰশীল। উদাহৰণস্বৰূপে, আমাৰ মনোভাৱ আচৰণ, আমাৰ বিশ্বাসসমূহ। সংস্কৃতিৰ বিভিন্ন দিশক আমি কেনেদৰে নিজৰ মাজত লীন নিয়াইছো তাৰ ওপৰত নিৰ্ভৰশীল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ঃ 'একক-কার্য' বুলিলে কি বুজে?

.....

.....

প্রশ্ন নং **চ্ছ্রঃ** সামাজিক ব্যৱস্থা নির্ভৰ কৰা ব্যৱস্থা দুটা কি কি?

.....

.....

.....

৮.৫ সামাজিক সংগঠন

আমি আমাৰ দৈনন্দিন জীৱনত 'সংগঠন' শব্দটো প্রায়েই ব্যৱহাৰ কৰোঁ। আমাৰ চৌদিশে যদি আমি সাৱধানে দৃষ্টি নিক্ষেপ কৰোঁ তেন্তে দেখিম যে বিভিন্ন ক্ষেত্রত বিভিন্ন সংগঠনে কাম কৰি আছে। সামাজিক গাঁথনিৰ ধাৰণাই সামাজিক সংগঠনৰ ধাৰণাটোকো সামৰি লয়। কিয়নো প্রতিটো সামাজিক গাঁথনিত ফলপ্রসূ কার্য-সম্পাদনৰ বাবে বিভিন্ন সংগঠন অন্তর্ভুক্ত হৈ থাকে। এটা সামাজিক সংগঠন মানুহৰ এনে এটা গোট, যিটোক কোনো সামূহিক উদ্দেশ্য পূৰণৰ বাবে গঠন আৰু পৰিচালিত কৰা হয়। উদাহৰণস্বৰূপে, বিশ্ববিদ্যালয়, বেংক ইত্যাদি।

এলিয়ট আৰু মেৰিলৰ মতে, 'সামাজিক সংগঠন হ'ল এক সত্বা, এটা পৰিস্থিতি য'ত সমাজৰ বিভিন্ন অনুষ্ঠানে স্বীকৃত বা নিৰূপিত উদ্দেশ্য অনুসৰি কাম কৰি থাকে।'

ওগবার্ণ আৰু নিমকফে কৈছে যে 'এটা সংগঠন হ'ল বিভিন্ন ভাগৰ সংঘবদ্ধ ৰূপ। এই ভাগবোৰে বিভিন্ন কার্য সম্পাদন কৰে। ই হ'ল কিবা এটা কৰি তোলাৰ এক 'সক্রিয় দলীয় আহিলা।'

৮.৫.১ সামাজিক সংগঠনৰ বৈশিষ্ট্য

নির্দিষ্ট উদ্দেশ্য ঃ প্রতিটো সংগঠনৰে কিছুমান নির্দিষ্ট উদ্দেশ্য থাকে। যেতিয়া এদল মানুহৰ একেটাই লক্ষ্য থাকে, তেওঁলোক একগোট হয় আৰু সংগঠন এটা গঢ়ি তোলে। উদাহৰণস্বৰূপে, বেংক এনে এটা সংগঠনৰ আৰ্হি যিটোৱে যি মানুহক আর্থিক লেনদেনৰ সুবিধা আগবঢ়োৱাৰ উদ্দেশ্যেৰে কাম কৰে। একেদৰে শৈক্ষিক অনুষ্ঠানসমূহে মানুহক শিক্ষাৰ উদগণি দিয়াৰ বাবে গঠন কৰা হৈছে।

➢ **সদস্যসকলৰ মাজত পাৰস্পৰিক বুজাপৰা ঃ**

যিকোনো সংগঠনে সুচাৰুৰূপে কার্য সম্পাদন কৰাৰ বাবে সদস্যসকলৰ মাজত পাৰস্পৰিক সহযোগিতা আৰু বুজাপৰা থকাটো অতি আৱশ্যক। উদাহৰণস্বৰূপে, এখন

বিশ্ববিদ্যালয়ে তেতিয়াহে সুচাৰুৰূপে কার্য সম্পাদন কৰিব পাৰিব যেতিয়া ইয়াৰ অধ্যাপকসকল আৰু প্রশাসনৰ মাজত পাৰস্পৰিক সহযোগিতা আৰু বুজাপৰা বর্তি থাকিব। তাৰ উপৰি ছাত্র-ছাত্রীসকল আৰু অধ্যাপকসকলৰ মাজত আৰু ছাত্র-ছাত্রী তথা প্রশাসনৰ মাজত পাৰস্পৰিক সহযোগিতা আৰু বুজাপৰা অতি আৱশ্যক।

➢ **প্রস্থিতি আৰু ভূমিকাৰ মাজত সামঞ্জস্যতা ঃ**

এটা সংগঠন হ'ল এনে এক মঞ্চ য'ত বিভিন্ন লোক একত্রিত হয়। ব্যক্তিৰ বিভিন্ন দিশ, যেনে— জন্ম, লিংগ, প্রাপ্তি, শাৰীৰিক আৰু মানসিক সামর্থ, কৌশলগত জ্ঞান, বুদ্ধিমত্তা আদিৰ ভিত্তিত সমাজত ব্যক্তিয়ে ভিন ভিন প্রস্থিতি আৰু ভূমিকা লয়। উদাহৰণস্বৰূপে এটা পৰিয়ালত বয়স আৰু লিংগ অনুযায়ী প্রতিজন লোকৰ প্রস্থিতি আৰু ভূমিকা বেলেগ বেলেগ হয়। পৰিয়ালসমূহত দেখা যায় যে বয়সস্থ লোকসকলে কমবয়সীয়া সকলতকৈ উচ্চ স্থান লাভ কৰে। পুনৰ বয়স আৰু লিংগ অনুযায়ী পৰিয়ালৰ সদস্যসকলৰ ভূমিকাও পৃথক হয়। কিন্তু অনুষ্ঠানিক সংগঠনত যেনে— এটা উদ্যোগত এজন ব্যক্তিৰ কৌশল আৰু বুদ্ধিমত্তাৰ ওপৰত ভিত্তি কৰি তেওঁৰ প্রস্থিতি আৰু ভূমিকা সুকীয়া হ'ব। গতিকে, একোটা সংগঠনৰ ফলপ্রসূ কার্য সম্পাদনৰ বাবে প্রতিজন সদস্যই তেওঁলোকৰ ভূমিকা যথোচিতভাৱে পালন কৰা উচিত।

● **ব্যক্তিৰ আচৰণক সংগঠনে কৰা নিয়ন্ত্রণ ঃ**

প্রত্যেক সংগঠনে ইয়াৰ সদস্য আৰু তেওঁলোকৰ কার্যাৱলীৰ ওপৰত কিছু নিয়ন্ত্রণ বজাই ৰাখে। সদস্যসকলৰ আচৰণ নিয়ন্ত্রণৰ বাবে সংগঠনবোৰে বিভিন্ন আনুষ্ঠানিক আৰু অনানুষ্ঠানিক পদ্ধতি অৱলম্বন কৰে। যদি এটা সংগঠনে ইয়াৰ সদস্যসকলৰ ওপৰত নিয়ন্ত্রণ ৰক্ষা কৰাত বিফল হয়, তেন্তে সংগঠনটোৱেও ফলপ্রসূভাৱে কাম কৰাত ব্যর্থ হয়।

৮.৫.২ সামাজিক সংগঠনৰ প্রকাৰ

সমাজৰ প্রয়োজনসমূহ পূৰণৰ বাবে আৰু মানুহৰ বিভিন্ন আগ্রহ বৃদ্ধিৰ বাবে বহুসংখ্যক সংগঠনৰ জন্ম হৈছে। সামাজিক সংগঠনক বিস্তৃতভাৱে দুটা ভাগত ভগাব পাৰি—

ৰ। আনুষ্ঠানিক সামাজিক সংগঠন

চ। অনানুষ্ঠানিক সামাজিক সংগঠন

➢ **আনুষ্ঠানিক সামাজিক সংগঠন ঃ** এই সংগঠনসমূহ কিছুমান স্পষ্ট নিয়মেৰে পৰিচালিত হয়। তেনে নিয়মৰ ভিতৰত শ্রমৰ বিভাজন, কর্তৃত্বৰ পদানুক্রম আদি উল্লেখযোগ্য। ইয়াত মানুহে ইচ্ছামূলকভাৱে যোগদান কৰে। এবাৰ মানুহে এনে সংগঠনত যোগদান কৰাৰ পাচত সংগঠনৰ নিয়মসমূহ মানি চলিবলৈ বাধ্য হয়। আধুনিক ঔদ্যোগিক আৰু চহৰীয়া সমাজৰ প্রয়োজনসমূহ জটিল। এই

প্রয়োজনসমূহ পূৰাবলৈ বিভিন্ন সামাজিক সংগঠন আগবাঢ়ি আহিছে। এই সংগঠনসমূহ সমাজৰ আর্থিক, ৰাজনৈতিক, শৈক্ষিক আদি বিভিন্ন ক্ষেত্রত দেখা যায়।

- **অনানুষ্ঠানিক সামাজিক সংগঠন ঃ** যিকোনো সমাজত অনানুষ্ঠানিক সংগঠন হ'ল প্রথম সংগঠন। ই সমাজ বর্তাই ৰখাত মুখ্য ভূমিকা গ্রহণ কৰে। অনানুষ্ঠানিক সংগঠনসমূহ হ'ল একোটা ক্ষুদ্র গোট, য'ত সদস্যসকলে ইজনে আনজনৰ সৈতে অন্তৰংগতা বঢ়াব পাৰে। ইয়াত সকলোৱে নিজা আশা-আকাংক্ষা, ভয়-আনন্দ আদি সকলো বিষয় দ্বিধাহীনভাৱে ব্যক্ত কৰিব পাৰে। এটা অনানুষ্ঠানিক সামাজিক সংগঠন একোটা বন্ধু গোটৰ দৰে হ'ব পাৰে।

৮.৫.৩ আনুষ্ঠানিক সামাজিক সংগঠনৰ বৈশিষ্ট্য —

- **নির্দিষ্ট কার্যাৱলী ঃ** প্রত্যেক সামাজিক সংগঠনে এক নির্দিষ্ট ভূমিকা পালন কৰে। উদাহৰণস্বৰূপে এটা বেংকৰ মুখ্য কার্য হৈছে বিত্তীয় লেন-দেন। আনহাতেদি এখন শৈক্ষিক প্রতিষ্ঠানৰ মুখ্য কার্য হৈছে শিক্ষাৰ পৃষ্ঠপোষকতা কৰা।
- **আমোলাতন্ত্র ঃ** অনানুষ্ঠানিক সংগঠন আৰু আনুষ্ঠানিক সংগঠনৰ মাজত থকা পার্থক্য হ'ল ইয়াৰ আমোলতন্ত্র। আমোলাতন্ত্র হ'ল সংগঠনৰ দৈনন্দিন কাম-কাজ বাহাল ৰাখিবলৈ আৰু সমতা বতাই ৰাখিবলৈ গঢ় দি লোৱা প্রশাসনিক দিশ। পদানুক্রমিক প্রণালীৰে গঠিত এই ব্যৱস্থাত কার্যকর্তাসকলক বিভিন্ন দায়িত্ব আৰু প্রস্থিতি প্রদান কৰা হয়। তেওঁলোকে প্রতিটো দায়িত্বই নির্দেশিত নির্দেশাৱলী অনুসৰি পালন কৰিব লাগে। যিসকলে অসন্তুষ্টিমূলক প্রদর্শন দেখুৱায় তেওঁলোকক কামৰ পৰা আঁতৰোৱাৰ ক্ষমতা এই কার্যকর্তাসকলৰ থাকে।
- **আনুষ্ঠানিক মত-বিনিময় ঃ** আনুষ্ঠানিক সংগঠনত ব্যক্তিসকলৰ মাজত মত বিনিময় মূলতঃ উদ্দেশ্য কেন্দ্রিক আৰু ই আনুষ্ঠানিকভাৱে অনুষ্ঠিত হয়। এই পর্যায়ত আমোলাতন্ত্রই এক উল্লেখযোগ্য ভূমিকা গ্রহণ কৰে। উদাহৰণস্বৰূপে, যদি বিশ্ববিদ্যালয়ে পৰীক্ষাৰ তাৰিখ সম্পর্কে কিবা মত আদান-প্রদান কৰিব বিচাৰে, তেন্তে প্রশাসনে সেয়া অনানুষ্ঠানিকভাৱে প্রতিজন ব্যক্তিক জনোৱাতকৈ আনুষ্ঠানিক জাননী এখন জাৰি কৰিব। ইয়াৰ কাৰণ হ'ল আনুষ্ঠানিক সংগঠনৰ আকাৰ বৃহৎ। ইয়াৰ বাবে তেনে খবৰ এটা অনানুষ্ঠানিক পদ্ধতিৰে ফলপ্রসূভাৱে সকলো সদস্যলৈকে প্রেৰণ কৰাটো সম্ভৱ নহয়।
- **যুক্তিযুক্ততা ঃ** প্রত্যেক আনুষ্ঠানিক সংগঠন যুক্তিযুক্ততাৰ ওপৰত প্রতিষ্ঠিত। এই যুক্তিযুক্ততা নিয়মসমূহৰ যথোচিত ফল লাভ কৰিবৰ বাবে বিকশাই তোলা নীতি-নিয়মৰ আধিপত্যতাৰ পৰা এই যুক্তিযুক্ততা গঢ় লৈ উঠে।

- **নাম আৰু প্ৰতীক ঃ** প্ৰত্যেক সামাজিক সংগঠনৰ একোটা নাম আৰু প্ৰতীক থাকে, যি সংগঠনটোক অন্য সংগঠনৰ পৰা পৃথক কৰি তোলে। একোটা বিশেষ নাম আৰু প্ৰতীকৰ অনুপস্থিতিয়ে বহুতো খেলিমেলিৰ সৃষ্টি কৰিব পাৰে। উদাহৰণস্বৰূপে, আমাৰ দেশত বহুতো বিশ্ববিদ্যালয় আছে। যদি কোনোবাই কয় যে মই বিশ্ববিদ্যালয়ত পঢ়ো, তেন্তে এই কথাই স্পষ্ট কৈ একো বার্তা দিব নোৱাৰে। তেওঁ কোন বিশ্ববিদ্যালয়ত অধ্যয়ন কৰে সেয়া অস্পষ্ট হৈ ৰয়। কিন্তু যেতিয়া কোনোৱে বিশ্ববিদ্যালয়খনৰ নাম উল্লেখ কৰে, তেন্তে বার্তাটো স্পষ্ট হৈ পৰে। তাৰ উপৰি প্ৰতিটো সংগঠনে আন সংগঠনৰ তুলনাত নিজৰ পৃথকতা দাবী কৰে আৰু এই পৃথকতা তেওঁলোকৰ প্ৰতীকত প্ৰতিফলিত হয়।

৮.৫.৪ অনানুষ্ঠানিক সংগঠনৰ বৈশিষ্ট্য

- অনানুষ্ঠানিক সংগঠনত সদস্যসকলে ইজনে আনজনৰ সতে এক ব্যক্তিগত সম্পৰ্কও ৰক্ষা কৰে।
- অনানুষ্ঠানিক সংগঠনত সদস্যসকলে বিভিন্ন ধৰণৰ ভূমিকা পালন কৰে যদিও আনুষ্ঠানিক সংগঠনৰ দৰেই বিভিন্ন প্ৰস্থিতি উপভোগ কৰে।
- অনানুষ্ঠানিক সংগঠনবো কিছুমান নীতি থাকে, কিন্তু সেইবিলাকে শিথিল প্ৰকৃতিৰ আৰু তাৰ লিখিত ৰূপ নাথাকে।
- শাসন ব্যৱস্থাৰ অনুপস্থিতিৰ বাবে সদস্যসকলৰ মাজত মত বিনিময় প্ৰত্যক্ষ আৰু অধিক নিবিড়।
- অনানুষ্ঠানিক সামাজিক সংগঠনসমূহ নমনীয়। ইয়াৰ সদস্যসকলৰ আচৰণ পৰিবর্তনৰ লগে লগে নীতিসমূহবো সাল-সলনি কৰিব পাৰি। এনে সংগঠনৰ আকাৰ আৰু গাঁথনি তুলনামূলকভাৱে সৰু হোৱাৰ বাবে নীতিসমূহৰ পৰিৱর্তন সহজ হৈ পৰে।



চিন্তা-চর্চা কৰক

(ক) নীতি-নিয়মৰ উলংঘনে সমাজত সমস্যৰ সৃষ্টি কৰিব পাৰে বুলি আপুনি ভাবেনে?

.....

.....

(খ) আপুনি দৈনন্দিন জীৱনত পালন কৰা ভূমিকাৰ বিষয়ে আলোচনা কৰক।

.....

.....

.....



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ঃ সামাজিক সংগঠনৰ সংজ্ঞা দিয়ক।

.....

.....

.....

প্রশ্ন নং ছঃ কোন প্রকাৰৰ সামাজিক সংগঠনত আমোলাতন্ত্র পোৱা যায়?

.....

.....

.....



৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- গাঁথনি বিভিন্ন উপাদানৰ সমষ্টিৰ বাদে আন আকো নহয়। এই সমষ্টিয়ে এক সম্পূর্ণতাৰ সৃষ্টি কৰে।
- সমাজশাস্ত্রত সামাজিক গাঁথনি এটা মূল ধাৰণা।
- সামাজিক গাঁথনিয়ে এক শৃংখলাক সূচায় যিয়ে মানৰ আচৰণক কোনোধৰণে বাধা দিয়ে নাইবা দিক-নির্দেশনা প্রদান কৰে।
- সামাজিক গাঁথনিৰ নীতি-নিয়মসমূহ ব্যক্তিয়ে অনিচ্ছাস্বত্বেও মানি চলিব লাগে।
- এটা সামাজিক গাঁথনিৰ নীতি, নিয়ম, প্রস্থিতি আদিৰ দ্বাৰা গঠিত। সামজিক গাঁথনিয়ে ইয়াৰ ফলপ্রসূ কার্য সম্পাদনৰ বাবে ব্যক্তিৰ ওপৰত নিয়ন্ত্রণ বজাই ৰাখে।
- সামাজিক ব্যৱস্থা আৰু সামাজিক গাঁথনি পাৰস্পৰিক সম্পর্ক থকা ধাৰণা।
- ব্যৱস্থা বুলিলে নির্দিষ্ট সীমাৰ ভিতৰত থকা বিভিন্ন সামাজিক উপাদানৰ শৃংখলাবদ্ধ সজ্জাৰ কথা বুজোৱা হয়।
- সামাজিক ব্যৱস্থা হ'ল মত বিনিময়ৰ এক অনুষ্ঠানকৃত ৰূপ।
- সামাজিক ব্যৱস্থা ব্যক্তিত্ব ব্যৱস্থা আৰু সাংস্কৃতিক ব্যৱস্থাৰ ভেটিৰ ওপৰত প্রতিষ্ঠিত।
- সামাজিক ব্যৱস্থা হ'ল এক সামূহিক লক্ষ্য প্রাপ্তিৰ বাবে মানুহৰ এক গঠিত আৰু পৰিচালিত গোট।
- প্রত্যেক সামাজিক সংগঠন বর্তি থাকিবৰ বাবে পাৰস্পৰিক সহযোগিতাৰ আৱশ্যক।
- আনুষ্ঠানিক সামাজিক সংগঠন হ'ল সেইবিলাক সামাজিক সংগঠন যিবিলাকত স্পষ্ট নীতি, শ্রম বিভাজন, কর্তৃপক্ষৰ পদানুক্রমিকতা আদি বৈশিষ্ট্যসমূহ বিৰাজ কৰে।

- আনুষ্ঠানিক সামাজিক সংগঠনৰ বৈশিষ্ট্য হ'ল ভূমিকা আৰু প্ৰস্থিতিৰ স্পষ্টতা।
- আনুষ্ঠানিক সামাজিক সংগঠনে কিছুমান স্বীকৃতি ৰীতি ৰূপায়ন কৰি কম-বেছি পৰিমাণে স্থায়ী প্ৰকৃতি গ্ৰহণ কৰিছে।
- অনানুষ্ঠানিক সামাজিক সংগঠন মানুহৰ সৰু গোট একোটাৰ মাজত হোৱা একাত্মিকতাৰ পৰা উদ্ভৱ হয়।
- অনানুষ্ঠানিক সামাজিক সংগঠন কম স্থায়ী প্ৰকৃতিৰ।



৮.৭ অধিক জানিবলৈ

ৰ) T. B. Battomore; Sociology. A guide to Problems and Leterature, Mumbai Blakie and Son (India) Ltd.

চ) Turner, Jonathan. The structure of sociological theory.



৮.৮ অগ্ৰগতি নিৰীক্ষণ

ৰনং প্ৰশ্নৰ উত্তৰ ঃ সামাজিক সংগঠন হ'ল পৰস্পৰ সম্পৰ্কযুক্ত অনুষ্ঠান, এজেন্সি আৰু সামাজিক প্ৰকাৰৰ লগতে একোটা গোটত প্ৰতিজন ব্যক্তিয়ে দখল কৰা প্ৰস্থিতি আৰু ভূমিকাৰ এক বিশেষ ব্যৱস্থা।

চনং প্ৰশ্নৰ উত্তৰ ঃ ওপৰৰ আটাইবোৰ।

ঁনং প্ৰশ্নৰ উত্তৰ ঃ টালকট পাৰছন্সৰ মতে প্ৰতিগৰাকী ব্যক্তিয়ে (তেওঁ 'কৰ্তা' শব্দটো বৰহাৰ কৰিছে) কোনো উদ্দেশ্যৰ দ্বাৰা প্ৰভাৱিত হৈ পৰিস্থিতিৰ প্ৰতি আকৰ্ষিত হয়। ইয়াৰ লগতে ব্যক্তি কোনো মূল্যবোধৰ দ্বাৰাও প্ৰভাৱান্বিত হয়। এজন ব্যক্তিৰ উদ্দেশ্য আৰু মূল্যবোধৰ ওপৰত ভিত্তি কৰি তেওঁ কাৰ্য কৰে। তেওঁ একক কাৰ্য শব্দটো ব্যক্তিগত কাৰ্যক বৰ্ণনা কৰিবলৈ ব্যৱহাৰ কৰিছে।

ছনং প্ৰশ্নৰ উত্তৰ ঃ সামাজিক সংগঠন ব্যক্তিত্ব ব্যৱস্থা আৰু সাংস্কৃতিক ব্যৱস্থাৰ ওপৰত নিৰ্ভৰশীল।

ঞনং প্ৰশ্নৰ উত্তৰ ঃ অ'গবান আৰু নিমকফেৰ মতে 'এটা সংগঠন হ'ল বিভিন্ন বিভাগৰ সংঘবদ্ধতা এই বিভাগবোৰে যিসকলে বিভিন্ন কাৰ্য্য সম্পাদন কৰে। ই হ'ল কাৰ্য সম্পাদনৰ এক সক্ৰিয় দলীয় আহিলা।

ছনং প্ৰশ্নৰ উত্তৰ ঃ আনুষ্ঠানিক সমাজিক সংগঠন



৮.৯ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন (**ৰপ্তুত্ত্ব** শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ সামাজিক ব্যৱস্থা বুলিলে কি বুজে?

প্ৰশ্ন ২ঃ আনুষ্ঠানিক সামাজিক সংগঠন আৰু অনানুষ্ঠানিক সামাজিক সংগঠনৰ মাজত পাৰ্থক্য কি?

(খ) ৰচনাধৰ্মী প্ৰশ্ন (**ত্ত্বত্ত্ব-প্তুত্ত্বত্ত্ব** শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ সামাজিক গাঁথনি বুলিলে কি বুজে? সামাজিক গাঁথনিৰ বিভিন্ন উপাদানৰ নাম লিখক।

*** ***** ***

অধ্যায় ৯ ঃ সামাজিকীকৰণ

অধ্যায় গাঁথনি

জ্ব.ৰ উদ্দেশ্য

জ্ব.চ পৰিচয়

জ্ব .্ সামাজিকীকৰণঃ অর্থ আৰু সংজ্ঞা

জ্বচ্ছ্র সামাজিকীকৰণৰ ঃ লক্ষ্য আৰু উদ্দেশ্য

জ্বপ্ত সামাজিকীকৰণৰ প্রকাৰ ঃ প্রাথমিক আৰু গৌণ

জ্ব.ছ সামাজিকীকৰণৰ প্রক্রিয়া (বিকাশৰ স্তৰ)

জ্ব.জ্জ সামাজিকীকৰণৰ গুৰুত্ব

জ্ঞজ্ব সামাজিকীকৰণৰ মাধ্যম

জ্বজ্ব অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ

জ্ব.ৰঙ্ম অধিক জানিবলৈ

জ্ব.ৰৰ অগ্রগতিৰ খতিয়ান

জ্ব.ৰচ আর্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- সামাজিকীকৰণৰ ধাৰণাটো বুজিব পাৰিব
- সামাজিত সামাজিকীকৰণৰ গুৰুত্ব আলোচনা কৰিব পাৰিব
- সামাজিকীকৰণৰ মাধ্যমসমূহ চিনাক্ত কৰিব পাৰিব
- সামাজিকীকৰণৰ বিভিন্ন স্তৰসমূহ ব্যাখ্যা কৰিব পাৰিব।

৯.২ পৰিচয়

আগৰ অধ্যয়টিত আমি সামাজিক গাঁথনি, সামাজিক পদ্ধতি আৰু সামাজিক সংগঠনৰ ধাৰণা সম্পর্কে জানিব পাৰিলো। এই অধ্যায়টিত আমি সামাজিকীকৰণৰ ধাৰণা ঃ ইয়াৰ অর্থ আৰু সংজ্ঞা; ইয়াৰ গুৰুত্ব; সামাজিকীকৰণৰ মাধ্যমসমূহ আৰু সামাজিকীকৰণৰ বিকাশৰ বিভিন্ন স্তৰ সম্পর্কে জানিব পাৰিম।

৯.৩ সামাজিকীকৰণ ঃ অর্থ আৰু সংজ্ঞা

এই পর্যন্ত আমি জানিব পাৰিছো যে সুস্থ সামাজিক জীৱন পৰচিালনাৰ বাবে মানুহে সমাজৰ নীতি-নিয়ম জনাটো আটাইতকৈ প্রয়োজনীয়। এখন সমাজত বসবাস কৰি আমি দেখা

পাইছো যে প্ৰত্যেক মানুহে বিভিন্ন পৰিস্থিতিত বিভিন্ন ধৰণে আচৰণ কৰে। আমাৰ আচৰণৰ প্ৰকাশভঙ্গীৰ ক্ষেত্ৰত পৰিস্থিতিয়ে ইঙ্গিত বহন কৰে। এইদৰেই আমি সমাজৰ নীতি নিয়ম আৰু কাৰ্য্যাৱলীৰে প্ৰশিক্ষিত হওঁ। সমাজৰ নিয়ম, প্ৰতিমান, প্ৰমূল্য, প্ৰথা ইত্যাদিবোৰ সমাজৰ সদস্যসকলৰ মাজত আভ্যন্তৰীণভাৱে বিয়পি পৰে। এই প্ৰক্ৰিয়াই হৈছে সামাজিকীকৰণ। এইদৰেই সামাজিকীকৰণ হৈছে এক প্ৰক্ৰিয়া যাৰদ্বাৰা প্ৰত্যেক ব্যক্তিয়ে নিজৰ সামাজিক সমূহৰ প্ৰতিয়মানসমূহ অৰ্জন কৰিব পাৰে। ই হৈছে সামাজিক শিক্ষণৰ এক গতানুগতিক প্ৰক্ৰিয়া।

ডব্লিউ. এফ. অগবার্ণ (W.F. Ogburn)ৰ মতে সামাজিকীকৰণ হৈছে "সেইটো প্ৰক্ৰিয়া যাৰ জৰিয়তে প্ৰত্যেক ব্যক্তিয়ে নিজৰ সামাজিক সমূহৰ প্ৰতিয়মানসমূহ অৰ্জন কৰিবলৈ সক্ষম হয়।"

হৰ্টন আৰু হাণ্ট (Horton and Hunt)ৰ ভাষাত, "সামাজিকীকৰণ হৈছে এক প্ৰক্ৰিয়া যাৰদ্বাৰা এজন ব্যক্তিয়ে নিজৰ সমূহৰ প্ৰতিয়মানসমূহ অন্তঃকৰণ কৰি এক অসাধাৰণ আত্মবোধৰ সৃষ্টি কৰে, যিটো তেওঁৰ বাবে অদ্বিতীয়।"

প্ৰত্যেক ব্যক্তিয়েই বিভিন্ন পৰিস্থিতিত জন্ম আৰু ডাঙৰ দীঘল হয় আৰু নিজৰ ব্যক্তিগত অতীত বহন কৰে। সেইবাবে আমি দেখা পাওঁ যে একেখন সমাজতে প্ৰত্যেক ব্যক্তিয়ে বিভিন্ন সামাজিকীকৰণ প্ৰক্ৰিয়াৰ মাজেৰে জীৱন অতিবাহিত কৰে। এটা পৰিয়ালত আমি লক্ষ্য কৰো যে সামাজিক ব্যক্তিত্বৰ প্ৰকাশত পৰিয়ালটোৰ সদস্যসকল কিছু ক্ষেত্ৰত পৃথক। তেওঁলোকৰ সামাজিক প্ৰকৃতি আৰু ব্যক্তিত্ব গঠনৰ ক্ষেত্ৰত তেওঁলোকৰ বিদ্যালয় আৰু শৈক্ষিক অনুষ্ঠান, বন্ধু -বান্ধৱ আৰু বিভিন্ন ব্যক্তিৰ সান্নিধ্যই প্ৰভাৱ পেলায়। এই ব্যক্তিগত বৈষম্য থকা সত্ত্বেও পৰিয়ালৰ সদস্যসকল কিছুমান প্ৰধান উমৈহতীয়া প্ৰতিয়মান, প্ৰমূল্য আৰু প্ৰথাৰ মাজেৰে অগ্ৰসৰ হয়। এই প্ৰতিমান, প্ৰমূল্য ইত্যাদিয়ে সমাজখন সুস্থিৰভাৱে প্ৰচলিত হৈ থাকিবৰ বাবে মানুহে এজনে আনজনৰ লগত কেনেদৰে আচৰণ কৰিব তাৰ নিৰ্দেশ দিয়ে।

সামাজিকীকৰণ হৈছে এক প্ৰকাৰৰ শিকণ প্ৰক্ৰিয়া যি এজন ব্যক্তিক সামাজিক ভূমিকা পালন কৰাত অৱদান যোগায়। ই আশাসুলভ আৰু আকাংক্ষিত শিকণ প্ৰক্ৰিয়া। ই হৈছে এক নিৰৱচ্ছিন্ন প্ৰক্ৰিয়া যাৰ জন্মৰ লগে লগে আৰম্ভ হয় আৰু মৃত্যুৰ লগে লগে সমাপ্তি ঘটে। এই প্ৰক্ৰিয়াত আমি কিছু নতুন নিয়ম অৰ্জন কৰো আৰু পুৰণি কিছু নিয়মক ত্যাগ কৰো।

৯.৪ সামাজিকীকৰণৰ লক্ষ্য আৰু উদ্দেশ্য

সামাজিকীকৰণ প্ৰক্ৰিয়াৰ মূল লক্ষ্য হৈছে আত্মবিকাশ আৰু ব্যক্তিত্ব গঠন। 'আত্ম'ৰ ধাৰণাই প্ৰত্যেক ব্যক্তিক প্ৰধান বিষয় (কাৰ্যআৰু আত্ম প্ৰকাশৰ উৎস) হিচাপে, আৰু 'ব্যক্তিত্ব'ৰ ধাৰণাই প্ৰত্যেক ব্যক্তিক দ্বিতীয় বিষয় (বাহ্যিক মূল্যায়নৰ বিষয়) হিচাপে সূচাই। এই প্ৰক্ৰিয়াৰ জৰিয়তে এজন ব্যক্তিয়ে নিজকে সমাজৰ সক্ৰিয় অংশগ্ৰহণকাৰী হিচাপে গঢ়ি তুলিব পাৰে। তলত সামাজিকীকৰণৰ মূল উদ্দেশ্যসমূহ উল্লেখ কৰা হ'ল-

- ই দৈনন্দিন কার্যকলাপৰ পৰা আৰম্ভ কৰি বৈজ্ঞানিক পদ্ধতিৰ প্ৰয়োগলৈকে অনুশাসনমূলক জ্ঞান প্ৰদান কৰে। ই আত্ম-নিয়ন্ত্ৰণৰ শিকণত সহায় কৰে।
- ই সমাজত খাপ খাব পৰাকৈ দক্ষতা আৰু সামৰ্থৰ বিকাশত সহায় কৰে।
- ই সামাজিক ভূমিকা (দায়িত্ব) আৰু ইয়াৰ সমৰ্থিত মনোভাৱৰ বিষয়ে শিকায়।
- ই ব্যক্তিৰ আশা আৰু প্ৰয়োজন পূৰণ কৰে।
- ই সংস্কৃতিক এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ পৰিবাহিত হোৱাত সহায় কৰে।
- ই পৰিচয়বোধ আৰু স্বাধীন মনোভাৱ আৰু কার্যৰ সামৰ্থ বৃদ্ধিত সহায় কৰে। উদাহৰণস্বৰূপে, ভাষাৰ শিকণ।
- ই নৈতিক জ্ঞান প্ৰদান কৰে যিটো এই প্ৰক্ৰিয়াৰ এক প্ৰধান বৈশিষ্ট্য।

৯.৫ সামাজিকীকৰণৰ প্ৰকাৰ ঃ প্ৰাথমিক আৰু গৌণ

পৰিয়ালৰ কার্যসম্পর্কে টেলকট পাৰচনচে সামাজিকীকৰণৰ প্ৰাথমিক আৰু গৌণ দুটা ভাগৰ কথা উল্লেখ কৰিছে। প্ৰকৃততে, এই পার্থক্য চার্লচ কোলি (**ৰজ্মাজ্মজ্মা**)ৰ দ্বাৰা সৃষ্টি কৰা হৈছিল। সামাজিকীকৰণৰ এই ভাগ দুটা ইয়াৰ মাধ্যম আৰু সমূহৰ লগত জড়িত। প্ৰাথমিক বা মুখ্য সামাজিকীকৰণে জীৱনৰ আগৰ কালছোৱাত সংঘটিত হোৱা সামৰিক কার্যকলাপক বুজায়. এই ক্ষেত্ৰত দুটা প্ৰক্ৰিয়া জড়িত হৈ থাকে- এটা হ'ল সামাজিক সংস্কৃতিৰ অন্তঃকৰণ আৰু আনটো হ'ল ব্যক্তিত্বৰ গঠন। সংস্কৃতি সাধাৰণভাৱে শিকিব পৰা নাযায়, বৰঞ্চ ইয়াক ব্যক্তিত্ব গঠনৰ এক অন্তঃসম্পর্ক বুলি জ্ঞান কৰা হয়। পাৰচনচে সেয়েহে পৰিয়ালক উৎপাদনৰ (মানৰ ব্যক্তিত্ব) কাৰখানা বুলি অভিহিত কৰিছে। ইয়াৰ বাহিৰেও পৰিয়ালে প্ৰাপ্তবয়স্ক ব্যক্তিত্বৰ সুস্থিৰকৰণ (বৈবাহিক সম্পর্ক আৰু আৱেগিক নিৰাপত্তা) সম্পন্ন কৰে। গৌণ সামাজিকীকৰণ জীৱনৰ পিছৰ কালছোৱাত সংঘটিত হয়। এই ধাৰণাই আনুস্থানিক পটভূমিত এজন লোকে কেনেদৰে আচৰণ কৰিব আৰু তেওঁ সমাজৰ ভিন্ন প্ৰস্থিতিৰ লোকৰ লগত কেনেদৰে আচৰণ কৰিব ইয়াৰ বিষয়ে শিক্ষা প্ৰদান কৰে। বিদ্যালয় গৌণ সামাজিকীকৰণৰ এক উত্তম উদাহৰণ। কিন্তু আন বিভিন্ন ধৰণৰ আনুস্থানিক সংগঠন যিয়ে মানুহৰ আচৰণৰ কিছু হ'লেও প্ৰভাৱ পেলাই, সেই সকলোবোৰকে আমি গৌন সামাজিকীকৰণ মাধ্যম হিচাপে কৰিব পাৰো।

প্ৰাথমিক আৰু গৌন সামাজিকীকৰণৰ মাজৰ পার্থক্য আনুস্থানিক আৰু অনানুস্থানিক সামাজিকীকৰণৰ সমান্তৰাল। অনানুষ্ঠানিক সামাজিকীকৰণ সকলো দৈনিক কার্যকলাপৰ ক্ষেত্ৰত প্ৰযোজ্য। ই অৱচেতনভাৱে ক্ৰিয়া কৰে আৰু সেয়ে ই পঢ়ন আৰু লিখন জাতীয় বিশেষ আনুষ্ঠানিক কৌশলৰ পৰা পৃথক।

৯.৬ সামাজিকীকৰণৰ প্ৰক্ৰিয়াসমূহ

সামাজিকীকৰণ বাল্যকালতে সীমাবদ্ধ নহয়, বৰঞ্চ ই এটা জীৱনযোৰা প্ৰক্ৰিয়া। ই জন্মৰ লগে লগে আৰম্ভ হয় আৰু মৃত্যুৰ লগে লগে ইয়াৰ সমাপ্তি ঘটে। জীৱনৰ প্ৰত্যেক স্তৰতে

এজন লোকে যথেষ্ট প্রতিবন্ধক বা পৰিৱর্তনশীল ধাৰা সন্মুখিন হয়। ছিগমাও ফ্রইড আৰু জ্যাঁ পিয়াজে উন্নয়নৰ প্রক্রিয়াক বাল্যকাল বা কৈশোৰকালতে সীমিত বুলি আলোচনা কৰিছিল। ফ্রইডে এটা শিশুৰ বিকাশৰ পাঁচটা স্তৰৰ কথা উল্লেখ কৰিছে। এই স্তৰকেইটা হৈছে মৌখিক, পায়ু সম্বন্ধীয়, লিঙ্গ সম্বন্ধীয়, অর্ন্তনিহিত আৰু যৌৱন সম্বন্ধীয় স্তৰ আদি। পিয়াঁজেৰ জ্ঞানাত্মক উন্নয়নৰ স্তৰবোৰ হৈছে ইন্দ্রিয়সঞ্চালনমূলক (জন্মৰপৰা দ্বিতীয় বর্ষলৈ), প্রাক্ কার্যাত্মক (চ ৰ পৰা **জ্জ্ব**ছৰলৈ) জটিল কার্যাত্মক স্তৰ (**জ্জ্ব** পৰা **ৰৰ** বছৰলৈ) আৰু আনুস্থানিক কার্যাত্মক স্তৰ (**ৰৰ** ৰ পৰা **ৰপ্ত** বছৰ)। পিয়াঁজেৰ মতে উন্নয়ণৰ প্রথম তিনিটা স্ত ৰ সার্বজনীন, কিন্তু প্রত্যেক প্রাপ্তবয়স্ক লোকে কার্যাত্মক স্তৰ তিনিটা লাভ কৰিব নোৱাৰে। ফ্রইডক আর্হি হিচাপে লৈ টেলকট পাৰচনচেও মাত্র চাৰিটা বিকাশৰ স্তৰক আলোচনা কৰিছে- শৈশৱ বা কেচুঁৰা অৱস্থাৰ পৰা কৈশোৰ কাললৈকে। ওপৰত কোৱাৰ দৰে সামাজিকীকৰণ প্রক্রিয়াটো কেৱল কোনো এটা স্তৰতে আৰম্ভ হৈ কৈশোৰ কালত বন্ধ হৈ নাযায়, কিন্তু ই মৃত্যু পর্যন্ত চলি থাকে (ব্যক্তিজনৰ জীৱিত অৱস্থালৈকে)।

মানৱ ব্যক্তিৰ বিকাশৰ স্তৰসমূহ প্রথমে জৈৱিক দৃষ্টিভংগীৰে বিচাৰ কৰি চাব পাৰি কিন্তু সমাজ তত্ববিদসকলে জৈৱিক দৃষ্টিভংগী'ৰ প্রস্তাৱক সমর্থন নকৰে। সমাজতত্ববিদ সকলে বয়সৰ সামাজিক ধাৰণা অথবা দৃষ্টিভংগী অধ্যয়ন কৰে। তেওঁলোকৰ বাবে বয়স এক সামাজিক শ্রেণী। সেয়েহে তেওঁলোকে বয়সক জৈৱিক বা পর্যায়গত ভাগ হিচাপে বিশ্লেষণ নকৰি এক সামাজিক শ্রেণী হিচাপে কৰে। ভয়াতুৰ আৰু অকলশৰীয়া শিশুক অধ্যয়ন কৰিলে দেখা যায় যে সিহঁতৰ বিকাশৰ এটা স্তৰৰপৰা আন এটালৈ সকলো দিশ বিকশিত হোৱা নাই (ফ্রইড আৰু পিয়াঁজেৰ তত্ব অনুসৰণ কৰি) যদিহে সিহঁতে ভালদৰে যোগাযোগ অথবা আন্তঃক্রিয়া কৰিবলৈ অসমর্থ হয়। এটা শিশুৰ বিকাশৰ বাবে আন্তঃক্রিয়া অতি জৰুৰি। শিশু এজন নিজে যে আনৰ পৰা পৃথক সেই ধাৰণা তেওঁৰ অন্য মানুহৰ লগত হোৱা আন্তঃক্রিয়াৰ দ্বাৰাহে উদ্ভৱ হয়। এতেকে আমি ক'ব পাৰো যে আন্তক্রিয়াইহে শিশু এটাক সামাজিক কৰি তোলে। কিন্তু জৈৱিক প্রক্রিয়াতোৰ গুৰুত্বও আমি একেবাৰে নুই কৰিব নোৱাৰো। সমাজতত্ববিদসকলে বিশ্বাস কৰে যে মানৱ জীৱনৰ স্তৰসমূহ সামাজিক আৰু জৈৱিকো। তেওঁলোক সংস্কৃতিৰ দ্বাৰা প্রভাৱিত আৰু যিটো পৰিৱেশত জীয়াই থাকে তাৰ বাস্তুগত দিশেও তেওঁলোকৰ ওপৰত প্রভাৱ পেলায়। মানুহৰ জৈৱিক আচৰণে তেওঁলোকৰ সামাজিকীকৰণৰ প্রয়োজনীয়তা আৰু সম্ভাৱণিয়তা নির্ণয় কৰে। সামাজিকীকৰণ সম্ভৱ নহ'লহেঁতেন যদিহে মানুহে জন্মগতভাৱে শিকণৰ দক্ষতা আৰু ভাষাৰ ব্যৱহাৰ নাজানিলেহেতেন।

প্রাৰম্ভিক মনোবৈজ্ঞানিকৰ মত অনুসৰি সামাজিকীকৰণ হৈছে এক আভ্যন্তৰিণ বিকাশ প্রক্রিয়া য'ত ব্যক্তিয়ে নিজৰ সামাজিক প্রয়োজন পূৰণ কৰিবলৈ শিকে আৰু যিটো তেওঁক সামাজিকভাৱে কৰিবলৈ দিয়া হয়। এজন ব্যক্তিয়ে এজন মানৱ হিচাপে আন ব্যক্তিৰ সংস্পর্শত শিকা নীতি আৰু আশাসমূহ তেওঁৰ আচৰণত প্রকাশ পায়। সমাজতত্ববিদে প্রধানকৈ শিশু বা কেঁচুৱা কালতকৈ বাল্যকাল আৰু কৈশোৰকালক অধিক গুৰুত্ব দিছে। আধুনিক সমাজত

সামাজিকীকৰণৰ বিভিন্ন স্তৰৰ বিবিন্ন আশাবোৰ পুৰুষ আৰু মহিলা উভয়ৰ বাবে পৰিৱৰ্তন হৈছে।

এৰিক এৰিকচনে (Childhood and Society, 1963) 'জীৱন চক্ৰৰ ধাৰণা'ৰ বাবে জৈৱিক, মনোবৈজ্ঞানিক আৰু সামাজিক দৃষ্টিভংগীৰ মাজত সম্পৰ্ক গঢ়িবলৈ চেষ্টা কৰিছে। তেওঁ মানুহৰ মনো-সামাজিক বিকাশৰ আঠটা স্তৰৰ এখন তালিকা তলত দিয়া ধৰণে প্ৰস্তুত কৰিছে-

ক্ৰমিক নং	স্তৰ	মনো-সামাজ্যিক সংঘাত	গুৰুত্বপূৰ্ণ সামাজিক সম্পৰ্ক
ৰ	জীৱনৰ প্ৰথম বৰ্ষ	বিশ্বাস বনাম অবিশ্বাস	মাতৃ বা মাতৃৰ অনুৰূপ
চ	দ্বিতীয় বৰ্ষ	স্ব-শাসন বনাম সন্দেহ	অভিবাৱক
়	তৃতীয় বৰ্ষৰপৰা প্তমবৰ্ষলৈ	কাৰ্যগত বনাম অপৰাধবোধ	মূল পৰিয়াল
চ্ছ্র	ষষ্ঠ বৰ্ষৰপৰা যৌৱন অৱস্থালৈ	উদ্যম বনাম হীনমন্যতা স্তৰ	ওচৰ-চুবুৰীয়া, বিদ্যালয়
প্ত	কোশোৰ কাল	আত্মপৰিচয় বনাম সন্দেহ	সমনীয়া দল আৰু বাহ্যিক সমূহঃ নেতৃত্বদানৰ আৰ্হি
ছ	প্ৰৰম্ভিক প্ৰাপ্তবয়স্ক স্তৰ	আত্মীয়তা বনাম নিঃসংগতা	বন্ধুত্বৰ লগৰীয়া, লিঙ্গ প্ৰতিযোগিতা, সহযোগিতা
জ্জ	মধ্য প্ৰাপ্তবয়স্ক স্তৰ	উৎপাদনশীলতা বনাম আত্মনিয়োগ	বিভজিত শ্ৰম আৰু অংশীদাৰী গৃহকাৰ্য
জ্ঞ	বৃদ্ধাৱস্থা	ঐক্যতা বনাম আৱেগ	মানৱজাতি, আত্ম-ধৰণ

এতিয়া আমি সামাজিকীকৰণৰ বিকাশৰ স্তৰক শিশুৰপৰা বৃদ্ধাৱস্থালৈকে চাৰিটা প্ৰধান স্তৰত বহলাই আলোচনা কৰিব পাৰো।

➢ **শৈশৱ আৰু বাল্যকাল (মৌখিক, পায়ু সম্বন্ধীয় আৰু আন্তঃৰ্নিহিত স্তৰ)ঃ**

এই স্তৰটো জন্মতে আৰম্ভ হৈ কৈশোৰ কাল পৰ্যন্ত বৰ্তি থাকে। অৰ্থাৎ ইয়াৰ সময়সীমা জ্ম ৰ পৰা ৰ্ব বা ৰচ্ছ্র বছৰ পৰ্যন্ত। পৰম্পৰাগত আৰু প্ৰাক্‌শৈক্ষিক সমাজত, বাল্যকালক বিকাশৰ স্তৰ হিচাপে গ্ৰহণ কৰা হোৱা নাছিল। কিন্তু বৰ্তমান আধুনিক সমাজত বাল্যকালৰ স্তৰ দীঘলীয়া বুলি ধৰা হয়। অভিভাৱকসূচক আৰু বাল্যকাল এই দুয়োটাই মুখেচৰ আৰু ওঁঠেচৰ কৰে।

শিশুৰ বাহ্যিক বিশ্বৰ লগত প্ৰথম বৰ্ষীয় সংযোগে ইয়াৰ মুখ আৰু ওঁঠযুৰিক সূচিত কৰে। মাতৃএগৰাকী হৈছে শিশু এটাৰ সামাজিকীকৰণৰ প্ৰথম অভিভাৱক। মাতৃগৰাকীৰ জৰিয়তেই শিশু এটাই পৃথিৱীত নিজৰ স্থান সূচিত কৰে। এই অৱস্থাত শিশুটোৱে মাকৰ স্তনযুগল আৰু ইয়াৰ ওপৰৰ অংশযুৰিক সন্তুষ্টিৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰে। কন্দা, হঁহা, চকুৰ গতি আদি কাৰ্যকৰি হৈছে প্ৰাথমিক পৰ্যায়ত শিশুটিৰ সামাজিক আচৰণৰ পৰিচায়ক।

দ্বিতীয় বৰ্ষৰ লগে লগে , বিভিন্ন সমাজত পায়খানা বা তেনে জাতীয় প্ৰশিক্ষণ আৰম্ভ কৰা হয়। এই সময়ত শিশু এটাই আহাৰ খাবলৈ আৰু নম্ৰ ভাৱে কথা ক'বলৈ শিকে। যদিও

শিশুটো মাক দেউতাকৰ ওপৰত নির্ভৰশীল, তথাপি ই নিয়ন্ত্রণৰ এক সু- ব্যৱস্থা নিত্যৰ ক্ষেত্রত প্রতিষ্ঠা কৰিবলৈ সমর্থ হয়। আকৌ, পাৰিবাহিক সম্পর্ক বুজি উঠাতো শিশুটো সক্রিয় আৰু সফল হয়।

ৰ পৰা **প্ত** বছৰ পর্যন্ত (লিঙ্গ সম্বন্ধীয় স্তৰ) এই সময়ছোৱা শিশুৰ শাৰীৰিক বিকাশৰ উর্ধত্বম সময় য'ত শিশুটোৰ লিঙ্গ বা ইন্দ্রিয়সমূহ সক্রিয় হৈ উঠে আৰু ল'ৰা শিশুৰ মাতৃৰ প্রতি ইয়াৰ আত্মীয়তা বৃদ্ধি পায়। ইয়াক "ফ্রইডীয় অ'ডিপাচ জটিলটা" বুলি কোৱা হয়। এই স্তৰত শিশুটোৱে প্রাপ্তবয়স্কৰ লগত সম্পর্ক স্থাপনত ব্যৱহৃত বিভিন্ন আচৰণ আৰু কার্যাৱলীক নির্দেশ কৰে। ইয়াৰোপৰি পাৰিবাৰিক ভূমিকাসমূহ যেনে, পত্নী-মাতৃ, স্বামী-পিতৃ, পুত্র-ভ্রাতৃ আৰু জীয়ৰী-ভনী আদিকো শিশুটোৱে আভ্যন্তৰকৰণ কৰে।

একেবাৰে শেষৰ স্তৰটো হৈছে অন্তর্নিহিত স্তৰ যি **প্ত** ৰপৰা **ৰচ-ৰ্** বছৰ পর্যন্ত থাকে। প্রায় **প্ত** বছৰমান বয়সত শিশু এটা পৰিয়ালটোৰ স্বাধীন সদস্য হৈ পৰে। এই সময়ত শিশুটোৱে সংস্কৃতি, লোকনীতি, লুপ্ত জ্ঞান, সন্তুষ্টি আদিৰ বিষয়ে অৱগত হয়। সমাজতত্ববিদসকলে এই স্তৰক "অত্যাচাৰী স্তৰ" (Gang Stage) আখ্যা দিছে।

আকৌ, এই স্তৰতে সামাজিক সচেতনতা বৃদ্ধি পায়।

- **কৈশোৰকাল ঃ**

যৌৱনপ্রাপ্ত হোৱাৰ লগে লগে এই স্তৰ আৰম্ভ হয়। যৌৱন প্রাপ্তিৰ সময়ত ঘটা জৈৰিক পৰিৱর্তনসমূহ সার্বজনীন। এইটো সামাজিকীকৰণৰ এক প্রয়োজনীয় স্তৰ যিটো **ৰচ্ছ্র-ৰপ্ত** বছৰত আৰম্ভ হৈ **চন্ধ্র-চৰ** বছৰ পর্যন্ত থাকে। এইটো এটা পৰিৱর্তন সমৃদ্ধ স্তৰ য'ত বাল্যকাল প্রাপ্তবয়স্কতাৰ ফালে আগবাঢ়ে আৰু আচৰণ পূর্ণাঙ্গ হয়। এই সময়তে, ব্যক্তি এজন বিপৰীত লিঙ্গৰ প্রতি আকর্ষিত হয়। সৃষ্টিশীল চলচিত্র, দূৰদর্শন, খেলা-ধূলা আদিৰ প্রতি ব্যক্তিজনৰ ইচ্ছা সুদৃঢ় হয়। মনোবিজ্ঞানী জি. ষ্টেনলি হলে কৈশোৰকালক এক মনোবৈজ্ঞানিক 'ধুমুহা আৰু হতাশা' হিচাপে আখ্যা দিছে। কিন্তু সমাজ তত্ব বিদসকলৰ মতে যুৱকৰ আৱেগিক অভিজ্ঞতা ব্যক্তিবিশেষ আৰু সংস্কৃতিসাপেক্ষে ভিন্ন হয়।

- **প্রাপ্তবয়স্ক স্তৰঃ**

ব্যক্তি এজনে যেতিয়া স্বাধীনভাৱে নিজকে উপস্থাপন কৰিবলৈ সমর্থ হয় তেতিয়াই প্রাপ্তবয়স্ক স্তৰ আৰম্ব হয়। এইটো এটা অতি হতাশাগ্রস্ত সময়। এই সময়তে, ব্যক্তি এজনে জীৱনৰ জটিল সিদ্ধান্তসমূহ (বিহাহ কর্মক্ষেত্র) ল'বলৈ বাধ্য হয়। যিহেতো এজন ব্যক্তিয়ে এই স্তৰতে নিজৰ জীৱন নির্বাহৰ বাবে কাম কৰা আৰম্ভ কৰে, বিয়া পাতে ইত্যাদি, তেওঁ সেয়েহে সমাজৰ বিভিন্ন স্থানত অধীস্থিত হয় আৰু বিভিন্ন প্রস্থিতিৰ লগতে ভূমিকাৰ দায়িত্ব লাভ কৰে। এজন ব্যক্তিয়ে বিবাহৰ পাছত নতুন কিছুমান পৰিবেশৰ সন্মুখিন অথবা মুখা-মুখী হয়। নিজৰ বৈবাহিক জীৱনৰ সুস্থিৰতাৰ বাবেতেওঁ নিজৰ আচৰণ সমূহো পৰিৱর্তন কৰিব লগা হয়। তেওঁ নিজৰ জীৱনসংঙ্গী আৰু তেখেতৰ পৰিয়ালবর্গৰ লগত খাপ খাব পৰাকৈ নতু অভ্যাস, প্রথা, আর্দশ, ধাৰণা শিকে আৰু গ্রহণ কৰে। আকৌ তেওঁলোক যেতিয়া সন্তান জন্ম দি মাক দেউতাক

হয়, পুনৰ কিছুমান নতুন পৰিৱেশৰ সন্মুখীন হয় আৰু সেইবোৰৰ সৈতে তেওঁলোকে খাপ খাব লগা হয়। মাক দেউতাক দুয়োজনৰে আকৌ সন্তান ডাঙৰ দীঘল কৰাৰ ভিন্ন ধাৰণা তথা কৌশল থাকিব কিয়নো তেওঁলোক দুয়োজনো বেলেগ বেলেগ পৰিবেশত ডাঙৰ দীঘল হৈছে। তেওঁলোকে তেতিয়া দুয়োজনৰ মনঃপূত হোৱাকে সন্তানটি ডাঙৰ কৰাৰ কিছুমান কৌশল তৈয়াৰ কৰি ল'ব লগা হয়। এই সকলোবোৰ শিক্ষাই প্ৰাপ্তবয়স্ক সামাজিকীকৰণৰ অন্তৰ্গত।

সামাজিকীকৰণৰ আন এটা প্ৰকাৰ হ'ল বৃত্তিগত প্ৰশিক্ষণ। ই বৃত্তি এটাৰ লগত জড়িত মনোভাৱ আৰু মূল্যবোধক বুজায়। উদাহৰণস্বৰূপে, এজন চিকিৎসকে চিকিৎসাৰ ক্ষেত্ৰত কৌশলপূৰ্ণ জ্ঞান অৰ্জন কৰা উচিত। একেদৰে, এজন কৰ্মচাৰী নিজা কাৰ্যালয়ত নীতি নিয়ম মানি চলাতো বাঞ্ছনীয়।

প্ৰাপ্তবয়স্ক স্তৰক যৌৱন প্ৰাপ্ত বয়স্কতা আৰু পূৰ্ণাঙ্গ প্ৰাপ্তবয়স্কতা আদি দুটা পৰ্যায়ত ভাগ কৰিব পাৰি। যৌৱন প্ৰাপ্ত বয়স্ক স্তৰ মানৱ উন্নয়নৰ বিশেষ আৰু প্ৰয়োজনীয় স্তৰ। এইটো উত্তেজনা আৰু লিঙ্গ বিকাশ বা উন্নয়নৰ এক সময়। আধুনিক সমাজত, এই স্তৰপ্ৰাপ্ত যুৱকসকল যথেষ্ট ক্ষীপ্ৰতৰ হয়।

প্ৰাপ্ত বয়স্ক পূৰ্ণাঙ্গ ব্যক্তিসকলে (প্ৰায় **ছত্ৰিশ** বৰ্ষীয়) এই স্তৰত তেওঁলোকে ভাৱে যে জীৱনটো অতি চমু আৰু কেইটামান বৰ্ষহে বাকী আছে। এই মধ্যম কালছোৱাত মহিলাসকল ভয় আৰু অনিশ্চিত ধাৰণাৰ সন্মুখীন হয়। এই কালছোৱাতে প্ৰাপ্তবয়স্ক সকলে গভীৰ আন্তঃকৰণৰ প্ৰতি যথেষ্ট মনোনিৱেশ কৰা দেখা যায়।

- **বৃদ্ধাৱস্থা ঃ**

বৃদ্ধকাল যিটো সাধাৰণতে **ছত্ৰিশ-ছপ্পন** বছৰৰ পৰা আৰম্ভ হয় ইয়াক জীৱনৰ শেষ কাল বা শেষ সময় বুলি গণ্য কৰা হয়। যিহেতো 'বৃদ্ধ বা বৃদ্ধকাল'ৰ ধাৰণাটো সমাজ তথা সংস্কৃতিৰ ওপৰত নিৰ্ভৰশীল আৰু সেয়েহে ই সমাজ তথা সংস্কৃতি ভেদে বেলেগ বেলেগ হয়। ইয়াৰ কোনো নিৰুদ্ধিষ্ট সংজ্ঞা নাই। বৃদ্ধকাল পোৱাৰ লগে লগে মানুহে অৱসৰৰ কথা ভাৱে আৰু জীৱিকাৰ দায়বদ্ধতা সংকুচিত কৰি আনে (অৱসৰৰ নিয়ম সমূহ, ঠাই বিশেষে বেলেগ বেলেগ)। যেতিয়া এজন ব্যক্তি বৃদ্ধ কালত প্ৰৱেশ কৰে তেতিয়া তেওঁৰ লাহে লাহে শাৰিৰীক সামৰ্থ কমি আহে আৰু মানসিক চাপ লোৱাৰ ক্ষমতা হেৰুৱায়। অৱশ্যে ব্যক্তি বিশেষে ইয়াৰ সংজ্ঞা বেলেগ বেলেগ। কিছুমান ব্যক্তিয়ে বৃদ্ধ বয়সতো সক্ৰিয় তথা আনন্দময় জীৱন যাপন কৰে আৰু এই ক্ষেত্ৰত তেওঁলোকৰ জীৱনৰ শেষ সময়লৈকে সামাজিকীকৰণ প্ৰক্ৰিয়া অবিৰামভাৱে চলি থাকে। ভাৰতবৰ্ষৰ নিচিনা পৰম্পৰাগত সমাজবোৰত বয়োজেষ্ঠ লোকসকলক সাধাৰণতে অধিক সন্মান দিয়া হ'ব। পৰিয়াল তথা সম্প্ৰদায়ৰ সকলো বিষয়তে বয়োজেষ্ঠ লোকসকলৰ মতামতক অগ্ৰাধিকাৰ দিয়া হয়। পৰিয়ালৰ অনুজ সকলক সামাজিকীকৰণত বয়োজেষ্ঠ সকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এতেকে বয়োজেষ্ঠসকলে পৰিয়াল তথা সম্প্ৰদায়ৰ এটি অংগ হিচাপে নিজকে গণ্য কৰিছিল। কিন্তু এতিয়া ইয়াৰ দ্ৰুত পৰিৱৰ্তন ঘটিছে। বৰ্তমান বয়োজেষ্ঠা সকলে আগৰ দৰে যথোপযুক্ত সন্মানৰ পৰা বঞ্চিত হয়। তেওঁলোক আনকি কেতিয়াবা অৱহেলিত

আৰু নিসংগও হ'বলগীয়া হয়। অৰ্থনৈকি স্বচ্চলতাৰ অভাৱ তথা পৰিয়ালৰ নিসংগতাই তেওঁলোকৰ শেষবয়সটো ফলপ্রসু কৰি তোলাটো কঠিন কৰে। আনহাতে বৃদ্ধ কালটো এতিয়া এনেকুৱাও নহয় যে তেওঁলোকে কেৱল মৃত্যুলৈ অপেক্ষা কৰি, শুই বহি কটাব। বৰ্তমান সময়ত বয়োজেষ্ঠ সকলৰ সামাজিকীকৰণৰ বাবে অধিক কার্য্যসূচী গ্রহণ কৰা দেখা যায় যাতে তেওঁলোকে জীৱনৰ শেষ কালছোৱাত অৰ্থপূর্ণ তথা অনন্দময় জীৱন অতিবাহিত কৰিব পাৰে।

৯.৭ সমাজত সামাজিকীকৰণৰ গুৰুত্ব

- সামাজিকীকৰণে ব্যক্তিক তেওঁলোকে সমাজত পালন কৰিবলগীয়া ভূমিকাৰ শিক্ষা দিয়ে। তদুপৰি ই তেওঁলোকে পালন কৰিব পৰা ভূমিকা পছন্দ কৰিবলৈয়ো শিক্ষা দিয়ে। এইদৰে ই ব্যক্তিক সামাজিক জীৱনৰ দায়িত্ব প্রদান কৰে।
- ই চৰিত্র আৰু ব্যক্তিত্বৰ গঠনত অৰিহণা যোগায়। ব্যক্তিয়ে সমাজত অন্যান্যৰ লগত সম্পর্ক স্থাপন কৰিবলৈ শিকে।
- সামাজিক বিধি-বিধানৰ লগত নিজকে খাপখুৱাই লব পৰাৰ ফলস্বৰূপে এজন ব্যক্তিয়ে সমাজত তেওঁৰ ভূমিকা যথানুৰূপভাৱে পালন কৰিব পাৰে আৰু এই প্রক্রিয়াত সামাজিকীকৰণে সামাজিক নিয়ন্ত্রণ অনাত সহায় কৰে আৰু সামাজিক ব্যৱস্থাটো অব্যাহত ৰাখে।
- বিধি-বিধানৰ প্রতি সন্মতি প্রদানে সমষ্টিক পৰিচয় প্রদান কৰাৰ লগতে একাত্মবোধৰ ভাব আনে।
- সামাজিকীকৰণ প্রক্রিয়াত ব্যক্তিয়ে আনকো সামাজিক কৰে।
- ই ব্যক্তিৰ চাৰিত্রিক বৈশিষ্ট্য প্রদর্শনৰ যথেষ্ট সুবিধা প্রদান কৰে।
- ই এনে এটা প্রক্রিয়া যাৰ ফলত সামাজিক পৰম্পৰা এটা পুৰুষৰ পৰা অন্য এটা পুৰুষলৈ প্রবাহিত হয় আৰু এইদৰে সমাজৰ ধাৰাবাহিকতা সংৰক্ষিত হয়।

৯.৮ সামাজিকীকৰণৰ মাধ্যমসমূহ

সমাজত আমি সামাজিক শিক্ষাৰ পাঠ লাভ কৰো। সমাজত এনে বহুত সমূহ আছে যিবিলাকে আমাক সামাজিক বিধি-বিধান আৰু আচাৰ-আচৰণৰ শিক্ষা দিয়াৰ লগতে সেইবিলাকৰ লগত খাপ খাবলৈ আমাক শিক্ষা দিয়ে। এই বিলাককেই সামাজিকীকৰণৰ মাধ্যম হিচাপে জনা যায়। চালর্ছ কুলিয়ে প্রাথমিক আৰু গৌন সামাজিকীকৰণ প্রক্রিয়াৰ মাজত পার্থক্য নির্ণয় কৰিছে। প্রাথমিক সামাজিকীকৰণৰ দ্বাৰা তেওঁ সেইবিলাক মাধ্যমৰ কথা বুজাইছে যিয়ে আমাৰ জীৱনৰ প্রাথমিক বছৰকেইটাত আমাৰ সামাজিক ব্যক্তিত্বক গঢ় দিয়ে। সেইবোৰ হ'ল অনানুষ্ঠানিক সমূহৰ উপাদান। এই অনানুষ্ঠানিক সমূহবোৰ হ'ল প্রাথমিক সমূহ, যেনে— পৰিয়াল, বন্ধু-বান্ধৱ, সমবয়সীয়াৰ সমূহ, প্রতিবেশীৰ সমূহ, ইত্যাদি। গৌন সামাজিকীকৰণ ব্যক্তিৰ জীৱনৰ পিছত পর্যায়ত হয় যেতিয়া তেওঁ আনুষ্ঠানিক আৰু মাধ্যমিক সমূহ যেনে বিদ্যালয়, কর্মস্থল, বৃত্তিগত

সমূহ, ইত্যাদি সমূহৰ লগত জড়িত হয়। এতিয়া আমি সামাজিকীকৰণৰ মাধ্যমসমূহৰ বিষয়ে আলোচনা কৰিম।

- *প্ৰাথমিক সামাজিকীকৰণৰ মাধ্যমসমূহ*
  - **পৰিয়ালঃ** পৰিয়ালেই শিশুক সমূহৰ সংস্কৃতিৰ লগত পৰিচয় কৰাই দিয়ে। পৰিয়ালতেই প্ৰাথমিক সাংস্কৃতিক প্ৰমূল্য অভ্যাস আৰু আচাৰ-আচৰণসমূহ শিকা হয়। শিশুৰ ব্যক্তিত্ব গঠনত ইয়াৰ প্ৰভাৱ অপৰিসীম।
  - **সমবয়সীয়া সমূহঃ** সমবয়সীয়া সমূহ হ'ল সমবয়সৰ লগৰীয়া আৰু একে সামাজিক মৰ্যাদাৰ লোকেৰে গঠিত গোট। যেতিয়া এটা শিশু ডাঙৰ হ'বলৈ ধৰে, তেতিয়া বিশেষকৈ বয়ঃসন্ধিস্তৰত সমবয়সীয়া সমূহটোৱে এজন ব্যক্তিৰ সামাজিকীকৰণ প্ৰক্ৰিয়াত এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সমবয়সীয়া সমূহবোৰে আনকি বিদ্যালয় চৌহদৰ সংস্কৃতি হিচাপে নিজৰ উপসংস্কৃতি গঢ়ি তোলে। ব্যক্তি এজনে বাচি লোৱা সমবয়সীয়া সমূহটো পূৰ্বৰ আৰু সমান্তৰাল সামাজিকীকৰণৰ ওপৰতো নিৰ্ভৰশীল। উদাহৰণস্বৰূপে, এজন ডেকা ল'ৰাই কোনো অপৰাধী সমূহ এটাৰ সংস্পৰ্শলৈ আহিলে নিজেও তেনে অপৰাধীক অনুকৰণ কৰিব। কিন্তু ঘৰত আৰু বিদ্যালয়ৰ সামাজিকীকৰণ প্ৰক্ৰিয়াত লাভ কৰা আইনৰ প্ৰতি সন্মান প্ৰদৰ্শনৰ শিক্ষাই তেওঁক তেনে আইন অমান্যকাৰী সমূহৰ সলনি সমাজৰ অন্য সুৰুচি সম্পন্ন সমবয়সীয়া সমূহৰ লগত মিলিত হ'বলৈ তেওঁক উৎসাহিক কৰিব।
  - **প্ৰতিবেশীঃ** চুবুৰীটোৰ সামাজিক পাৰিপাৰ্শ্বিকতাইও এজন ব্যক্তিৰ সামাজিক ব্যক্তিত্বৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। আমি নিমান বিশিষ্ট বস্তি অঞ্চলবোৰৰ কথা জানো যিবোৰত দাৰিদ্ৰ্য পীড়িত মানুহে অস্বাস্থ্যকৰ পৰিবেশত বাস কৰে। য'ত মানুহৰ শিক্ষা লাভৰ সুযোগ নাই আৰু সিবিলাকে মদ্যপান, অপৰাধ বৃত্তি, পতিতা বৃত্তি, আদিৰ দ্বাৰা আক্ৰান্ত হয়। এনেকুৱা চুবুৰীত ডাঙৰ হোৱা শিশুৱে কালক্ৰমত এনেধৰণৰ আচৰণ কৰিবলৈ শিকে।
- ***গৌন সামাজিকীকৰণৰ মাধ্যমসমূহ*** ঃগৌন সামাজিকীকৰণৰ কিছুমান গুৰুত্বপূৰ্ণ মাধ্যম হ'ল—
  - **বিদ্যালয়ঃ** জটিল সমাজবিলাকৰ সামাজিকীকৰণৰ অন্যান্য মাধ্যমৰ লগতে বিদ্যালয়ে এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। বিদ্যালয়ে আনুষ্ঠানিক শিক্ষা প্ৰদান কৰে, ল'ৰা-ছোৱালীক বিশাল সমাজখনত চলিবলৈ শিক্ষা দিয়ে, সমষ্টিগত কাৰ্যক্ৰমত সহযোগিতা আৰু অংশগ্ৰহণ কৰিবলৈ শিক্ষা দিয়ে, প্ৰতিযোগিতামূলক মনোভাব গঢ় দিয়ে, বিধি-বিধান মানি চলা আৰু নিয়মানুৱৰ্তিতা মানি চলিবলৈ শিক্ষা দিয়ে। বিভিন্ন বিদ্যালয়ৰ নিজা নিজা উপ-সংস্কৃতি থাকে। এইদৰে ই একোজন ব্যক্তিৰ ব্যক্তিত্বক গঢ় দিয়ে।
  - **কৰ্মস্থলীঃ** বৃত্তিগত জগতৰ প্ৰত্যেকটো কামৰে কিছুমান নিৰ্দিষ্ট ভূমিকা আৰু দায়িত্ব

থাকে। সেইদৰে কর্মস্থলীত বিভিন্নজনৰ লগত ভাব বিনিময় কৰা নির্দিষ্ট পদ্ধতি আছে। এই দৰে কর্মস্থলীৰ সংস্কৃতিয়ে বিকাশ লাভ কৰে। কর্মস্থলীৰ পৰিবেশে ব্যক্তিক প্রভাৱিত কৰে। জটিল সমাজবোৰত মানুহে, বিশেষকৈ কর্ম সংক্রান্তত ব্যক্তিয়ে পৰিয়ালৰ বাহিৰে অন্যান্য লোকৰ লগত দৰকাৰী যোগাযোগ ৰক্ষা কৰি চলিব লগা হয়। যদিওবা তেওঁলোকৰ কোনো কোনোৱে ঘৰৰ পৰা কাম-কাজ চলায়, তেওঁলোকৰ বৃত্তিগত সম্পর্ক আৰু সামাজিক মর্যাদাই তেওঁলোকৰ সামাজিক ব্যক্তিত্ব নিৰূপণ কৰে।

- **গণ-মাধ্যমঃ** আমি ইতিমধ্যে পঢ়ি আহিছো যে গণ মাধ্যমে (Mass media) জন-সংস্কৃতিক গঢ় দিয়ে। ইয়াৰ পৰাই আমি কেনেকৈ জন-মাধ্যমে মানুহৰ বিশ্বাস, প্রমূল্য আৰু তেওঁলোকৰ আচৰণক প্রভাৱিত কৰে সেইকথা বুজিব পাৰো।
- **ৰাষ্ট্রঃ** ৰাষ্ট্র সমাজৰ এটা শক্তিশালী মাধ্যম। ব্যক্তিৰ জীৱন আৰু সমাজৰ আটাইবিলাক সমষ্টিৰ ওপৰত ইয়াৰ সুগভীৰ প্রভাৱ পৰিলক্ষিত হয়। সংবিধানত সন্নিবিষ্ট হোৱা ৰাষ্ট্রৰ প্রমূল্য আৰু লক্ষ্যসমূহ আৰু ৰাষ্ট্রৰ বিভিন্ন প্রতিষ্ঠানসমূহে ব্যক্তিক প্রভাৱিত কৰাৰ উপৰি সামাজিকীকৰণ কৰে। ভাৰতীয় নাগৰিক হিচাপে আমি গণতন্ত্রৰ গুৰুত্ব উপলব্ধি কৰো আৰু ইয়াক মূল্য দিওঁ। ভাল নাগৰিক হোৱাৰ অর্থ হ'ল, সংবিধানৰ আৰু ৰাষ্ট্রৰ লক্ষ্যসমূহৰ প্রতি আনুগত্য প্রকাশ কৰা আৰু গ্রহণযোগ্য ৰূপত আচৰণ কৰা।

গতিকে আমি এই সিদ্ধান্তত উপনীত হ'ব পাৰো যে ঃ

- সামাজিকীকৰণ হ'ল সমাজত বাস কৰা ব্যক্তিক সমাজৰ বিধি-নিয়ম প্রমূল্য, আচাৰ-আচৰণৰ গণ্ডীলৈ অনা।
- ই এটা ধাৰাবাহিক প্রক্রিয়া আৰু সমাজক স্থায়িত্ব প্রদান কৰাৰ ক্ষেত্রত ই গুৰুত্ব পূর্ণ ভূমিকা গ্রহণ কৰে।
- সমাজত আনুষ্ঠানিক আৰু অনানুষ্ঠানিক দুয়োবিধৰ সমূহ আছে আৰু এইবোৰে সামাজিকীকৰণৰ মাধ্যম হিচাপে কাম কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ প্রাথমিক সামাজিকীকৰণ কি ?

.....

.....

প্রশ্ন নং ২ ঃ গৌন সামাজিকীকৰণৰ যি কোনো দুটা মাধ্যমৰ নাম লিখক।

.....

.....

.....



৯.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সামাজিকীকৰণ আৰু সামাজিক নিয়ন্ত্রণে ইয়াৰ সভ্যসকলৰ আচৰণ গঠন আৰু নিয়ন্ত্রণ কৰে।
- সেইবাবে সামাজিকীকৰণ এটা প্রক্রিয়া যাৰদ্বাৰা ব্যক্তিবিশেষে দলবদ্ধ মানসমূহ প্রয়োগ কৰাত পূর্ণাঙ্গতা লাভ কৰে।
- সামাজিক শিকণৰ ই এটা গতিশীল প্রক্রিয়া।
- একেখন সমাজতে প্রত্যেক ব্যক্তিয়ে বিভিন্ন সামাজিকীকৰণ প্রক্রিয়াৰ মাজেৰে পাৰ হৈ যায়।
- সামাজিকীকৰণ এক শিকণ প্রণালী যি ব্যক্তি এজনৰ সামাজিক ভূমিকা পালনৰ সামর্থক বুজায় । ই এটা আকাংখিত শিকণ প্রণালী। ই এটা এনে প্রক্রিয়া যিটো জন্মৰ লগে লগে আৰম্ভ হয় আৰু মৃত্যুৰ লগত সমাপ্তি ঘটে। এই প্রক্রিয়াত আমি নতুন নীতিসমূহক প্রাধান্য দি পুৰণি নীতিক অপসাৰিত কৰো।
- ব্যক্তিত্ব আৰু আত্ম ধাৰণাৰ বিকাশিত ই সহায় কৰে। ব্যক্তি এজনে সমাজত অন্য ব্যক্তিৰ লগতে নিজকো উপস্থাপন কৰিবলৈ জ্ঞান অর্জন কৰে।
- ই এনে এটা প্রক্রিয়া যি সমাজত গতিশীলতা আৰু ধাৰাবাহিকতা অটুট ৰখাত উদগনি জনায়।
- সমাজত আমাক প্রশিক্ষণ দিয়াৰ অর্থে বহুতো সমূহ পৰিলক্ষিত হয় যাক সামাজিকীকৰণৰ মাধ্যম বুলি আখ্যা দিয়া হয়।
- মুখ্য সামাজিকীকৰণে সামাজিক ব্যক্তিত্ব গঢ়াত আৰিহনা যোগোৱা মাধ্যমসমূহ সূচিত কৰে যিবোৰ অ-গঠনিক দলৰ প্রধান উপাদান আৰু যিবোৰ প্রাক্কালীন।
- গৌণ সামাজিকীকৰণে বিদ্যালয়, কর্মক্ষেত্র, বৃত্তিমুখী সমূহ আদি পাছৰ পর্যায়ৰ গৌণ মাধ্যমসমূহক বুজায়।



৯.১০ অধিক জানিবলৈ

ৰ) H.M. Johnson, Sociology-A Systematic Introduction. New Delhi. Allied Publishers Pvt. Ltd.

চ) H.K. Pawat, Sociology: Basic Concepts, Rawat Publications, Jaipur.

ছ) R.K. Sharma Social Change and Social control, Allantic Publishers and Distributors (p) Ltd. New Delhi.

জ) W.E. Ogburn and M.F. Nimkoff, Sociology, Houghton Mifflin Company, Boston.



৯.১১ অগ্রগতিৰ খতিয়ান

ৰনং প্রশ্নৰ উত্তৰ ঃ প্রাথমিক বা মুখ্য সামাজিকীকৰণে জীৱনৰ আগৰ কালছোৱাত সংঘটিত হোৱা সামৰিক কার্যকলাপক বুজায়।

চনং প্রশ্নৰ উত্তৰ ঃ গৌণ সামাজিকীকৰণৰ দুটা মাধ্যম-- বিদ্যালয়, কর্মক্ষেত্র ।



৯.১২ আৰ্হি প্রশ্ন

(ক) চুটি প্রশ্ন ঃ (ৰপ্তুজ্ম শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ৰঃ সামাজিকীকৰণৰ মাধ্যম বা প্রতিনিধি বুলিলে কি বুজা?

প্রশ্ন চঃ প্রাথমিক সামাজিকীকৰণ আৰু গৌণ সামাজিকীকৰণৰ মাজত পার্থক্য লিখা।

(খ) ৰচনাধর্মী প্রশ্ন ঃ (জ্মজ্ম-প্তজ্মজ্ম শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ৰঃ সামাজিকীকৰণৰ সংজ্ঞা দিয়া। সমাজত ইয়াৰ গুৰুত্ব সম্পর্কে লিখক।

প্রশ্ন চঃ সামাজিকীকৰণৰ মূল মাধ্যম বা উপাদানসমূহ আলোচনা কৰক।

প্রশ্ন ঃ "সামাজিকীকৰণ এক জীৱনযোৱা প্রক্রিয়া"- আলোচনা কৰা।

*** ***** ***

অধ্যায় ১০ ঃ সামাজিক স্তৰীকৰণ ঃ ধাৰণামূলক আলোচনা

অধ্যায় গাঁথনি

ৰজ্ম.ৰ উদ্দেশ্য

ৰজ্ম.চ পৰিচয়

ৰজ্ম.১ সামাজিক স্তৰীকৰণৰ অর্থ আৰু ধাৰণা

ৰজ্ম.চ্ছ্ৰ সামাজিক স্তৰীকৰণৰ বৈশিষ্ট্য আৰু প্ৰকাৰ্য

ৰজ্ম.চ্ছ্ৰ.ৰ সামাজিক স্তৰীকৰণৰ প্ৰকাৰ্য

ৰজ্ম.চ্ছ্ৰ.চ সামাজিক স্তৰীকৰণৰ কাৰ্য্যকাৰীতাসমূহ

ৰজ্ম.প্ত সামাজিক স্তৰীকৰণ আৰু সামাজিক অসমতা

ৰজ্ম.ছ পদানুক্ৰম আৰু বৈষম্য

ৰজ্ম.জ্জ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

ৰজ্মজ্জ্ব অধিক জানিবলৈ

ৰজ্মজ্ঞা অগ্ৰগতিৰ খতিয়ান

ৰজ্ম.ৰজ্ম আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সামাজিক স্তৰীকৰণ আৰু সামাজিক অসমতাৰ অর্থ বুজিব পাৰিব
- সামাজিক স্তৰীকৰণ আৰু সামাজিক অসমতাৰ মাজত থকা প্ৰভেদসমূহ চিনাক্ত কৰিব পাৰিব
- পদানুক্ৰম আৰু বৈষম্যৰ পার্থক্য বুজিব পাজিব
- সামাজিক স্তৰীকৰণ সম্বন্ধে সমাজবিজ্ঞানীসকলে আগবঢ়োৱা ধাৰণাৰ বিষয়ে আলোচনা কৰিব পাৰিব।

১০.২ পৰিচয়

এই অধ্যায়টিত আমি সামাজিক স্তৰীকৰণৰ ধাৰণা আৰু ইয়াৰ বিভিন্ন দিশৰ বিষয়ে আলোচনা কৰিম। এই বিষয়ে জ্ঞান লাভ কৰিবলৈ যাওঁতে সমাজ বিজ্ঞানী আৰু চিন্তাবিদসকলে আগবঢ়োৱা ধাৰণা আৰু তত্বসমূহৰ প্ৰয়োগ কৰাটো আৱশ্যকীয়। ইয়াত আমি সামাজিক অসমতা আৰু সামাজিক স্তৰীকৰণ এই দুটা ধাৰণাৰ ওপৰত থকা বিভিন্ন মতভেদৰ বিষয়ে বহলাই আলোচনা কৰিম। সামাজিক স্তৰীকৰণৰ সংজ্ঞাৰ সৈতে আমি সামাজিক অসমতা, প্ৰাকৃতিক অসমতা, পদানুক্ৰম, ভূমিকা আৰু প্ৰস্থিতিৰ বিষয়েও আলোচনা কৰিম। অসমতা

আৰু বৈষম্যৰ অধ্যায়টিৰ আন আলোচ্য বিষয়। মাজৰ পার্থক্য বিশ্লেষণ এতিয়া আমি সামাজিক স্তৰীকৰণ সম্পর্কে আলোচনা কৰো আহক।

১০.৩ সামাজিক স্তৰীকৰণৰ অর্থ আৰু ইয়াৰ ধাৰণা

সামাজিক স্তৰায়নে এখন নির্দিষ্ট সমাজৰ সামাজিক চৰিত্রসমূহ, যেনে- বৃত্তি, প্রস্থিতি, আয় আদিৰ মূল্যায়নৰ ওপৰত ভিত্তি কৰি এখন সমাজৰ ব্যক্তিসকলক বিভিন্ন ভাগত বিভক্ত কৰা প্রক্রিয়াটোক বুজায়। সমাজতাত্বিক দীপাংকৰ গুপ্তাই মত পোষণ কৰে যে সামাজিক স্তৰায়নে এখন সমাজৰ সদস্যসকলৰ সামাজিক ভিন্নতাৰ ৰাজহুৱা আৰু প্রদর্শনমূলকভাৱে উপস্থাপন কৰাৰ পথ সুচল কৰে। সামাজিক স্তৰীকৰণত সংস্তৰণ (Hierarchical) পদ্ধতিৰে স্বধর্মী সমূহবোৰক একলগ আৰু বিপৰীত ধর্মী সমূহবোৰক উচ্চ অথবা নিম্ন শ্রেণীত ভাগ কৰা হয়। সেয়েহে ক'ব পাৰি যে সামাজিক অসমতাৰ ধাৰণটো প্রকৃততে সামাজিক স্তৰীকৰণৰ ধাৰণাৰ পৰা উদ্ভূত। সমাজ-তাত্বিকসকলে সামাজিক স্তৰীকৰণৰ ধাৰণাটো উপস্থাপন কৰোতে ইয়াক পৃথিৱীৰ খোলাটোত ঘটা মাটি আৰু শিলৰ স্তৰীকৰণ প্রক্রিয়াটোৰ লগত তুলনা কৰিছিল। আন্দ্রে বেটিল (Andre Beteille)এ সামাজিক স্তৰীকৰণ সংজ্ঞা দি কৈছে যে, 'স্তৰায়নে স্বতঃফূর্তভাৱেই এটা বহুতৰপীয়া পৰিঘটনাক সূচায়, পৰিঘটনাটো বহু পৰিমাণে পৃথিৱীৰ খোলাটোৰ লেখীয়া। আনহাতে দীপাংকৰ গুপ্তাৰ দৰে চিন্তাবিদে কয় যে সামাজিক সমূহবোৰক উলম্ব (vertical) আৰু আনুভূমিক (horizontal) এই দুইধৰণে সজাব পাৰি। সমূহবোৰৰ বিভাজন বিভিন্ন বৈশিষ্ট্য, যেনে— ভূমিকা (role), শ্রমৰ প্রকার্য আৰু বিভাজন আদিৰ ওপৰত ভিত্তি কৰি হয়। সেয়েহে সামাজিক স্তৰীকৰণ বৈষম্য আৰু অসমতাৰ ভিত্তিত প্রতিষ্ঠিত বুলি কোৱা হয়।

আন্দ্রে বেটিল (Andre Beteille)এ সামাজিক স্তৰায়নে সমাজত প্রসাৰতা লাভ কৰাৰ আঁৰৰ পদ্ধতিসমূহৰ বিষয়ে বিশ্লেষণাত্মক আলোচনা আগবঢ়াইছে। তেওঁ মন্তব্য কৰিছে যে প্রকৃতিয়ে আমাক বিভিন্নতাৰে সৃজন কৰিছে। উদাহৰণ স্বৰূপে, ব্যক্তিভেদে শাৰীৰিক সক্ষমতাৰ পার্থক্য, দেহৰ গঠন আৰু ৰং আদিৰ কথা উল্লেখ কৰিব পাৰি। এই প্রাকৃতিক বৈসাদৃশ্যসমূহক মানুহে প্রকৃতিগত অসমতা হিচাপে গ্রহণ কৰি এইবোৰৰ মূল্যায়ন কৰিছে। এই প্রকৃতিগত অসমতাবোৰে সামাজিক স্বীকৃতি লাভ কৰি সমাজত প্রতিষ্ঠিত হৈছে আৰু সামাজিক অসমতা হিচাপে পৰিচয় লাভ কৰিছে। যেতিয়া শ্রেণী বিভাজিত অসমান সমূহবোৰক এক ক্রম অনুযায়ী সজোৱা হয় আৰু নির্দিষ্ট প্রস্থিতি আৰু ভূমিকাৰ ধাৰণাৰে এটা সমাজ ব্যৱস্থাৰ অংশ হৈ পৰে হয়, তেতিয়া সামাজিক স্তৰীকৰণ প্রক্রিয়াটো সংঘতিত হয়। সামাজিক স্তৰীকৰণ প্রক্রিয়াটো তাৰপাচত এটা চামৰ পৰা আন এটা চামলৈ (Generation) পর্যৱসিত (Transmitted) হয়।

সামাজিক স্তৰীকৰণ বিভিন্ন প্রকাৰ আৰু পদ্ধতিৰ হ'ব পাৰে। এটা অথবা ততোধিক বিষয়, যেনে— সম্পদ, ক্ষমতা, কর্তৃত্ব, বৃত্তি, ধর্মীয় বিশুদ্ধতা আৰু কলুষতা, শাৰীৰিক শক্তি,

শিক্ষা আৰু অন্য অৰ্হতাৰ ওপৰত সামাজিক স্তৰীকৰণৰ ৰূপ তথা ব্যৱস্থাবোৰ আধাৰিত। জাতি, শ্ৰেণী, জমিদাৰী প্ৰথা আদি হ'ল সমাজত দেখিবলৈ পোৱা অন্য প্ৰকাৰৰ সামাজিক স্তৰীকৰণ। স্তৰায়নে এখন সমাজৰ সামাজিক প্ৰস্থিতি (Status) আৰু ভূমিকা (Role) নিৰ্দেশ কৰে। সেয়েহে সমাজতাত্বিকসকলে মত প্ৰকাশ কৰে যে, অতীজৰে পৰা বিভিন্ন সময়ত, বিভিন্ন মানৰ সমাজত সামাজিক স্তৰীকৰণৰ এটা অথবা ততোধিক ৰূপ প্ৰচলিত হৈ আহিছে। আমি গম পালো যে, শ্ৰম বিভাজন (Divison of labour)ৰ প্ৰকৃতি, সামাজিক সংৰচনা (Structure)ৰ জটিলতা, সমাজৰ বিভিন্ন সমূহৰ গুৰুত্ব, আদি বিষয়বোৰৰ জ্ঞান লাভৰ বাবে এখন সমাজৰ স্তৰীকৰণৰ ধাৰণাটো জনাটো জৰুৰী। সামাজিক স্তৰীকৰণৰ ধাৰণাৰ অধ্যয়ন আৰু বাস্তৱ সমাজত ইয়াৰ প্ৰয়োগ সম্বন্ধীয় জ্ঞান আহৰণ কৰাটোও জৰুৰী। সামাজিক স্তৰীকৰণৰ অধ্যয়নৰ বাবে এখন সমাজৰ অসমতাৰ প্ৰকৃতিগত জ্ঞান থকাটো দৰকাৰী। অতীজৰে পৰা চিন্তাবিদসকলে তেওঁলোকৰ ধাৰণা আৰু সিদ্ধান্তৰ মাজেৰে সামাজিক অসমতা আৰু সামাজিক স্তৰীকৰণ সম্বন্ধে নানা মতভেদ আগবঢ়াই আহিছে। প্ৰাচীন সমাজত অসমতাক স্বাভাৱিক আৰু দৈৱিক বুলি জ্ঞান কৰা হৈছিল। সেয়েহে, সামাজিক স্তৰীকৰণক দৈৱ নিৰ্দেশিত প্ৰক্ৰিয়া বুলি গণ্য কৰা হৈছিল। অৱশ্যে বৰ্তমান যুগত সমাজতত্বত সামাজিক স্তৰীকৰণৰ অধ্যয়ন বিজ্ঞানসন্মত আৰু পদ্ধতিগত কৰাৰ প্ৰতি লক্ষ্য ৰখা হৈছে। সেয়েহে সমাজতত্বত স্তৰীকৰণৰ ধাৰণাৰ অধ্যয়ন বৰ্তমান সমাজৰ প্ৰামাণিক অনুসন্ধানৰ ওপৰত প্ৰতিষ্ঠিত আৰু অনুসন্ধানকালত বিভিন্ন বৈজ্ঞানিক আহিলা প্ৰয়োগ কৰা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৰঃ সামাজিক স্তৰীকৰণৰ সংজ্ঞা দিয়ক।

.....

.....

প্ৰশ্ন নং চঃ সামাজিক স্তৰীকৰণৰ অধ্যয়ন কিয় আৱশ্যক?

.....

.....

প্ৰশ্ন নং ছঃ সামাজিক স্তৰীকৰণৰ সামাজিক প্ৰস্থিতি (Status) আৰু সামাজিক ভূমিকা (role)ৰ লগত কি সম্বন্ধ আছে? আলোচনা কৰক।

.....

.....

.....

১০.৪ সামাজিক স্তৰীকৰণৰ বৈশিষ্ট্য আৰু প্ৰকাৰ্য

সামাজিক স্তৰীকৰণৰ ওপৰত উল্লেখ কৰা সংজ্ঞাৰ পৰা এইটো স্পষ্ট হয় যে ইয়াৰ কিছুমান নিৰ্দিষ্ট বৈশিষ্ট্য আছে। ই যিহেতু প্ৰকৃতিগত পৰিঘটনা নহয়, স্বাভাৱিকতেই ইয়াৰ বৈশিষ্ট্যসমূহও সামাজিক। ইয়াৰ বৈশিষ্ট্যসমূহে বিভিন্ন সময়ৰ, বিভিন্ন সমাজৰ সামাজিক স্তৰীকৰণ প্ৰক্ৰিয়াৰ ওপৰত আলোকপাত কৰে। সামাজিক স্তৰীকৰণৰ তাৎপৰ্য্য এই প্ৰকাৰ্যসমূহৰ মাজতেই নিহিত থাকে। এতিয়া আমি সামাজিক স্তৰীকৰণৰ বিভিন্ন বৈশিষ্ট্য আৰু প্ৰকাৰ্য সম্বন্ধে অধ্যয়ন কৰিম।

১০.৪.১ স্তৰীকৰণৰ বৈশিষ্ট্য

মেলভিন এম. টুমিন (Melvin M. Tumin)-এ নিম্নোক্ত সামাজিক স্তৰীকৰণৰ বৈশিষ্ট্যবোৰৰ ওপৰত আলোকপাত কৰিছে ঃ

- **সামাজিক স্তৰীকৰণ সামাজিক অথবা সমাজৰ লগত জড়িত ঃ** ইয়াৰ সামাজিকভাৱে আৰ্হি আৰু প্ৰস্তুত কৰা সমাজৰ ই সদস্যৰ দ্বাৰা স্বীকৃত। সামাজিক অসমতা সৃষ্টিত জড়িত কিছুমান কাৰক আৰু ধৰ্মীয় পৱিত্ৰতা সম্বন্ধীয় সিদ্ধান্ত এখন সমাজত বাস কৰা লোকৰ মাজত স্থিত বিশ্বাস আৰু মূল্যবোধৰ পৰাই উদ্ভৱ হয়। সমাজৰ সদস্যসকলৰ দৃষ্টিভংগীয়ে সামাজিক স্তৰীকৰণৰ দৃঢ়তা আৰু শিথিলতাৰ মাত্ৰা নিৰ্ণয় কৰে। সেয়েহে, সামাজিক স্তৰীকৰণ এটা প্ৰকৃতিগত পদ্ধতি নহয়, বৰঞ্চ সামাজিকভাৱে সংগঠিত এক ধাৰণাহে।
- **সামাজিক স্তৰীকৰণৰ ধাৰণা প্ৰাচীন ঃ** ইতিহাসে ঢুকি পোৱা সময়ৰে পৰাই সামাজিক স্তৰীকৰণৰ এটা অথবা ততোধিক ৰূপ সমাজত প্ৰচলিত হৈ আহিছে। আদিম সমাজৰ অধিবাসীসকলক বয়স আৰু লিঙ্গৰ ভিত্তিত ভাগ কৰা হৈছিল। এটা নিৰ্দিষ্ট বয়সৰ ক্ৰম অনুযায়ী লোকসকলক ভিন ভিন গোটত ভগোৱা হৈছিল আৰু বিভিন্ন শ্ৰমৰ দায়িত্বও সেই অনুসৱি দিয়া হৈছিল। সেয়েহে ক'ব পাৱি যে অতীজৰে পৰাই মানৱ সমাজৰ বাবে সামাজিক স্তৰীকৰণ এক বৈশিষ্ট্য স্বৰূপ হৈ আহিছে। সামাজিক স্তৰীকৰণ সেয়েহে এক সৰ্বকালীন বৈশিষ্ট্য।
- **সামাজিক স্তৰীকৰণ ভিন্ন ৰূপৰ ঃ** বিভিন্ন সমাজত সামাজিক স্তৰীকৰণৰ বেলেগ বেলেগ ৰূপ, যেনে- বৰ্ণ, শ্ৰেণী, গোত্ৰ অথবা জমিদাৰী (estate) আদি দেখা যায়। স্তৰীকৰণ কেতিয়াবা ধৰ্মীয় পৱিত্ৰতা, বৃত্তিৰ ভিন্নতা, শাৰীৰিক বৈশিষ্ট্য, যেনে- গাৰ ৰং, সম্পত্তিৰ মালিকানা আদি কিছুমান চৰ্তৰ ওপৰত আধাৱিত হয়। তেনেদৰে সামাজিক স্তৰীকৰণ বেলেগ বেলেগ সমাজত বিভিন্ন মাত্ৰা (degree)ত প্ৰকাশ পায়। উদাহৰণ স্বৰূপে, এখন সমাজত বৰ্ণ অথবা

শ্রেণীক ভিত্তি কৰি চূড়ান্ত অসমতা থাকিলেও, অন্য এখন সমাজত শ্রেণী অথবা বর্ণই সামাজিক অসমতাত বিশেষ প্রভাৱ নেপেলায়, বৰং এনে বর্ণসমূহ সহযোগিতামূলকহে হ'ব পাৰে। এনেকৈয়ে কিছুমান সমাজত স্তৰীকৰণ অতি দৃঢ় হ'লেও, অন্য এখন সমাজত ই শিথিল ৰূপতেই থাকি ইয়াৰ লোকসকলক তেওঁলোকৰ সামাজিক প্রস্থিতি (status) পৰিৱর্তনত সহায় কৰিব পাৰে।

- **সামাজিক স্তৰীকৰণৰ অবাঞ্ছিত পৰিণাম ঃ** এজন ব্যক্তিৰ সামাজিক প্রস্থিতি অথবা মর্যাদাই তেওঁৰ জীৱন নির্বাহ আৰু কল্যাণৰ বাবে সম্পদ আহৰণৰ মাত্রা নির্ণয় কৰে। সেয়েহে ক'ব পাৰি যে সামাজিক স্তৰায়নে এজন ব্যক্তি অথবা গোটৰ জীৱন-নির্বাহৰ মান সূচায়। কিছুমান আনুসঙ্গিক সামাজিক উপাদান, যেনে— মৃত্যুৰ হাৰ, আয়ুস হাৰ, পৰিপুষ্টি, শিক্ষা আদি সামাজিক স্তৰীকৰণৰ ওপৰত নির্ভৰশীল। সামাজিক স্তৰায়নে এখন নির্দিষ্ট সমাজৰ বাসিন্দাৰ জীৱনশৈলীৰ ধৰণো নির্ধাৰণ কৰে। খাদ্য, পোচাক-পৰিচ্ছদ, বাসস্থানৰ প্রকাৰ, শিক্ষাৰ মান, বন্ধুবর্গ এই সকলোবোৰ কথা এজন ব্যক্তি অথবা এটা গোটৰ সামাজিক প্রস্থিতিৰ ওপৰত নির্ভৰ কৰে। আকৌ, সমাজৰ সদস্যসকলৰ আচাৰ-আচৰণ সমাজখনে ধার্য কৰি দিয়া ৰীতিমতেই পৰিচালিত হয়। ইয়াৰ এটা উদাহৰণ হ'ল বৃত্তিধাৰী গোট হিচাবে সৈন্য বাহিনীৰ গোট।

সামাজিক স্তৰায়নে এখন নির্দিষ্ট সমাজৰ মানুহৰ প্রমূল্যবোধ, ধৰণ-কৰণ আৰু মনোভাৱৰ ওপৰত প্রভাৱ পেলায়। সামাজিক স্তৰীকৰণৰ কঠোৰতা অথবা শিথিলতাই সমাজৰ ভিন্ন প্রস্থিতিৰ লোকৰ পৰস্পৰৰ প্রতি থকা ধাৰণা প্রকট কৰে। এইটোৱে আকৌ সামাজিক গোটসমূহৰ পাৰস্পৰিক আচৰণৰ ওপৰতো প্রভাৱ পেলায়। এটা জাতি অথবা বর্ণৰ লোকৰ অন্য জাতি অথবা বর্ণৰ প্রতি আচৰণেই তাৰ উদাহৰণ। সমাজত মান্য সজ অথবা অসজ আচৰণবোৰ বহু পৰিমাণে সামাজিক স্তৰীকৰণ প্রক্রিয়াত জড়িত অনুমোদন অথবা স্বীকৃতিৰ ওপৰত নির্ভৰশীল। উদাহৰণস্বৰূপে জাতিসমূহৰ মাজত থকা পৱিত্রতা আৰু কলুষতাৰ ধাৰণাই শ্রেণীসমূহৰ মাজত উচ্চ প্রস্থিতি দখল কৰি থকা গোটটোক দেখুৱায়। শেষত ইয়াকে ক'ব পাৰি যে সামাজিক স্তৰীকৰণ আৰু ইয়াৰ অনুমোদিত ব্যৱস্থাই ভবিষ্যৎ সমাজৰ গোটসমূহৰ মনোভাৱ নিয়ন্ত্রণ কৰে।

১০.৪.২ সামাজিক স্তৰীকৰণৰ প্রকার্য

সামাজিক স্তৰীকৰণৰ বৈশিষ্ট্যসমূহে সমাজত কিছুমান নির্দিষ্ট কর্মপন্থা অথবা প্রকার্যত অনুমোদন জনায়। এই প্রকার্য সমূহৰ অধ্যয়ন আৰু এইবোৰৰ সামাজিক সংগঠনসমূহৰ লগত সম্বন্ধ সমাজতত্ত্ববিদসকলে বিচার্য্য বিষয়।

- সামাজিক স্তৰীকৰণৰ এটা প্ৰধান প্ৰকাৰ্য হ'ল ই সমাজ এখনক সংস্থাপিত আৰু শৃংখলাৱদ্ধ কৰাত সহায় কৰে। ই সমূহবোৰক শৃংখলাৱদ্ধ কৰাৰ লগে লগে সমাজৰ লগত ইহঁতৰ সম্বন্ধ আৰু কৰণীয়ও নিৰ্ধাৰণ কৰে। এনেকৈয়ে সামাজিক স্তৰায়নে সমাজত শ্ৰম বিভাজনত সহায় কৰে।
- সামাজিকীকৰণ স্তৰীকৰণৰ অন্য এটা প্ৰধান প্ৰক্ৰিয়া। সামাজিক স্তৰীকৰণৰ এটা অথবা ততোধিক ৰূপ অথবা পদ্ধতি এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্ম (generation)লৈ প্ৰবাহিত হয়। এই পদ্ধতিটো মূলতঃ সামাজিকীকৰণৰ মাজেৰেই হয়। সামাজিক স্তৰীকৰণৰ আনুষঙ্গিক নীতি আৰু ৰূপৰ লগত প্ৰমূল্যবোধ, আচৰণ ৰীতি, জ্ঞান আৰু জীৱনশৈলীৰ বিভিন্ন দিশ সংযুক্ত হৈ পৰৱৰ্তী প্ৰজন্ম সমূহলৈ সঞ্চাৰিত হয়।
- সামাজিক স্তৰীকৰণে সেয়েহে ক্ষুদ্ৰ পৰিৱৰ্তন অথবা সংশোধনীৰ মাজেৰে সামাজিক সংস্কৰণত ভাগ লয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং **চ্ছ্ৰঃ** সামাজিক স্তৰীকৰণক কিয় সমাজিক বুলি কোৱা হৈছে?

.....

.....

প্ৰশ্ন নং **প্তঃ** সামাজিক স্তৰীকৰণৰ বৈশিষ্ট্যসমূহ লিখক।

.....

.....

প্ৰশ্ন নং **ছঃ** সামাজিক স্তৰীকৰণৰ প্ৰকাৰ্যসমূহ লিখক।

.....

.....

১০.৫ সামাজিক স্তৰীকৰণ আৰু সামাজিক অসমতা

সামাজিক স্তৰীকৰণ আৰু সামাজিক অসমতা ইটো সিটোৰ নিৰ্ণায়ক। সামাজিক অসমতাই সমাজৰ এটা বিশেষ সমূহ অথবা এজন ব্যক্তিয়ে আহৰণ কৰা গুণ নাইবা লক্ষণসমূহৰ মাপকাঠি বুজায়। এটা একক বৈশিষ্ট্য, যেনে সম্পদ, এটা বিশেষ সমূহে সৰহ পৰিমাণত আহৰণ কৰিব পাৰে আৰু অন্য এটা সমূহে কম পৰিমাণত আহৰণ কৰিব পাৰে। এই সমূহকেইটাক সম্পদজনিত তুলনাত অসমান বুলি গণ্য কৰা হয়।

গুণ আৰু বৈশিষ্ট্যসমূহৰ বাছনিৰ বাবে আৰু সেইবোৰৰ মাপকাঠি নিৰ্ণয় তথা অনুমোদনৰ বাবে সমাজৰ অধীনস্থ ব্যক্তিসকলৰ প্ৰয়োজন হয়। উদাহৰণস্বৰূপে, সমাজত পিছপৰা অথবা

দুর্বল শ্রেণীটো নির্ণয় কৰিবলৈ মাপকাঠি হিচাপে দৰিদ্র সীমাৰেখা (Poverty line) গ্রহণ কৰা হয়। এই ব্যৱস্থাত এই বিশেষ সমূহটোৰ আয় আৰু ব্যয়ৰ হিচাব লোৱা হয়। মানুহেও এই আয়-ব্যয়ৰ মাপকাঠি সমর্থন কৰি সমাজত তেওঁলোকৰ শ্রেণী চিহ্নিত কৰি নিজৰ স্থান গ্রহণ কৰে।

সামাজিক স্তৰায়নে সমাজৰ ব্যক্তি অথবা গোটসমূহৰ অসমতা আৰু ভিন্নতাক আনুষ্ঠানিকতা (institutionalization) প্রদান কৰে। উদাহৰণস্বৰূপে, শ্রেণী বিভাজন এনে এটা প্রক্রিয়া যি নিজেই শ্রেণীসমূহৰ মাজত থকা অসমতা আৰু শ্রেণীবোৰৰ সামাজিক প্রস্থিতি আৰু প্রকার্যৰ ওপৰত আলোকপাত কৰে। সামাজিক অসমতা আচলতে সামাজিক স্তৰীকৰণ ব্যৱস্থাৰ বুনিয়াদী আধাৰ আৰু লগতে ই সামাজিক স্তৰীকৰণৰ পৰিণামো। আয় আৰু শাৰীৰিক সক্ষমতাক যেতিয়া অধিক্রমৰ বাবে উলম্ব বিভাজক হিচাবে গণ্য কৰা হয়, তেতিয়াই সামাজিক অসমতাৰ সৃষ্টি হয়। সামাজিক অসমতা স্তৰীকৰণৰ এটা মাধ্যম হৈ পৰে যেতিয়া সমাজৰ আবাসীসকলে কিছুমান উমৈহতীয়া উপাদানক অসমতা নিৰূপক হিচাবে ব্যৱহাৰ কৰি ব্যক্তিৰ সামাজিক স্থান নিৰূপণ কৰে। উদাহৰণস্বৰূপে, স্ত্রী আৰু পুৰুষৰ মাজত থকা শাৰীৰিক ভিন্নতাক নির্দিষ্ট এটা শ্রমৰ কাৰণে থকা সক্ষমতাৰ মাপকাঠি হিচাপে গ্রহণ কৰা হয়। এনে নির্ধাৰিত সামাজিক ভূমিকা, প্রস্থিতিৰ ভিন্নতাই আৰু নির্ধাৰিত আচৰণ বিধিয়ে সামাজিক অসমতাৰ ওপৰত আধাৰিত সামাজিক স্তৰীকৰণৰ সৃষ্টি কৰে। সেয়েহে, স্ত্রী আৰু পুৰুষক কঠোৰ শাৰীৰিক শ্রম আৰু আৱেগিক নমনীয়তাৰ ফালৰ পৰা অসমান বুলি গণ্য কৰা হয়।

আনহাতে সামাজিক অসমতা সামাজিক স্তৰীকৰণৰ এটা পৰিণাম বুলি ক'ব পাৰি। সামাজিক স্তৰায়নে সম্পদ আহৰণৰ ভিন্নতা, ক্ষমতা আৰু প্রস্থিতিৰ ভিন্নতা আদি প্রকাশ কৰে। এই ভিন্নতাই সামাজিক গোটসমূহৰ মাজত সামাজিক দূৰত্বৰ সৃষ্টি কৰে। সামাজিক স্তৰীকৰণ ব্যৱস্থাৰ স্থিতিয়ে মানুহক তেওঁলোকৰ সামাজিক প্রস্থিতি আৰু ভূমিকা সম্বন্ধে সজাগ কৰে। আনুষ্ঠানিক আৰু অনানুষ্ঠানিক শিক্ষা, সামাজিকীকৰণৰ পন্থা আদিয়ে অসমতা প্রকট কৰি দেখুৱায়। সামাজিক প্রস্থিতিৰ অনুভৱ, ভূমিকা আৰু আচৰণৰ অভ্যাসৰ দ্বাৰা সামাজিক অসমতাৰ পুনঃপ্রসাৰ ঘটে। এনেকৈয়ে সামাজিক স্তৰীকৰণ ব্যৱস্থাৰ দ্বাৰা সামাজিক অসমতা স্থায়ী অথবা নিশ্চিত কৰা হয়।

মার্ক্সীয় তত্ত্বমতে শ্রেণীসমূহৰ মেৰু বিভাজন (Polarization) এটা এনেকুৱা উদাহৰণ য'ত উৎপাদনৰ উপাদানসমূহৰ গৰাকী অথবা মালিকসকল আৰু শ্রমিক অথবা মালিকৰ তলতীয়া কর্মচাৰীসকলক সুস্পষ্টভাৱে অসমতাৰ ভিত্তিত ভাগ কৰা হয়। সেয়েহে সামাজিক স্তৰায়নে সামাজিক অসমতাকে সূচায় বুলি ক'ব পাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং **জ্ঞ** সামাজিক অসমতাৰ সংজ্ঞা দিয়ক।

.....

.....

প্রশ্ন নং **জ্ঞ** ঃ সামাজিক অসমতা আৰু সামাজিক স্তৰীকৰণৰ পার্থক্য লিখক।

.....

.....

.....

প্রশ্ন নং **জ্ঞ** ঃ সামাজিক অসমতা কেনেকৈ নির্ধাৰণ কৰা হয়?

.....

.....

.....

১০.৬ পদানুক্রম আৰু বৈষম্য

যেতিয়া অসমান সামাজিক সমূহবোৰক এটাৰ পাচত এটাকৈ উচ্চৰ পৰা নিম্নলৈ ক্রমানুযায়ী একোটা স্তৰত ভাগ কৰা হয়, এই প্রতিস্থাপনকে পদানুক্রম বোলা হয়। এই উপস্থাপন বিধি উলম্ব চৰিত্রৰ। ইয়াৰ এডাল জখলাৰ গঠনৰ লগত সাদৃশ্য আছে। প্রতিটো স্তৰকেই অন্য স্তৰৰ লগত তুলনাৰ দ্বাৰা ক্রম (rank)ত স্থান দিয়া হয়। সামাজিক প্রস্থিতিয়ে ইয়াত নির্ণায়কৰ ভূমিকা লয়। যি সমূহৰ উমৈহতীয়া লক্ষণ আছে সেইবোৰক এটা দলত ক্রমানুসাৰে অন্তর্ভুক্ত কৰা হয়। উদাহৰণ স্বৰূপে, আয়কেই ভিত্তি কৰি পদানুক্রম সৃষ্টি কৰাৰ সময়ত, দুটা সমূহৰ বৃত্তি ভিন্ন হ'লেও, তেওঁলোকৰ উপার্জন উৎস থাকিব লাগিব। অধীস্থিত দীপাংকৰ গুপ্তাই সেয়েহে এই উমৈহতীয়া বৈশিষ্ট্যসমূহক পৰিমাণ বোধক (Quantitative) বুলি কৈছে। এক অর্থত ব্যক্তি অথবা সমূহবোৰৰৰ আয় বিভিন্ন পদ্ধতিত পৰিমাপ কৰিব পাৰি। অৱশ্যে এইবোৰ গুণগত (Quantitative) অর্থত বেলেগ হ'বও পাৰে। আগৰ উদাহৰণত আমি দেখিলো যে সমূহবোৰৰ আয় এটা উমৈহতীয়া বৈশিষ্ট্য। ইয়াক জুখিব পাৰি আৰু সেয়েহে সমূহবাৰক এটা পদানুক্রম (hierarchy)ত সজোৱা হয়। আনহাতে, বৃত্তিগতভাৱেও মানুহে ভিন্ন কার্যত জড়িত হৈ থাকে। তেওঁলোকৰ কামৰ প্রকৃতি আৰু ধৰণ বেলেগ বেলেগ। সেয়েহে, এটা উমৈহতীয়া বিধি অথবা নীতি অনুকৰণ নকৰাকৈ বৃত্তিৰ ভিত্তিত সমাজৰ সদস্যক উচ্চ-নীচ স্তৰত ভগাব পৰা নাযায়। এই উমৈহতীয়া বিধি অথবা চর্তটো আয় অথবা সন্মান হ'ব। এনেকুৰা পৰিস্থিতিত সমূহবোৰৰ স্তৰায়নো অনুভূমিক ধৰণৰ হয়। সমূহবোৰক ইটোৰ কাষত সিটোক একেটা শিতানৰ ভিতৰত ক্রম দিওতে সমূহবোৰৰ কামৰ ভিন্ন প্রকৃতিলৈ লক্ষ্য কৰা হয়। সামাজিক গোটসমূহৰ গঠনৰ ক্ষেত্রত গুণগত ভিন্নতা, যেনে- জাতীয়তা,

ভাষা আৰু ধর্মকো আধাৰ হিচাপে লোৱা হয়।

পদানুক্রম আৰু বৈষম্য, দুয়োটাই সমাজৰ স্তৰীকৰণ আৰু সংগঠন (organization)ৰ বাবে গুৰুত্বপূর্ণ। সমূহবোৰৰ সামাজিক ভিন্নতাই অসমতাক বিশেষ প্রাধান্য নিদিয়াকৈ পাৰস্পৰিক বিচ্ছিন্নতাৰ সৃষ্টি কৰে। এখন সমাজত সমূহবোৰৰ বিভিন্ন ভূমিকা আৰু প্রকার্য বুজাত অসমতাই বিশেষ সহায় কৰে। ই সমাজত শ্রমৰ বিভাজন বুজাতো সহায় কৰে। সমূহবোৰৰ ভিন্নতাক মানি লৈ সমূহবোৰৰ মাজত সুযোগ আৰু সহযোগিতা বৃদ্ধি কৰিব পাৰি। ই সমূহবোৰৰ মাজত পৰস্পৰ নির্ভৰশীলতাৰ সৃষ্টি কৰি মৈত্রী আৰু সহযোগিতাৰ মনোভাৱ বৃদ্ধি কৰিব পাৰে। আনফালে, পদানুক্রমৰ ওপৰত প্রতিষ্ঠিত স্তৰায়নে সমাজত সা-সুবিধাসমূহৰ বিতৰণ আৰু কর্তনৰ ক্ষেত্রত সহায় কৰে। পদানুক্রমিক ভাৱে প্রতিষ্ঠিত সমাজে কিছুমান সামাজিক পদ্ধতি, যেনে- প্রতিযোগিতা আৰু সংঘাত বুজাত সহায় কৰে। অর্থাৎ আমি গম পালোঁ যে পদানুক্রম আৰু বৈষম্য সামাজিক স্তৰীকৰণ ব্যৱস্থাৰ লগত জড়িত। এই দুটা প্রধান বিধিৰ ওপৰত ভিত্তি কৰিয়েই সামাজিক স্তৰীকৰণ আৰু সমাজিক প্রকার্য নির্ধাৰণ কৰা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং **ৰজ্ঞঃ** পদানুক্রম কি?

.....

.....

প্রশ্ন নং **ৰৰঃ** সামাজিক ভিন্নতা অথবা বৈষম্য কি?

.....

.....

প্রশ্ন নং **ৰচঃ** পদানুক্রম অধ্যয়ন কৰাটো কিয় আৱশ্যকীয়?

.....

.....

.....



১০.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিৰ অধ্যয়নৰ পৰা আমি সামাজিক স্তৰীকৰণ পদ্ধতি, সামাজিক অসমতা, পদানুক্রম আৰু সামাজিক বৈষম্যৰ ধাৰণাৰ বিষয়ে জানিব পাৰিলো।
- সাধাৰণ ভাষাত সামাজিক স্তৰীকৰণ মানে হ'ল সামাজিক সমূহবোৰক কিছুমান নির্দিষ্ট বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি ক্রমত সজোৱা প্রক্রিয়া।

- সামাজিক স্তৰীকৰণৰ অধ্যয়ন সমাজতত্বৰ এটা কেন্দ্রীয় বিষয়। ই সমাজত সামাজিক অনুষ্ঠানসমূহৰ বৈশিষ্ট্য, ভূমিকা আৰু প্রস্থিতিৰ বিতৰণ ব্যৱস্থাৰ বিষয়ে জ্ঞান দিয়ে।
- সামাজিক স্তৰীকৰণৰ কেইবাটাও বৈশিষ্ট আছে। উদাহৰণ স্বৰূপে, ইয়াৰ আৰ্হি সামাজিকভাৱে যুগুত কৰা হয়, ই বিভিন্ন প্রকাৰৰ আৰু ই সর্বকালৰ বাবে প্রযোজ্য।
- সামাজিক স্তৰীকৰণ ব্যৱস্থাৰ কেইটামান উদাহৰণ হ'ল জাতি, শ্রেণী, জমিদাৰী স্বত্ব আদি।
- সমাজভেদে সামাজিক স্তৰীকৰণ ব্যৱস্থাৰ মাত্রা বেলেগ বেলেগ হোৱাটো পৰিলক্ষিত হয়। কিছুমান সমাজত ই দৃঢ় হ'লেও অন্য সমাজত ব্যক্তি আৰু গোটৰ ক্রমৱৰ্দ্ধকৰণ প্রক্রিয়াটো মুক্ত আৰু শিথিল হয়।
- সামাজিক স্তৰীকৰণৰ ধাৰণাটো সামাজিক অসমতা আৰু সামাজিক বৈষম্যৰ ধাৰণাৰ লগত সম্বন্ধিত।
- সামাজিক অসমতা সামাজিক গোটসমূহৰ কিছুমান নির্দিষ্ট বৈশিষ্ট্যৰ মাপ অথবা জোখৰ ওপৰত ভিত্তিত নির্ধাৰণ কৰা হয়।
- সামাজিক গোটসমূহৰ সামাজিক স্তৰীকৰণ পদানুক্রমিক পদ্ধতি অথবা আনুভূমিক পদ্ধতিত কৰা হয়।
- পদানুক্রম ব্যৱস্থাই গোটসমূহৰ ক্রমৱৰ্দ্ধকৰণক উলম্বভাৱে উপস্থাপন কৰে। ইয়ো অসম গোটবোৰৰ প্রস্থিতি বিবেচনা কৰা হয়।
- গোটসমূহৰ বিভিন্ন বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি এইবোৰ আনুভূমিক ভাৱেও উপস্থাপন কৰা হয়।



১০.৮ অধিক জানিবলৈ

ৰ) Beteille.A. (1977), Inequality among men. Oxford : Basil Blackwel.

চ) Giddens.A. (1989). Sociology, Cambridge Polity Press.

ঃ) Gupta.D. (1977). Social Stratification, New Delhi. Oxford University Publications.

ছ্ব) Tumin.M. (1967) Social Stratification The forms and functions of ineguality, New Jersey.



১০.৯ অগ্রগতিৰ খতিয়ান

ৰনং প্রশ্নৰ উত্তৰ ঃ সামাজিক স্তৰায়নে সামাজিক গোটসমূহক ক্রমৱদ্ধ কৰে আৰু মূল্যায়নৰ বাবে সামাজিক বৈশিষ্ট্যসমূহ, যেনে- বৃত্তি, প্রস্থিতি, আয় আদি ধার্য্য কৰে।

চনং প্রশ্নৰ উত্তৰ ঃ এখন নির্দিষ্ট সমাজৰ সামাজিক স্তৰীকৰণ ব্যৱস্থাৰ প্রয়োগ বিধিৰ দ্বাৰা আমি সমাজখনৰ শ্রম বিভাজনৰ নীতি, সমাজ সংগঠনৰ জটিলতা আৰু বিভিন্ন গোট-সংগঠনৰ ভূমিকা সম্বন্ধে বুজিব পাৰোঁ।

ৃনং প্রশ্নৰ উত্তৰ ঃ সামাজিক স্তৰীকৰণ ব্যৱস্থা ব্যক্তিৰ সামাজিক প্রস্থিতি আৰু ভূমিকা নির্ণয়ৰ এক মাধ্যম।

ছ্রনং প্রশ্নৰ উত্তৰ ঃ সামাজিক স্তৰীকৰণ ব্যৱস্থাক সামাজিক বুলি কোৱা হৈছে, কাৰণ ব্যৱস্থাটো সমাজৰ সদস্যৰ অনুমোদনৰ ওপৰত ভিত্তি কৰি সামাজিকভাৱে যুগুত কৰা হৈছে। অসমতাৰ ধাৰণাটো সম্পদ অথবা ধর্মীয় পৱিত্রতাৰ ওপৰত প্রতিষ্ঠিত হ'ব পাৰে। এখন নির্দিষ্ট সমাজৰ লোকৰ অন্তৰত স্থিত বিশ্বাস আৰু মূল্যবোধৰ ওপৰত ভিত্তি কৰি সামাজিক অসমতাৰ হয়।

প্তনং প্রশ্নৰ উত্তৰ ঃ সামাজিক স্তৰীকৰণৰ বৈশিষ্ট্যসমূহ সামাজিকভাৱে সৃষ্ট। এইবোৰ বিভিন্ন ৰূপত প্রকট হ'ব পাৰে। ই সর্বকালৰ বাবে প্রযোজ্য। প্রাচীন কালৰে পৰাই স্তৰীকৰণ ব্যৱস্থা প্রচলিত হৈ আহিছে আৰু ই এক দীর্ঘম্যাদী ফলাফল প্রদর্শন কৰে।

ছনং প্রশ্নৰ উত্তৰ ঃ সামাজিক স্তৰীকৰণৰ মুখ্য কার্য হ'ল ই সমাজক শৃংখলাৱদ্ধ কৰাত সহায় কৰে। সামাজিকীকৰণ ব্যৱস্থাত সহায়ক হৈ ই সমাজৰ পুনৰ সৃষ্টিত আগভাগ লয়।

জ্ঞং প্রশ্নৰ উত্তৰ ঃ সামাজিক অসমতাই এটা নির্দিষ্ট সামাজিক গোটৰ বৈশিষ্ট আৰু গুণসমূহৰ মাপ অথবা জোখ বুজায়।

জ্ঞনং প্রশ্নৰ উত্তৰ ঃ সামাজিক অসমতাই এটা সামাজিক গোটৰ গুণ আৰু বৈশিষ্ট্যসমূহৰ মাপকাঠি নির্ণয় কৰে। আনহাতে, সামাজিক স্তৰায়নে এই গোটসমূহক এক নির্দিষ্ট নিয়ম অনুযায়ী শৃংখলাৱদ্ধ কৰে।

জ্ঞনং প্রশ্নৰ উত্তৰ ঃ সামাজিক অসমতা কিছুমান সামাজিক গোটৰ উমৈহতীয়া বৈশিষ্ট্য জোখৰ দ্বাৰা নির্ণয় কৰা হয়।

ৰজ্ঞনং প্রশ্নৰ উত্তৰ ঃ যেতিয়া অসমান সামাজিক গোটসমূহ একেটা তৰপ অথবা ক্রমত সজোৱা হয়, এটা স্তৰৰ ওপৰত আনটো স্তৰ উর্দ্ধক্রমত স্থাপন কৰা হয় আৰু ইয়াকে পদানুক্রম বোলে। এই ব্যৱস্থাপনাত এডাল জখলাৰ গঠনত থকাৰ দৰে প্রতিটো গোটৰে নিজস্ব ক্রম (Rank) থাকে। সমূহবোৰৰ প্রস্থিতি (Status)ক ভিত্তি কৰি এই ক্রম প্রদান কৰা হয় আৰু ক্রমবোৰ উলম্বভাৱে সংস্থাপিত কৰা হয়।

ৰৱনং প্রশ্নৰ উত্তৰ ঃ সামাজিক ভিন্নতাই বৈশিষ্ট্য আৰু গুণৰ ওপৰত ভিত্তি কৰি সামাজিক গোটবোৰক চিহ্নিত কৰাটোক বুজায়।

ৰচনং প্রশ্নৰ উত্তৰ ঃ সামাজিক স্তৰায়নে পদানুক্রমৰ ওপৰত ভিত্তি কৰি কোনো সামাজিক গোটে বিশেষ ক্ষমতা ভোগ কৰাৰ অনুমোদন লাভ কৰাটোক বুজায়। প্রতিযোগিতা আৰু সংঘাতৰ নিচিনা সামাজিক পৰিস্থিতিসমূহ বুজাত সামাজিক স্তৰায়নে সহায় কৰে।



১০.১০ আৰ্হি প্রশ্ন

ক) চুটি প্রশ্ন (ৰপ্তুত্ন শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ৰ ঃ সামাজিক স্তৰীকৰণৰ বিভিন্ন বৈশিষ্ট্যসমূহ কি?

প্রশ্ন চ ঃ সামাজিক অসমতা কি? উদাহৰণসহ বুজাই লিখক।

প্রশ্ন ্ ঃ পদানুক্রম আৰু বৈষম্যৰ পার্থক্য বিশ্লেষণ কৰক।

খ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ৰ ঃ সামাজিক স্তৰীকৰণৰ অধ্যয়নৰ আৱশ্যকতা বুজাই লিখক।

প্রশ্ন চ ঃ সামাজিক স্তৰীকৰণ ব্যৱস্থাৰ লগত জড়িত মতভেদসমূহ বহলাই আলোচনা কৰক।

*** ***** ***

অধ্যায় ১১ ঃ সামাজিক স্তৰীকৰণৰ আধাৰ

অধ্যয় গাঁথনি

ৰৰ.ৰ উদ্দেশ্য

ৰৰ.চ পৰিচয়

ৰৰ.্ গোষ্ঠী

ৰৰ.্.ৰ গোষ্ঠী আৰু গোষ্ঠীবাদ

ৰৰ.্.চ ঔপনিৱেশিকতাবাদ আৰু গোষ্ঠীবাদ

ৰৰ.্.্ গোষ্ঠীবাদৰ ধাৰাবাহিকতা

ৰৰ.চ্ছ্ৰ জাতি

ৰৰ.চ্ছ্ৰ.ৰ বর্ণ আৰু জাতি

ৰৰ.চ্ছ্ৰ.চ প্রথা আৰু জাতিৰ ধর্মনিৰপেক্ষ মাত্রা

ৰৰ.প্ত শ্রেণী

ৰৰ.প্ত.ৰ কৃষিভিত্তিক সমাজত শ্রেণী

ৰৰ.প্ত.চ উদ্যোগিক সমাজত শ্রেণী

ৰৰ.ছ সামন্ত প্রথা

ৰচ.ছ.ৰ সামন্ত প্রথাত পদানুক্রম

ৰচ.ছ.চ সামন্ত প্রথাৰ সমাজতাত্ত্বিক ব্যাখ্যা

ৰৰ.জ্জ লিংগ

ৰচ.জ্জৰ নাৰীবাদ, লিংগ আৰু সামাজিক স্তৰীকৰণ

ৰচ.জ্জচ লিংগবাদ আৰু কর্ম

ৰৰজ্জ্ব অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

ৰৰ.জ্ঞ অধিক জানিবলৈ

ৰৰ.ৰজ্ঞ অগ্রগতিৰ খতিয়ান

ৰৰ.ৰৰ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সামাজিক স্তৰৰায়নৰ বিভিন্ন আধাৰৰ সৈতে পৰিচিত হ'ব পাৰিব
- কি কি পদ্ধতিৰ জৰিয়তে এই আধাৰ সমূহৰ ওপৰত ভিত্তি কৰি সামাজিক স্তৰীকৰণ

হয় সেইটো জানিব পাৰিব

- সামাজিক স্তৰীকৰণৰ ইতিহাস গম পাব
- সামাজিক স্তৰীকৰণৰ বিভিন্ন প্ৰকাৰ্য আৰু গাঁথনি ব্যাখ্যা কৰিব পাৰিব।

১১.২ পৰিচয়

সামাজিক স্তৰীকৰণ বুলিলে এখন নিৰ্দিষ্ট সমাজৰ মানুহক তেওঁলোকৰ কৰ্ম, মৰ্যাদা, আয় আদিৰ ওপৰত ভিত্তি কৰি বিভিন্ন গোটত বিভাজন কৰাকে বুজায়। এনেদৰে এখন সমাজৰ মানুহক বিভিন্ন গোটত ভাগ কৰাৰ কাৰণবোৰ হ'ল — শ্ৰমৰ বিভাজন, সম্পদৰ বিতৰণ আৰু অগ্ৰাধিকাৰ। সামাজিক স্তৰীকৰণৰ এটা উল্লেখযোগ্য দিশ হ'ল পৃথিৱীৰ বিভিন্ন সমাজত বিভিন্ন ৰূপত স্তৰীকৰণৰ ই বিদ্যমান। সামাজিক স্তৰীকৰণৰ ভিন্নতাৰ কাৰণ হ'ল পৃথিৱীৰ বিভিন্ন সমাজত মানুহৰ অগ্ৰাধিকাৰৰ ভিত্তিক বেলেগ বেলেগ। কিছুমান সমাজত স্থাৱৰ আৰু কিছুমান সমাজত অস্থাৱৰ উপাদানক মানুহে প্ৰাধান্য দিয়ে। কিছুমান সমাজত মানুহে হয়তো এজন লোকৰ আয়ৰ ওপৰত গুৰুত্ব দি তেওঁক অগ্ৰাধিকাৰ দিব পাৰে। আনহাতে আন কিছুমান সমাজত এজন লোকৰ প্ৰস্থিতি নিৰ্ণয়ৰ জোখ তেওঁৰ আয় হ'ব পাৰে। আন এখন সমাজত ব্যক্তি বিশেষৰ ধাৰ্মিক শুদ্ধতাৰ ওপৰত অগ্ৰাধিকাৰ দিয়া হ'ব পাৰে। এখন সমাজত এজন লোকৰ মৰ্যাদা নিৰূপণ কৰিবৰ কাৰণে গ্ৰহণ কৰা এই ধৰণৰ অগ্ৰাধিকাৰৰ ভিত্তিতেই সামাজিক স্তৰীকৰণ হয়। এনেদৰেই জাতি, বৰ্ণ, ধৰ্ম, সম্পত্তি আদি স্তৰবোৰৰ সৃষ্টি হয়। এখন সমাজৰ সামাজিক স্তৰ বিভাজন জটিলতাৰ মাত্ৰা, বিভাজন সৃষ্টি হোৱা কাৰণ, সমাজত এনে বিভাজনে সম্পাদন কৰা প্ৰকাৰ্য আৰু যিখন সমাজত এই স্তৰীকৰণবোৰ প্ৰোথিত, সেই সমাজখনৰ প্ৰকৃতি অনুসৰি স্তৰীকৰণ পদ্ধতিবোৰ ভিন ভিন হয়। এতিয়া আমি সামাজিক স্তৰ বিভাজনৰ বিভিন্ন পদ্ধতিৰ সৈতে জড়িত সামাজিক স্তৰীকৰণৰ আধাৰসমূহ বিশ্লেষণ কৰি চাও আহক —

১১.৩ গোষ্ঠী

গোষ্ঠীৰ ধাৰণাই এখন সমাজৰ স্তৰ বিভাজনৰ এক কাৰণ হিচাপে কাম কৰে। এটা গোটৰ মানুহৰ মাজত থকা কিছু উমৈহতীয়া বৈশিষ্ট্য বুজাবলৈ গোষ্ঠীৰ ধাৰণাটোৰ অৱতাৰণা কৰা হয়। ভৌগোলিক সাদৃশ্যতা থকা অথবা একেই ভৌগোলিক অঞ্চলৰ বাসিন্দাৰ গোটবোৰে এটা গোষ্ঠীৰ অন্তৰ্ভুক্ত হ'ব পাৰে। উদাহৰণ হিচাপে আমি আৰ্য গোষ্ঠীৰ নাম ক'ব পাৰোঁ। গোষ্ঠীৰ স্তৰীকৰণৰ ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ আধাৰ হ'ল শাৰীৰিক অৱয়ৱৰ সাদৃশ্যতা। যেতিয়া এটা গোটৰ মানুহক তেওঁলোকৰ ছালৰ বৰণ, চুলিৰ দৈৰ্ঘ্যতা আৰু ঘনত্ব, লাওখোলাৰ আকাৰ আৰু আকৃতি, শৰীৰৰ গঠন আদিৰ ওপৰত ভিত্তি কৰি কোনো এক নিৰ্দিষ্ট গোটত অন্তৰ্ভুক্ত কৰা হয় তাকেই গোষ্ঠী বুলিব পাৰি। গোষ্ঠীৰ বিভাজন বিশেষকৈ শাৰীৰিক অৱয়ৱ আৰু

গঠনৰ ওপৰত ভিত্তি কৰিয়ে কৰা হয়।

মেয়েৰৰ 'ক'নভাৰচেশ্যন লেক্সিক'ন' (Konversation– Lexicon) নামৰ গ্ৰন্থখনৰ মতে মানৱ সমাজত মূলতঃ তিনিটা গোষ্ঠীৰ অস্তিত্ব আছে— মংগোলীয়, ককেছীয় আৰু নিগ্ৰো। পিচলৈ অন্য এটা গোষ্ঠী— অষ্ট্ৰীয়ও এই তালিকাৰ অন্তৰ্ভুক্ত হৈছে। এই গোষ্ঠীসমূহৰ অন্য উপভাগো পোৱা যায়।

অৱশ্যে নৃতত্ত্ববিদ অথবা সমাজতত্ত্ববিদসকলে কেৱল শাৰীৰিক গঠন আৰু অৱয়ৱৰ সাদৃশ্যকেই গোষ্ঠী এটা সৃষ্টি হোৱাৰ একমাত্ৰ কাৰণ বুলি নাভাবে। শাৰীৰিক অৱয়ৱ আৰু গঠনৰ সাদৃশ্যবোৰ সমাজত স্বীকৃত হ'লেহে ই এক গোষ্ঠীৰ মৰ্যাদা পাব পাৰে। ৰে'মণ্ড ফ'ৰ্থ (Raymond Firth)-এ মন্তব্য আগবঢ়াইছে যে গোষ্ঠীবোৰ নিৰূপণ হয় সামাজিক (অথবা সাংস্কৃতিক) বৈশিষ্ট্য অনুসৰিহে। এই বৈশিষ্ট্যবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল— পৰম্পৰাগতভাৱে মানুহক দিয়া মৰ্যাদা, মূলৰ বিভিন্নতা আৰু ক্ৰমাগতভাবে বৃদ্ধি পোৱা অসমতা। গোষ্ঠী আৰু গোষ্ঠীবাদ কেনেদৰে সামাজিক স্তৰীকৰণৰ লগত জড়িত হৈ পৰিল, সেয়া আমি পিচৰ পৰ্যায়ত আলোচনা কৰিম।

১১.৩.১ গোষ্ঠী আৰু গোষ্ঠীবাদ

যদিও ইতিহাসৰ বিভিন্ন যুগত বিভিন্ন গোষ্ঠী থকাৰ উদাহৰণ পোৱা যায় তথাপিও গোষ্ঠীৰ ধাৰণাৰ ওপৰত ভিত্তি কৰি সামাজিক অসমতাৰ উৎপত্তি হৈছিল বহু পাচতহে। গোষ্ঠীৰ ধাৰণা নাইবা দৰ্শনৰ ওপৰত ভিত্তি কৰি মানুহক বিভিন্ন গোটত বিভাজন কৰাৰ যি প্ৰথা তাকেই গোষ্ঠীবাদ বুলিব পাৰি। কিছুমান গোটৰ মানুহক শাৰীৰিক গঠন, শক্তি আদিৰ ওপৰত ভিত্তি কৰি তুলনামূলকভাবে দুৰ্বল বুলি জ্ঞান কৰা হয়। গোষ্ঠীবাদৰ এনে ধাৰণা বহু প্ৰাচীন আৰু বিস্তৃত। বিভিন্ন সমাজতত্ত্ববিদ আৰু নৃতত্ত্ববিদে গোষ্ঠীবাদৰ উৎপত্তি আৰু বিকাশ সম্বন্ধে তেওঁলোকৰ মন্তব্য দাঙি ধৰিছে। প্ৰাচীন গ্ৰীচ আৰু ৰোমত ক্ৰীতদাস প্ৰথাই সামাজিক অসমতাৰ সৃষ্টি কৰিছিল। এই প্ৰথাৰ ফলত 'মালিক' আৰু 'দাস' নামে সমাজত দুই ধৰণৰ গোটৰ সৃষ্টি হৈছিল যিয়ে অসমতাৰ সৃষ্টি কৰিছিল। বহুতো তত্ত্ববিদে বিশ্বাস কৰে যে 'ধৰ্মও' গোষ্ঠীবাদৰ ধাৰণাৰ উৎপত্তিৰ সৈতে জড়িত। যি গোষ্ঠীৰ মানুহ যুদ্ধত হাৰিছিল, তেঁওলোক সামাজিক অথবা ৰাজনৈতিক শোষণৰ সন্মুখীন হৈছিল। সেই গোষ্ঠীৰ মানুহক অযোগ্য আৰু পাপী বুলিও জ্ঞান কৰা হৈছিল। ধৰ্মৰ ওপৰত ভিত্তি কৰিয়েই **ৰ্ব** আৰু **ৰচ্ছ্র** শতিকাৰ পৰা ইহুদীসকলক বৈষম্যমূলক দৃষ্টিৰে চোৱা হৈছিল। ধৰ্মীয় বিশ্বাস অথবা দৰ্শনৰ ওপৰত ভিত্তি কৰি সৃষ্টি হোৱা গোষ্ঠীবাদী বৈষম্য আজিৰ আধুনিক সমাজতো পৰিলক্ষিত হয়। এই ধাৰণাসমূহৰ উপৰি গোষ্ঠীবাদৰ ধাৰণাৰ উৎপত্তি, বৃদ্ধি আৰু বিকাশৰ সৈতে ক্ৰমাগতভাবে বৃদ্ধি পোৱা পুঁজিবাদী আৰু ঔপনিৱেশিকতাবাদ ধাৰণাও জড়িত হৈ পৰিছে।

১১.৩.২ ঔপনিৱেশিকতাবাদ আৰু গোষ্ঠীবাদ

পুঁজিবাদী অৰ্থনীতিৰ দ্বাৰা আশীৰ্বাদপুষ্ট হৈ যেতিয়াৰ পৰা ঔপনিৱেশিকতাবাদৰ ধাৰা আৰম্ভ হ'ল তেতিয়াৰে পৰাই আফ্ৰিকা, এছিয়া আৰু তৃতীয় বিশ্বৰ দেশসমূহত শাসক আৰু শোষিতৰ মাজত অসমতা বৃদ্ধি হৈ গোষ্ঠীবাদৰ ধাৰণা দৃঢ়ভাৱে গা কৰি উঠিল। আটলাণ্টিক মহাসাগৰ হৈ আমেৰিকা, আফ্ৰিকা আৰু ইউৰোপৰ মাজত চলা দাসৰ কিনা-বেচাৰ বজাৰখনৰ কাৰণেও মানুহৰ মাজত অৰ্থনৈতিক আৰু শাৰীৰিক পাৰ্থক্যৰ সৃষ্টি হৈছিল। চিফালিক সূচ্যাংক (Cephalic Index) আৰু অন্য উপায়ৰ জৰিয়তে শাৰীৰিক অৱয়ৱ আৰু গঠনৰ পাৰ্থক্য নিৰ্ণয় কৰিব পৰাৰ সুবিধা আৰম্ভ হোৱাৰ লগে লগে মানুহৰ মাজত থকা পাৰ্থক্যবোৰক জন্মগত আৰু প্ৰাকৃতিক হিচাপে প্ৰমাণ কৰাৰ চেষ্টা চলিল। এনে ধৰণৰ মাপকাঠিৰে শ্ৰমৰ বিভাজন কৰি অনাগত দিনত উপনিৱেশবোৰৰ বিশাল বাগিছাবোৰত ক্ৰীতদাস নিয়োগৰ পথ প্ৰশস্ত কৰা হ'ল। সেয়ে কাৰ্ল মাৰ্ক্সে গোষ্ঠীবাদক এক সামাজিক প্ৰক্ৰিয়া হিচাপে গণ্য কৰিছে যিটোয়ে পুঁজিবাদ আৰু ক্ৰীতদাস প্ৰথাক বৰ্তাই ৰাখে। গোষ্ঠীবাদৰ ধাৰণাই সামাজিক স্বীকৃতি পোৱাৰ লগে লগে সামাজিক বৈষম্যতা বৃদ্ধি পাবলৈ ল'লে। আফ্ৰিকান আৰু ইউৰোপীয়ৰ মাজত বিবাহ সম্পূৰ্ণৰূপে নিষিদ্ধৰ কৰণৰ আইন প্ৰণয়ন কৰা হ'ল। ইয়াৰ উপৰি অন্য কিছুমান সামাজিক আৰু ৰাজনৈতিক আইন-কানুন সৃষ্টি কৰি বহুতো বাধা-নিষেধ আৰোপ কৰা হ'ল। শোষিতসকলৰ মাজৰ কোনোবাই নিয়ম ভংগ কৰিলে কঠোৰ শাস্তি প্ৰয়োগৰ ব্যৱস্থা কৰা হ'ল। ইয়াৰ উপৰি মৃত্যুদণ্ডৰ দৰে ভয়ানক শাস্তি বিহাৰ আইনো কাৰ্যকৰী কৰা হ'ল।

১১.৩.৩ গোষ্ঠীবাদৰ ধাৰাবাহিকতা

গোষ্ঠীবাদৰ এক শক্তিশালী ৰূপ দেখা গৈছিল জাৰ্মানীত । যেতিয়া নাজীবাহিনীয়ে ইহুদীমুক্ত দেশ গঢ়িবলৈ গণহত্যাৰ দৰে নৃশংস কাৰ্যসূচী হাতত লৈছিল। সাংস্কৃতিক জাতীয়তাবোধৰ নামতেই জাৰ্মানীত এনে ধৰণৰ চৰম গোষ্ঠীগত বৈষম্যৰ সৃষ্টি হৈছিল। জাতিৰ পবিত্ৰতা ৰক্ষা কৰাত বিজ্ঞানৰ আহিলা আৰু ন-ন আৱিষ্কাৰে জাৰ্মানীৰ নাজী বাহিনীক সহায় কৰিছিল। ইয়াৰ পৰা এইটো কথা প্ৰতীয়মান হ'ল যে, গোষ্ঠীগত বৈষম্য হ'ল এক সামাজিক আৰু সাংস্কৃতিক সৃষ্টি। ই কোনো ধৰণৰ প্ৰাকৃতিক প্ৰক্ৰিয়া নহয়।

ঔপনিৱেশিকতাবাদ মুক্ত তৃতীয় বিশ্বৰ দেশসমূহত নতুনকৈ সাৰ্বভৌমত্ব স্থাপন হোৱাৰ লগে লগে ক্ৰীতদাস প্ৰথাৰ বিলোপ সাধনৰ প্ৰচেষ্টা চলিল। বৈষম্যৰ বলি হোৱা মানুহসকলে গোষ্ঠীবাদ আৰু ইয়াক সামাজিক স্বীকৃতি দি এক প্ৰথা হিচাপে প্ৰতিষ্ঠা কৰাৰ প্ৰচেষ্টাবোৰৰ বিপক্ষে এক গোট হৈ থিয় দিলে। বিংশ শতিকাত দক্ষিণ

আফ্রিকাত গোষ্ঠীবাদ আৰু কৃষ্ণাংগসকলক ভোটাধিকাৰ নিদিয়াৰ বিপক্ষে যি বিদ্রোহৰ সূচনা হৈছিল তাৰ প্রভাৱে গোষ্ঠীসমূহৰ মাজত থকা প্রভেদ বহু পৰিমাণে দূৰ কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ উপৰি জাতিসংঘৰ স্থাপন আৰু মানৱ অধিকাৰ নীতিৰ ঘোষণায়ো গোষ্ঠীসমূহৰ মাজত থকা পাৰস্পৰিক বৈষম্য-বিদ্রোহ হ্রাস কৰিবলৈ বহু পৰিমাণে সক্ষম হয়।

অৱশ্যে সামাজিক আৰু সাংস্কৃতিক জীৱনৰ পৰা গোষ্ঠীবাদৰ বীজ আৰু শিপা সম্পূর্ণৰূপে উৎখাত কৰিবলৈ এতিয়াও কিছু সময় অপেক্ষা কৰিব লাগিব। জনজাতীয় গোটসমূহৰ অসমান বিভাজন আৰু অস্তিত্ব সুৰক্ষিত কৰি ৰখাৰ প্রৱণতাই গোষ্ঠীবাদৰ ধাৰণাক এতিয়াও বর্তাই ৰাখিছে । এইটো কাৰণতে মানুহৰ মাজত থকা বৈষম্যৰ এতিয়াও সম্পূর্ণৰূপে অৱসান ঘটা নাই।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৰঃ গোষ্ঠী বুলিলে কি বুজে?

.....

.....

প্রশ্ন নং চঃ গোষ্ঠীবাদ বুলিলে কি বুজে?

.....

.....

.....

প্রশ্ন নং ্ঃ দাসত্ব প্রথা বুলিলে কি বুজে?

.....

.....

.....

১১.৪ জাতি

'জাতি' শব্দটোৰ ইংৰাজী প্রতিকশব্দ হ'ল Caste । ইয়াৰ উৎপত্তি হৈছে পর্তুগীজ ভাষাৰ শব্দ Casta-ৰ (কাষ্টা) পৰা। এই শব্দটোৱে সেই ধৰণৰ লোক অথবা বস্তুক বুজায় য'ত ভিন্নতাৰ মিশ্রণ নাথাকে। এক প্রকাৰে যাক বিশুদ্ধ বুলিব পাৰি। অর্থৰ ফালৰ পৰা উক্ত Casta শব্দটো লেটিন ভাষাৰ শব্দ Castus-ৰ (কাষ্টুচ) সমকক্ষ। Castus মানে বিশুদ্ধ, নির্ভেজাল অথবা পবিত্র। জাতি ভিত্তিক বিভাজনে সেই গোটৰ মানুহখিনিক বুজায় যাৰ মাজত অন্তর্ৱর্তী বিশুদ্ধতা অটুট আছে। উদাহৰণ হিচাপে ক'ব পাৰি তেজৰ সম্পর্কৰ কথা। যিখিনি মানুহৰ তেজৰ ধৰণৰ সাদৃশ্য থাকে আৰু সমগোত্রীয় বৈবাহিক সম্পর্কৰ প্রচলন আছে তেওঁলোকক এটা জাতিৰ অন্তর্ভুক্ত কৰিব পাৰি। চি. বগ'ল্ (C. Bougle) ব্যাখ্যা আগবঢ়ায়

যে জাতিভেদ ব্যৱস্থাই গোটেই সমাজখনকে পুৰুষানুক্ৰমিকভাবে বিভিন্ন ভাগত ভগাইছে, এটা ভাগক আনটো ভাগৰ পৰা পৃথক কৰিছে আৰু ইটো ভাগত সিটো ভাগৰ লগত সংযুক্ত কৰিছে তিনিটা বৈশিষ্ট্যৰ দ্বাৰা।

জাতিভেদ প্ৰথাৰ দ্বাৰা বৈষম্য আৰু অসমতা সৃষ্টিৰ প্ৰক্ৰিয়া স্পেইন আদিৰ দৰে বিভিন্ন দেশতো বিদ্যমান যদিও ভাৰতীয় সমাজত প্ৰচলিত জাতিভেদ প্ৰথা পৃথক আৰু বিস্তৃত। উৎপত্তিৰ বিভিন্ন উৎস আৰু ব্যাখ্যা কৰাৰ বিভিন্ন প্ৰয়াস তথা প্ৰকাৰৰ কাৰণে ভাৰতবৰ্ষত জাতিভেদ প্ৰথা ইমান অনন্য। সেয়ে ইয়াৰ বিস্তৃতিও ব্যাপক। এতিয়া আমি পৰৱৰ্তী শিতানবোৰত ভাৰতীয় সমাজৰ জাতিভেদ প্ৰথাৰ বিষয়ে আলোচনা কৰিম।

১১.৪.১ বৰ্ণ আৰু জাতি

ভাৰতৰ জাতিভেদ প্ৰথাটোৰ উৎপত্তিৰ কথা ঋগবেদ আৰু পুৰুষাসূক্তা (Purushasukta) ৰ নামৰ গ্ৰন্থ দুখনৰ পৰা গম পোৱা যায়। এই গ্ৰন্থ দুখনৰ মতে প্ৰাচীন ভাৰতীয় হিন্দু সমাজক চাৰিটা বৰ্ণত ভাগ কৰা হৈছিল। বৰ্ণ মানে হ'ল বৰণ অথবা ৰং। প্ৰাচীন ভাৰতীয় সমাজৰ মানুহক ছালৰ বৰণ আৰু শাৰীৰিক অৱয়ৱ অথবা গঠনৰ ওপৰত ভিত্তি কৰি 'আৰ্য্য' আৰু 'দাস' এই দুটা ভাগত বিভক্ত কৰা হৈছিল। সেই বিভাজনৰ ভিত্তি আছিল আখ্যান। পৌৰাণিক পুথিসমূহত থকা বৰ্ণনা অনুসৰি মানুহৰ চাৰিটা বৰ্ণ হ'ল- (ৰ) ব্ৰাহ্মণ, (চ) ক্ষত্ৰিয়, (্) বৈশ্য, (চ্ছ্ৰ) শূদ্ৰ। এইটো বিশ্বাস কৰা হয় যে এই চাৰিওটা বৰ্ণৰ সৃষ্টি হৈছে হিন্দুসকলৰ আৰাধ্য দেৱতা পৃথিৱীৰ সৃষ্টিকৰ্তা বিষ্ণুৰ চাৰিটা অংগৰ পৰা। বিষ্ণুৰ শৰীৰৰ ভিন্ন অংগৰ পৰা সৃষ্টি হোৱা কাৰণে এই বৰ্ণসমূহৰ অন্তৰ্গত লোকৰ কৰ্মকুশলতাও বেলেগ বেলেগ হয়। এই কৰ্মকুশলতাই পৰৱৰ্তী পৰ্যায়ত শ্ৰমৰ বিস্তৃত বিভাজনত সহায় কৰিছিল। এই গোটেই শ্ৰম ব্যৱস্থাটোৰ লগত ভূমিকা, পুৰস্কাৰ আৰু শাস্তি আদিৰ ধাৰণাও জড়িত হৈ পৰিছিল। এই চাৰিওটা বৰ্ণক পদানুক্ৰমিকভাৱে সজাই লোৱা হৈছিল। ইয়াৰ ভেটি আছিল কৰ্মৰ বিভাজন। চতুবৰ্ণ অথবা এই চাৰিওটা বৰ্ণকেই ভাৰতীয় সমাজত জাতিভেদ প্ৰথাৰ উৎস বুলি গণ্য কৰা হয়।

এটা কথা মনত ৰখা ভাল যে বাস্তৱ সমাজত দেখা জাতিভেদ প্ৰথা আৰু ধৰ্মশাস্ত্ৰত উল্লেখ থকা বৰ্ণৰ ধাৰণাৰ মাজত বহুতো প্ৰভেদ আছে। ভাৰতীয় সমাজৰ ওপৰত অধ্যয়ন চলোৱা সমাজতত্ত্ববিদসকলে প্ৰকাশ কৰিছে যে এক ভাষিক গোষ্ঠীৰ ভিতৰত ন্যূনতম দুশটা জাতিৰ গোট থকাৰ সম্ভাৱনা থাকে । সেইবোৰক পুনৰ তিনি হাজাৰ সৰু সৰু গোটত বিভক্ত কৰিব পাৰি। উৎখাত কৰিব নোৱাৰা বৰ্ণবাদৰ দৰে জাতিভেদ প্ৰথাত বিভিন্ন সমাজত আৰু বিভিন্ন মাধ্যমৰ দ্বাৰা গতিশীলতা আৰু পৰিবৰ্তন সম্ভৱ। সেয়ে জাতিভেদ প্ৰথাৰ দ্বাৰা সৃষ্ট গোটসমূহ বৰ্ণবাদ প্ৰথাৰ জৰিয়তে সৃষ্ট গোটসমূহতকৈ অস্পষ্ট। সেই কাৰণে বহুতো সমাজতত্ত্ববিদে জাতি আৰু বৰ্ণৰ

মাজত পার্থক্য থকা বুলিও দাবী কৰে। তেওঁলোকৰ মতে 'বর্ণ' হ'ল শাস্ত্রত উল্লেখ থকা ধাৰণা আৰু জাতি হ'ল সেই ধাৰণাৰ বাস্তৱ কচৰৎ।

ওপৰত উল্লেখ কৰা চৰিত্রসমূহৰ ওপৰত ভিত্তি কৰি জি.এছ. ঘূৰাই (G. S. Ghurye)- এ জাতিভেদ প্রথাৰ তলত উল্লেখ কৰা বৈশিষ্ট্যসমূহ তুলি ধৰিছে—

- জাতিভেদ প্রথা হ'ল সমাজখনক বিভিন্ন সৰু সৰু খণ্ডত বিভক্ত কৰা প্রক্রিয়া।
- ই পদানুক্রমিকভাবে সমাজক বিভক্ত কৰে।
- ই খোৱা-লোৱাৰে পৰা আৰম্ভ কৰি সামাজিক মিলা-প্রীতিৰ ওপৰত বাধা-নিষেধ আৰোপ কৰে।
- জাতিভেদ প্রথাত কিছুমান সামাজিক আৰু ধর্মীয় নিষেধাজ্ঞা থাকে।
- জাতি অনুসৰি মানুহৰ সন্মুখত জীৱিকাৰ বিকল্প নাথাকে।
- জাতিবোৰে একে জাতিৰ মাজত বৈবাহিক সম্পর্ক স্থাপনৰ নিয়ম মানি চলে।

১১.৪.২ জাতিভেদ প্রথা আৰু জাতিৰ ধর্মনিৰপেক্ষ মাত্রা

সামাজিক স্তৰীকৰণৰ এক কাৰক হিচাপে জাতিভেদ প্রথাৰ ব্যাখ্যা কৰাৰ সময়ত ইয়াৰ বিধি-বিধান, ৰীতি-নীতি আৰু ধর্মনিৰপেক্ষতাৰ ধাৰণাৰ ওপৰতো গুৰুত্ব দিব লাগিব। এই কথাটো এম. এন. শ্রীনিবাস (M. N. Srinivas) আৰু তেওঁৰ উত্তৰসূৰী সমাজতত্ত্ববিদসকলে সমাজত আধিপত্য স্থাপন কৰা জাতিবিলাকৰ অধ্যয়নৰ প্রসংগত উল্লেখ কৰিছে। এটা জাতিৰ সামাজিক মর্যাদা স্থিৰ কৰাৰ ক্ষেত্রত দুই ধৰণৰ বৈশিষ্ট্য বিবেচনা কৰা হয়—

প্রথমটো হ'ল, স্বজাতিৰ ভিতৰতে বৈবাহিক প্রথা মানি চলা। ইয়াৰ দ্বাৰা জাতিৰ বিশুদ্ধতা ৰক্ষা কৰা হয়। ইয়াৰ উপৰি এই পৰম্পৰাই পূর্বপুৰুষৰ জীৱিকাৰ পদ্ধতিকেই বিধিগতভাবে অৱলম্বন কৰি জাতিলৈ আৰিহনা যোগোৱাত সহায় কৰে।

দ্বিতীয়তে, জাতিৰ সদস্য সংখ্যা বৃদ্ধিৰ জৰিয়তে ৰাজনৈতিক আৰু অর্থনৈতিক প্রভাৰ বিস্তাৰ কৰি অস্তিত্ব সুৰক্ষিত কৰে।

এই দুয়োটা বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰিয়েই এটা জাতিৰ সামাজিক প্রস্থিতি নিৰূপণ কৰা হয়।

ৰাজনৈতিক শক্তি; ক্ষমতা আৰু জনসংখ্যাৰ লেখীয়া কিছু ধর্মনিৰপেক্ষ উপাদানৰ প্রভাৱে জাতিভেদ প্রথাক গতিশীলতা প্রদান কৰে। সামাজিক জীৱনত কেতিয়াবা কোনো এটা জাতিক তুলনামূলকভাবে তলৰ অথবা নিম্ন স্থান দিয়া হ'লেও ৰাজনৈতিক আৰু অর্থনৈতিক প্রভাৱ আদিৰ দৰে ধর্মনিৰপেক্ষ উপাদানৰ কাৰণে ই আন জাতিবোৰৰ ওপৰত আধিপত্য বিস্তাৰ কৰিব পাৰে। ইয়াৰ উপৰি অন্য জাতিবোৰৰ মানুহৰ ধ্যান-ধাৰণা, আচৰণ, ধর্মীয় বিশ্বাস আদি অনুকৰণ কৰিও কোনো এটা জাতিয়ে নিজৰ উত্থান ঘটাবলৈ সক্ষম হয়। এম.এন. শ্রীনিবাস (M. N.

Srininas)- এ এই কার্যটোক সংস্কৃতায়ন বুলি অভিহিত কৰিছে।

ওপৰৰ আলোচনাৰ পৰা এইটো পৰিষ্কাৰ হ'ল যে, শ্রেণী বিভাজনৰ ভিত্তি হিচাপে জাতিভেদ প্রথাৰ বহুতো দিশ আৰু দৃষ্টিভংগী থাকিব পাৰে। 'জাতি'ৰ অর্থ আৰু সংজ্ঞাৰ পৰিসৰ সময়ৰ লগে লগে সলনি হৈছে। বর্তমানৰ জাতি আৰু জাতিভেদ সম্পর্কীয় ধাৰণা শাস্ত্রত উল্লেখ থকা ধাৰণাতকৈ বহু পৃথক। চৰকাৰী লোকপিয়লত জাতি অনুসৰি লোক গণনা কৰাৰ পদ্ধতি গ্রহণ কৰাৰ লগে লগে ভাৰতবর্ষৰ সমাজ ব্যৱস্থাত জাতিভেদৰ দ্বাৰা স্তৰীকৰণৰ অন্য এক দিশ মুকলি হোৱাৰ প্রসংগ উত্থাপিত হৈছে। ইংৰাজসকলৰ দিনৰ পৰাই এই ধৰণৰ লোকপিয়ল পদ্ধতিৰ সূচনা কৰা হৈছিল। আনহাতে ভাৰতীয় আইন ব্যৱস্থাত সকলো জাতিৰ লোকৰ কাৰণে সমান অধিকাৰৰ ব্যৱস্থা আৰু জাতিভেদ প্রথাত থকা অসমতা আৰু মর্যাদাৰ পদানুক্রমিক হস্তান্তৰ নীতিয়ে পাৰস্পৰিক বৈপৰীত্যৰ সৃষ্টি কৰিছে। এনেদৰেই জাতিভেদ প্রথাৰ আকাৰ, আকৃতি আৰু পৰিসৰ সময়ৰ অগ্রগতিৰ লগে লগে সলনি হৈ আছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং **চ্ছ্রঃ** ক'ৰ পৰা Caste শব্দটোৰ উৎপত্তি হৈছে?

.....

.....

প্রশ্ন নং **প্তঃ** 'বর্ণ' বুলিলে কি বুজে?

.....

.....

প্রশ্ন নং **ছঃ** 'জাতি' বুলিলে কি বুজে?

.....

.....

.....

১২.৫ শ্রেণী

শ্রেণী হ'ল সামাজিক স্তৰীকৰণৰ অন্য এক গুৰুত্বপূর্ণ আধাৰ। শ্রেণী বিভাজনৰ ধাৰণাটো বিস্তৃত হৈ পৰিছে **ৰজ্ঞা** শতিকাৰ পাচতহে। মানুহৰ আয় আৰু সম্পত্তিৰ ওপৰত ভিত্তি কৰি তেওঁক একোটা শ্রেণীৰ অন্তর্ভুক্ত কৰা হৈছিল। তেওঁৰ অর্থনৈতিক অৱস্থাৰ ওপৰত ভিত্তি কৰি সামাজিক মর্যাদা প্রদান কৰা হৈছিল। অৱশ্যে এতিয়ালৈকে কোনো সমাজতত্ত্ববিদে 'শ্রেণী'ৰ কোনো সর্বগ্রহণযোগ্য সংজ্ঞা দিবলৈ সক্ষম হোৱা নাই। এজন মানুহৰ সমাজৰ উৎপাদন ব্যৱস্থালৈ আগবঢ়োৱা বৰঙণি আৰু অর্থব্যৱস্থাত তেওঁৰ প্রস্থিতি আদিৰ ওপৰত

ভিত্তি কৰি কার্ল মার্ক্সে তেওঁক শ্রেণীৰ অন্তর্ভুক্ত কৰিছে। যিসকল লোক উৎপাদন প্রক্রিয়াৰ গৰাকী মার্ক্সে তেওঁলোকক সম্পত্তিশালী (Have) আৰু যিসকল লোক সেই প্রক্রিয়াৰ গৰাকী নহয় তেওঁলোকক সম্পত্তিহীন (Have nots) বুলি অভিহিত কৰিছে। কার্ল মার্ক্সৰ মতে সম্পত্তিৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা এই দুই ধৰণৰ শ্রেণী ইতিহাসৰ প্রতিটো স্তৰতেই বিদ্যমান। অৱশ্যে মার্ক্সৰ এই ধাৰণাটো পুঁজিবাদী সমাজ ব্যৱস্থাৰ লগতহে অধিক প্রযোজ্য। এই সমাজ ব্যৱস্থাত 'বুর্জোৱা' আৰু 'সর্বহাৰা' বুলি দুই ধৰণৰ শ্রেণী থাকে। 'বুর্জোৱা' শ্রেণীটোৱে উৎপাদন প্রক্রিয়া নিজৰ দখলত ৰাখে। তেওঁলোক হ'ল উদ্যোগ অথবা মূলধনৰ গৰাকী, অর্থাৎ মালিক। আনহাতে 'সর্বহাৰা' শ্রেণীৰ মালিকীস্বত্ব নাথাকে। তেওঁলোকে নিজৰ শাৰীৰিক শ্রমৰ বিক্রীৰ জৰিয়তে উৎপাদন প্রক্রিয়াৰ লগত জড়িত হৈ পৰে। উৎপাদন প্রক্রিয়াৰ মালিকীস্বত্ব নিজৰ হাতত ৰখাৰ প্রক্রিয়া আৰু মালিকীস্বত্ব নিজৰ হাতলৈ আনিব নোৱাৰাৰ কাৰণ হিচাপে মার্ক্সে আন কেতবোৰ ব্যক্তিনিষ্ঠ মাপকাঠিও (Subjective Criteria) শ্রেণীসংজ্ঞাত উল্লেখ কৰিছে। সেয়েহে , সম্পত্তিৰ অধিকাৰ তথা নিজ স্বার্থ আৰু শ্রেণী পৰিস্থিতি সম্পর্কে শ্রেণী সচেতনতাৰ অভাৱৰ ভিত্তিত কোনো এটা নির্দিষ্ট জাতিয়ে নিজে নিজকে শ্রেণী বুলি ধৰিব পাৰে অথবা এটা শ্রেণীত পৰিণত হ'ব পাৰে। মার্ক্সৰ মতে শ্রেণী বিভাজনৰ দ্বাৰা উদ্ভৱ হোৱা সামাজিক বৈষম্য আৰু অসমতা সমাজত ইমান গভীৰভাৱে শিপাই থাকে যে সমাজৰ গতিশীলতা আৰু পৰিবর্তন সুনিশ্চিত কৰিবৰ কাৰণে এই দুই শ্রেণীৰ মাজত দ্বন্দ্ব অপৰিহার্য। সেই কাৰণে ঐতিহাসিক সামাজিক পৰিবর্তনৰ বাবে শ্রেণী সংগ্রাম প্রয়োজনীয় বুলি কোৱা হয়।

মার্ক্সবাদী ধাৰণাৰ বিপৰীতে মেক্স ৱেবাৰ (Max Weber)-এ শ্রেণী বিভাজনৰ কাৰণ হিচাপে বজাৰ নির্ভৰ অর্থব্যৱস্থা আৰু মানুহৰ ভাগ্যকেই (life chances) দায়ী কৰিছে। তেওঁৰ শ্রেণী বিভাজন মতে সমাজত দুই ধৰণৰ মালিক থাকে। এচাম হ'ল বজাৰৰ পৰা আয় তথা লাভ উপার্জন কৰা উৎপাদনৰ গৰাকী আৰু আনটো চাম হ'ল সেইসকল উৎপাদনৰ মালিক যি সকলে কেৱল জীৱন ধাৰণ কৰিবলৈহে ভূমি অথবা মূলধন ব্যৱহাৰ কৰে। যিসকল মানুহে বজাৰৰ পৰা আয় আৰু লাভ সংগ্রহ কৰে তেওঁলোকৰ জীৱন নির্বাহৰ পদ্ধতি উন্নত মানৰ। সেই ফালৰ পৰা মেক্স ৱেবাৰ (Max Weber) -ৰ শ্রেণীৰ সংজ্ঞাটো বস্তুনিষ্ঠ উপাদানৰ ওপৰত ভিত্তি কৰি গ্রহণ কৰা বুলি ক'ব পাৰি।

ইয়াৰ উপৰি 'শ্রেণী' বিষয়ক ভিন্ন সংজ্ঞা ডব্লিউ.এল. ৱার্ণাৰ (W. L. Warner) আৰু এণ্টনীগিদেনচ্ (Anthony Giddens) ৰ দৰে সমাজতত্ত্ববিদেও দাঙি ধৰিছে। সামাজিক স্তৰীকৰণৰ এক কাৰক হিচাপে 'শ্রেণী'ৰো বিভিন্ন মাত্র আৰু প্রকাৰ আছে।

১১.৫.১ কৃষিভিত্তিক সমাজত শ্রেণী বিভাজন

যিহেতু শ্রেণীৰ নির্ধাৰণ বিশেষতঃ আয় আৰু সম্পত্তিৰ ওপৰত ভিত্তি কৰিয়েই কৰা হৈছিল সেয়ে শ্রেণী বিভাজনৰ সামাজিক পদানুক্রমটোও নির্ভৰ কৰিছিল

আয়ৰ ওপৰতেই। এইবোৰ কাৰণতে শ্ৰেণী বিভাজনৰ ক্ষেত্ৰত কৃষিভিত্তিক সমাজ আৰু উদ্যোগভিত্তিক সমাজৰ মাজত ভিন্নতা দেখা যায়। কৃষিভিত্তিক সমাজত শ্ৰেণী এটাৰ সৃষ্টি হয় খেতিমাটিৰ মালিকীস্বত্ব আৰু খেতিমাটিৰ ব্যৱহাৰৰ পৰিমাণৰ ওপৰত ভিত্তি কৰি। অৰ্থনীতিবিদ আডাম স্মিথ আৰু ডেভিদ ৰিকার্ডোই কৃষিভিত্তিক সমাজত তলত উল্লেখ কৰা শ্ৰেণীসমূহ থাকে বুলি কৈছে—

- **মালিক অথবা জমিদাৰ ঃ** এই শ্ৰেণীৰ লোকসকলৰ খেতিমাটিৰ পৰিমাণ বেছি। তেওঁলোক যথেষ্ট পৰিমাণৰ মাটিৰ মালিক। তেওঁলোকৰ হাতত তেনে মাটিত খেতি কৰাবে পৰা আৰম্ভ কৰি মাটি বিক্ৰী কৰালৈকে সম্পূৰ্ণ ক্ষমতা থাকে। সেয়েহে এই শ্ৰেণীৰ লোকসকলৰ তুলনামূলকভাবে অন্য শ্ৰেণীৰ লোকসকলতকৈ অৰ্থনৈতিক ক্ষমতা বেছি।
- **ৰায়ত ঃ** এই শ্ৰেণীৰ লোকসকলে জমিদাৰৰ পৰা মাটি ধাৰলৈ লৈ তাত খেতি কৰে। উৎপাদিত শস্যৰ কোনো এটা অংশ তেওঁলোকে লাভ কৰিলেও সেই মাটি সংক্ৰান্তীয় কোনো ধৰণৰ সিদ্ধান্ত লোৱাৰ অধিকাৰ তেওঁলোকৰ নাথাকে।
- **বনুৱা ঃ** এওঁলোকে মজুৰিৰ বিনিময়ত খেতিপথাৰত কাম কৰে। বণুৱাবোৰ ভূমিহীন। তেওঁলোকৰ কোনো স্থায়ী নিযুক্তি নহয়। বিভিন্ন খেতিত বিভিন্ন লোকৰ লগত কাম কৰি এই শ্ৰেণীৰ লোকে মজুৰি মোকলাব লগা হয়। এওঁলোকৰ উপাৰ্জনৰ কোনো নিশ্চয়তা নাথাকে আৰু উপাৰ্জনো স্থিৰ নহয়। সেয়েহে কৃষিভিত্তিক সমাজত এওঁলোকৰ স্থান সকলোতকৈ তলত।

ওপৰত উল্লেখ কৰা শ্ৰেণী বিভাজনৰ ওপৰত ভিত্তি কৰি ডেনিয়েল থৰ্নাৰ (Daniel Thorner) আৰু আন্দ্ৰে বেটেলী (Andre Beteille)এ ভাৰতৰ কৃষিভিত্তিক সমাজক তলত দিয়া ধৰণে বিভাজিত কৰিছে—

- **জমিদাৰ অথবা মালিক ঃ** মাটিৰ গৰাকী, যাৰ ওচৰত যথেষ্ট পৰিমাণৰ মাটি থাকে।
- **কৃষক ঃ** ৰায়ত অথবা যাৰ ওচৰত সামান্য পৰিমাণৰ মাটি থাকে।
- **মজদুৰ ঃ** শ্ৰমিক।

১১.৫.২ উদ্যোগভিত্তিক সমাজত শ্ৰেণী

উদ্যোগভিত্তিক সমাজত উদ্যোগৰ মালিকীস্বত্ব আৰু উৎপাদনৰ ওপৰত ভিত্তি কৰি শ্ৰেণী বিভাজন কৰা হয়। এই শ্ৰেণী বিভাজনৰ ভিত্তি হ'ল—

- উৎপাদনৰ আহিলাৰ মালিকীস্বত্ব।
- কৰ্মৰ প্ৰকাৰ।
- কৰ্মীসকলৰ আয়।

সেই কাৰণেডব্লিউ. ডব্লিউ. ৰ্বিৰ্চলৰ্চস্কি (W. W. Wesoloswshi),ৰাল্‌ফ ডৰেনড্ৰ'ফ (Ralf Dahrendrof) আৰু ৰেম'ন আৰ'ন (Raymon Aron) আদিৰ দৰে সমাজতত্ত্ববিদে উদ্যোগ প্রধান সমাজবোৰক শ্বেত শ্রমিক (White colour worker) আৰু নীল শ্রমিক (Blue colour worker) নামে দুটি ভাগত ভগাইছে। শ্বেত শ্রমিকসকলক মেনেজাৰ অথবা বিষয়া আদিৰ দৰে চাকৰিত নিযুক্তি দিয়া হয়। আনহাতে নীল শ্রমিকসকলক হস্তচালিত কামত নিযুক্তি দিয়া হয়। এই দুই শ্রেণীক আকৌ তলত দিয়া ধৰণেৰে বিভক্তি কৰিব পাৰি—

- শ্বেত বিদ্বৎ শ্রমিক।
- প্রশিক্ষিত শ্রমিক।
- নিম্নখাপৰ শ্বেত শ্রমিক ।
- প্রশিক্ষণহীন শ্রমিক।

ওপৰত উল্লিখিত শ্রেণী বিভাজনৰ ধাৰণাটোমেক্স ৰেবাৰ (Max Weber)-ও মানি লৈছে। ইয়াৰ উপৰি সমাজ বিশেষৰ অর্থনৈতিক আৰু অন্য কেতবোৰ নীতিৰ ওপৰত ভিত্তি কৰিও বিভিন্ন শ্রেণী বিভাজন কৰা হয়। সামাজিক শ্রেণী বিভাজনৰ এই ধাৰাই ব্যক্তিবিশেষৰ জীৱন ধাৰণৰ পদ্ধতিৰ ওপৰত যথেষ্ট প্রভাৰ পেলায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং **ক্ক** শ্রেণী মানে কি?

.....

.....

.....

প্রশ্ন নং **ক্কঃ** এজন লোকক শ্রেণীভুক্ত কৰাৰ ভিত্তি কি কি?

.....

.....

.....

প্রশ্ন নং **ক্কাঃ** কার্ল মার্ক্সে শ্রেণী সন্দর্ভত দিয়া মন্তব্যটো লিখক।

.....

.....

.....

১১.৬ সামন্ত প্ৰথা

সামন্তপ্ৰথাৰ উত্থানে শ্ৰেণী বিভাজনৰ ইতিহাসত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। সামন্তবাদে খেতিমাটিৰ উচিত ব্যৱহাৰৰ উপৰিও আৰ্থ-সামাজিক আৰু ৰাজনৈতিক ব্যৱস্থাক শক্তিশালী কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। যদিও সামন্তবাদ এছিয়া মহাদেশকে ধৰি পৃথিৱীৰ বিভিন্ন অঞ্চলত প্ৰচলিত আছিল তথাপিও মধ্যযুগৰ ইউৰোপৰ সামন্তবাদৰ ধাৰণাৰ পৰাহে আমি সামাজিক স্তৰীকৰণৰ প্ৰকৃত ব্যাখ্যা পাব পাৰো। প্ৰাচীন কালত যুদ্ধজয়ে বিজয়ী পক্ষক পৰাজিত পক্ষৰ মাটি দখল কৰি সাম্ৰাজ্য বিস্তাৰৰ সুবিধা প্ৰদান কৰিছিল। একোখন সাম্ৰাজ্য আৰু সেই সাম্ৰাজ্য পৰিচালনা কৰা সৈনিকবোৰৰ ভৰণ-পোষণৰ ব্যৱস্থা কৰা হৈছিল কৃষিক্ষেত্ৰৰ পৰা সংগ্ৰহ কৰা কৰ-কাটলৰ দ্বাৰা। কৃষকবোৰৰ ভাৰসাতেই বৰ্তি আছিল কৃষিভিত্তিক অৰ্থনীতিৰ ভেঁটি। এই কৃষকবোৰৰ সৰহভাগ আছিল যুদ্ধবন্দী আৰু যুদ্ধত পৰাস্ত হোৱা দেশৰ লোক যিয়ে নিজৰ ৰাজনৈতিক সাৰ্বভৌমত্ব বিজয়ী ৰজাজনৰ ওচৰত সমৰ্পণ কৰিছিল। সাম্ৰাজ্য বিস্তাৰৰ এনে ধৰণৰ প্ৰক্ৰিয়াই সামাজিক বৈষম্যৰ সৃষ্টি কৰিছিল আৰু সামন্তবাদৰ দৰে প্ৰথাৰ উত্থানত অৰিহণা যোগাইছিল।

১১.৬.১ সামন্ত প্ৰথাত পদানুক্ৰম

সামন্ত প্ৰথাত তলত দিয়া ধৰণৰ স্তৰীকৰণ পদ্ধতিৰ প্ৰচলন আছিল—

- শাসক শ্ৰেণী, যাক পুনৰ চৰকাৰী বিষয়া, ধৰ্মযাজক অথবা পণ্ডিত আদি গোটত বিভক্ত কৰা হৈছিল
- সৈনিক আৰু যোদ্ধা
- কাৰিকৰ
- কৃষক আৰু ভূমিদাস

সামন্তপ্ৰথাৰ শীৰ্ষস্থানত থকা ব্যক্তিগৰাকী হ'ল ৰজা। ৰজাই হ'ল দেশৰ মাটি আৰু সৈন্যবাহিনীৰ চূড়ান্ত মালিক। তেওঁৰ তলত থাকে সম্ভ্ৰান্ত লোকসকল অথবা বিভিন্ন প্ৰদেশৰ তলতীয়া ৰজাসকল। তাৰ তলত থাকে জিলাবোৰৰ শীৰ্ষ পদবীধাৰী। খেতিৰ মাটিৰ বাবদ কৃষকৰ পৰা কৰ আদায় কৰাৰ দায়িত্ব অৰ্পণ কৰা হৈছিল জমিদাৰসকলক। একে ধৰণৰ ক্ষমতা কেতিয়াবা ধৰ্মযাজক বা পণ্ডিতসকলৰ ওপৰতো ন্যস্ত কৰা হৈছিল। গুৰুত্বপূৰ্ণ ৰাজনৈতিক সিদ্ধান্তসমূহ সকলোৰে সন্মিলিত আলোচনাৰ জৰিয়তে গ্ৰহণ কৰা হৈছিল। এইসকল লোকেই ৰজাৰ ওপৰত আস্থা ৰাখি ৰজাৰ কৰ্তৃত্বক ন্যায্যতা প্ৰদান কৰিছিল। সেনা আৰু যোদ্ধাসমূহক দায়িত্ব দিয়া হৈছিল সাম্ৰাজ্যৰ প্ৰতিৰক্ষা আৰু যুদ্ধ-বিগ্ৰহজনিত কামবোৰত। একে সময়তে তেওঁলোকে সাম্ৰাজ্যৰ প্ৰসাৰ আৰু সাম্ৰাজ্যক শক্তিশালী কৰি ৰখাৰ ভূমিকা পালন কৰিছিল। এওঁলোকৰ পাচত স্থান লাভ কৰিছিল কৃষক আৰু শিল্পী অথৰা

কাৰিকৰসকলে। তেওঁলোকক সাধাৰণ নাগৰিকৰ মর্যাদা দিয়া হৈছিল। কাৰিকৰসকল আছিল প্রশিক্ষণপ্রাপ্ত শিল্পী অথবা কর্মী যিয়ে সৰু সৰু উদ্যোগত কাম কৰিছিল। বেতন অথবা মজুৰিৰ বিনিময়ত যিসকল লোকক কৃষিকার্যত নিযুক্তি দিয়া হৈছিল তেওঁলোকক ভূমিদাস অথবা বনুৱা বোলা হৈছিল। এওঁলোক আছিল সমাজৰ আটাইতকৈ নিম্ন পর্যায়ৰ বাসিন্দা। এই গোটেই বিভাজনটোকেই সামন্ত প্রথা বুলি কোৱা হয়।

১১.৬.২ সামন্ত প্রথাৰ সমাজতাত্ত্বিক ব্যাখ্যা

ওপৰত উল্লেখ কৰা সামন্তবাদৰ শৃংখলটোৰ পৰা সমাজতত্ত্বৰ বিভিন্ন ধাৰণা আহৰণ কৰিব পাৰি। সামাজিক বিভাজনৰ সামন্তবাদী শৃংখলাটোৰ পৰা এইটো বুজা যায় যে প্রথাটো সম্পূর্ণৰূপে শ্রমৰ বিভাজনৰ ওপৰত প্রতিষ্ঠিত। প্রতিটো শ্রেণীৰে অর্থনৈতিক আৰু ৰাজনৈতিক কার্যকলাপ নির্ধাৰিত হয় শ্রমৰ বিভাজন, মালিকীস্বত্ব আৰু ভূমিৰ ব্যৱহাৰৰ ওপৰত। কার্ল মার্ক্সৰ মতে এনে ধৰণৰ জটিল সামাজিক শৃংখলাই হ'ল পৰৱর্তী পর্যায়ত পুঁজিবাদী সমাজ সৃষ্টি হোৱাৰ মূল কাৰণ। সামন্তবাদৰ ভিত্তৰুৱা কাৰিকৰ অথবা শিল্পীসকলেই বজাৰমুখী অর্থ ব্যৱস্থা আৰু অকৃষিভিত্তিক কর্মৰ জৰিয়তে জীৰিকাৰ সম্ভাৱনা বৃদ্ধি কৰিছিল। ঘৰুৱা অর্থ ব্যৱস্থা আৰু কৃষিখণ্ডৰ পৰা আহৰণ কৰা আয়ে উদ্যোগ বিপ্লৱৰ কাৰণে আধুনিক প্রযুক্তিবিদ্যা সম্বলিত প্রয়োজনীয় মূলধন আহৰণত অৰিহণা যোগাইছিল। এই প্রক্রিয়াৰ দ্বাৰা সমাজ ব্যৱস্থাত আকৌ দুটা শ্রেণীৰ সৃষ্টি হৈছিল— বুর্জোৱা আৰু সর্বহাৰা। ওপৰৰ অধ্যয়নৰ পৰা এইদৰে ক'ব পাৰি যে সামন্তবাদৰ ওপৰত ভিত্তি কৰিয়েই এনে জটিল সামাজিক আৰু অর্থনৈতিক বিভাজনৰ সৃষ্টি হৈছিল। মেক্স ৱেবাৰ (Max Weber)-এ ইয়াৰ উপৰি সামন্তবাদৰ এক ৰাজনৈতিক দৃষ্টিভংগী এটা তুলি ধৰিছে। সামন্ত প্রথা এক সুন্দৰ ক্ষমতাৰ শৃংখল। ই এফালে ৰজাৰ হাতত ক্ষমতা কেন্দ্রীভূত কৰে আৰু আনফালে ক্ষমতাৰ বিকেন্দ্রীকৰণ আৰু বিতৰণো নিয়াৰিকৈ সম্পন্ন কৰে। পদানুক্রমিক প্রক্রিয়া আৰু পূর্বপুৰুষৰ জীৰিকাকেই গ্রহণ কৰাৰ প্রৱণতাই সামন্তপ্রথাৰ ভিতৰতো 'জাতি'বোৰত থকাৰ দৰে কিছুমান উমৈহতীয়া বৈশিষ্ট্যৰ সৃষ্টি কৰিছিল। মার্ক ব্লঁছ্ (Marc Bloch)-এ সামন্তপ্রথাৰ সংজ্ঞা আগবঢ়াইছে এনেদৰে— ই সামাজিক বান্ধোনৰ এখন জাল (a network of social ties) । এই জালখন আৰু বান্ধোনবোৰ আগৰ যিকোনো স্তৰায়ন প্রক্রিয়াতকৈ জটিল। সেয়ে সামন্তবাদ হ'ল মধ্যযুগৰ সামাজিক স্তৰায়নৰ এক বিশেষ প্রক্রিয়া।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং **ৰঙ্গঃ** সামন্ত প্রথা বুলিলে কি বুজে?

.....

.....

প্রশ্ন নং **ৰৰঃ** সামন্ত প্রথাত উপলব্ধ বিভিন্ন শ্রেণীৰ বিষয়ে উল্লেখ কৰক।

.....

.....

.....

প্রশ্ন নং **ৰচঃ** সামন্ত প্রথাত সামাজিক মর্যাদা অথবা প্রস্থিতি নির্ণয়ৰ প্রধান উপায় কি আছিল?

.....

.....

.....

১১.৭ লিংগ

লিংগ হ'ল এটা সামাজিক আৰু সাংস্কৃতিক ধাৰণা। জন্মগত শাৰীৰিক ভিন্নতা অনুসৰি মানুহৰ আচৰণগত বৈশিষ্ট্য বুজাবলৈ লিংগ শব্দটো ব্যৱহাৰ কৰা হয়। এই আচৰণবোৰ সামাজিকভাবে সৃষ্টি আৰু গ্রহণ কৰা হয়। মানুহে সেই আচৰণবোৰ মানি চলিব বুলি আশা কৰা হয়। লিংগৰ ধাৰণাৰ লগত জড়িত বিশেষ গোট এটাৰ পৰা সমাজে নির্ধাৰণ কৰি দিয়া আচৰণবোৰৰ প্রকাশ বিচৰা হয়। সেইকাৰণেই সামাজিক স্তৰীকৰণৰ ভিত্তি হিচাপে লিংগৰ ধাৰণা যথেষ্ট পৃথক। কাৰণ, লিংগভিত্তিক বিভাজনে বস্তুনিষ্ঠ উপাদান, যেনে— ভূমি, মূলধন, সম্পত্তি, ৰীতি-নীতি, জীৱিকা আদিৰ ওপৰত বেছি নির্ভৰ নকৰে। যিয়েই নহওক, লিংগ বৈষম্যৰ ওপৰত ভিত্তি কৰি হোৱা সামাজিক বিভাজনে সমাজৰ প্রতিজন মানুহৰ ওপৰতে প্রভাৰ পেলায়। ই ক্ষমতা আহৰণ, সম্পত্তি আহৰণ, সন্মান, মর্যাদা প্রাপ্তি আদিৰ ওপৰতো প্রভাৰ পেলায়।

১১.৭.১ নাৰীবাদ, লিংগ আৰু সামাজিক স্তৰীকৰণ

নাৰীবাদৰ ধাৰণাৰ পৰাই লিংগ আৰু স্তৰীকৰণৰ মাজৰ সম্পর্ক বুজিব পাৰি। নাৰীবাদে বিশ্বাস কৰে যে জন্মগত শাৰীৰিক গঠনৰ ভিন্নতাৰ ওপৰত ভিত্তি কৰি সামাজিক অসমতাৰ সৃষ্টি হৈছে। নাৰীবাদীসকলে এই অসমতা নির্মূলৰ হকে চেষ্টা কৰে। কিন্তু আনুষ্ঠানিক একৰূপী আইনৰ দ্বাৰা সকলো লিংগৰ লোককে

সামাজিক সমতা প্ৰদান কৰিব পৰা নাযায়। সমাজত প্ৰাচীনকালৰে পৰা পুৰুষে নাৰীৰ ওপৰত চলাই অহা আধিপত্যই অন্য লিংগৰ সামাজিক সম্পদ প্ৰাপ্তিৰ সুবিধা বিভাজিত আৰু সীমিত কৰিছে। পুৰুষৰ আধিপত্যৰ কাৰণে বহু শতিকাজুৰি নাৰীসকলে নিজৰ অধিকাৰ সাব্যস্ত কৰাত ব্যৰ্থ হৈছে। চিম'ন ডি ব্যু (Simon de Beavoir) এ এগৰাকীনাৰীৰ পৰা গৌণ লিংগ (second sex) হিচাপে সমাজে আশা কৰা বিভিন্ন ভূমিকা বিশ্লেষণ কৰি এই কথা প্ৰতিপন্ন কৰিছে। তেওঁ মন্তব্য কৰিছে যে, এগৰাকী নাৰীক নাৰীৰ ভূমিকা ল'বৰ কাৰণে সমাজখনে বাধ্য কৰে। পুৰুষপ্ৰধান সমাজে সকলো নীতি-নিয়ম পুৰুষৰ সপক্ষে সৃষ্টি কৰি লৈছিল। ই মানুহৰ মাজত অসমতা আৰু বৈষম্যৰ বীজ ৰোপণ কৰিছিল। সেই কাৰণেই কেৱল সংবিধান প্ৰদত্ত সমঅধিকাৰ আৰু সম্পত্তিৰ সমবিতৰণে পুৰুষ আৰু মহিলাৰ মাজত সমতাৰ সৃষ্টি কৰিব নোৱাৰে। সমাজত চলি থকা লিংগ বৈষম্যৰ সমস্যাসমূহ এই ধৰণৰ ব্যৱস্থাবোৰেও দূৰ কৰাত বিফল হৈছে। এই সমস্যাসমূহ নিৰ্মূল কৰিবলৈ হ'লে লিংগ বৈষম্যৰ ধাৰণা আৰু প্ৰকৃতি সম্বন্ধে মানুহ সচেতন হ'ব লাগিব আৰু পূৰ্বৰ ধাৰণাসমূহৰ পুনৰ বিশ্লেষণ তথা সংশোধনৰ ব্যৱস্থা ল'ব লাগিব।

১১.৭.২ লিংগবাদ আৰু কার্য

লিংগ বৈষম্যৰ এটা প্ৰধান কাৰণ হ'ল লিংগবাদ। ই কোনো এক বিশেষ লিংগৰ মানুহৰ ওপৰত শাৰীৰিক গঠন আৰু অৱয়ৱৰ ভিত্তিত চলা শোষণক বুজায়। সমাজত সাধাৰণতে মহিলাসকলেই এনে শোষণৰ সন্মুখীন হোৱা দেখা যায়। সাধাৰণতে পুৰুষক মহিলাসকলৰ তুলনাত শাৰীৰিক আৰু মানসিকভাবে বেছি শক্তিশালী বুলি ধৰা কৰা হয়। সেয়ে চাকৰিৰ ক্ষেত্ৰত পুৰুষক বেছি সক্ষম আৰু কার্যক্ষম বুলি বিবেচনা কৰি কঠিন কামত নিয়োজিত কৰা হয়। মহিলাসকলৰ সন্মুখত সদায় গুৰুত্বপূৰ্ণ পদবীসমূহত নিযুক্তি লাভ কৰাৰ বেলিকা এক অদৃশ্য বাধাৰ প্ৰাচীৰ থিয় হয়। সেয়ে বিভিন্ন বিভাগৰ শীৰ্ষ পদবীত মহিলা মকৰল কৰাৰ ক্ষেত্ৰতো হীন-দেঢ়ি দেখা যায়। পূৰ্বতে মহিলা কৰ্মচাৰীসকলক একেই পদবী অথবা কামৰ ক্ষেত্ৰত পুৰুষ কৰ্মচাৰীজনতকৈ কম দৰমহা দিয়াৰ ব্যৱস্থা আছিল। যিহেতু ঘৰুৱা কাম-কাজৰ কাৰণে মহিলাসকলক কোনো ধৰণৰ পাৰিশ্ৰমিক দিয়া নহৈছিল সেয়ে ঘৰুৱা কাম-কাজক কৰ্ম বুলি ধৰা নহৈছিল। লিংগ অনুসৰি সম্পত্তিৰ ওপৰত থকা অধিকাৰো ভিন্ন আছিল। কন্যা শিশুসন্তানক ল'ৰাসন্তানৰ তুলনাত পুষ্টিকৰ খাদ্য কমকৈ দিয়া হৈছিল। লিংগ বৈষম্যৰ উদাহৰণ পৰিয়ালৰ ভিতৰতেই দেখাপোৱা যায়। পৰিয়ালৰ ভিতৰতেই লিংগভিত্তিক কৰ্ম বিভাজনৰ উপৰি কন্যা সন্তানৰ ওপৰত বিভিন্ন অস্বাভাৱিক বাধা-নিষেধ আৰোপ কৰা দেখা যায়। পৰিয়ালৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণৰ সময়তো মহিলাৰ মন্তব্যক প্ৰধান্য দিয়া হোৱা নাছিল।

লিংগভিত্তিক বৈষম্যৰ প্ৰণৰতা এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ গতি কৰে। জন্মৰ পিচৰে পৰা শিশুক লিংগ অনুসৰি বিভাজিত কৰ্ম আৰু আচাৰ-ব্যৱহাৰ আহৰণ কৰিবলৈ শিক্ষা দিয়া হয়। এই আচাৰ-ব্যৱহাৰ মানি চলিবলৈ অসমৰ্থ হোৱা শিশুটিক সমালোচনা কৰাৰ উপৰি নিয়মবোৰ পুনৰ অভ্যাসৰ বাবে অনুপ্ৰাণিত কৰা হয়। শিশুক লিংগভিত্তিক বৈশিষ্ট্যসমূহ বুজাবলৈ প্ৰতিখন সমাজতে ভিন্ন ৰীতি-নীতিৰ প্ৰচলন আছে। এনেদৰে লিংগ বৈষম্যও সামাজিক বিভাজনৰ এক কাৰক হিচাপে চিহ্নিত হৈছে। ই অন্য সকলো স্তৰীকৰণ প্ৰক্ৰিয়াতকৈ পৃথক। লিংগ বৈষম্যৰ জৰিয়তে সামাজিক উপাদানৰ লগতে শাৰীৰিক উপাদানো সামাজিক স্তৰীকৰণৰ কাৰকত পৰিণত হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং **ৰ্বঃ** 'লিংগ' বুলিলে কি বুজে?

.....

.....

প্ৰশ্ন নং **ৰচ্ছ্রঃ** 'লিংগবাদ' মানে কি?

.....

.....

.....

প্ৰশ্ন নং **ৰপ্তঃ** 'লিংগ ভিত্তিক স্তৰীকৰণ' মানে কি?

.....

.....

.....



১১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- গোষ্ঠী, জাতি, শ্ৰেণী, সামন্তপ্ৰথা আৰু লিংগবৈষম্যৰ ধাৰণাৰ পৰা আৰম্ভ কৰি সামাজিক স্তৰীকৰণৰ বিভিন্ন আধাৰৰ বিষয়ে আমি এই অধ্যায়ত আলোচনা কৰিলোঁ।
- সামাজিক অসমতা বৃদ্ধিত এই ধাৰণাবোৰৰ প্ৰতিটোৱেই বিভিন্ন বৈশিষ্ট্য আৰু চৰিত্ৰেৰে অৰিহণা যোগায়।
- গোষ্ঠীবাদৰ ভিত্তি হ'ল মানুহৰ শাৰীৰিক অৱয়ব, আকাৰ আৰু আকৃতিৰ পাৰ্থক্য। আনহাতে জাতিৰ ধাৰণাটোৰ ভিত্তি হ'ল প্ৰথাগত বিশুদ্ধতা আৰু তেজৰ সম্পৰ্কৰ

বিশুদ্ধতা।

- জাতিৰ ধাৰণা সৃষ্টিৰ ভিত্তি হ'ল আয় আৰু সম্পত্তি। আনহাতে সামন্ত প্ৰথাৰ ভিত্তি হ'ল ভূমিৰ মালিকীস্বত্ব আৰু যুদ্ধ-বিগ্ৰহ।
- লিংগৰ ধাৰণা সামাজিক স্তৰীকৰণৰ এক পৃথক ধাৰণা। এজন লোকৰ ব্যক্তিত্ব, স্বভাৱ-চৰিত্ৰ আৰু আচৰণৰ ব্যক্তিনিষ্ঠ অথা বস্তুনিষ্ঠ মাপকাঠি হ'ল লিংগৰ ধাৰণা।
- সামাজিক স্তৰীকৰণৰ প্ৰতিটো উপাদানেই এক জটিল প্ৰক্ৰিয়া আৰু এই উপাদানবোৰৰ প্ৰতিটোৱে বিভিন্ন ৰূপ আৰু প্ৰকৃতি আছে।
- সামাজিক স্তৰীকৰণৰ কাৰকসমূহ এটাৰ পৰা আনটো বিচ্ছিন্ন নহয়। এই সকলোবোৰ কাৰকেই একেলগে একে সময়তে একেখন সমাজত সহাৱস্থান কৰিব পাৰে।
- সামাজিক স্তৰীকৰণৰ এই কাৰক সমূহৰ প্ৰভাৱ সমাজৰ প্ৰতিটো অংশতে বিদ্যমান।



১১.৯ অধিক জানিবলৈ

ৰ) Botto, Wendy social stratification : Social Division and Inequality Oxon : Rentledgs, 2005 Ghurye, G.S. and Race London Kigan Paul, 1932

চ) Grusky, David B. Soical stratification : Class, Race, Gender. Westview Press, 2000.



১১.১০ অগ্ৰগতিৰ খতিয়ান

ৰ নং **প্ৰশ্নৰ** উত্তৰ ঃ গোষ্ঠীৰ ধাৰণাই এখন সমাজৰ স্তৰ বিভাজনৰ এক কাৰণ হিচাপে কাম কৰে। এটা গোটৰ মানুহৰ মাজত থকা কিছু উমৈহতীয়া বৈশিষ্ট্য বুজাবলৈ গোষ্ঠীৰ ধাৰণাটোৰ অৱতাৰণা কৰা হয়। ভাষিক সাদৃশ্যতা থকা অথবা একেই ভৌগোলিক অঞ্চলৰ বাসিন্দাৰ গোটবোৰে এটা গোষ্ঠীৰ অন্তৰ্ভুক্ত হ'ব পাৰে। উদাহৰণ হিচাপে আমি আৰ্য গোষ্ঠীৰ নাম ক'ব পাৰোঁ। গোষ্ঠীৰ স্তৰীকৰণৰ ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ আধাৰ হ'ল শাৰীৰিক অৱয়ৱৰ সাদৃশ্যতা। যেতিয়া এটা গোটৰ মানুহক তেওঁলোকৰ ছালৰ বৰণ, চুলিৰ দৈর্ঘ্যতা আৰু ঘনত্ব, লাওখোলাৰ আকাৰ আৰু আকৃতি, শৰীৰৰ গঠন আদিৰ ওপৰত ভিত্তি কৰি কোনো এক নিৰ্দিষ্ট গোটত অন্তৰ্ভুক্ত কৰা হয় তাকেই গোষ্ঠী বুলিব পাৰি। গোষ্ঠীৰ বিভাজন বিশেষকৈ শাৰীৰিক অৱয়ৱ আৰু গঠনৰ ওপৰত

ভিত্তি কৰিয়ে কৰা হয়।

চ নং **প্ৰশ্নৰ** উত্তৰ ঃ গোষ্ঠীৰ ভিত্তিত কৰা সামাজিক স্তৰীকৰণ প্ৰক্ৰিয়াকেই গোষ্ঠীবাদ বোলা হয়।

ঞ নং **প্ৰশ্নৰ** উত্তৰ ঃ দাসত্ব প্ৰথা হ'ল এনে এক সামাজিক অৱস্থা য'ত এমুঠিমান মানুহৰ অন্য মানুহৰ মালিক হ'ব পৰা, মানুহ বেচা-কিনা কৰিব পৰা, মানুহক শৃংখলাৱদ্ধ কৰি তুলিব পৰা অথবা মানুহ সৱবৰাহ কৰিব পৰা অধিকাৰ আছে বুলি সামাজিক ভাৱে মানি লোৱা হয়।

ট্ছ নং **প্ৰশ্নৰ** উত্তৰ ঃ 'Caste' শব্দটো পৰ্তুগীজ ভাষাৰ শব্দ 'Casta'ৰ পৰা উদ্ভৱ হোৱা বুলি ধৰা হয়। ই সেই ধৰণৰ গোটৰ মানুহক বুজায় যাৰ মাজত কোনো সংমিশ্ৰণ ঘটা নাই। অৰ্থাৎ, এক প্ৰকাৰে যাক বিশুদ্ধ বুলিব পাৰি। অৰ্থৰ ফালৰ পৰা Casta শব্দটো লেটিন ভাষাৰ Castusৰ সমকক্ষ।

ণ্ড নং **প্ৰশ্নৰ** উত্তৰ ঃ 'বৰ্ণ শব্দটোৰ অৰ্থ হ'ল 'ৱৰণ'। ভাৰতৰ জাতিভেদ প্ৰথাটোৰ উৎপত্তি সম্পৰ্কে ঋগবেদ আৰু পুৰুষাসূক্ত (Purushasukta) নামৰ গ্ৰন্থ দুখনত উল্লেখ আছে।

ত নং **প্ৰশ্নৰ** উত্তৰ ঃ জাতিয়ে বাস্তৱ সমাজত প্ৰচলিত 'বৰ্ণ'ৰ ভিত্তিত হোৱা সামাজিক স্তৰীকৰণক বুজায়। ভাৰতীয় সমাজৰ ওপৰত অধ্যয়ন চলোৱা সমাজতত্ত্ববিদ সকলে প্ৰকাশ কৰিছে যে এক ভাষিক গোষ্ঠীৰ ভিতৰত ন্যূনতম দুশটা জাতি থাকিব পাৰে। সেইবোৰক পুনৰ তিনিহাজাৰ সৰু সৰু গোটত বিভক্ত কৰিব পাৰি।

জ্জ নং **প্ৰশ্নৰ** উত্তৰ ঃ 'শ্ৰেণী' হ'ল আয় আৰু সম্পত্তিৰ ভিত্তিত হোৱা মানুহৰ সামাজিক বিভাজন। 'শ্ৰেণীৰ' দ্বাৰা সৃষ্টি হোৱা বৈষম্য আধুনিক সমাজতো বিদ্যমান।

জ্ঞ নং **প্ৰশ্নৰ** উত্তৰ ঃ শ্ৰেণী বিভাজনৰ ভিত্তি হ'ল এজন মানুহে আহৰণ কৰা সম্পত্তি আৰু আয়।

জ্ঞ নং **প্ৰশ্নৰ** উত্তৰ ঃ এজন লোকে সেই সমাজৰ উৎপাদন ব্যৱস্থালৈ আগবঢ়োৱা বৰঙণি আৰু অৰ্থব্যৱস্থাত লাভ কৰা প্ৰস্থিতিৰ ওপৰত ভিত্তি কৰি কাৰ্ল মাৰ্ক্সে মানুহৰ শ্ৰেণী বিভাজন কৰিছে। যিসকল লোক উৎপাদন প্ৰক্ৰিয়াৰ গৰাকী তেওঁলোকক মাৰ্ক্সে সম্পদশালী আৰু যিসকল লোক সেই প্ৰক্ৰিয়াৰ অংশীদাৰ নহয় তেওঁলোকক সম্পত্তিহীন বুলি অভিহিত কৰিছে।

ৱজ্ঞ নং **প্ৰশ্নৰ** উত্তৰ ঃ সামন্ত প্ৰথা হ'ল সামাজিক স্তৰীকৰণৰ ৰূপ। ই ভূমিৰ মালিকীস্বত্ব আৰু ৰাজনৈতিক ক্ষমতাৰ বিতৰণক বুজায়।

ৱৰ নং **প্ৰশ্নৰ** উত্তৰ ঃ সামন্ত প্ৰথাৰ পদানুক্ৰমিক স্তৰীকৰণ প্ৰক্ৰিয়াত শাসক শ্ৰেণীক পুনৰ ধৰ্মযাজক, চৰকাৰী বিষয়া অথবা পণ্ডিত আদি গোটত ভাগ কৰা হয়। সৈনিক আৰু যোদ্ধা, কাৰিকৰ, কৃষক আৰু ভূমিদাস আদি হ'ল সমাজৰ আন আন শ্ৰেণী।

ৱচ নং **প্ৰশ্নৰ** উত্তৰ ঃ সামন্তবাদত সামাজিক স্থান নিৰ্ধাৰণ কৰাৰ প্ৰধান আহিলা হ'ল ভূমিৰ

বিতৰণ আৰু মালিকীস্বত্ব।

ৰু নং প্রশ্নৰ উত্তৰ ঃ লিংগই বিভিন্ন লোকৰ মাজত শৰীৰভেদে থকা আচৰনগত পার্থক্যকে বুজায়।

ৰচ্ছ্র নং প্রশ্নৰ উত্তৰ ঃ লিংগবাদে এক বিশেষ লিংগৰ লোকক আন লিংগৰ সদস্যই কৰা দমনক বুজায়। ই বিশেষকৈ মহিলা সকলৰ ওপৰত পুৰুষৰ শোষণৰ প্রক্রিয়াটোৰ কথা বুজায়।

ৰপ্ত নং প্রশ্নৰ উত্তৰ ঃ লিংগভিত্তিক স্তৰীকৰণ এনে এক প্রক্রিয়া যিটোৱে পুৰুষ আৰু মহিলা উভয়কে কিছুমান সামাজিক বিধি-বিধান, আচাৰ-আচৰণ মানি চলিবলৈ বাধ্য কৰায়।



১১.১১ আৰ্হি প্রশ্ন

ক) চুটি প্রশ্ন (ৰপ্তজ্ম শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ৰঃ গোষ্ঠীবাদ দাসত্ব প্রথাৰ লগত কেনেকৈ জড়িত?

প্রশ্ন চঃ জাতিৰ শাস্ত্রগত ধাৰণা আৰু বাস্তবিক ধাৰণাৰ মাজত পার্থক্য কি?

প্রশ্ন ্ঃ আধুনিক সমাজত ব্যক্তিৰ সামাজিক স্থান নিৰ্দ্ধপণত শ্রেণী বিভাজনৰ গুৰুত্ব কি?

খ) ৰচনাধর্মী প্রশ্ন (জ্ঞজ্ম-প্তজ্মজ্ম শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ৰঃ জাতি এক সামাজিক আৰু সাংস্কৃতিক সৃষ্টিহে, ই কোনো প্রাকৃতিক পৰিঘটনাৰ দ্বাৰা সৃষ্ট নহয়- বিশ্লেষণ কৰক।

প্রশ্ন চঃ সামাজিক স্তৰীকৰণৰ বিশেষ কিন্তু সর্বত্মক আধাৰ হিচাপে লিংগৰ বৈশিষ্ট্য বর্ণনা কৰক।

*** ***** ***

অধ্যায় ১২ ঃ সামাজিক পৰিৱৰ্তন

অধ্যায় গাঁথনি

ৰচ.ৰ উদ্দেশ্য

ৰচ.চ পৰিচয়

ৰচ.১ সামাজিক পৰিৱৰ্তনৰ ধাৰণা

ৰচ.১.ৰ বৈশিষ্টসমূহ

ৰচ.১.চ প্ৰক্ৰিয়া আৰু স্বৰূপ

ৰচ.১.১ প্ৰকাৰসমূহ

ৰচ.ছ্ৰ সামাজিক পৰিৱৰ্তনৰ আকাৰ

ৰচ.ছ্ৰ.ৰ বিৱৰ্তন

ৰচ.ছ্ৰ.চ প্ৰগতি

ৰচ.ছ্ৰ.১ উন্নয়ন

ৰচ.প্ত সামাজিক পৰিৱৰ্তনৰ কাৰক সমূহ

ৰচ.ছ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

ৰচ.জ্জ অধিক জানিবলৈ

ৰচ.জ্জ্ব অগ্ৰগতিৰ খতিয়ান

ৰচ.জ্ঞ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই আধ্যায়টি অধ্যয়ন কৰি আপুনি —

- সামাজিক পৰিৱৰ্তনসমূহ চিহ্নিত কৰিব পাৰিব
- সামাজিক পৰিৱৰ্তন গুণসমূহৰ ওপৰত ভিত্তি কৰি বিভিন্ন প্ৰকাৰৰ সামাজিক পৰিৱৰ্তনৰ পাৰ্থক্য নিৰ্ণয় কৰিব পাৰিব
- সামাজিক পৰিবৰ্তনৰ বিশেষ প্ৰকাৰ হিচাপে বিৱৰ্তন, প্ৰগতি আৰু বিকাশৰ বিষয়ে আলোচনা কৰিব পাৰিব
- সামাজিক পৰিৱৰ্তনৰ কাৰকসমূহ চিহ্নিত আৰু বিশ্লেষণ কৰিব পাৰিব।

১২.২ পৰিচয়

আমি এইটো দেখিবলৈ পাওঁ যে আমাৰ চৌপাশৰ পৃথিৱীখন পৰিৱৰ্তনশীল। বতৰ, গছ- গছনি ইত্যাদিৰ পৰিবৰ্তন হয়চ প্ৰাণীৰ জন্ম, বিকাশ আৰু ক্ষয় হয়। আপুনি আপোনাৰ পৰিয়াল, চুবুৰী, ৰাজ্য আৰু আনকি আমাৰ দেশত সংঘটিত হোৱা পৰিবৰ্তন সমূহৰ সাক্ষী।

পৰিবৰ্তন এটা বাস্তৱ সত্য। সমাজখনো পৰিৱৰ্তনৰ এটা বাস্তৱ সাক্ষী। ইয়াৰ আগৰ অধ্যায়টিত আমি স্তৰীকৰণৰ বিভিন্ন প্ৰকাৰ সমূহ আলোচনা কৰিলো। এই অধ্যায়টিত আমি সামাজিক পৰিবৰ্তনৰ অৰ্থ, ইয়াৰ গুৰুত্বপূৰ্ণ প্ৰকাৰসমূহ আৰু সামাজিক পৰিৱৰ্তন অনা কাৰকসমূহৰ বিষয়ে অধ্যয়ন কৰিম।

১২.৩ সামাজিক পৰিৱৰ্তনৰ ধাৰণা

এন্থনি গিডেঞ্চে সামাজিক পৰিৱৰ্তনক সময় সাপেক্ষে এটা বস্তু বা পৰিস্থিতিৰ অন্তৰ্নিহিত গাঁথনিৰ পৰিৱৰ্তন বুলি সংজ্ঞা নিৰূপণ কৰিছে। সমাজতত্ত্ববিদসকলে সামাজিক পৰিৱৰ্তনৰ ধাৰণাটোক বিভিন্ন প্ৰকাৰে আলোচনা কৰিছে। সমাজৰ কোনবিলাক পৰিৱৰ্তনক সামাজিক পৰিৱৰ্তন হিচাপে দেখুৱাৰ পাৰি তেওঁলোকে সেইটো উলিয়াবলৈ যত্ন কৰিছে। বিভিন্ন সূত্ৰৰ যোগেদি সামাজিক পৰিৱৰ্তন ব্যাখ্যা কৰিবলৈ চেষ্টা কৰা হৈছে। বিৱৰ্তনবাদ, প্ৰয়োজনাত্মক তত্ত্ব, সংঘাত তত্ত্ব আদি হল এনে কিছুমান সমাজতাত্বিক তত্ত্ব। এই তত্ত্বসমূহে সামাজিক পৰি ৱৰ্তনৰ বিশিষ্ট দিশসমূহৰ বিশ্লেষণ ভিন ভিন ধৰণে কৰিছে। ক্ৰিয়াত্মকবাদত বিশ্বাসীসকলে এই পৰিৱৰ্তনসমূহক সামাজিক পৰিৱৰ্তন হিচাপে বিবেচনা কৰে। অন্যহাতেদি ব্যৱস্থাটোৰ ভিতৰত হোৱা পৰিৱৰ্ত্তনক মূল গাথনিটো চলাই ৰাখিবৰ বাবে গাথনিটোৰ বিভিন্ন অংশৰ মাজত সামঞ্জস্য ৰখাৰ প্ৰক্ৰিয়া বুলি বিবেচনা কৰা হয়।

কিন্তু কি প্ৰকাৰৰ পৰিৱৰ্তনক 'গুৰুত্বপূৰ্ণ' হিচাপে বিবেচনা কৰা হ'ব আৰু কোনবিলাকক 'গৌণ' হিচাবে বিবেচনা কৰা হব সেই বিষয় লৈ যথেষ্ট মত পাৰ্থক্য আছে। তথাপিতো কিছু সংখ্যক সমাজতত্ববিদে ব্যৱস্থাটোৰ ভিতৰুৱা পৰিৱৰ্তনসমূহকে গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰে কাৰণ এনে ধৰণৰ পৰিৱৰ্তনসমূহে সময়ত ব্যাপক সামাজিক গাথঁনিটোকে সলনি কৰিব পাৰে। এইটো সংঘাত সূত্ৰৰ প্ৰবক্তাসকলে আগবঢ়োৱা যুক্তি। তেওঁলোকৰ মতে সকলোবোৰ সমাজতে, কিবা নহয় কিবা প্ৰকাৰৰ সংঘাত থাকেই। এইবিলাকে সামাজিক পৰিৱৰ্তনৰ ভিত্তিটোও নিৰ্মাণ কৰে। তথাপিতো এই কথাটো লৈ তত্ত্বসমূহৰ ভিতৰতো পাৰ্থক্য আছে যে সামাজিক পৰিৱৰ্তন হিচাপে স্বীকৃত হ'বলৈ কোনবিলাক পৰিৱৰ্তন গুৰুত্বপূৰ্ণ।

সামাজিক পৰিৱৰ্তনৰ ধাৰণাটোৰ আলোচনাৰ ক্ষেত্ৰত দৃষ্টিগোচৰ হোৱা এই ভিন্নতাৰ প্ৰতি লক্ষ্য ৰাখি আমি এতিয়া কেইটামান সংজ্ঞাৰ বিষয়ে পঢ়িম--

কিংচ্লে ডেভিচে কৈছে যে *সামাজিক পৰিৱৰ্তনে কেৱল সামাজিক সংগঠনৰ গাঁথনি আৰু কাৰ্য্যাৱলীত হোৱা পৰিৱৰ্তনসমূহক বুজায়।*এম. ই. জেঞ্চৰ মতে, *"সামাজিক পৰিবৰ্ত্তনে সামাজিক প্ৰক্ৰিয়া, সামাজিক আৰ্হি সামাজিক আদান প্ৰদান বা সামাজিক সংগঠনৰ যিকোনো দিশতে হোৱা তাৰতম্য বা সংশোধনক বৰ্ণনা কৰে।"*

১২.৩.১ বৈশিষ্ট্যসমূহ

যদিওবা সমাজতত্ত্ববিদ সকলে সামাজিক পৰিৱৰ্তনৰ ধাৰণাটোৰ বিষয়ে ভিন্ন মত পোষণ কৰে, তথাপিতো তেওঁলোকে তলত উল্লেখ কৰা দিশ কেইটাৰ ক্ষেত্ৰত সহমত পোষণ কৰে—

- পৰিৱৰ্তনৰ প্ৰসঙ্গ সময়ৰ লগত জড়িত। এইটোৱে এটা বিশেষ সময়ৰ আগত সামাজিক পৰিস্থিতিটো কেনে আছিল আৰু সেই সময়ৰ পিছত পৰিস্থিতিটো কেনে হ'ল তাকে বুজায়।
- সময়ৰ লগে লগে প্ৰত্যেকখন সমাজ আৰু সামাজিক পৰিস্থিতিলৈ পৰিৱৰ্তন নামি আহে। সামাজিক পৰিৱৰ্তন এটা বাস্তৱ সত্য।
- যিহেতু সমাজৰ বিভিন্ন উপাদান পৰস্পৰ সম্বন্ধযুক্ত, যিকোনো এটা উপাদানত হোৱা পৰিৱৰ্তনে অন্যান্য উপাদানলৈকো পৰিৱৰ্তন আনে।
- সচৰাচৰ পৰিৱৰ্তন বিভিন্ন উপাদানৰ ফল ; এইটো এইকাৰণেই যে সমাজৰ উপাদানসমূহ পৰস্পৰ সম্বন্ধযুক্ত।

১২.৩.২ প্ৰক্ৰিয়া আৰু স্বৰূপ

ইতিমধ্যে আমি সামাজিক পৰিৱৰ্তনৰ প্ৰক্ৰিয়া আৰু স্বৰূপৰ লগত জড়িত তত্ত্ব কিছুমানৰ বিষয়ে গম পালো। এতিয়া আমি এই সূত্ৰসমূহে সামাজিক পৰিৱৰ্তনৰ প্ৰক্ৰিয়া আৰু স্বৰূপৰ বিষয়েনো আৰু কি কয় সেই বিষয়ে অধিক জানিবলৈ চেষ্টা কৰো আহক।

- **সংঘাত তত্ত্বৰ প্ৰৱৰ্ত্তকসকলৰ** মতে সকলো সমাজতে সংঘাত আছে। সমাজসমূহত বিভিন্ন মানৱ সমষ্টিৰ গোটৰ ভিতৰত আৰু ব্যক্তিৰ মাজত কিছুমান স্বাৰ্থ ক্ৰিয়াশীল হৈ থাকে যিয়ে সমাজত প্ৰতিযোগিতা, সংঘাত আৰু চাপৰ (strain) সৃষ্টি কৰে। উদাহৰণ স্বৰূপে, মালিকপক্ষ আৰু শ্ৰমিক সংগঠনসমূহৰ মাজত চলা সংঘাত, ৰাজনৈতিক দলসমূহৰ মাজত চলা সংঘাত ইত্যাদি। সমাজেও ইয়াৰ প্ৰণালীসমূহৰ ভিতৰত কিছু পৰিমাণৰ নিয়ন্ত্ৰিত সংঘাত অনুমোদন কৰে যেনে, সংসদীয় বিতৰ্ক, বৰ্জন ইত্যাদি। এই বিশিষ্ট দিশসমূহে পৰিস্থিতিলৈ পৰিৱৰ্তন আনে। ইয়াৰ ফলত সংঘাত আৰু উত্তেজনা নিৰ্মূল হ'ব পাৰে আৰু আনকি নতুন সংঘাত বা উত্তেজনা সৃষ্টি হ'ব পাৰে। এই প্ৰক্ৰিয়াত সামাজিক অনুষ্ঠান আৰু সামাজিক বিধি-নিয়মৰ সলনি হ'ব পাৰে।
- আনকি **নব্য সূত্ৰৰ প্ৰয়োজনাত্মক প্ৰ ৱৰ্ত্তক**সকলে এই মত পোষণ কৰে যে এটা প্ৰণালীৰ ভিতৰত চাপ আৰু উত্তেজনা থাকে আৰু ইয়ে সমাজলৈ পৰিৱৰ্ত্তন আনিব পাৰে।

- **প্ৰয়োজনাত্মকবাদী** সকলে এই মত পোষণ কৰে যে, সামাজিক প্ৰণালীটোৰ যিকোনো অংশত হোৱা পৰিৱৰ্তনে অন্যান্য অংশলৈ পৰিৱৰ্তন আনে।
- **অন্যান্যসকলে** এই মত পোষণ কৰে যে সমাজে কৰা আবিষ্কাৰ বা উদ্ভাৱনৰ পৰা এইটো স্পষ্ট যে প্ৰত্যেকখন সমাজৰে সৃষ্টিশীলতাৰ সম্ভাৱনা আছে।

এই বিশিষ্ট দিশসমূহে সমাজৰ ভিতৰুৱা পৰিৱৰ্তন আনিব পাৰে। সেয়েহে এখন সমাজ আভ্যন্তৰীণ শক্তিৰ দ্বাৰা পৰিবৰ্তিত হ'ব পাৰে। গতিকে, পৰিৱৰ্ত্তনৰ বীজ সমাজতে নিহিত হৈ থাকে।

তদুপৰি অন্যান্য সমাজৰ লগত হোৱা সামাজিক আৰু **সাংস্কৃতিক আদান-প্ৰদানে** এখন সমাজৰ ভিতৰুৱা অনুষ্ঠান সমূহলৈ পৰিৱৰ্তন আনিব পাৰে। প্ৰণালীটোৰ বাহিৰৰ পৰা নতুনকৈ অহা উপাদানসমূহেও কিছু পৰিমাণৰ চাপ সৃষ্টি কৰিব পাৰে, তেতিয়া বিভিন্ন সামাজিক অনুষ্ঠান আৰু সামাজিক বিশ্বাসৰ মাজত সামঞ্জস্য অথবা প্ৰয়োজনীয় হৈ পৰে। উদাহৰণ স্বৰূপে, ভাৰতত পাশ্চাত্য শিক্ষাৰ প্ৰচলনে ভাৰতৰ সাংস্কৃতিক চিন্তাৰ গণ্ডীলৈ গণতন্ত্ৰ, সমতা, স্বাধীনতা আৰু নাৰীৰ সামাজিক অৱস্থাৰ উন্নতিৰ ধাৰণা লৈ আনে। ভাৰতীয় সমাজত সেই সময়ত প্ৰচলিত বিধি-নিয়ম আৰু প্ৰথা যেনে, জাতিভেদ প্ৰথা, অসবৰ্ণ বিবাহৰ ক্ষেত্ৰত থকা বাধা-নিষেধ, নিম্ন জাতিসমূহৰ অবাধ বিচৰণত আৰোপ কৰা বাধা-নিষেধ, পৰ্দা প্ৰথা আৰু সমাজত নাৰীৰ পুতৌজনক স্থিতিৰ তুলনাত এইবিলাক বেলেগ আছিল। প্ৰচলিত ব্যৱস্থাত এই নতুন সামাজিক আৰু সাংস্কৃতিক উপাদানৰ অন্তৰ্ভুক্তকৰণে প্ৰচলিত বিশ্বাস-পৰম্পৰা আৰু এই নতুন বিশ্বাস-পৰম্পৰাৰ মাজত সংঘাতৰ সৃষ্টি কৰিলে। ইয়ে ভালেমান সমাজ সংস্কাৰ আন্দোলনৰ জন্ম দিলে। অষ্টাবিংশ আৰু ঊনবিংশ শতিকাত ভাৰতত এই সমাজ সংস্কাৰ আন্দোলনৰ গুৰি ধৰিছিল ব্ৰাহ্ম সমাজ, ৰামকৃষ্ণ মিছন ইত্যাদিয়ে। আকৌ এইটোৱে ভাৰতৰ জাতীয়তাবাদী আন্দোলনৰ সূত্ৰপাতটো ইন্ধন যোগালে। দুখন পৃথক সমাজৰ মাজত উত্তেজনা আৰু সংঘাত থাকিব পাৰে যিয়ে উভয় সমাজ বা কেৱল এখন সমাজলৈকে পৰিৱৰ্তন আনিব পাৰে। গতিকে সামাজিক পৰিৱৰ্তন এটা বাস্তৱ সত্য।

১২.৩.৩ প্ৰকাৰসমূহ

সামাজিক পৰিৱৰ্তনে বিভিন্ন আকাৰ ধাৰণ কৰিব পাৰে যেনে- বিৱৰ্তন, প্ৰগতি, বিকাশ ইত্যাদি। এই সমূহৰ বিষয়ে আমি এই অধ্যায়টিতে আলোচনা কৰিম। যি আকাৰতে সামাজিক পৰিৱৰ্তনৰ উদ্ভৱ নহওঁক কিয়, সেইবিলাকৰ নিৰ্দিষ্ট গুণ আছে। বিভিন্ন গুণ যেনে বিস্তৃতি, সময়সীমা, দিশ, পৰিৱৰ্তনৰো পৰিমাণৰ ওপৰত ভিত্তি কৰি সামাজিক পৰিৱৰ্তনক তলত দিয়া প্ৰকাৰসমূহত ভাগ কৰিব পাৰি --

- **বিস্তৃতিৰ ওপৰত ভিত্তি কৰিঃ** ব্যাপক পৰিসৰৰ পৰিৱৰ্তন হ'ল সেইবিলাক পৰিৱৰ্তন য'ত সকলো প্ৰধান গাথনিগত সম্বন্ধ, প্ৰাথমিক অনুষ্ঠান আৰু প্ৰচলিত

প্ৰমূল্যৰ প্ৰণালীৰ ৰূপান্তৰ হয়। প্ৰয়োজনাত্মক তত্ত্বৰ প্ৰবক্তাসকলে এনে পৰিবৰ্তনকে সামাজিক পৰিৱৰ্তন বুলি মত প্ৰকাশ কৰিছে। সৰু-সুৰা পৰিৱৰ্তন বিলাক হ'ল সেইবিলাক যিয়ে সামান্য ভাৱে প্ৰাথমিক সামাজিক গাঁথনিটো আৰু সামাজিক ভূমিকাৰ পৰিৱৰ্তন সাধন কৰিবলৈ সক্ষম হয়। সেইবিলাকে ব্যৱস্থাটোৰ ভিতৰুৱা সামঞ্জস্য সাধন কৰে।

- **সময় সীমাৰ ওপৰত ভিত্তি কৰিঃ** পৰিৱৰ্তন এটা গতিশীল প্ৰক্ৰিয়া। সামাজিক ঘটনাসমূহে সমাজত হ্ৰস্বকালীন আৰু দীৰ্ঘকালীন প্ৰভাৱ পেলায়। কমসময়ৰ ভিতৰতে ই কিছুমান নিৰ্দিষ্ট ফল দেখুৱাবও পাৰে। এনে তাৎক্ষণিক হ্ৰস্বকালীন পৰিৱৰ্তনসমূহে এনে ফলাফল দেখুৱাব পাৰে যাৰ প্ৰভাৱ দীৰ্ঘকালীন হ'বগৈ পাৰে। এইবিলাকেই হ'ল দীৰ্ঘকালীন ফলাফল। সাধাৰণতে দীৰ্ঘকালীন পৰিৱৰ্তনবিলাকেই হ'ল ব্যাপক পৰিসৰৰ পৰিৱৰ্তন। উদাহৰণ স্বৰূপে ভাৰত চৰকাৰে **ৰজ্মাপ্তৰ** চনত আৰম্ভ কৰা আৰু প্ৰতিটো পঞ্চবাৰ্ষিক পৰিকল্পনাৰ মূৰে মূৰে ৰূপায়িত কৰা পৰিয়াল কল্যান আচনিয়ে প্ৰতিটো পৰিকল্পনাৰ কালত তাৎক্ষণিক ফলাফল দেখুৱাই আহিছে। ইয়াৰ ফলস্বৰূপে এটা নিৰ্দিষ্ট হাৰত জন্ম হাৰ হ্ৰাস হোৱাটো পৰিলক্ষিত হৈছে। এইটো হ্ৰস্বকালীন পৰিবৰ্ত্তন। কিন্তু এই পৰিৱৰ্ত্তনে তাৰ লগত জড়িত আনুষাঙ্গিক পৰিৱৰ্তনৰ ধাৰা এটা সৃষ্টি কৰিছে যাক আমি দীৰ্ঘকালীন ফলাফল হিচাপে আখ্যা দিব পাৰো। উদাহৰণ স্বৰূপে **ৰজ্মাপ্তৰ**চনৰ পৰা দেশৰ জনসংখ্যা বৃদ্ধিৰ হাৰত দেখা দিয়া নিম্নমুখীগতি, দেশৰ টনকিয়াল অৰ্থনৈতিক অৱস্থা, স্বাস্থ্যৰক্ষাৰ উন্নত ব্যৱস্থাৱলী আৰু সামাজিক কল্যাণৰ কাৰ্য্য কলাপ আদি উল্লেখযোগ্য। এই পৰিৱৰ্তনবিলাকৰ দীৰ্ঘম্যাদী ফলাফল আছে।
- **দিশৰ ওপৰত ভিত্তি কৰিঃ** যেতিয়া পৰিৱৰ্তনসমূহ পৰিকল্পিত হয় তেতিয়া সেইবোৰক কোৱা হয় পৰিকল্পিত পৰিৱৰ্তন আৰু যেতিয়া পৰিকল্পনা কৰা নহয় তেতিয়া কোৱা হয় অপৰিকল্পিত পৰিৱৰ্তন। ভাৰতত পাঁচবছৰীয়া পৰিকল্পনা আৰু কেতবোৰ চৰকাৰী নীতি কাৰ্যকৰী হৈছে যিবিলাকে গণতান্ত্ৰিক উপায়েৰে পৰিকল্পিত ৰূপত অৰ্থনৈতিক আৰু সামাজিক ভাৱে ভাৰতক বিকশিত ৰাষ্ট্ৰ ৰূপে গঢ়ি তুলিবলৈ যত্ন কৰিছে। এই উদ্দেশ্য আৰু লক্ষ্যসমূহ নিৰ্ধাৰিত হৈ থকাৰ বাবে পৰিবৰ্তনসমূহ আৰু পৰিবৰ্তনৰ দিশ নিৰ্ণয় কৰাতো সম্ভৱপৰ হৈছে। গতিকে পৰিৱৰ্তনৰ ধাৰা অগ্ৰগতি বা পশ্চাদগামীও হব পাৰে বা (regression), ৰৈখিক (linear), চক্ৰানুক্ৰমিকো হ'ব পাৰে।
- **পৰিৱৰ্তনৰ হাৰৰ ওপৰত ভিত্তি কৰিঃ** যিটো হাৰ বা গতিত পৰিৱৰ্তন সংঘটিত হয় সেয়া লেহেম (slow) বা বেগী (rapid) আৰু আনকি ক্ৰমশঃ বা আকস্মিকো হ'ব পাৰে। চিন্তাধাৰা আৰু প্ৰমূল্যত দেখা দিয়া পৰিৱৰ্তনবোৰ সাধাৰণতে ক্ৰমশঃ

আৰু লেহেমীয়া। আনহাতে প্ৰযুক্তিবিদ্যাই অনা পৰিৱৰ্তনবোৰ তুলনামূলক ভাৱে বেগী আৰু আকস্মিক হ'ব পাৰে।

- **কাৰণৰ উৎসসমূহৰ ওপৰত ভিত্তি কৰিঃ** যেতিয়া পৰিৱৰ্তন সামাজিক প্ৰণালীটোৰ বাহিৰৰ পৰা আৰোপ কৰা হয় তেতিয়া সেই পৰিৱৰ্তন হ'ব বহির্জাত (উৎসটো বাহ্যিক)। উদাহৰণ স্বৰূপে ভাৰতত ইংৰাজ শাসকসকলৰ দ্বাৰা প্ৰৱৰ্তিত পশ্চিমীয়া শিক্ষা। যেতিয়া পৰিৱৰ্তন সামাজিক প্ৰণালীটোৰ ভিতৰৰ পৰা আহে তেতিয়া ইয়াক কোৱা হয় অন্তর্জাত পৰিৱৰ্তন (উৎসটো আভ্যন্তৰীণ)। উদাহৰণ স্বৰূপে ভাৰতৰ জাতীয়তাবাদী আন্দোলনত অৱলম্বন কৰা অহিংসবাদী আন্দোলনৰ পন্থা।

১২.৪ সামাজিক পৰিবৰ্তনৰ আকাৰ

বিৱৰ্তন, প্ৰগতি, বিকাশ আদি সামাজিক পৰিবৰ্তনৰ বিভিন্ন আকাৰ।

১২.৪.১ বিৱৰ্তন (Evolution)

বিৱৰ্ত্তনৰ ধাৰণাটো জীৱ বিজ্ঞানৰ পৰা অহা। বিৱৰ্ত্তন হল এনে এটা পৰিস্থিতি যত পৰিৱৰ্ত্তনৰ কথাটো বিবেচনা কৰা হয় কেৱল ইয়াৰ আকৃতিগত পৰিসৰৰ বাবে নহয় বৰং সামাজিক গাথনিৰ ওপৰত পৰা ইয়াৰ প্ৰভাৱৰ বাবেহে।

'সামাজিক বিৱৰ্ত্তনৰ' প্ৰধান উমৈহতীয়া লক্ষণবোৰ তলত উল্লেখ কৰা হ'লঃ

- ই এটা **লাহে লাহে আৰু একাদিক্ৰমে হৈ থকা সামাজিক পৰিৱৰ্ত্তনৰ** প্ৰক্ৰিয়া। যিহেতু এই ক্ষেত্ৰত আভ্যন্তৰীণ শক্তি সমূহে কাম কৰে গতিকে প্ৰক্ৰিয়াটো লাহে লাহে আৰু একাদিক্ৰমে হৈ থাকে।
- ই সমাজৰ **আভ্যন্তৰত হোৱা পৰিৱৰ্ত্তনৰ** প্ৰক্ৰিয়াক সূচায়। পৰিৱৰ্ত্তনবাদীসকলৰ বাবে সমাজৰ অভ্যন্তৰত হোৱা কেতবোৰ শক্তিৰ কাৰ্য্যকলাপৰ ফলস্বৰূপে এই পৰিৱৰ্ত্তনৰ সূচনা হয়।

জুলিয়ান ষ্টিৱার্ড নামৰ কুৰি শতিকাৰ এগৰাকী বিৱৰ্ত্তনবাদীৰ মতে পৰিবেশৰ লগত খাপ খুওৱাৰ প্ৰক্ৰিয়াৰ ফলস্বৰূপে সামাজিক পৰিৱৰ্ত্তন হয়। এমাইল ডার্খাইম মতে জনসংখ্যাৰ বৃদ্ধিয়ে সমাজত নতুন চাহিদাৰ সৃষ্টি কৰে আৰু নতুন নতুন অনুষ্ঠানে গা কৰি উঠি সমাজৰ পৰিৱৰ্ত্তন সাধন কৰে। পৰৱৰ্ত্তী কালত সামাজিক সাংস্কৃতিক বিৱৰ্ত্তন তত্ত্বৰ উৎকর্ষ সাধন কৰোতা কার্ল মার্ক্স আৰু ফ্ৰেডেৰিক এঙ্গেলচে দেখুৱাইছিল যে প্ৰত্যেকখন সমাজতে পৰিৱৰ্ত্তন সাধন হয়।

কুৰি শতিকাৰ বিৱৰ্ত্তনবাদীসকল, যাক নব্য বিৱৰ্ত্তনবাদী বুলিও উল্লেখ কৰা হয় তেওঁলোকৰ মাজৰ লেচ্‌লি হোৱাইটে দেখুৱাইছিল যে সমাজে যেতিয়া পৰিবেশৰ

পৰা অধিক শক্তি আহৰণ কৰিব পৰাৰ ক্ষমতা লাভ কৰে তেতিয়াই সমাজ খনৰো বিৱৰ্ত্তন হয়।

বিৱৰ্ত্তনবাদীসকলে ভাবে যে সামাজিক পৰিৱৰ্ত্তন এটা স্তৰৰ পৰা আন এটা স্তৰলৈ সংক্রমিত হয়। **ৰজ্ঞা** শতিকাৰ বিৱৰ্ত্তনবাদীসকলে বিশ্বাস কৰিছিল যে সকলো সমাজ তথা প্রত্যেক সামাজিক অনুষ্ঠানে পৰিৱৰ্ত্তনৰ এই নির্দ্দিষ্ট আৰ্হি মানি চলে - যাক তেওঁবিলাকে এক ৰৈখিক বা সৰলৰৈখিক (unilinear) পৰিৱৰ্ত্তন হিচাপে মানে। সেয়েহে তেওঁলোকক **একৰৈখিক বিৱৰ্ত্তনবাদী** বুলিও আখ্যা দিয়া হয়। তেওঁলোকৰ মতে সমাজ একোখন আদিম স্তৰত আৰম্ভ হৈ সময়ৰ সোঁতত ক্রমান্বয়ে সভ্য সমাজলৈ পৰিৱর্ত্তিত হয়। উদাহৰণ স্বৰূপে, **ৰজ্ঞা** শতিকাৰ বিৱৰ্তনবাদী লয়ড মৰ্গানে ভাবে যে প্রত্যেকখন মানৱ সমাজেই তিনিটা স্তৰৰ মাজেৰে বিৱৰ্ত্তনৰ পথত আগবাঢ়ে সেয়া হৈছে - আদিম, বৰ্বৰ আৰু সভ্য স্তৰ। ইয়াৰ সৰ্বশেষৰ স্তৰটো আনকেইটা স্তৰতকৈ অধিক উন্নত। প্রত্যেকখন সমাজেই নির্দ্দিষ্ট সময়ত আধুনিক সভ্য সমাজলৈ বিৱর্তিত হব।

অৱশ্যে কুৰি শতিকাৰ বিৱৰ্ত্তনবাদী সকলে বিৱৰ্ত্তনৰ একৰৈখিক আৰ্হিক কঠোৰ ভাষাৰে সমালোচনা কৰিছে। জুলিয়ান ষ্টিৱার্ডে কয় যে- সকলো সমাজেই বিৱৰ্ত্তনৰ একেবোৰ স্তৰ অনুসৰণ নকৰিবও পাৰে। দৰাচলতে প্রত্যেকখন সমাজৰ পৰিৱৰ্ত্তনৰ নিজা নিজা একোটা ইতিহাস থাকে। পৰিৱৰ্ত্তনৰ বহুবোৰ সাম্ভাব্য পথৰ ভিতৰত পৰিবেশৰ সৈতে খাপ খুওৱাৰ পথত সমাজে কোনটো পথ অনুসৰণ কৰিব সি বহুলাংশে অদৃষ্ট অথবা নিজৰ স্বাধীন ইচ্ছাৰ ওপৰত নির্ভৰ কৰে।

প্রাক বিৱৰ্ত্তনবাদীসকলে বিৱৰ্ত্তনক উন্নয়ন প্রগতি আৰু বিশ্বাস হিচাপে বিবেচনা কৰিছিল। তেওঁলোকৰ কোনো কোনোৱে এই বুলি ব্যাখ্যা আগবঢ়াইছিল যে মানুহৰ মাজত উন্নতি তথা বিকাশৰ বাবে আগ্রহ প্রকৃতিগত। সৰলৰৈখিক বিৱৰ্ত্তনবাদীসকলে বিশ্বাস কৰিছিল যে আধুনিক উদ্যোগিক পাশ্চাত্য সমাজেই যে আটাইতকৈ উন্নত তথা বিকশিত সমাজ। কিন্তু পৰৱর্ত্তী কালৰ বিৱৰ্ত্তনবাদীসকলে এই শাৰীৰ ভাৱধাৰাক কঠোৰ ভাৱে সমালোচনা কৰি কয় যে বিৱৰ্ত্তনে সমাজ এখনলৈ সদায়েই প্রগতি বা এটা তুলনামূলক ভাৱে ভাল অৱস্থালৈ লৈ নাযায়। তেওঁলোকৰ মতে, বিৱৰ্ত্তনক আদিম বা সভ্য স্তৰৰ পৰিপ্রেক্ষিতত তুলনা কৰি চাব নালাগে। এষ্ট্নি গিডেনচে আঙুলিয়াই দিছে যে সামাজিক পৰিৱৰ্ত্তনে অগ্রগতিতকৈ সমস্যাৰহে সৃষ্টি কৰে।

সমাজ আৰু সামাজিক অনুষ্ঠানসমূহ সৰল অৱস্থাৰ পৰা জটিল অৱস্থালৈ, সমপ্রকৃতিৰ পৰা ভিন্ন প্রকৃতিলৈ, অপৃথকীকৰণৰ অৱস্থাৰ পৰা পৃথকীকৰণলৈ পৰিৱর্ত্তিত হয়। বিৱৰ্ত্তনবাদীসকলৰ মাজত বিৱৰ্তনৰ স্তৰ আৰু কাৰক সমূহৰ সম্পর্কে যিমানেই মত পার্থক্য নাথাকক কিয় তেওঁলোকৰ আটাইয়েই কিন্তু এই কথাত একমত যে সমাজৰ মাজত পৃথকীকৰণ অৱস্থালৈ আগবঢ়াৰ এটা প্রৱণতা থাকে।



জানি থোৱা ভাল

পৰম্পৰাগতভাৱে, শিশুৰ জন্মৰ লগত জড়িত অনুষ্ঠানসমূহ, সন্তানৰ লালন-পালন, ল'ৰা-ছোৱালীক শিক্ষা-দীক্ষা প্ৰদান কৰা, খাদ্য উৎপাদন কৰা, সমাজৰ সদস্যসকলক সুস্বাস্থ্যৰ বিধান দিয়া আৰু মনোৰঞ্জন যোগোৱা এই সকলোবোৰ 'পৰিয়াল' নামৰ গোটটোৰ ওপৰতে ন্যস্ত আছিল। কিন্তু এতিয়া আমি বিভিন্নধৰণৰ অনুষ্ঠান-প্ৰতিষ্ঠান উদ্ভৱ হোৱা দেখিবলৈ পাওঁ যিবিলাকে বিশেষ বিশেষ কৰ্মত নিয়োজিত হয়। আজিকালি পৰিয়ালে অনুষ্ঠিত কৰিবলগীয়া বহুতো পৰম্পৰাগত অনুষ্ঠান বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে পালন কৰিব পাৰে। আমাৰ স্বাস্থ্যৰ লগত জড়িত প্ৰতিষ্ঠান সমূহে স্বাস্থ্যজনিত অভাৱসমূহ পুৰ কৰে আৰু শিশু জন্মৰ লগত জড়িত দিশসমূহলৈ চকু দিয়ে; বিভিন্ন অৰ্থনৈতিক সংগঠনে খাদ্য উৎপাদন আৰু বিতৰণ কৰে; বিদ্যালয় আৰু মহাবিদ্যালয়ে শিক্ষা প্ৰদান কৰে; সমাজৰ সদস্যসকলৰ মনোৰঞ্জনৰ চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি মনোৰঞ্জন উদ্যোগৰ উন্নয়ন আৰু ল'ৰা-ছোৱালীক চোৱা-চিতা কৰা ক্ৰেচ (creche) এই সকলোবিলাক হ'ল **সামাজিক পৃথকীকৰণ**ৰ উদাহৰণ।

বিৱৰ্তনবাদীসকলে সমাজবিলাকৰ পৃথকীকৰণ আৰু জটিল হোৱাৰ প্ৰতি আভ্যন্তৰীণ প্ৰবণতাৰ কাৰণ কি সেইটো উলিয়াবলৈ চেষ্টা কৰিছিল। উদাহৰণ স্বৰূপে, সামাজিক প্ৰণালীৰ বাহিৰৰ পৰা সাংস্কৃতিক উপাদানৰ ব্যাপ্তকৰণৰ (diffusion) প্ৰসঙ্গটো সাংস্কৃতিক পৰিগ্ৰহন (cultural borrowing) ৰ ভূমিকা আলোচিত হোৱা নাছিল। যি হওঁক, তেওঁলোকে এইটো উল্লেখ কৰা নাছিল যে বিৱৰ্তনৰ ক্ষেত্ৰত ব্যাপ্তকৰণৰ (diffusion) কোনো ভূমিকা নাই। বিৱৰ্তনবাদৰ সূত্ৰই ক্ৰমবিকাশশীল গাঁথনিগত জটিলতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। সৰহ সংখ্যক প্ৰাৰম্ভিক বিৱৰ্তনবাদীয়ে এনে ধৰণৰ পৃথকীকৰণ আৰু জটিলতাৰ প্ৰগতিৰ লগত সম্পৰ্ক স্থাপন কৰিছে। তেওঁলোকে মত আগবঢ়াইছে যে সমাজৰ ক্ৰমাগত ভাৱে প্ৰগতি হয়। এইটো সমাজৰ এটা প্ৰাথমিক বৈশিষ্ট্য। গতিকে বহুতৰ বাবে বিৱৰ্তনবাদৰ অৰ্থ হ'ল প্ৰগতি।

মেক আইভাৰ আৰু পেজে সামাজিক বিৱৰ্তনৰ এটা মৌলিক নীতি থকা বুলি আলোচনা কৰিছে আৰু সেয়া হ'ল পৃথকীকৰণ আৰু সমন্বয়। তেওঁলোকে বিৱৰ্তনক প্ৰগতিৰ পৰা স্বতন্ত্ৰ হিচাপে পৰ্যবেক্ষণ কৰে।

যদিওবা বিৱৰ্তনবাদে সমাজৰ পৃথকীকৰণৰ আভ্যন্তৰীণ প্ৰৱণতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে, মেকআইভাৰ আৰু পেজে মত প্ৰকাশ কৰিছে যে ব্যাপ্তকৰণেও (diffusion) সমাজসমূহৰ পৃথকীকৰণৰ ক্ষেত্ৰত নিজস্ব ভূমিকা পালন কৰে। উদাহৰণস্বৰূপে, ভাৰতৰ চিন্তাদৰ্শ চীন দেশলৈ সম্প্ৰসাৰিত হৈছিল আৰু পিছত পাশ্চাত্য সভ্যতাৰ জাগৰণৰ ক্ষেত্ৰত অৰিহনা আগবঢ়াইছিল। এই দৃষ্টিভঙ্গীৰ ফালৰ পৰা বিচাৰ কৰিলে বিৱৰ্তন এটা বাস্তব সত্য।

১২.৪.২ প্ৰগতি (Progress)

সামাজিক প্ৰগতিয়ে সমাজ এখনৰ পৰিৱৰ্ত্তনৰ জৰিয়তে এখন আদৰ্শ সমাজৰ দিশে গতি কৰাটোকে সূচায়। আদৰ্শ বুলিলে উন্নতৰ অৱস্থাৰ কথা বুজা যায়, যিটো বাঞ্ছনীয়। গতিকে সামাজিক প্ৰগতিয়ে ঃ

- প্ৰথমতে, লক্ষ্য বা আদৰ্শ; আৰু
- দ্বিতীয়তে, পৰিৱৰ্তনৰ দিশ অৰ্থাৎ আদৰ্শৰ অভিমুখে কৰা গতিৰ ফালে আঙুলিয়াই দিয়ে।

আদৰ্শ (ideals) আৰু প্ৰগতি সম্পৰ্কে সমাজবিলাকৰ বিভিন্ন যুগৰ নিজস্ব একো একোটা ধাৰণা আছিল। বিভিন্ন সমাজবিদৰো আদৰ্শ সম্পৰ্কে নিজস্ব ধাৰণা আছে। অষ্টাবিংশ শতিকাৰ সচেতন ব্যক্তিসকলৰ (Enlightenment) বাবে প্ৰগতিৰ অৰ্থ আছিল পৰম্পৰাৰ বান্ধোনৰ পৰা মুক্তি। ঊনবিংশ শতিকাৰ শেষাৰ্দ্ধৰ আমেৰিকা যুক্তৰাষ্ট্ৰৰ বাবে প্ৰগতি আছিল সমাজৰ গৰিমামণ্ডিত সম্প্ৰসাৰণ আৰু পৃথিৱীৰ সম্পদসমূহৰ আহৰণ। ঊনবিংশ শতিকাৰ সামাজিক বিৱৰ্তনবাদৰ প্ৰবক্তা হাৰ্বাট স্পেনচাৰ (Herbert Spencer) আৰু অগাষ্ট কোটে (Auguste Comte) বিশ্বাস কৰিছিল যে সমাজৰ প্ৰগতি এটা গতিশীল প্ৰক্ৰিয়া। স্পেনচাৰৰ মতে সমগ্ৰ মানৰ সমাজখন এটা আদিম ধৰ্মীয় বিশ্বাসৰ স্তৰৰ পৰা এটা কৃত্ৰিম বিমূৰ্ত (abstract) ধৰ্মৰ মাজেৰে আহি বৰ্তমানৰ বিজ্ঞান আৰু যুক্তিৰ ওপৰৰ প্ৰতিষ্ঠিত বৈশিষ্ট্যপূৰ্ণ সমাজলৈ বিকশিত হৈছে। ঊনবিংশ শতিকাৰ প্ৰথমাৰ্দ্ধৰ জাৰ্মান চিন্তাবিদ হেগেলে অধিক স্বাধীনতাৰ অভিমুখে হোৱা মানৱতাৰ গতিশীল উন্নয়নৰ ওপৰত বিশ্বাস কৰিছিল যিয়ে নীৰৱচ্ছিন্নভাৱে স্বাধীনতাৰ সীমা প্ৰসাৰিত কৰি গৈছিল। ৰক্ষণশীলসকলে জীৱনৰ পৰম্পৰাগত পন্থাটো সন্মান কৰে আৰু বিবেচনা কৰে যে সমাজ পৰম্পৰাগত পন্থাৰ পৰা ফালৰি কাটি গৈছে আৰু সেয়েহে তেওঁলোকৰ মতে বৰ্তমানৰ সমাজ পশ্চাৎমুখী (regressing)।

সামাজিক প্ৰগতিৰ (social progress) ধাৰণাটোৰ আলোচনাৰ প্ৰসঙ্গত মেকাইভাৰ আৰু পেজে কৈছে যে আদৰ্শৰ (ideal) বৈজ্ঞানিক ধাৰণা নিৰ্ধাৰণ কৰাতো জটিল। মানুহৰ বাবে প্ৰয়োজনীয় সকলো দিশকে সামৰিব পৰা এক আদৰ্শলৈ উন্নীত হব পৰাটো কঠিন কাম। আদৰ্শ হ'ল এটা প্ৰমূল্য আৰু ই ব্যক্তিভেদে আৰু সমষ্টি ভেদে বেলেগ হয়। সমাজ শাস্ত্ৰৰ কাম হ'ল মানৰ সমাজৰ অধ্যয়নৰ ক্ষেত্ৰত সমাজত বাস কৰা মানুহৰ প্ৰমূল্যসমূহ সেই অধ্যয়নত অন্তভুৰ্ক্ত কৰা।

১২.৪.৩ উন্নয়ন (Development)

বিকাশ শব্দটো এটা সামাজিক স্থিতিৰ বাবে কাম্য এটা ধণাত্মকশব্দ হিচাবে জ্ঞান কৰা হয়। বিকাশ শব্দটো বিভিন্ন জনে বিভিন্ন ভাৱে ব্যাখ্যা কৰিছে। অৰ্থনীতিবিদ

সকলে গুৰুত্ব দিয়ে অৰ্থনৈতিক বিকাশৰ ওপৰত। পৰিবেশবিদসকলে বিকাশৰ ধাৰাবাহিকতা ৰক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰে আৰু সমাজতত্ত্ববিদসকলে উন্নতিৰ ধাৰণাৰ লগত সামাজিক অনুষ্ঠান আৰু সংস্কৃতি, সমাজৰ সকলো খণ্ডত হোৱা অৰ্থনৈতিক উন্নয়ন, সমাজৰ ওপৰত পৰা দাৰিদ্র্য আৰু অসমতাৰ প্ৰভাৱ, ইত্যাদি জড়িত কৰিছে। এইদৰে উন্নয়নৰ ধাৰণাটো বিভিন্ন সময়ত বিভিন্ন ধৰণে সূত্ৰবদ্ধ কৰা হৈছে আৰু সময়ে সময়ে ইয়াৰ পৰিসৰ বৃদ্ধি হৈ আহিছে। গতিকে এটা সময়ত উন্নয়ন বুলিলে 'অৰ্থনৈতিক উন্নয়ন' বুজা গৈছিল যিটো অৰ্থনীতিৰ পৰিমাণগত উন্নয়নৰ লগত জড়িত আছিল। তাৰপাছত 'অৰ্থনৈতিক উন্নয়ন' (Economic development) শব্দটোৰ প্ৰচলন আৰম্ভ হ'ল যাৰ সৰলাৰ্থ হ'ল সমাজৰ বৈশিষ্ট্য পূৰ্ণ স্তৰসমূহত বাস কৰা সকলো মানুহৰ বাবে অৰ্থনৈতিক সম্পদ সৃষ্টি কৰা। ইয়াৰ দ্বাৰা মানুহৰ জীৱনৰ মান উন্নত কৰিবলৈ চেষ্টা কৰা হৈছিল। এই ক্ষেত্ৰত আটাইতকৈ নতুন সংযোজন হল ধাৰণক্ষম বিকাশ বা sustainable development। এই বিকাশে ভবিষ্যত প্ৰজন্ম সমূহৰ নিজস্ব অভাৱ পূৰণৰ ক্ষমতাৰ কোনো হানি নকৰাকৈ বৰ্তমান অভাৱসমূহ পূৰণ কৰাৰ কথা সূচায়। ইউ. এন. ডি. পি. (UNDP, United Nations Development Programme)এ মানুহৰ অৱস্থাৰ বিভিন্ন দিশ এই 'বিকাশ' শব্দটোত অন্তৰ্ভূক্ত কৰাৰ উদ্দেশ্য কেতবোৰ বৃহৎ পৰিসৰৰ উপাদান ইয়াত সন্নিবিষ্ট কৰিছে। তেওঁলোকে 'মানৱ উন্নয়ন' (Human Development) শব্দটো ব্যৱহাৰ কৰিছে যাক 'মানুহৰ পছন্দৰ পৰিবৰ্দ্ধন' (enlarging of people's choices) হিচাপে ব্যাখ্যা কৰা হৈছে যাতে মানুহে তেওঁলোকে পছন্দৰ জীৱন অতিবাহিত কৰিব পাৰে। এই পছন্দবোৰ অসীম আৰু সময়ে সময়ে সেইবিলাক পৰিৱৰ্তিত হৈ থাকে। উন্নয়নৰ লগত জড়িত সংজ্ঞাটো বিৰ্তকমূলক আৰু সেইবাবে আমি ইয়াৰ লগত জড়িত সংখ্যাধিক ব্যাখ্যা পাওঁ।

১২.৫ সামাজিক পৰিৱৰ্তনৰ কাৰকসমূহ

ইতিমধ্যে আমি জানিলো যে সমাজৰ বিভিন্ন অংগ আৰু দিশসমূহৰ ভিতৰত কিছু পৰিমাণৰ সংহতি আছে।

প্ৰয়োজনাত্মক আৰু নব্য প্ৰয়োজনাত্মক তত্ত্ববিদসকলে সংস্কৃতি আৰু সমাজৰ বিভিন্ন অংগৰ মাজত থকা ক্ৰিয়াত্মক সম্পৰ্ক (functional relationship) ৰ ওপৰত আলোকপাত কৰিছে। প্ৰয়োজনাত্মক সম্পৰ্কৰ অৰ্থ হল সমাজ আৰু সংস্কৃতিৰ প্ৰত্যেকটো অঙ্গৰ প্ৰকাৰ্য্য সমূহ পৰস্পৰে সম্পৰ্কিত। ইয়ে এইটোকে উনুকিয়াই যে-

- যেতিয়া সংস্কৃতি আৰু সমাজৰ কোনোবা এটা অংগলৈ পৰিবৰ্তন আহে তেতিয়া সংস্কৃতি আৰু সমাজৰ অন্যান্য অংগলৈকো পৰিবৰ্তন আহে।
- সেইদৰে কোনো বিশেষ সামাজিক সম্বন্ধৰ পৰিবৰ্তনৰ ক্ষেত্ৰত সংখ্যাধিক কাৰকৰ উদ্ভৱ হয়। কোনো ইয়াক প্ৰভাৱিত কৰা কাৰকসমুহৰ ওপৰত নিৰ্ভৰ কৰে।

এতিয়া আমি এই সামাজিক পৰিবৰ্তন অনা কাৰকসমূহৰ বিষয়ে আলোচনা কৰিম। ইয়াৰ দ্বাৰা আমি সামাজিক সম্বন্ধৰ বিভিন্ন দিশ অৰ্থাৎ সমাজে কেনেকৈ অন্যান্য সামাজিক সম্বন্ধক পৰিবৰ্তন আৰু প্ৰভাৱিত কৰে সেই কথা বুজিব পাৰো।

- **ভৌগোলিক কাৰক** (Geographical factor) ঃ

আমি জানো যে মানুহে ভৌগোলিক পৰিবেশত বাস কৰে আৰু সেই পৰিবেশৰ লগত পাৰস্পৰিক আদান - প্ৰদান হয়। ভৌগোলিক পৰিবেশ সদায় গতিশীল, কিন্তু গুৰুত্বপূৰ্ণ পৰিৱৰ্তন অতি লাহে লাহে হয়।বৰ্তমান সময়ত ভৌগোলিক পৰিবেশত সংঘটিত হোৱা এটা গুৰুত্বপূৰ্ণ পৰিবৰ্তন হ'ল আমাৰ পৃথিৱীখনত ক্ৰমান্বয়ে বৃদ্ধি হোৱা গোলকীয় উষ্ণতা (global warming)। পৃথিৱীৰ বিভিন্ন দেশে এই সমস্যাটো সমাধানৰ অৰ্থে লোৱা ব্যৱস্থা সমূহে গুৰুত্ব পূৰ্ণ পৰিৱৰ্তন আনিলে। গোলকীয় উষ্ণতা নিয়ন্ত্ৰণত ৰাখিবৰ বাবে উদ্যোগ, কাৰখানা, উৎপাদনকাৰী গোট সমূহে পালন কৰিবলগীয়া কেতবোৰ আইন প্ৰণয়ণ কৰা হৈছে, নীতি নিৰ্দ্ধাৰণ কৰা হৈছে আৰু সেই নিৰ্ধাৰিত মানদণ্ডসমূহ উক্ত প্ৰতিষ্ঠানসমূহে পালন কৰিছে নে নাই তাৰ ওপৰত চকু ৰাখিবলৈ কিছুমান নিয়ন্ত্ৰক প্ৰতিষ্ঠান নিয়োগ কৰা হৈছে।

আনকি ভৌগোলিক পৰিবেশৰ সলনি নহ'লেও অন্যান্য সামাজিক-সাংস্কৃতিক কাৰকসমূহৰ ক্ৰিয়াৰ ফলস্বৰূপে ভৌগোলিক ঘটনাসমূহৰ প্ৰভাৱ সলনি হয়। এই প্ৰক্ৰিয়াৰ দ্বাৰা বহুতো সামাজিক ক্ষেত্ৰলৈ পৰিবৰ্তন নামি আহে। উদাহৰণ স্বৰূপে, বানপানী অসমৰ এটা জলন্ত সমস্যা। বিভিন্ন পৰিস্থিতি যেনে ক্ৰমবৰ্দ্ধমান জনসংখ্যাৰ অনুপাত, বানপানীয়ে আক্ৰান্ত কৰিব পৰা অঞ্চলসমূহত জনবসতিৰ ঘনত্ব, আৰু তেওঁলোকৰ ক্ৰমবৰ্দ্ধমান অভাবৰ ফলস্বৰূপে বানপানীৰ প্ৰভাৱ এটা গুৰুত্বপূৰ্ণ সমস্যা হিচাপে চিহ্নিত হৈছে। ইয়াৰ লগত খাপ খাবলৈ সমাজৰ অন্য বিভিন্ন অংশলৈ পৰিৱৰ্ত্তন নামি আহিছে। চৰকাৰে নতুন নতুন আঁচনি আৰু ব্যৱস্থা হাতত লৈছে যেনে - বানপানী দূৰ্গত লোকক সাহায্য প্ৰদান, বানপানীৰ আগজাননী দিয়া প্ৰণালীৰ ব্যৱস্থাকৰণ এনে ধৰণৰ আঁচনিৰ চোৱা-চিতা কৰিবলৈ নতুন প্ৰতিষ্ঠানৰ সৃষ্টি, ইত্যাদি।



জানি থোৱা ভাল

গোলকীয় উষ্ণতা মানে হল পৃথিৱীখনৰ উষ্ণতা ক্ৰমাৎ বৃদ্ধি পোৱা। ইয়াৰ এটা প্ৰধান কাৰণ হল গ্ৰহটোৰ উষ্ণতা বৃদ্ধি কৰিব পৰা ক্ষতিকাৰক গেছ বায়ুমণ্ডললৈ বিচ্ছুৰণ কৰা। এই গেছবোৰ বিভিন্ন উদোগ, কাৰখানা, যান-বাহন আৰু আমি ব্যৱহাৰ কৰা প্ৰযুক্তি আহিলা যেনে, বায়ু নিয়ন্ত্ৰক যন্ত্ৰ, প্ৰশীতক ইত্যাদিৰ পৰা নিৰ্গত হয়। গোলকীয় উষ্ণতাই বৰফ গলাই মহাসাগৰৰ উচ্চতা বৃদ্ধি কৰে আৰু এনে কেতবোৰ পৰিবৰ্তনক সূচায় যিবিলাকে অনেক জীৱৰ অস্তিত্ব বিপদাপন্ন কৰিছে।

- **জনসংখ্যাৰ লগত জড়িত কাৰক** (Demographic factor) ঃ

জনসংখ্যাৰ বৈশিষ্ট্য যেনে জনসংখ্যাৰ আকাৰ, বয়স আৰু লিংগানুপাতিক জনসংখ্যাৰ বিভাজন, উৰ্বৰতা, মৃত্যুহাৰ,জন্মহাৰ, জনসংখ্যাৰ বিবাহ যোগ্য বয়স- এই সকলোবিলাক সমাজৰ অন্যান্য বৈশিষ্ট্যৰ লগত জড়িত। জনসংখ্যাবিজ্ঞানৰ এই প্ৰণালীসমূহৰ যিকোনো এটায়েই জনসংখ্যাৰ আকাৰৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম। উচ্চহাৰৰ উৰ্বৰতাৰ হাৰ (high fertility rate) জনসংখ্যা বৃদ্ধিৰ এটা প্ৰধান কাৰণ। ইয়াৰ ফলস্বৰূপে সমাজত নিবনুৱা, দৰিদ্ৰতা, ভিক্ষা বৃত্তি এনেধৰণৰ সমস্যাবোৰ বৃদ্ধি পায়। এই সমূহেই সময়ত সামাজিক অনুষ্ঠান, সামাজিক গাঁথনি আৰু সামাজিক প্ৰকাৰ্য্য সমূহৰ পৰিৱৰ্ত্তন সাধন কৰি সামাজিক পৰিৱৰ্ত্তনৰ সূচনা কৰে। জনসংখ্যাৰ এই বৈশিষ্ট্যসমূহ অৰ্থনৈতিক আৰু ৰাজনৈতিক কাৰক, ধৰ্মীয় বিশ্বাস আৰু আচৰণ,শিক্ষা ইত্যাদিৰ দ্বাৰা নিৰূপিত হয়। উদাহৰণ স্বৰূপে, বিভিন্ন ধৰণৰ অধ্যয়নৰ পৰা এইটো দেখা গৈছে যে নাৰীৰ মাজত শিক্ষাৰ হাৰ বঢ়াৰ লগে লগে তেওঁলোকৰ বিয়াৰ বয়স বাঢ়িছে আৰু সন্তান জন্মৰ হাৰ কমিছে। এতিয়া জনসংখ্যা বৈশিষ্ট্যসমূহে সমাজৰ অন্যান্য ক্ষেত্ৰখনো কি দৰে প্ৰভাৱিত কৰে সেয়া জনসংখ্যাৰ বয়সানুপাতিক বিভাজনৰ মাজেদি বুজো আহক। ইউৰোপৰ দেশসমূহত প্ৰধানকৈ গ্ৰেট বৃটেইনত নিম্ন জন্ম হাৰ আৰু আৰু নিম্ন মৃত্যুহাৰে এনেকুৱা এটা পৰিস্থিতিৰ সৃষ্টি কৰিছে যে দেশখনত ষাঠি বছৰৰ ওপৰৰ জনসংখ্যা যুৱ জনসংখ্যাতকৈ অধিক। এটা উন্নত অৰ্থনৈতিক পৰিৱেশৰ লগত খাপ খোৱাকৈ দেশখনৰ যুৱ-জনসংখ্যাৰ হাৰ বৃদ্ধি হোৱা বাঞ্ছনীয়। ফলস্বৰূপে বহুতো বৃত্তিগত অৰ্হতা সম্পন্ন লোকক দেশখনত কাম কৰিবলৈ সুযোগ দিয়া হৈছে। এইটো বৃটেইনত দেখিবলৈ পোৱা বৃহৎ আৰু বৈশিষ্ট্যপূৰ্ণ প্ৰবাসী গোষ্ঠীসমূহৰ লগত জড়িত দিশ। সিবিলাকৰ উপস্থিতিয়ে দেশখনত এটা সুকীয়া সামাজিক পৰিস্থিতিৰ সৃষ্টি কৰিছে। যিটো পৰিস্থিতি আজিৰ পৰা কেইবাবছৰৰ আগতে তাত সৃষ্টি হোৱা নাছিল।

- **শিক্ষা** (Education) ঃ

শিক্ষাই সমাজৰ সদস্যসকললৈ প্ৰমূল্য, আদৰ্শ আৰু দক্ষতা সৰবৰাহৰ মাধ্যম হিচাপে কাম কৰে। শিক্ষা সামাজিকৰণৰ এটা প্ৰক্ৰিয়া। সেইবাবে শিক্ষাক সামাজিক পৰিৱৰ্তনৰ এটা প্ৰভাৱশালী কাৰক হিচাপে বিবেচনা কৰা হয়। ভাৰতত পাশ্চাত্য শিক্ষাৰ প্ৰচলনে স্বাধীনতা, গণতন্ত্ৰ আৰু সমতাৰ ধাৰণা বহন কৰি আনিলে। ইয়েই উনবিংশ শতিকাৰ ভাৰতত ব্ৰাহ্ম সমাজৰ নিচিনা অনেক সামাজিক সংস্কাৰ আন্দোলনৰ পথ সূচল কৰিলে। সমাজত শিক্ষাৰ এই ভূমিকাৰ প্ৰতি লক্ষ্য ৰাখি ভাৰত চৰকাৰে **ৰজ্ঞাজ্জ্বছ** চনত শিক্ষাৰ ৰাষ্ট্ৰীয় নীতি প্ৰস্তুত কৰি **ৰজ্ঞাজ্ঞাচ** চনত এই নীতিৰ কিছু সাল-সলনি ঘটায়। ইয়াৰ যোগেদি ভাৰত চৰকাৰে শিক্ষাৰ মাধ্যমেৰে ভাৰতৰ নাগৰিকসকলৰ ভিতৰত এটা জাতীয় চৰিত্ৰৰ বিকাশ সাধন কৰিবলৈ চেষ্টা চলাইছিল। এইদৰে ভাৰত চৰকাৰে গণতন্ত্ৰৰ প্ৰমূল্যসমূহৰ আৰু ধৰ্মনিৰপেক্ষতাবাদৰ বিকাশ আৰু শিক্ষিত সমাজ এখন গঢ়ি তুলিবলৈ চেষ্টা কৰিছিল।

- **ৰাজনৈতিক কাৰক** (Polical factor) ঃ

চৰকাৰ আৰু বিভিন্ন ৰাজনৈতিক দলসমূহৰ ৰাজনৈতিক আদৰ্শ, চৰকাৰ আৰু ৰাষ্ট্ৰৰ

কাৰ্যৰিলী, ৰাজনৈতিক আচৰণ ইত্যাদি বোৰ ৰাজনৈতিক কাৰকৰ অন্তগৰ্ত। ৰাষ্ট্ৰ হ'ল আটাইতকৈ শক্তিশালী সংগঠন যিয়ে ইয়াৰ অন্তৰ্গত সামাজিক সম্বন্ধ সমূহ নিয়ন্ত্ৰণ কৰে। এই প্ৰসঙ্গত ৰাষ্ট্ৰই নীতি, আইন আৰু নিয়ম-কানুন ৰচনা কৰে। উদাহৰণ স্বৰূপে, একাদিক্ৰমে অহা চৰকাৰ সমূহে জন স্বাস্থ্যৰ উন্নতিৰ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপে গ্ৰাম্যাঞ্চল আৰু নগৰাঞ্চলত জন স্বাস্থ্যৰ বিকাশ সাধন কৰিছে। তদুপৰি চৰকাৰৰ ৰাষ্ট্ৰীয় জনসংখ্যা নীতিয়ে (National Population Policy) অন্যান্য লক্ষ্যৰ লগতে জনসংখ্যা নিয়ন্ত্ৰণৰ ওপৰতো জোৰ দিছে। এই প্ৰচেষ্টা সমূহৰ ফলস্বৰূপে ভাৰতৰ জনসংখ্যা হাৰ ক্ৰমাৎ হ্ৰাস পাইছে। চৰকাৰে ৰাষ্ট্ৰৰ অৰ্থনৈতিক বিকাশৰ বাবে অৰ্থনৈতিক নীতি আৰু আচঁনিসমূহ প্ৰস্তুত কৰে আৰু বিভিন্ন ধৰণৰ সমাজ কল্যাণৰ কাৰ্যসূচী গ্ৰহণ কৰে। এইদৰে ই ৰাষ্ট্ৰৰ সামাজিক ধাৰাটো নিয়ন্ত্ৰিত কৰে।

- **প্ৰযুক্তিগত কাৰক** (Technical factor) ঃ

প্ৰযুক্তিমানে হ'ল মানুহে পাৰ্থিৱ বস্তু প্ৰস্তুত কৰিবলৈ ব্যৱহাৰ কৰা পদ্ধতিসমূহৰ লগতে প্ৰস্তুত কৰা পাৰ্থিৱ বস্তু আৰু কিদৰে এই পাৰ্থিৱ বস্তুবোৰ আমাৰ বিভিন্ন অভাৰ পূৰণ কৰিবলৈ ব্যৱহাৰ কৰা হয়। অষ্টাবিংশ আৰু ঊনবিংশ শতিকাত ইংলেণ্ডত হোৱা বিবিধ আৱিষ্কাৰ আৰু উদ্ভাৱনে তাত উদ্যোগ গঢ়ি উঠাৰ বাবে সুপ্ৰশস্ত ক্ষেত্ৰ উলিয়ালে।পৃথিৱীৰ অন্যান্য অংশলৈ এইবিলাকৰ প্ৰসাৰণে বিভিন্ন স্থানত উদ্যোগ সমূহৰ বিকাশ সাধনত অৰিহনা যোগালে। উদ্যোগসমূহে মানুহৰ অৰ্থনৈতিক জীৱনলৈ আমূল পৰিৱৰ্তন আনিলে। মানুহে কাৰখানা আৰু উদ্যোগসমূহত কাম কৰি নগদ ধন অৰ্জন কৰিবলৈ ধৰিলে। কৃষকসকলৰ দৰে তেওঁলোক প্ৰত্যক্ষভাৱে কেৱল মাটিৰ ওপৰতে নিৰ্ভৰশীল হৈ নাথাকিল। নতুন প্ৰযুক্তিয়ে ব্যাপক পৰিসৰৰ উৎপাদন সম্ভৱপৰ কৰি তুলিলে। এইটোৱে অধিক মানুহক যন্ত্ৰ চলাবলৈ বাধ্য কৰালে আৰু বিভিন্ন ধৰণৰ নিয়োগৰ ক্ষেত্ৰ সৃষ্টি হ'ল। এইবিলাক কাৰণতে উদ্যোগ থকা অঞ্চল সমূহলৈ প্ৰব্ৰজন আৰম্ভ হ'ল। কালক্ৰমত নগৰসমূহ বিকশিত হ'ল আৰু ইয়াৰ লগতে বিকশিত হ'ল নগৰীকৰণ (urbanisation) অৰ্থাৎ নগৰীয়া আৰ্হিৰ জীৱন। এতিয়া আমি আন এটা ডাঙৰ প্ৰযুক্তিৰ বিকাশ দেখিবলৈ পাইছোহঁক। মোবাইল ফোন আৰু ইন্টাৰনেট প্ৰযুক্তিৰ বিকাশ আৰু ব্যৱহাৰে আমাৰ সামাজিক সম্বন্ধ, মনোভাৱ আৰু কাৰ্যকলাপৰ পৰিৱৰ্তন আনিছে।

- **অৰ্থনীতি** (Economic factor) ঃ

অলপ আগতে আমি পঢ়িলো কেনেকৈ প্ৰযুক্তিৰ ক্ষেত্ৰত হোৱা পৰিৱৰ্তনে আমাৰ অৰ্থনৈতিক আৰু সামাজিক জীৱনৰ অন্য বহুতো দিশত প্ৰভাৱ বিস্তাৰ কৰে। উদ্যোগৰ বিকাশৰ লগে লগে তেনে অঞ্চলসমূহ অৰ্থনৈতিক কেন্দ্ৰলৈ ৰূপান্তৰিত হ'ল। তেনেবোৰ ঠাইতেই গৌণ খণ্ড অৰ্থাৎ উদ্যোগিক উৎপাদন গোট (Industrial manufacturing) আৰু তৃতীয় খণ্ড (tertiary sector) অৰ্থাৎ যাতায়ত, হোটেল ব্যৱসায়, ইত্যাদিৰ বিকাশ হল। এই অৰ্থনৈতিক কেন্দ্ৰসমূহৰ উপৰিও ৰাজ্য আৰু আঞ্চলিক মুখ্যালয়সমূহলৈ (regional capitals) ব্যাপক মাত্ৰাত মানুহৰ প্ৰব্ৰজন ঘটিবলৈ ধৰিলে। জনসংখ্যাৰ এই বৰ্দ্ধিত হাৰে বিভিন্ন ধৰণৰ সেৱা যেনে বজাৰ, শিক্ষা, হোটেল ইত্যাদিৰ চাহিদা বৃদ্ধি কৰিলে। ক্ৰমাৎ সেৱা খণ্ডৰ প্ৰসাৰ ঘটিবলৈ ধৰিলে

আৰু এটা বেলেগ ধাৰাৰ অৰ্থনৈতিক জীৱনে বিকাশ লাভ কৰিলে। এই অঞ্চলসমূহত বিভিন্ন ধৰণৰ বৃত্তিৰ বাবে পথ মুকলি হ'ল। এই কেন্দ্রসমূহলৈ হোৱা প্রব্রজনে এনেকুৱা এটা জনসংখ্যা গঢ় দিলে য'ত বৈশিষ্ট্যপূর্ণ সামাজিক আৰু সাংস্কৃতিক পৰিবেশৰ পৰা অহা মানুহৰ ভাৱৰ মিলন ঘটিছিল। এই অঞ্চলসমূহেই সময়ত টাউন আৰু নগৰৰ ৰূপ বিকাশ লাভ কৰিলে। নগৰাঞ্চলত আবেগশূন্য সম্পর্ক গঢ়ি উঠাৰ সুবিধা থাকে। তদুপৰি নগৰাঞ্চলত গৌণ গোটসমূহ আৰু আত্মীয় লোকৰ লগত সম্পর্ক, আনুষ্ঠানিক নিয়ম-কানুন, একক পৰিয়ালৰ বর্ধিত অনুপাত, ৰাজহুৱা ব্যৱসায় প্রতিষ্ঠানত নাৰীৰ বর্ধিত অংশগ্রহণ, ইত্যাদি অনেক সুবিধা থাকে। গতিকে আমি দেখিলো কেনেকৈ অৰ্থনৈতিক জীৱনৰ নতুন ধাৰাই সামাজিক সম্বন্ধসমূহ সলনি কৰে। বেলেগ বেলেগ অধ্যয়নে আকৌ বেলেগ বেলেগ বৃত্তিত নিয়োজিত নাৰীৰ প্রজনন হাৰৰ ওপৰতো আলোকপাত কৰিছে।

- **আদর্শাত্মক বা মানসিক ক্ষেত্র** (Ideational) ঃ

ইতিমধ্যে আমি আলোচনা কৰিলো যে সমাজৰ সদস্য হিচাপে মানুহে কৰা সকলো কাম সংস্কৃতিৰ ভিতৰুৱা। আমি অলপতে আলোচনা কৰি অহা কাৰকসমূহো সংস্কৃতিৰ পৰিসৰৰ ভিতৰত পৰিব। সংস্কৃতিৰ লগত জড়িত এই দিশসমূহৰ প্রত্যেকতে এটা মানসিক ক্ষেত্র, সামাজিক ক্ষেত্র আৰু ভৌতিক ক্ষেত্র আছে। আদর্শাত্মক সংস্কৃতিয়ে আদর্শ, বিশ্বাস, প্রমূল্য ইত্যাদি সামৰে। ভাৰতৰ সংবিধানখনত ধর্মনিৰপেক্ষতাবাদ, গণতন্ত্র, স্বাধীনতা আৰু ভাতৃত্ববোধৰ আদর্শ আৰু প্রমূল্যসমূহ লিপিবদ্ধ কৰা হৈছে। আমি, ভাৰতৰ নাগৰিক হিচাপে এই প্রমূল্যসমূহক স্বীকাৰ কৰিছো। এই প্রমূল্যসমূহ বাস্তৱায়িত কৰিবলৈ বহুতো আইন আৰু নীতি অর্থাৎ বিধি-নিয়ম প্রস্তুত কৰা হৈছে যিয়ে আমাৰ আচাৰ-আচৰণ পৰিচালিত আৰু নিয়ন্ত্রিত কৰে। ইয়াৰ এটা উদাহৰণ হ'ল জাতি, ধর্ম, জন্মস্থান, ভাষা, লিঙ্গ আৰু সম্প্রদায় নির্বিশেষে ভাৰতীয়সকলৰ বৈষম্যহীন আচৰণ, আমি এই নীতিসমূহ পালন কৰাতো বাধ্যতামূলক আৰু এই প্রমূল্যসমূহৰ অৱমাননা হ'লে এজন নাগৰিকে উচিত ন্যায় লাভৰ বাবে প্রচলিত ন্যায় ব্যৱস্থাৰ ওচৰত আবেদন কৰিব পাৰে।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং১ঃ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক।

(ক) সময়ৰ লগে লগে প্রত্যেকখন সমাজ আৰু সামাজিক পৰিস্থিতি লৈ পৰিৱর্তন নামি আহে।

.....

(খ) নব্য সূত্রৰ প্রয়োজনাত্মকবাদীসকলে এই মত পোষণ কৰে যে এটা প্রণালীৰ ভিতৰত চাপ আৰু উত্তেজনা থাকে আৰু ইয়ে সমাজলৈ পৰিৱর্তন আনিব পাৰে।

.....

(গ) এখন সমাজৰ চিন্তাধাৰা আৰু প্ৰমূল্যত দেখা দিয়া পৰিৱৰ্তনবোৰ অতি বেগী।

.....

প্ৰশ্ন নং২ঃ খালী ঠাই পূৰণ কৰক।

(ক) ..... বিৱৰ্তনবাদীসকলে বিশ্বাস কৰিছিল যে সকলো সমাজ তথা প্ৰত্যেক সামাজিক অনুষ্ঠানে পৰিৱৰ্তনৰ এটা নিৰ্দিষ্ট আৰ্হি মানি চলে, যাক তেওঁলোকে সৰলৰৈখিক পৰিৱৰ্তন হিচাপে মানে।

(খ) সমাজ আৰু সমাজিক অনুষ্ঠানসমূহ ..... অৱস্থাৰ পৰা জটিল অৱস্থালৈ, সমপ্ৰকৃতিৰ পৰা ..... লৈ, অপৃথকীকৰণ অৱস্থাৰ পৰা ..... লৈ পৰিৱৰ্তিত হয়।

(গ) আদৰ্শ হ'ল এটা ..... যি ব্যক্তি ভেদে আৰু গোটভেদে বেলেগ হয়।



১২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বিভিন্ন সমাজতত্ত্ববিদে সামাজিক পৰিৱৰ্তনক সুকীয়া সুকীয়া দৃষ্টিভঙ্গীৰে বিচাৰ কৰিছে।
- বহুতে সামাজিক পৰিৱৰ্তনক সামাজিক প্ৰণালীটোৰ পৰিৱৰ্তন বা সামাজিক গাঁথনিটোৰ পৰিৱৰ্তন হিচাপে বিবেচনা কৰে।
- সামাজিক গাঁথনিৰ অন্তৰ্গত হোৱা দিশসমূহ হ'ল মৰ্যাদা, ভূমিকা, প্ৰমূল্য আৰু সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানসমূহ।
- সামাজিক পৰিৱৰ্তনৰ বৈশিষ্ট্যৰ ভিতৰত বিস্তৃতি, সময় সীমা, দিশ, পৰিৱৰ্তনৰ হাৰ, কাৰণৰ উৎস অন্তৰ্ভুক্ত।
- বিৱৰ্তন হ'ল অপৃথকীকৰণৰ পৰা পৃথকীকৰণলৈ হোৱা ক্ৰমিক পৰিৱৰ্তন।
- প্ৰগতি হ'ল এটা পূৰ্বনিৰ্ধাৰিত আদৰ্শৰ অভিমুখে হোৱা গতি।
- উন্নতি এটা ধনাত্মক শব্দ যি অনগ্ৰসৰতাৰ পৰা অগ্ৰসৰ হোৱা এটা অৱস্থা বুজায়। সামাজিক পৰিৱৰ্তনৰ কিছুমান কাৰক হ'ল ভৌগোলিক, জনসংখ্যা ভিত্তিক, অৰ্থনৈতিক, ৰাজনৈতিক, প্ৰযুক্তিগত আৰু আদৰ্শাত্মক ক্ষেত্ৰ।



১২.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থঃ

1) B. Kuppuswamy. *Social Change in India* (5th Edtn). Konark Publishers Pvt. Ltd.

2) MacIver, R.M. and C.H. Page. *Society: An Introductory Analysis*. New Delhi : Macmillan.

3) Rawat, H.K. (2007). *Sociology: Basic Concepts*. Jaipur: Rawat Publications.

১২.৮ অগ্রগতিৰ খতিয়ান

১নং প্রশ্ন উত্তৰঃ (ক) শুদ্ধ (খ) শুদ্ধ (গ) অশুদ্ধ

২নং প্রশ্ন উত্তৰঃ (ক) একৈখিক

(খ) সৰল, ভিন্ন প্রকৃতি, পৃথকীকৰণ

(গ) প্রমূল্য

১২.৯ আৰ্হি প্রশ্ন

(ক) চুটি প্রশ্ন (ৰপ্তুত্ত্ব শব্দৰ ভিতৰতউত্তৰ লিখক)

প্রশ্ন ১ঃ সামাজিক পৰিৱৰ্তনৰ সংজ্ঞা নিৰূপন কৰি ইয়াৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

প্রশ্ন ২ঃ সামাজিক পৰিৱৰ্তনৰ বৈশিষ্ট্যসমূহৰ ওপৰত ভিত্তি কৰি ইয়াৰ শ্রেণীবিভাগ কৰক।

প্রশ্ন ৩ঃ সামাজিক পৰিৱৰ্তনৰ প্রকাৰ হিচাপে প্রগতিৰ ওপৰত এটা টোকা লিখক।

প্রশ্ন ৪ঃ সামাজিক পৰিৱৰ্তন আৰু সামাজিক বিৱৰ্তনৰ মাজৰ পার্থক্যসমূহ নির্ণয় কৰক।

প্রশ্ন ৫ঃ উন্নয়নৰ প্রধান বৈশিষ্ট্যসমূহ কি কি? উন্নয়নৰ ধাৰণাটোক বিভিন্নজনে কিদৰে ব্যাখ্যা কৰিছে?

(খ) ৰচনাধর্মী প্রশ্ন (ত্ত্বত্ত্ব-প্তুত্ত্বত্ত্ব শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ বিৱৰ্তনবাদ কি? ইয়াৰ প্রধান বৈশিষ্ট্যসমূহ কি কি? অনুষ্ঠান-প্রতিষ্ঠানৰ বিৱৰ্তনৰ ক্ষেত্রত ব্যাপ্তকৰণে কিবা ভূমিকা গ্রহণ কৰিব পাৰেনে?

প্রশ্ন২ঃ সামাজিক পৰিৱৰ্তনত সামাজিক বিৱৰ্তন আৰু প্রগতিৰ প্রভাৱ আলোচনা কৰক।

প্রশ্ন৩ঃ সামাজিক পৰিৱৰ্তনৰ বিভিন্ন কাৰকসমূহ কি কি? উদাহৰণসহ আলোচনা কৰক।

*** ***** ***

অধ্যায় ১৩ ঃ সামাজিক নিয়ন্ত্রণ

অধ্যায় গাঁথনি

ৰ্.ৰ উদ্দেশ্য

ৰ্.চ পৰিচয়

ৰ্.্ সামাজিক নিয়ন্ত্রণ ঃ অর্থ আৰু সংজ্ঞা

ৰ্.্.ৰ প্রতিমান

ৰ্.্.চ প্রমূল্য

ৰ্.্.্ অনুশাসন

ৰ্.্.চ্ছ্র ব্যৱস্থাসমূহ

ৰ্.চ্ছ্র অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

ৰ্.প্ত অধিক জানিবলৈ

ৰ্.ছ অগ্রগতিৰ খতিয়ান

ৰ্.জ্জ আর্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সামাজিক নিয়ন্ত্রণৰ অর্থ বুজিব পাৰিব
- সামাজিক নিয়ন্ত্রণৰ বিভিন্ন ব্যৱস্থাসমূহ চিনাক্ত কৰিব পাৰিব
- সমাজত সামাজিক নিয়ন্ত্রণৰ গুৰুত্ব সম্পর্কে আলোচনা কৰিব পাৰিব।

১৩.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়বোৰৰ পৰা আমি সমাজৰ ধাৰণাটো জানিব পাৰিলোঁ। 'সমাজ' বোলা অভিধাটোৰ দৰেই 'সংস্কৃতি' বোলা অভিধা এটাও আছে। এই অভিধাটো আমি প্রায়েই দৈনন্দিন আলোচনাত ব্যৱহাৰ কৰোঁ। সমাজ আৰু সংস্কৃতি উভয়েই হ'ল আন্তঃসম্পর্ক থকা ধাৰণা। দুয়োটা ধাৰণাকে একেটা মুদ্রাৰ ইপিঠি-সিপিঠি বুলিব পাৰি। প্রতিখন সমাজৰে নিজ নিজ সংস্কৃতি থাকে। সমাজৰ সদস্যসকলে গঢ়ি লোৱা আৰু ব্যৱহাৰ কৰা সকলো নীতি-নিয়ম, ধাৰণা, স্বীকৃত প্রথা, সামাজিক আচৰণ আৰু পার্থিৱ সামগ্রীকেই সংস্কৃতিয়ে সামৰি লয়। সমাজ আৰু সংস্কৃতি বর্তাই ৰাখিবলৈ সমাজৰ প্রতিগৰাকী সদস্যই স্বীকৃত নীতি-নিয়মবোৰ জনাটো আৰু তেনে নীতি-নিয়ম অনুসৰি আচৰণ কৰাটো জৰুৰী। শিকনৰ এই প্রক্রিয়াটোকে সামাজিকীকৰণ বোলে। সমাজৰ সদস্যসকলক স্বীকৃত নীতি- নিয়মবোৰ অনুসৰণ কৰিবলৈ বাধ্য কৰোৱা আন এটা প্রক্রিয়া আছে। এই প্রক্রিয়াটোক সামাজিক নিয়ন্ত্রণ বোলা হয়। এই দুয়োটা প্রক্রিয়া হ'ল

সামাজিক জীৱনৰ দুটা গুৰুত্বপূৰ্ণ দিশ। এই অধ্যায়টিত আমি সামাজিক নিয়ন্ত্রণ আৰু ইয়াৰ অর্থ জনাৰ প্রয়াস কৰিম। সামাজিক নিয়ন্ত্রণৰ বিভিন্ন উপায় হ'ল অধ্যায়টিৰ অন্য আলোচ্য বিষয়। অধ্যায়টিৰ জৰিয়তে সমাজত সামাজিক নিয়ন্ত্রণৰ গুৰুত্ব বুজাৰো প্রয়াস কৰা হ'ব।

ৰূ.৩ সামাজিক নিয়ন্ত্রণ ঃ অর্থ আৰু সংজ্ঞা

সমাজ সংৰক্ষণৰ বাবে সামাজিক শৃংখলাৰ প্রয়োজন। সামাজিকীকৰণ আৰু সামাজিক শৃংখলা উভয়ে এইক্ষেত্রত অৰিহণা যোগায়। যদিও সামাজিকীকৰণ প্রক্রিয়াই ব্যক্তি-সকলক সমাজৰ বিধি-নিয়ম অনুসৰি চলিবলৈ শিক্ষা দিয়ে, তথাপিও সদস্যসকলে বহুক্ষেত্রত বিধি-নিয়ম উলংঘা কৰিবও পাৰে। সামাজিকীকৰণ সম্পূৰ্ণ ত্রুটিমুক্ত নহয়। সেয়েহে সমাজৰ এনে কিছুমান নিয়ন্ত্রণমূলক ব্যৱস্থা আৰু প্রক্রিয়া আছে যিবোৰে সমাজৰ সদস্যসমূহৰ ওপৰত হেঁচা প্রয়োগ কৰি তেওঁলোকক সমাজৰ বিধি-নিয়ম আৰু আচাৰ- আচৰণসমূহ অনুসৰণ কৰিবলৈ বাধ্য কৰায়। এইবিলাকৰ সমষ্টিয়েই হ'ল সামাজিক নিয়ন্ত্রণ।

ৰজ্জাজ্জ্বৰ চনত প্রকাশিত Social Control নামৰ গ্রন্থত আমেৰিকান সমাজতত্ত্ববিদ ই. এ. ৰ'জে সামাজিক নিয়ন্ত্রণৰ ওপৰত বিস্তৃত আলোচনা আগবঢ়াইছে। তেওঁৰ মতে, *"সামাজিক নিয়ন্ত্রণে সেই ব্যৱস্থাৰ প্রণালীটোক বুজায় যাৰ দ্বাৰা সমাজে ইয়াৰ সদস্যসকলক স্বীকৃত মানযুক্ত আচৰণ প্রদর্শন কৰিবলৈ বাধ্য কৰে।"* ডি. অক্সফোর্ড ডিক্সনেৰি অব ছ'চিঅ'ল'জি (**ৰজ্জাজ্জাচ্ছ্র**)য়ে সামাজিক নিয়ন্ত্রণৰ সংজ্ঞা এইদৰে আগবঢ়াইছে ঃ *"সামাজিক নিয়ন্ত্রণ সেইবিলাক সামাজিক প্রক্রিয়া যাৰ দ্বাৰা ব্যক্তি বা সমষ্টিৰ আচৰণ নিয়ন্ত্রিত হয়।"* বট্টমোৰৰ মতে, "সামাজিক নিয়ন্ত্রণৰ অর্থ হৈছে মানৰ আচৰণৰ সামাজিক ব্যৱস্থাপনা।"

সাধাৰণতে সামাজিক নিয়ন্ত্রণত এনে উল্লেখনীয় দিশ থকা বুলি বিবেচনা কৰা হয় যাৰ বিধি-নিয়মৰ লগত সাদৃশ্য আছে। সেই অর্থত আনকি সামাজিকীকৰণকো, সামাজিক নিয়ন্ত্রণৰ পৰিণতি বুলিব পাৰি। অন্যান্য সকলে সামাজিক নিয়ন্ত্রণক সমাজৰ সদস্যসকলৰ ওপৰত জাঁপি দিয়া নিয়ন্ত্রিত ব্যৱস্থা বুলি কৈছে। ইয়াৰ অর্থ হ'ল এয়ে যে ই বর্জনীয় আচৰণ আৰু আইন অমান্যকৰণ আৰু আচৰণ নিয়ন্ত্রণ কৰিবলৈ বাহ্যিক হেঁচাৰ প্রতিহে গুৰুত্ব দিয়ে। গতিকে সামাজিক নিয়ন্ত্রণৰ ব্যৱস্থাসমূহে আচৰণ নিয়ন্ত্রণ কৰি ইয়াক সংজ্ঞা প্রদান কৰে।

১৩.৩.১ প্রতিমান (Norms)

অক্সফ'র্ড ডিক্শ্যানেৰী অফ্ ছছিঅ'লজি (**ৰজ্জাজ্জাচ্ছ্র**)-ৰ মতে "প্রতিমান হৈছে আচৰণৰ এক সংযুক্ত যাক সাংস্কৃতিকভাৱে প্রত্যায়িত আৰু উপযুক্ত বুলি গণ্য কৰা হয়"। সাধাৰণ অর্থত, প্রতিমান হৈছে কিছু সামাজিক নিয়ম যি কোনো নির্দিষ্টপৰিস্থিতিত আমাৰ আচৰণ নিয়ন্ত্রণ কৰে। মানুহে বিভিন্ন পৰিস্থিতিত কেনে ধৰণে আচৰণ কৰিব লাগে আৰু নালাগে সেই বিষয়ে এই নিয়মসমূহে নির্ধাৰণ কৰে। উদাহৰণস্বৰূপে, সম্ভাষণ জনাওঁতে কোনখন হাত আগঢ়াব লাগে অথবা বিভিন্ন উপলক্ষত - শ্রাদ্ধ, ভোজ ইত্যাদি-

কেনেধৰণৰ পোছাক পৰিধান কৰিব লাগে।

প্ৰতিমানসমূহ হৈছে আনৰ সৈতে যোগাযোগ নিয়ন্ত্ৰণ কৰা বাধ্যাতামূলক নীতি নিয়ম। কোনো এটা কাম নিৰ্দিষ্ট ধৰেণ কৰাটো যেতিয়া এক নিয়মত পৰিণত হৈ যায়, সেয়া চলিবলৈ আৰম্ভ কৰে কিয়নো আমি আনসকলে সেই নিয়ম মানি ল'ব বুলি ধাৰণা কৰি নিজেও সেয়া মানি লওঁ (লিৰিছ, **ৰজ্মছজ্ম**)। বিভিন্ন সমাজত এক নিৰ্দিষ্ট আচৰণৰ বাবে বিভিন্ন প্ৰতিমান হ'ব পাৰে। প্ৰতিমানসমূহ কেতিয়াও স্থায়ী নহয়, সময়ে সময়ে সমাজ অনুসৰি এইসমূহৰ পৰিৱৰ্তন হয়।

সামাজিকভাৱে প্ৰতিমানসমূহক ৰীতি (Mores), লোকপ্ৰথা (Folkways) আৰু প্ৰথা (Customs) -ত বিভিক্ত কৰিব পাৰি। কিছুমান লেখকে প্ৰতিমানৰ মাজত আইনকো স্থান দিছে।

- **ৰীতিঃ** সমাজে এক শ্ৰেণীৰ প্ৰতিমানৰ ওপৰত গুৰুত্ব আৰোপ কৰে আৰু এইসমূহক ৰীতি বোলা হয়। ৰীতিসমূহ হৈছে সবাতোকৈ শক্তিশালী সামাজিক প্ৰতিমান যিবোৰে আমাক কিছু নিৰ্দিষ্ট কাম কৰিবলৈ কয়, যেনে পিতৃ-মাতৃ আৰু শিক্ষাগুৰুক সন্মান কৰা আৰু কিছুমান কাম কৰিবলৈ বাধা প্ৰদান কৰা, যেনে মানুহক হত্যা নকৰা, খাদ্য ভেজাল নকৰা ইত্যাদি। সমাজ এখন সুস্থভাৱে ৰাখিবলৈ ৰীতিসমূহৰ প্ৰয়োজন অপৰিসীম। মানুহে ৰীতিসমূহক নৈতিকভাৱে গুৰুত্বপূৰ্ণ বুলি স্বীকৃতি দিয়ে আৰু ৰীতিভংগ কৰা লোকসকলক পাপী আৰু দোষী বোলা হয়। ফলস্বৰূপে, সমাজত ৰীতিভংগকাৰীৰ বাবে শাস্তি অতি কঠিন হয়; তেওঁলোকৰ সমাজৰ পৰা এঘৰীয়া, কাৰাবন্দী, ঘৃণীয়া কৰাৰ লগতে কোনো ক্ষেত্ৰত প্ৰাণদণ্ডও দিয়া হয়। হিন্দু সমাজত নিজৰ জাতিৰ ভিতৰত বিবাহ সম্পন্ন কৰাটো নিয়ম। ভাৰতীয়সকলৰ বাবে ই এক ৰীতিত পৰিণত হৈছে। এই ৰীতি ভংগ কৰা যিকোনো লোককে হয়তো জাতিটোৰ পৰা বহিষ্কাৰ কৰা হয় নাইবা গধুৰ জৰিমনা বিহা হয়। এই ৰীতিসমূহ ক্ৰমান্বয়ে সলনি হোৱাৰ সম্ভাৱনা আছে।
- **লোকপ্ৰথাঃ** আমেৰিকান সমাজতত্ত্ববিদ উইলিয়াম জি. ছামনাৰে তেওঁৰ গ্ৰন্থ "Folkways" (**ৰজ্মজ্মছ**) -ত দুইধৰণৰ প্ৰতিমান চিনাক্ত কৰিছে- লোকপ্ৰথা আৰু ৰীতি। ৰিউটাৰ আৰু হার্ট (**ৰজ্ম**)-ৰ মতে, "লোকপ্ৰথা হৈছে এটা গোটৰ সদস্যসকলৰ উমৈহতীয়া কিছু ব্যৱহাৰিক আচৰণ; এইসমূহ গোটটোৰ এনে কিছু কাৰ্য যিসমূহক মান্যতাৰ লগতে পাৰম্পৰিক অনুমতিও প্ৰদান কৰা হৈছে। সাধাৰণতে ক'বলৈ গ'লে লোকপ্ৰথাসমূহ হৈছে দৈনন্দিন সমস্যাবোৰ সমাধান কৰিবলৈ এটা গোটে কৰা কেতবোৰ পৰম্পৰাগত, সাধাৰণ আৰু আচৰণগত কাৰ্য। যিকোনো দৈনন্দিন কাৰ্য যেনে, কথা কোৱা বা কাপোৰ পিন্ধা, খোৱা-বোৱা কৰা, এইবোৰক এজন ব্যক্তিৰ অভ্যাস বোলা হয়। কিন্তু যেতিয়া এই অভ্যাসবোৰক সামাজিক মান্যতা প্ৰদান কৰি এখন সমাজৰ বহু লোকে কৰিবলৈ

ধৰে, এইসমূহ হৈ পৰে লোকপ্রথা। লোকপ্রথাক কার্যকৰী কৰিবৰ বাবে পৰচর্চা কৰাটো আৰু উপহাস কৰাটো অতি প্রয়োজনীয়।

- **প্রথাঃ** সাধাৰণ অর্থত প্রথা আৰু অভ্যাসক একে ধৰণে ব্যৱহাৰ কৰা হয় যদিও দুয়োৰে মাজত যথেষ্ট পার্থক্য আছে। অভ্যাস কম বেছি পৰিমাণে স্বয়ংক্রিয়ভাৱে আয়ত্ত কৰা আচৰণ, কিন্তু প্রথা হৈছে প্রতিষ্ঠিত আচৰণৰ সমষ্টি। প্রথা হৈছে এনে কিছু লোকপ্রথা আৰু ৰীতি, যিসমূহ এক দীঘলীয়া সময় জুৰি প্রচলিত হৈ আছে আৰু এটাৰ পৰা আনটো প্রজন্মলৈ চলি আহিছে। উদাহৰণ স্বৰূপে, পাৰম্পৰিক ভাৰতীয় সমাজত অনুজসকলে অভিভাৱক, শিক্ষাগুৰু আৰু অগ্রজসকলৰ ভৰি ছুই আর্শীবাদ লোৱাটো এক প্রথা। প্রাক্ শিক্ষিত সমাজসমূত প্রথা আছিল সামাজিক নিয়ন্ত্রণৰ শক্তিশালী মাধ্যম। কিন্তু আধুনিক সময়ত এই শক্তি যথেষ্ট লাঘৱ হৈছে।

১৩.৩.২ প্রমূল্য (Values)

সাধাৰণ অর্থত প্রমূল্য হৈছে নৈতিক ধাৰণা, পৃথিৱীৰ প্রতি থকা সাধাৰণ ধাৰণা অথবা কোনো সময়ত কেৱল আগ্রহ, মনোভাৱ, মনোনয়ন, আৱেগ আৰু স্বভাৱ। কিন্তু সমাজতত্ত্ববিদসকলে প্রমূল্যক অধিক সুক্ষ্মভাৱে কোনো সংস্কৃতিত ভাল কার্য আৰু উপযুক্ত অথবা বেয়া, নিবিচৰা আৰু অনুপযুক্ত বুলি ভবা উমৈহতীয়া ধাৰণা ৰূপে চিহ্নিত কৰিছে। এম. হাৰালাম্বোছৰ মতে, "প্রমূল্য হৈছে কোনো এটা বিষয়য়বস্তু ভাল আৰু কাম্য হোৱা বুলি কৰা বিশ্বাস"। প্রমূল্য হৈছে কোনো বিষয়বস্তুক কেনেদৰে কাম্যতা, গুণাগুণ অথভা যোগ্যতাৰ ভিত্তিত কেনেদৰে শ্রেণীবদ্ধ কৰা হয়, তাৰ এক উমৈহতীয়া ধাৰণা। ধন-সম্পত্তি, বিশ্বাসযোগ্যতা, ন্যায়, সমতা আৰু বন্ধুত্বসুলভতা হৈছে প্রমূল্যৰ উদাহৰণ। বিভিন্ন সংস্কৃতিত প্রমূল্য পদ্ধতি ভিন্ন হয়। কোনো সংস্কৃতিয়ে আক্রমণাত্মক ভাৱধাৰাক মূল্য দি নিষ্ক্রীয়তাক হীন বুলিব পাৰে, আনটোৱে হয়তো তেনে নকৰিব। আমেৰিকা যুক্তৰাষ্ট্রৰ দৰে সমাজত যেনেদৰে ব্যক্তিগত সাফল্যক গুৰুত্ব দিয়া হয়, তেনেদৰে ভাৰতীয় সমাজে পৰিয়ালৰ একতা আৰু আত্মীয় লোকৰ সহযোগিতাক মান্যতা দিয়ে। বেছিভাগ মৌলিক প্রমূল্য আমি শৈশৱতে নিজৰ পৰিয়াল, বন্ধু-বান্ধৱ, ওচৰ-চুবুৰীয়া আৰু শিক্ষানুষ্ঠানৰ পৰাই শিকোঁ।

সমাজতত্ত্ববিদসকলে কেৱল সামাজিক প্রমূল্যৰ বিষয়ে চিন্তা-চর্চা কৰে। এক সামাজিক প্রমূল্য ব্যক্তিগত প্রমূল্যতকৈ পৃথক হয়। ব্যক্তিগত প্রমূল্যক এজন ব্যক্তিয়ে নিজে উপভোগ কৰে, কিন্তু সামাজিক প্রমূল্যত আনৰ কল্যাণৰ ধাৰণাও নিহিত হৈ থাকে। সামাজিকীকৰণৰ প্রক্রিয়াই এই প্রমূল্যসমূহ ব্যক্তি এজনৰ ব্যক্তিত্বত নিহিত হ'ব বিচাৰে। কোনো সংস্কৃতিৰ আত্মিক অথবা মৌলিক বৈশিষ্টসমূহ সেই সংস্কৃতি যেনেদৰে বাস্তুবাদী উন্নয়ণৰ বিশ্বাসৰ দ্বাৰা পৰিচালিত তেনেদৰে ভাৰতীয় সংস্কৃতিৰ

আধাৰ হৈছে আধ্যাত্মিকতাবাদ। সামাজিক প্ৰমূল্যৰ পাৰ্থক্যই ভিন্ন সামজিক সংগঠন আৰু আশাতীত ভিন্ন আৰ্হিৰ জন্ম দিয়ে।

১৩.৩.৩ অনুশাসন (Sanction)

অক্সফ'ৰ্ড ডিক্শ্যনেৰী অৰ ছোছিঅ'লজীৰ মতে সামাজিকভাৱে গৃহীত মানদণ্ডৰ প্ৰতি স্বীকৃতিক কাৰ্যকৰী কৰি তোলাৰ যিকোনো পন্থাকে সামাজিক অনুশাসন (social sanction) বোলা হয়। সামাজিক নিয়ন্ত্ৰণৰ যিকোনো ব্যৱস্থাই অনুশাসনৰ ওৰত নিৰ্ভৰশীল। প্ৰতিমান বলবৎ কৰা অনুশাসনসমূহ সামাজিক নিয়ন্ত্ৰণ ব্যৱস্থাৰ এক অন্যতম অংশ। অনুশাসন ধনাত্মক নাইবা ঋণাত্মক হ'ব পাৰে। ধনাত্মক অনুশাসনৰ অৰ্থ হৈছে কোনো প্ৰতিমানক গ্ৰহণ কৰাৰ অনুমতি প্ৰদান কৰা আৰু ঋণাত্মক অনুশাসনৰ অৰ্থ হৈছে কোনো প্ৰতিমান ভংগ কৰিবলৈ অনুমতি প্ৰদান নকৰা। সকলো প্ৰতিমানৰ একে ধৰণৰ অনুশাসন নাথাকে কিয়নো কোনো এক সংস্কৃতিত সকলো প্ৰতিমানৰ সমান গুৰুত্ব নাথাকে। ধনাত্মক অনুশাসন বস্তুবাদী হ'ব পাৰে, যেনে নগদ ধনৰ পুৰস্কাৰ বা এটা ট্ৰফী। কিন্তু দৈনন্দিন জীৱনত সাধাৰণতে ধনাত্মক অনুশাসন বুকুত সাৱতি অথবা হাঁহিৰে দিয়া হয়। ঋণাত্মক অনুশাসনো বস্তুবাদী হ'ব পাৰে, উদাহৰণস্বৰূপে, জৰিমনা - কিন্তু শাৰীৰিক অভিব্যক্তি, যেনে ভুৰু কোঁচ খাই দিয়া, গালি-শপনি পৰা ইত্যাদিও ঋণাত্মক অনুশাসনৰ ভিতৰত পৰে। ঋণাত্মক অনুশাসনৰ কঠোৰতা ভিন্ন হ'ব পাৰে। ই মৃত্যুদণ্ড অথবা দোষীক শাৰীৰিক কষ্ট দিয়া, কাৰাবাস অথবা সামাজিকভাৱে এঘৰীয়া কৰা হ'ব পাৰে। সমাজে সামাজিক অনুশাসনসমূহ জনসাধাৰণক সাঠিক পথত ৰাখিবলৈ প্ৰয়োগ কৰে। চি ডব্লিউ মিলছৰ মতে, "অপমানৰ পৰা আৰম্ভ কৰি কাৰাবাসলৈ, সকলো সম্ভাব্য অনুশাসনৰ আগতীয়া অনুমানেই ঋণাত্মক আচৰণ নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰত যথেষ্ট"।

১৩.৩.৪ ব্যৱস্থাসমূহ

সমাজত আমাৰ আচৰণক নিয়ন্ত্ৰণ কৰা গোট আৰু সামাজিক সম্বন্ধসমূহৰ প্ৰকাৰৰ ওপৰত ভিত্তি কৰি ব্যৱস্থাসমূহক দুটা ভাগত ভাগ কৰা হয়, নিয়ন্ত্ৰণৰ অনানুষ্ঠানিক উপায় আৰু নিয়ন্ত্ৰণৰ আনুষ্ঠানিক উপায়।

- *অনানুষ্ঠানিক নিয়ন্ত্ৰণৰ ব্যৱস্থাসমূহঃ* অনানুষ্ঠানিক উপায়সমূহ অনানুষ্ঠানিক সম্পৰ্কৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠিছে। প্ৰাথমিক গোট, যেনে— পৰিয়াল বন্ধু-বান্ধৱ আৰু প্ৰতিবেশীত্বৰ ক্ষেত্ৰত সম্বন্ধবোৰ মূলতঃ অনানুষ্ঠানিক হয় আৰু সেয়েহে প্ৰাথমিক গোটসমূহে আমাৰ আচৰণৰ ওপৰত অনানুষ্ঠানিক নিয়ন্ত্ৰণ আৰোপ কৰে। আনকি গৌণ গোটসমূহতো য'ত সম্বন্ধবোৰ অনুষ্ঠানিক হয়, তাতো অনানুষ্ঠানিক সম্বন্ধ থাকে। অনানুষ্ঠানিক উপায়সমূহ কোনো বিশেষ ধাৰণাৰ

সৈতে জড়িত নহয়। তাত আচৰণ ভেদে বিশেষধৰণৰ শাস্তি বা পুৰস্কাৰৰ ব্যৱস্থা নাই।

তলত কেইটামান অনানুষ্ঠানিক নিয়ন্ত্রণৰ উপায়ৰ বিষয়ে আলোচনা কৰা হ'ল—

- **পৰচর্চা, ইতিকিং, টুটকীয়া কথাঃ** অনানুষ্ঠানিক সম্বন্ধত পৰচর্চা, ইতিকিং আৰু টুটকীয়া কথা বাধ্যতামূলক নহয়। তথাপি এইবোৰে এজন ব্যক্তি যে সমাজৰ বিপৰীত বিন্দুত অৱস্থান কৰি আছে তাক সমাজৰ অনন্য সকলে আঙুলিয়াই দিয়ে। ইয়ে সৰলআৰু পোনপটীয়া সম্বন্ধবোৰত বিৰূপ প্রভাৱ পেলায়। গতিকে মানুহৰ ওপৰত এই উপায়সমূহৰ সূক্ষ্ম নিয়ন্ত্রণ আছে আৰু তেওঁলোকৰ আচৰণ ইবিলাকে নিয়ন্ত্রণ কৰে।
- **আদেশ আৰু পৰামর্শঃ** এটা পৰিয়ালৰ ভিতৰত, চুবুৰীয়া আৰু বন্ধু-বান্ধৱৰ মাজত জ্যেষ্ঠসকলৰ আৰু যি সকল ব্যক্তিক শ্রদ্ধা কৰা হয় বা যাৰ প্রতি ভীতিৰ ভাব থাকে, তেনে মানুহৰ আদেশ আৰু পৰামর্শ আমি অনুসৰণ কৰো। আমি ট্রাক আৰু লৰিৰ পিছফালে কেতবোৰ নৈর্ব্যক্তিক নির্দেশ, যেনে— 'দূৰত্ব বজাই ৰাখক', 'হর্ণ দিয়ক' ইত্যাদি দেখিবলৈ পাও। যদি আমি তেনে নির্দেশানুসাৰে আচৰণ নকৰো আমাক শাস্তি দিয়া নহয়, কিন্তু তথাপিতো আমি এই অনানুষ্ঠানিক নির্দেশসমূহ পালন কৰো।
- **জনমতঃ** জনমত হৈছে নির্দিষ্ট সময়ত জনসাধাৰণে দাঙি ধৰা মত। আমাৰ আচৰণৰ নিয়ন্ত্রণ আৰু পৰিচালনাত জনমতৰ গুৰুত্বপূর্ণ ভূমিকা আছে। গণতান্ত্রিক দেশত জনমতে শাসনত অধিষ্ঠিত আৰু নীতি নির্ধাৰণ কৰা ব্যক্তিসকলৰ আচৰণৰ নিয়ন্ত্রণত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। সাধাৰণতে গণ-মাধ্যমে জনমত গঢ় দিয়ে।
- **প্রথা, লোকাচাৰ, লোকৰীতি, ধর্ম, নৈতিকতাঃ** প্রথা হ'ল সমাজে সামাজিক ভাবে স্বীকাৰ কৰা আচৰণ যিবিলাক দীর্ঘদিন ধৰি প্রচলিত হৈ আহিছে। লোকাচাৰ হ'ল লোক সমাজে অনুসৰণ কৰা আচাৰ। লোকৰীতি হ'ল নৈতিক ভাব যুক্ত লোকাচাৰ। আমাৰ আচৰণৰ সৰহ ভাগেই হ'ল আমি আমাৰ প্রথা, লোকাচাৰ, লোকৰীতি, ধর্ম আৰু নৈতিকতাৰ পৰা জীৱন জুৰি আহৰণ কৰা শিক্ষা। অতি-প্রাকৃত ভয়ৰ বাবেই হওক অথবা অন্য কিবা কাৰণতেই হওক আমি এইবিলাক অৱচেতনভাৱে অনুসৰণ কৰো। এইসমূহৰ ওপৰত ভিত্তি কৰিয়েই অন্যান্য মানুহেও ইতিকিং, পৰামর্শ, পৰচর্চা, ইত্যাদিৰ মাজেদি আমাৰ আচৰণৰ ওপৰত বাহ্যিক নিয়ন্ত্রণ আৰোপ কৰে যিদৰে আমি আনৰ ওপৰত কৰো।

➢ *আনুষ্ঠানিক নিয়ন্ত্রণৰ ব্যৱস্থাসমূহঃ* আনুষ্ঠানিক ব্যৱস্থাসমূহ সংগঠিত নীতি তথা

নির্দেশনাসমূহ আনুষ্ঠানিক আৰু নির্দিষ্ট। সেইদৰে নিয়ন্ত্রণৰ পন্থাসমূহো আনুষ্ঠানিক আৰু নির্দিষ্ট। নীতিত লিপিবদ্ধ ব্যৱস্থা অনুসাৰেই অপৰাধীসকলক শাস্তি প্রদান কৰা হয়। বহুতো গৌণ গোটত, যেনে— বৃত্তিমূলক গোট, শিক্ষা প্রতিষ্ঠান আৰু ৰাষ্ট্র আদিত সম্বন্ধ সমূহ আনুষ্ঠানিক আৰু নিয়ন্ত্রণৰ উপায়ো আনুষ্ঠানিক। আনুষ্ঠানিক নিয়ন্ত্রণৰ উপায়সমূহ তলত উল্লেখ কৰা ধৰণৰ—

- **আইন, আৰক্ষী, ন্যায় পালিকাঃ** আইন ৰাজনৈতিকভাৱে স্বীকৃত আৰু কার্যকৰী হয়। এই বিলাক নীতি ভাৰতৰ সংসদৰ নিচিনা আনুষ্ঠানিক গোটে নির্ধাৰণ কৰে বা তেনে ব্যক্তিয়ে নির্ধাৰণ কৰে যাৰ আইনৰ ওপৰত দখল আছে। আইনৰ পৰিসৰৰ ভিতৰত দুটা দলৰ মাজত হোৱা যি কোনো চুক্তিয়ে আইন হিচাপে স্বীকৃত হয়। আনুষ্ঠানিক সঁজুলি, যেনে— আৰক্ষী, আদালত, প্রশাসনিক আৰু ন্যায়িক গোটসমূহৰ সহায়ত আইনসমূহ কার্যকৰী হয়। ৰাষ্ট্রই আইনসমূহ মানিবলৈ মানুহক বাধ্য কৰাবলৈ শক্তি প্রয়োগ কৰিব পাৰে।
- **শিক্ষাঃ** জটিল সমাজৰ শিক্ষা আনুষ্ঠানিক। মানুহক শিক্ষা দিবলৈ এটা আনুষ্ঠানিক পদ্ধতিৰ প্রচলন কৰা হৈছে। সামাজিক প্রয়োজনীয়তাৰ প্রতি লক্ষ্য ৰাখি সমাজে শিক্ষা প্রদান কৰে। শিক্ষাই এজন ব্যক্তিক তেওঁৰ নিজৰ আচৰণত আৰু ব্যৱহাৰ নিয়ন্ত্রণ আৰু পৰিচালিত কৰিবলৈ শিকায়। শিক্ষাই অনানুষ্ঠানিক ব্যৱস্থা, যেনে— পৰামর্শ, ইতিকিং ইত্যাদিৰ মাধ্যমেৰে মানুহৰ আচৰণ নিয়ন্ত্রণ কৰিব পাৰে। এই প্রক্রিয়াত সমাজে ইয়াৰ সদস্যসকলক প্রদান কৰা শিক্ষাৰ যোগেৰে সদস্যসকলে নিজকে নিজে নিয়ন্ত্রণ কৰিব পাৰে।

নিয়ন্ত্রণৰ আনুষ্ঠানিক আৰু অনানুষ্ঠানিক ব্যৱস্থাসমূহ পৰস্পৰৰ পৰিপূৰক। আনুষ্ঠানিক উপায়সমূহে সমাজৰ ব্যাপক দিশসমূহৰ প্রতি চকু দিয়ে। উদাহৰণস্বৰূপে, বিশেষ বিবাহ আইন **ৰজ্জাপুচ্ছ্র**ৰ কথা উনুকিয়াব পাৰি। আনহাতেদি অনানুষ্ঠানিক উপায়সমূহে ক্ষুদ্র দিশসমূহৰ ওপৰত চকু দিয়ে। পৰিয়ালৰ লগত জড়িত দিশ আৰু স্থানীয় সমস্যাৱলী ইত্যাদি এই দিশৰ অন্তর্ভুক্ত।



চিন্তা-চর্চা কৰক ১০.১

(খ) সামাজিক নিয়ন্ত্রণে সমাজত কেনেধৰণৰ গুৰুত্বপূর্ণ ভূমিকা পালন কৰে?

.....

.....

.....



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ উপযুক্ত শব্দৰে খালী ঠাই পূৰ কৰক।

ক) ..... ৰ অর্থ হৈছে মানৰ আচৰণৰ সামাজিক ব্যৱস্থাপনা।

খ) প্রতিমানসমূহ ..... নহয়, সময় আৰু সমাজ অনুযায়ী ইয়াৰ পৰিৱর্তন হয়।

গ) যেতিয়া অভ্যাসবোৰ সামাজ স্বীকৃত হয় আৰু সামজৰ বহুলোকে এইবোৰ কৰিবলৈ ধৰে, তেতিয়া সেইবোৰ ..... হৈ পৰে।

ঘ) ধন-সম্পত্তি, বিশ্বাসযোগ্যতা আৰু ন্যায় হৈছে ..... ৰ উদাহৰণ।

ঙ) ..... ধনাত্মত অথবা ঋণাত্মক হ'ব পাৰে।



১৩.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সমাজ আৰু সংস্কৃতি একেটা মুদ্রাৰ দুটা পিঠি। সমাজ হ'ল গোটসমূহ আৰু ব্যক্তিৰ সামাজিক সম্পর্ক। সমাজ হ'ল সামাজিক গোট আৰু সমাজত বাস কৰা মানুহৰ সামগ্রিক জীৱন চিন্তা।
- সংস্কৃতিৰ প্রধান দুটা ভাগ হৈছে - বস্তুবাদী সংস্কৃতি আৰু অ-বস্তুবাদী সংস্কৃতি।
- সংস্কৃতিয়ে ব্যক্তিগত আৰু সমষ্টিগত চৰিত্র গঢ় দিয়ে। তথাপিতো ই ব্যক্তিৰ স্বকীয়তা আৰু সৃষ্টিশীলতা প্রদর্শনৰ সুবিধা প্রদান কৰে।
- সামাজিকীকৰণ আৰু সামাজিক নিয়ন্ত্রণে ইয়াৰ সদস্যসকলৰ সামাজিক আচৰণ গঢ় দিয়ে আৰু নিয়ন্ত্রণ কৰে।
- সামাজিকীকৰণ আৰু সামাজিক নিয়ন্ত্রণৰ প্রক্রিয়া উভয়েই পৰস্পৰ সম্পর্কযুক্ত আৰু ইয়ে সমাজ আৰু সংস্কৃতিৰ পৰিচালনা আৰু সংৰক্ষণ কৰে।
- সামাজিক নিয়ন্ত্রণ হৈছে সমাজে নিজৰ কল্যাণৰ বাবে ইয়াৰ সমস্যাসমূহৰ ওপৰত জাপি দিয়া যিকোনো ধৰণৰ প্রভাৱ।
- সামাজিক প্রতিমানসমূহ এনে কিছু বাধ্যতামূলক আচৰণ বিধি যিয়ে আনৰ সৈতে আমাৰ যোগাযোগ নিয়ন্ত্রণ কৰে। সামাজিক প্রতিমানক ৰীতি, লোকপ্রথা আৰু প্রথাৰ মাজত বিভক্ত কৰিব পাৰি।
- লোক প্রথাসমূহ হৈছে দৈনন্দিন সমস্যাবোৰ সমাধান কৰিবলৈ এটা গোটে কৰা কেতবোৰ পৰম্পৰাগত, সাধাৰণ আৰু আচৰণগত কার্য।
- প্রমূল্য হৈছে কোনো সাংস্কৃতিত ভাল, কার্য আৰু উপযুক্ত অথবা বেয়া, নিবিচৰা আৰু

অনুপযুক্ত বুলি ভবা উমৈহতীয়া ধাৰণা।

- প্রতিমান বলবৎ কৰা অনুশাসনসমূহ সামাজিক নিয়ন্ত্রণ ব্যৱস্থাৰ এক অন্যতম অংশ। অনুশাসন ধনাত্মক নাইবা ঋণাত্মক হ'ব পাৰে।



১৩.৫ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

ৰ) Johnson, H. M (1960) *Sociology– A Systematic Introduction*. New Delhi : Allied Publications.

চ) Rawat, H. K. (2009) *Sociology : Basic Concepts*. Jaipur : Rawat Publications.

) Sharma, R. K. *Social Change and Social Control. New Delhi :* Atlartic Publishers and Distributors.

ছ্ৰ) Ogburn, W. E. and M. F. Nimkoff. *Sociology.* Baston *:* Houghton Mifflin Company.



১৩.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃক) সামাজিক নিয়ন্ত্রণ খ) স্থায়ী
গ) লোক প্রথা ঘ) প্রমূল্য
ঙ) অনুশাসন



১৩.৭ আৰ্হি প্রশ্ন

(ক) চুটি প্রশ্ন (ৰপ্তড্ম শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ সামাজিক নিয়ন্ত্রণ বুলিলে কি বুজে ?

প্রশ্ন ২ঃ প্রথা কি?

প্রশ্ন ৩ঃ ধনাত্মক আৰু ঋণাত্মক অনুশাসনৰ মাজত প্ৰভেদ কৰক

(খ) ৰচনাধর্মী প্রশ্ন (ত্মত্মত্ম-প্তত্মত্ম শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ সামাজিক নিয়ন্ত্রণৰ বিভিন্ন ব্যৱস্থাসমূহ আলোচনা কৰক।

প্রশ্ন ২ঃ প্রতিমানে কেনেদৰে সামাজিক নিয়ন্ত্রণত সহায় কৰে ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ১৪ঃ সামাজিক গতিশীলতা

অধ্যায় গাঁথনি

ৰচ্ছ্র.ৰ উদ্দেশ্য

ৰচ্ছ্র.চ পৰিচয়

ৰচ্ছ্র. সামাজিক গতিশীলতা ঃ অর্থ আৰু সংজ্ঞা

- **ৰচ্ছ্র.ৰ** সামাজিক গতিশীলতাৰ প্রকাৰ
- **ৰচ্ছ্র.চ** গতিশীলতাৰ মুক্ত আৰু বন্ধ পদ্ধতি
- **ৰচ্ছ্র.** মুক্ত আৰু বন্ধ গতিশীলতাৰ প্রভেদ
- **ৰচ্ছ্র.চ্ছ্র** গতিশীলতাক প্রভাৱিত কৰা কাৰকসমূহ

ৰচ্ছ্রচ্ছ্র অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

ৰচ্ছ্র.প্ত অধিক জানিবলৈ

ৰচ্ছ্র.ছ অগ্রগতিৰ খতিয়ান

ৰচ্ছ্র.জ্জ আর্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- সামাজিক গতিশীলতাৰ ধাৰণা বুজিব পাৰিব
- সামাজিক গতিশীলতাৰ বৈশিষ্টসমূহ ব্যাখ্যা কৰিব পাৰিব
- মুক্ত আৰু বন্ধ গতিশীলতা আৰু সিহঁতৰ প্রভেদসমূহ আলোচনা কৰিব।

১৪.২ পৰিচয়

আমি ইতিমধ্যে জ্ঞাত হৈছো যে আমাৰ সমাজৰ প্রতিজন লোককে একে স্থিতি বা পদ অর্পণ কৰা হোৱা নাই আৰু সেইৰূপেই সমাজখনক স্তৰীভূত কৰা হৈছে। সমাজৰ প্রতিজন ব্যক্তিয়ে এক নির্দিষ্ট পদ বা স্থিতি দখল কৰি আছে আৰু তেওঁলোকৰ অধীনত থকা পদবী নাইবা সম্পাদন কৰা কর্মপদ্ধতিৰ দস্তুৰ অনুসৰি তেওঁলোক সমাজত পৰিচিত হয়। আমি ইতিমধ্যে এইটোও জানিব পাৰিছো যে সমাজ সদায় পৰিবর্ত্তনশীল, সেই অনুক্রমে প্রতিজন ব্যক্তি আৰু তেওঁলোকৰ স্থিতিও সলনি হৈ থাকে। সমাজৰ প্রতিজন ব্যক্তিয়ে নিজৰ স্থিতি উন্নত কৰিবলৈ অহর্নিশে চেষ্টা কৰি থাকে আৰু ইয়াৰ ফলশ্রুতিতে তেওঁলোকৰ সামাজিক পদমর্যদাৰো উত্তৰণ ঘটি থাকে। নিম্ন পদবীৰ পৰা উচ্চ পদবীত অধিষ্ঠিত হ'বলৈ, নিম্ন পর্যায়ৰ বৃত্তিৰ পৰা উচ্চ পর্যায়ৰ বৃত্তি লাভ কৰিবলৈ প্রতিজন ব্যক্তিয়ে প্রতিনিয়ত সংগ্রাম অব্যাহত ৰাখে.....অন্যহাতে উচ্চ পদবীধাৰী ব্যক্তিও বিভিন্ন কাৰণত স্খলিত হৈ নিম্ন পদ

অলংকৃত কৰিবলৈ বাধ্য হয়। এইদৰেই সমাজৰ প্ৰতিজন লোকৰ সামাজিক পদমৰ্য্যাদাৰ উত্থান-পতনৰ প্ৰক্ৰিয়া এক অবিৰত পৰিঘটনা। এই চলন্ত প্ৰক্ৰিয়াই হ'ল সামাজিক গতিশীলতা। এই অধ্যায়ত আমি সামাজিক গতিশীলতাৰ ধাৰণা আৰু ইয়াৰ বিভিন্ন প্ৰকাৰবোৰৰ সম্পৰ্কত আলোচনা কৰিবলৈ প্ৰয়াস কৰিমহঁক। মুক্ত আৰু আৱদ্ধ বা বন্ধ পদ্ধতিৰ গতিশীলতাৰ সম্পৰ্কত জ্ঞান আহৰণ কৰাৰ লগতে গতিশীলতাক প্ৰভাৱিত কৰা কাৰক সমূহৰ বিষয়েও আলোচনা কৰাৰ সুযোগ লাভ কৰিম।

১৪.৩ সামাজিক গতিশীলতা : অৰ্থ আৰু সংজ্ঞা

আমি সৰহ সংখ্যকেই জ্ঞাত যে গতিশীলতা বুলিলে স্থানান্তৰৰ সম্ভাৱনা থকাটোকে সূচায়। সামাজিক গতিশীলতাই কোনো নিৰ্দিষ্ট সময়ৰ পৰিধিত কোনো ব্যক্তি বা সমষ্টিৰ এক পদবী বা সামাজিক স্তৰৰ পৰা অন্য পদবী বা স্তৰলৈ স্থানান্তৰিত হোৱাটোকে সূচায়। প্ৰত্যেকখন সমাজ যিহেতু স্তৰীভূত কৰা হৈছে, সেই বাবে আমি প্ৰত্যেকেই জন্মসূত্ৰেই কোনো এক নিৰ্দিষ্ট সামাজিক স্তৰ বা পদবীৰ অধীন হৈ পৰো। উদাহৰণ স্বৰূপে- নিৰ্দিষ্ট বৰ্ণ, সম্প্ৰদায়, শ্ৰেণী আদি। ব্যক্তি বা সমষ্টি হিচাপে আমাৰ জীৱনকালত যদি আমাৰ সামাজিক স্থিতি বা পদবীৰ পৰিৱৰ্ত্তন কৰিবলৈ আমি সক্ষম হওঁ; এটা সামাজিক স্তৰ বা পদবীৰ পৰা আন এটা সামাজিক স্তৰ বা পদবীলৈ আমাৰ স্থিতিৰ পৰিবৰ্ত্তনকে সামাজিক গতিশীলতা বুলি কোৱা হ'ব। ব্যক্তি বা পৰিস্থিতি ভিন্ন হ'লে এই পৰিবৰ্ত্তনো ভিন্ন হ'ব পাৰে, অৰ্থাৎ এই গতি ঊৰ্দ্ধমুখীও হ'ব পাৰে নাইবা অধোমুখীও হ'ব পাৰে। দেখা যায় যে পৰিবৰ্ত্তিত পৰিস্থিতিত কোনো ব্যক্তিয়ে উন্নতিৰ জখলা বগাই সামাজিক স্থিতিৰ সলনি কৰাৰ বিপৰীতে কোনো ব্যক্তিয়ে আত্মস্থিতিৰ উন্নতিৰ সলনি অধোন্নতিহে ঘটায়। এইদৰে সামাজিক গতিশীলতাই উত্তৰণ-স্খলন নাইবা উন্নতি-অধোগতি উভয়কে সূচিত কৰিব পাৰে। ইয়াৰ এক শেহতীয়া আৰু সুস্পষ্ট উদাহৰণ হিচাপে এজন সাধাৰণ চাহ দোকানীৰ পৰা আত্মস্থিতিৰ উত্তৰণ ঘটাই দেশৰ প্ৰধান মন্ত্ৰীৰ পদ অলংকৃত কৰা শ্ৰী নৰেন্দ্ৰ ভাই দামোদৰদেৱ মোদীৰ নাম ল'ব পাৰি। উন্নতিৰ জখলা বগাই সামাজিক স্থিতিৰ যোগাত্মক পৰিবৰ্ত্তন কৰাৰ লগে লগে মান-সন্মান, ক্ষমতা, অৰ্থাদি সকলো দিশৰ উত্তৰণ হয়..... একেদৰে জখলাডালৰ তলৰ খলপালৈ নামি গ'লে পূৰ্বৰ খ্যাতিৰ পৰিবৰ্ত্তে নিন্দা, সন্মান পৰিবৰ্ত্তে অসন্মান আৰু অৰ্থনৈতিক লোকচানৰ মুখ দেখিব লগা হয়। কামৰ পৰা বৰ্খাস্ত বা অব্যাহতি লাভ কৰা, শিক্ষানুষ্ঠানৰ পৰা বহিষ্কৃত হোৱা আদি হ'ল কিছুমান নিম্নগামী সামাজিক গতিশীলতাৰ উদাহৰণ।

লিপচে' আৰু বেনডিক্‌চে সামাজিক গতিশীলতাৰ সংজ্ঞা এইদৰে আগবঢ়াইছে - "এক প্ৰক্ৰিয়া, যাৰ জৰিয়তে ব্যক্তিয়ে সমাজত বৰ্তি থকা স্তৰীকৰণৰ ব্যৱস্থাপনাৰ অন্তৰ্গত ভিন্ন স্থিতিসমূহৰ এটাৰ পৰা আনটোলৈ গতি কৰে"।

গিডেনছ্‌ৰ মতে, "সামাজিক গতিশীলতাই ভিন্ন আৰ্থ-সামাজিক স্থিতিৰ মাজত ব্যক্তি তথা সমষ্টিৰ স্থানান্তৰিত হোৱাটোকে বুজায়"।

ৰালাচ্ আৰু ৰালাচ্ৰ মতেও সামাজিক গতিশীলতা মানে এক বা একাধিক ব্যক্তিৰ ভিন্ন সামাজিক স্থিতিৰ মাজত স্থান পৰিবৰ্ত্তনকে সূচায়।

ওপৰৰ আলোচনাৰ পৰা এটা কথা আমি বুজিবলৈ সক্ষম হ'লো যে সামাজিক গতিশীলতা হ'ল এক নির্দ্ধাৰিত সময়ৰ পৰিধিত সামাজিক সংস্তৰণ ব্যৱস্থাপনাৰ কোনো সামাজিক স্থিতিত বর্তি থকা ব্যক্তি বা ব্যক্তি সমষ্টিৰ উচ্চ বা নিম্ন স্থিতিমুখী কোনো পৰিবর্ত্তন। সামাজিক গতিশীলতা উর্দ্ধ বা অধঃ এই দুয়োমুখী হ'ব পাৰে। এক দৰিদ্ৰ পৰিয়ালত জন্ম লোৱা লোক এজনে সম্পদ আহৰণৰ মাধ্যমেৰে নিজৰ সামাজিক স্থিতি, শ্রেণীৰ পৰিবর্ত্তন কৰিবলৈ সক্ষম হয়, এই সামাজিক গতিশীলতা হ'ল উর্দ্ধমুখী। অন্যহাতে যদি এজন আঢ্যৰন্তলোক বিত্তহীন হৈ পৰে, তেওঁ পূর্বৰ স্থিতি হেৰুৱায়; এই ধর্মী পৰিবর্ত্তনক নিম্নমুখী বা অধোগামী সামাজিক গতিশীলতা বুলি গণ্য কৰা হয়।

সামাজিক গতিশীলতাৰ অধ্যয়ন হ'ল সামাজিক স্তৰীকৰণ প্রক্রিয়াৰ অর্ন্তগত এক উল্লেখনীয় দিশ। কাৰণ সামাজিক স্তৰীকৰণ প্রক্রিয়াৰ এক অবিচ্ছেদ্য অংগস্বৰূপে, সামাজিক গতিশীলতাৰ প্রকৃতি, ৰূপ, পৰিসৰ আৰু মাত্রা আদি সকলো দৰাচলতে সামাজিক স্তৰীকৰণ প্রক্রিয়াৰ প্রকৃতিৰ ওপৰত নির্ভৰশীল। সামাজিক গতিশীলতাক এখন সমাজৰ সৰলতা আৰু তৰলতাৰ হাৰৰ সূচক হিচাপে সচৰাচৰে প্রয়োগ কৰি আহা হৈছে। সামাজিক গতিশীলতাৰ বাবে তেনেই সীমিত বা কম মাত্রাত সুযোগ দিয়া সামাজিক স্তৰীকৰণৰ পদ্ধতিক 'বন্ধ' বা 'আৱদ্ধ গতিশীলতা' বোলা হয়; আনহাতে আপেক্ষিকভাৱে অধিক সামাজিক গতিশীলতাৰ সুযোগ প্রদান কৰা পদ্ধতিক 'মুক্ত গতিশীলতা' বুলি কোৱা হয়।

১৪.৩.১ সামাজিক গতিশীলতাৰ প্রকাৰ

সামাজিক গতিশীলতা বহুমাত্রিক। ই ভিন্ন দিশ, সময় আৰু স্থানত সংঘটিত হ'ব পাৰে। উদাহৰণ স্বৰূপে, দিশৰ ক্ষেত্রত ই উলম্বিক গতিসম্পন্ন (উর্দ্ধমুখী বা নিম্নমুখী) নাইবা অনুভূমিক গতিসম্পন্ন হ'ব পাৰে। সময়ৰ দৃষ্টিকোণৰ পৰা সামাজিক গতিশীলতা অন্তর্প্রজন্মৰ নাইবা আন্তঃপ্রজন্মৰ এই দুই প্রকাৰৰ হ'ব পাৰে। এই ভাগসমূহ বিতংভাৱে আলোচনা কৰোহঁক।

- **অনুভূমিক গতিশীলতা ঃ** সামাজিক সংস্তৰণ প্রণালীত কোনো ধৰণৰ সালসলনি নঘটোৱাকৈ সমাজৰ কোনো ব্যক্তি বা সমষ্টিৰ বৃত্তিগত স্থিতি বা প্রভাৱৰ পৰিৱর্ত্তনক অনুভূমিক গতিশীলতা বুলিব পাৰি। এই পৰিৱর্ত্তনত এজন ব্যক্তিয়ে নিজস্ব পদমর্য্যাদা বাহাল ৰাখিয়েই এক সামাজিক স্থিতিৰ পৰা আন সামাজিক স্থিতিলৈ গতি কৰে। এই সংক্রান্তত তেওঁৰ বৃত্তিৰ পৰিবর্ত্তন হ'লেও সামগ্রিক সামাজিক স্থিতি বা মর্য্যাদাৰ কোনো সালসলনি নঘটে। সমস্তৰীয় স্থিতিৰ মাজতে এটাৰ পৰা আন এটালৈ এই পৰিৱর্ত্তন সংঘটিত হয়। উদাহৰণ স্বৰূপে এজন শিক্ষকে এখন বিদ্যালয়ৰ পৰা স্থানান্তৰিত হৈ অন্য বিদ্যালয়লৈ গ'লে

পদমর্য্যাদাৰ কোনো পৰিৱৰ্ত্তন নহয় বাবে এই গতিশীলতা অনুভূমিক। অন্যহাতে যদি গ্ৰাম্যাঞ্চলৰ পৰা কোনো এজন বনুৱা নগৰলৈ আহি কোনো উদ্যোগত শ্ৰমিক হিচাপে নিয়োজিত হয়, তেতিয়াও সামাজিক সংস্তৰণত তেওঁৰ পদমর্য্যাদাৰ কোনো হীন-ডেঢ়ি নঘটে। যিহেতু ব্যক্তিজনৰ স্থানান্তৰ পূৰ্বে বৰ্ত্তি থকা পর্যায়তে ঘটে, এই ক্ষেত্ৰত সামাজিক স্তৰীকৰণ প্ৰণালীত কোনো পৰিৱৰ্ত্তন নঘটে; সেয়ে ইয়াক অনুভূমিক গতিশীলতা বুলি কোৱা হয়।

এইদৰে অনুভূমিক গতিশীলতাই কোনো এক সামাজিক গোটৰ এজন ব্যক্তিয়ে এটা অৱস্থানৰ পৰা সমপর্য্যায়ৰ অন্য অৱস্থানলৈ গতি কৰাটো সূচায়। ইয়াত ব্যক্তিৰ চলন সংঘটিত হ'লেও তেওঁলোকৰ পূৰ্বৰ স্থিতি আৰু সন্মান একেৰূপতে থাকে। সেয়ে ই পদমর্য্যাদাৰ পৰিৱৰ্ত্তনৰহিত ব্যক্তিৰ স্থিতিৰ এক পৰিৱৰ্ত্তন মাত্ৰ, যিটোৱে কেৱল একে পৰিসৰতে মর্য্যাদাৰ সলনি নোহোৱাকৈ স্থিতি সলনি হোৱাটো সূচায়।

- **উলম্বিক গতিশীলতা ঃ** সামাজিক সংস্তৰণ প্ৰণালীত কোনো স্তৰ পৰিৱৰ্ত্তন কৰি যদি ব্যক্তি বা সমষ্টিৰ স্থিতি সলনি হয়, এই পৰিঘটনাই উলম্বিক গতিশীলতা বুজায়। অনুভূমিক গতিশীলতাৰ লক্ষণৰ বিপৰীতে ইয়াত ব্যক্তিজনৰ স্থিতিৰ লগতে মর্য্যাদাৰো পৰিৱৰ্ত্তন হয়। উলম্বিক গতিশীলতাৰ ক্ষেত্ৰত ব্যক্তিজনে সামাজিক পদমর্য্যাদাৰ জখলা বা সংস্তৰণত উর্ধ্বমুখী নাইবা নিম্নমুখী গতি কৰে। ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি এ পি জে আব্দুল কালামে সমাজৰ তথাকথিত নিম্ন শ্ৰেণীৰ পৰা উর্ধ্বমুখী গতি কৰি সমাজৰ অতি সন্মানীয় পদবীত অধিষ্ঠিত হোৱাটো উলম্বিক গতিশীলতাৰ এক জ্বলন্ত উদাহৰণ। একেদৰে এজন সাধাৰণ দিনহাজিৰা কৰি খোৱা লোক এসময়ত গৈ ধনী ব্যৱসায়ী এজন হৈ পৰাটোৱে উর্ধ্বমুখী গতিশীলতাকে বুজাব। মনত ৰখা আৱশ্যক যে সমাজত উর্ধ্বমুখী গতিৰ পটন্তৰেই সর্বাধিক, অধোমুখী গতিশীলতাৰ নমুনা সংখ্যাত অতি তাকৰ বা কাচিৎহে দেখা যায়। ইঙ্কলৰ মতে "স্তৰীকৰণ প্ৰণালীৰ কোনো এটা স্তৰৰ পৰা আন এটা সম্ভাৱনাময় স্তৰলৈ কৰা উর্ধ্বমুখী নাইবা নিম্নমুখী যিকোনো গতি বা চলনক উলম্বিক গতিশীলতা বোলা হয়"।

  এইদৰেই এজন ব্যক্তি বা জনগণৰ এক সামাজিক পদমর্য্যাদাৰ পৰা আন এটালৈ গতি কৰাকে উলম্বিক গতিশীলতা বোলা হয়। ইয়াত এজন লোকে জীৱন কালৰ ভিতৰতে প্ৰাৰম্ভিক পদমর্য্যাদাৰ পৰা উর্ধ্বমুখী নাইবা নিম্নমুখী গতিৰে স্থিতিৰ পৰিৱৰ্ত্তন ঘটায়।

- **উলম্বিক গতিশীলতাৰ প্ৰকাৰ**

  ওপৰৰ আলোচনাৰ পৰা আমি বুজি পালো যে উলম্বিক গতিশীলতা দুই ধৰণৰ হ'ব পাৰে- ব্যক্তি বা সমষ্টিয়ে উন্নতিৰ জখলা বগাই সামাজিক সংস্তৰণত

নিজৰ স্থিতিৰ উত্তৰণ ঘটাব পাৰে নাইবা অধঃপতন হৈ নিম্ন স্তৰলৈ অৱনমিত হ'ব পাৰে। ব্যক্তিগত গতিশীলতাৰ ফলশ্রুতিত কোনো ব্যক্তি যেতিয়া ৰাজনৈতিক পদবীধাৰী হয়, নতুন স্থিতিহেতু ধনৱান হৈ আনৰ ওপৰতো প্রভাৱ বিস্তাৰ কৰিবলৈ আৰম্ভ কৰা পৰিলক্ষিত হয়। আনকি ব্যক্তিৰ দৰেই সমষ্টিয়েও উচ্চ সামাজিক গতিশীলতা আহৰণ কৰে। গ্রাম্যাঞ্চলৰ এজন দলিত লোক উল্লেখযোগ্য বিষয়া হৈ কার্যনির্বাহ কৰিব পৰাটো তেওঁৰ উর্ধ্বমুখী গতিশীলতা বুলিব লাগিব। আনহাতে অভিজাত বা তথাকথিত উচ্চ শ্রেণীৰ লোক এজনে নিজৰ ঐশ্বর্য্য-বিভূতি হেৰুৱাই দৈহিক শ্রম কৰি জীৱিকাৰ সন্ধান কৰিবলৈ বাধ্য হ'ব পাৰে। এইটো নিম্নমুখী বা অধোগামী গতিশীলতাৰ এক নমুনা।

উলম্বিক গতিশীলতা তিনি ধৰণৰ -

- **অন্তর্প্রজন্মৰ গতিশীলতা** ঃ- সামাজিক গতিশীলতাৰ এক উল্লেখনীয় উপাদান হ'ল কাল বা সময়। কালৰ ওপৰত ভিত্তি কৰি ভাগ কৰা সামাজিক গতিশীলতাৰ এটা ভাগক অন্তর্প্রজন্মৰ গতিশীলতা বুলিব পাৰি। এটা প্রজন্মৰ পৰা আন এটা প্রজন্মলৈ যেতিয়া পৰিৱর্ত্তন সংঘটিত হয়, তেতিয়া সেই গতিশীলতাক অন্তর্প্রজন্মৰ গতিশীলতা বুলি কোৱা হয়। এই ধৰণৰ গতিশীলতাত পূর্বপুৰুষ বা পিতৃ-মাতৃৰ সামাজিক স্থিতি, মর্য্যাদাৰ উত্তৰ পুৰুষ বা সতি-সন্ততিয়ে কৰা আপেক্ষিক পৰিৱর্ত্তন জড়িত হৈ থাকে। এইসূত্রে এজন কৃষকৰ সন্তানে চিকিৎসকৰ বৃত্তি গ্রহণ কৰাটো উর্ধ্বমুখী অন্তর্প্রজন্মৰ গতিশীলতা আৰু আইনবিদ এজনৰ সন্তানে গাড়ী চালকৰ বৃত্তি গ্রহণ কৰাটো নিম্নমুখী অন্তর্প্রজন্মৰ গতিশীলতা। অন্তর্প্রজন্মৰ গতিশীলতাই কোনো এক প্রজন্মই তেওঁলোকৰ পূর্বৰ পুৰুষৰ বিপৰীতে ব্যক্তিগত স্থিতি বা সামাজিক পদমর্য্যাদা পৰিৱর্ত্তনৰ ইংগিত বহন কৰে; পৰিয়ালৰ এটা প্রজন্মৰ সদস্যই আন এটা প্রজন্মৰ স্থিতিৰ সলনি ঘটায়। সামাজিক স্তৰীকৰণ প্রক্রিয়াটো অত্যন্ত কঠোৰ আৰু ৰূদ্ধ হ'লে, তেনে সমাজত ব্যক্তিৰ স্থিতি সলনিৰ অৱকাশ সীমিত হয়। অন্তর্প্রজন্মৰ গতিশীলতা অতি কম হোৱাটোৱে সমাজত গভীৰভাৱে শিপাই থকা অসমতাক চিত্রিত কৰে, এনে সমাজত একমাত্র জন্মসূত্রেই এজন লোকৰ স্থিতি আৰু মর্য্যাদা নিৰূপিত হয়। জন্ম বৃতান্তৰ ব্যতিৰেকে সামাজিক গতিশীলতা থকা সমাজ এখনত যিকোনো লোকে আত্মপ্রচেষ্টাৰ বলত নতুন সামাজিক স্থিতি আহৰণ কৰাতো পৰিলক্ষিত হয়।
- **আন্তঃপ্রজন্মৰ গতিশীলতা** ঃ- কোনো এটা প্রজন্মৰ ভিতৰতে সামাজিক গতিশীলতা সংঘটিত হ'লে, তেনে স্থিতি পৰিৱর্ত্তনক আন্তঃপ্রজন্মৰ গতিশীলতা বুলি কয়। আন্তঃপ্রজন্মৰ গতিশীলতাই এক পুৰুষ বা ব্যক্তিৰ জীৱনকালতে

সামাজিক স্থিতি সলনি হোৱাটো সূচায়। অন্তর্প্রজন্মৰ গতিশীলতাৰ দৰে ইয়াত স্থিতি পৰিৱৰ্ত্তনৰ তুলনা ভিন্ন প্রজন্মৰ মাজত কৰাৰ পৰিৱৰ্ত্তে একে পুৰুষ বা ব্যক্তিৰে পূৰ্বৰ স্থিতিৰ লগত বৰ্ত্তমানৰ স্থিতিৰহে কৰা হয়। এই স্থিতিৰ সলনিও আকৌ উৰ্দ্ধ বা অধোমুখী হ'ব পাৰে। উদাহৰণস্বৰূপে কেৰাণী বা সহায়কৰ পদত চাকৰিত সোমাই এজন লোকে বিষয়াৰ পদলৈ পদোন্নতি লাভ কৰাটো হ'ল উৰ্দ্ধমুখী আন্তঃপ্রজন্মৰ গতিশীলতা। এইক্ষেত্রত স্থিতিৰ পৰিৱৰ্ত্তনে বা উত্তৰণে ব্যক্তিজনৰ জীৱনলৈ পূৰ্বতকৈ উচ্চ সামাজিক স্থান, অধিক ঐশ্বৰ্য্য আৰু ক্ষমতা আদৰি আনে। আনহাতে, এজন ব্যক্তিয়ে কৰ্ম হেৰুৱাব লগা হ'লে বা কামৰ পৰা বৰ্খাস্ত লাভ কৰাটোৱে অধোমুখী আন্তঃপ্রজন্মৰ গতিশীলতা সূচায়।

- **সংৰচনাত্মক গতিশীলতা** ঃ- সংস্তৰণ প্রণালীত কোনো এক বিশেষ গোট বা শ্রেণীয়ে অন্য গোট বা শ্রেণীতকৈ উলম্বিক দিশত আপেক্ষিক গতি লাভ কৰাটোৱেই হ'ল সংৰচনাত্মক গতিশীলতা। কোনো ব্যক্তিৰ অভিপ্রায় বা প্রচেষ্টাৰ পৰিৱৰ্ত্তে সংৰচনাৰ পৰিৱৰ্ত্তনৰ ফলত হোৱা বাবে এইধৰ্মী গতিশীলতাক একপ্রকাৰৰ আৰোপিত গতিশীলতা বুলিব পাৰি। উদাহৰণ স্বৰূপে ঐতিহাসিক বৃতান্ত বা শ্রমিকৰ বজাৰৰ পৰিৱৰ্ত্তনে সমস্তৰীয় গোটৰ মাজত বৃত্তিগত অৱতৰণ মাত্রা বৃদ্ধি কৰিব পাৰে। বিশেষকৈ অসমানুপাতিকভাৱে উচ্চ দক্ষতাসম্পন্ন বা দক্ষতাহীন অনুপ্রৱেশকাৰীৰ আগমনে সমাজৰ শ্রেণীৰ পংক্তি-বন্ধন সলাই দিব পাৰে।

১৪.৩.২ মুক্ত আৰু বন্ধ গতিশীলতা

সামাজিক গতিশীলতাৰ বাবে কোনো এক স্তৰীকৰণ প্রণালী কিমান মাত্রাত মুক্ত বা বন্ধনশীল চৰিত্রৰ তাৰ ওপৰত ভিত্তি কৰি আমি সামাজিক স্তৰীকৰণ পদ্ধতিৰ 'বন্ধ' বা 'আৱদ্ধ গতিশীলতা' নাইবা 'মুক্ত গতিশীলতা'ৰ প্রকাৰ পাব পাৰো। এই সংক্রান্তত আমি অধিক বিস্তাৰেৰে আলোচনা কৰাৰ প্রয়াস কৰোঁহক।

- **মুক্ত গতিশীলতাঃ**- মুক্ত সামাজিক গতিশীলতাৰ প্রণালীত ব্যক্তি এজনে সামাজিক স্থিতি আৰু মর্য্যাদা সলনি কৰাৰ অৱকাশ পায়। বৃত্তিগত ভিন্নতা, নমনীয় সংস্তৰণ, পৃথকীকৃত সামাজিক গাঁঠনি, স্তৰীকৰণ প্রণালীৰ দ্রুত পৰিৱৰ্ত্তন আদি বৈশিষ্টসম্পন্ন সমাজখনেই হ'ল মুক্ত সামাজিক গতিশীলতাৰ। এই সংস্তৰণ প্রণালীয়ে ব্যক্তিসকলক তেওঁলোকৰ সক্ষমতাৰ ভিত্তিত প্রতিদ্বণ্ডিতাত নামি আত্মস্থিতিৰ উত্তৰণ ঘটোৱাত বিশেষভাৱে অনুপ্রাণিত কৰে। এই সংক্রান্ততে উনুকিয়াব পাৰি যে এই ব্যৱস্থাত জন্মসূত্রই কোনো এজন ব্যক্তিৰ সামাজিক স্থিতি নির্ণয়ৰ একমাত্র কাৰকৰূপে বিবেচিত নহয়। এই ব্যৱস্থাত

এগৰাকী ব্যক্তিৰ মেধা, দক্ষতা, যোগ্যতা, সামৰ্থ্য আৰু নিপুণতাৰ ভিত্তিত ভিন্ন পদবী প্ৰদান কৰা হয়। ইয়াত উত্তৰাধিকাৰী সূত্ৰে কোনো লোকে সামাজিক স্থিতি আৰু মৰ্য্যাদা লাভ নকৰে; বৰঞ্চ ব্যক্তিৰ সমতা, স্বাধীনতা, পৰিবৰ্ত্তন আৰু উদ্ভাৱন আদি প্ৰভাৱশালী প্ৰমূল্যবোধসমূহে এই ধৰণৰ প্ৰণালীত বিশেষ গুৰুত্ব লাভ কৰা দেখা যায়।

- **বন্ধ গতিশীলতাঃ**- বন্ধ সামাজিক গতিশীলতাৰ প্ৰণালীত ব্যক্তি এজনৰ জন্ম বৃতান্তই তেওঁৰ সামাজিক স্থিতি, মৰ্য্যাদাৰ ক্ষেত্ৰত মূল চালিকা শক্তিৰূপে ক্ৰিয়া কৰে। এই সংক্ৰান্তত অত্যন্ত কাঢ়া বা দৃঢ়ভাৱে স্তৰীকৃত সমাজখনে ব্যক্তি এজনক অতি নগণ্যভাৱেহে তেওঁৰ স্থিতি সলনিৰ অৱকাশ দিয়া দেখা যায়। ব্যক্তি এজনৰ পিতৃপুৰুষে যি শ্ৰেণী বা গোটৰ লোক হিচাপে সামাজত বৰ্ত্তি আছিল, তেৱোঁ সেই গোটতে অৱস্থান গ্ৰহণ কৰি তদ্ৰূপ স্থিতি আৰু মৰ্য্যাদাৰেই জীৱন অতিবাহিত কৰে। বন্ধ সামাজিক গতিশীলতাৰ প্ৰণালীত লোক এজনৰ পক্ষে স্থিতি পৰিৱৰ্ত্তন কৰাটো অতি জটিল বিষয়।

বন্ধ সামাজিক প্ৰণালীত সামাজিক সংস্তৰণৰ সন্মিলিত চৰিত্ৰসমূহৰ গুৰুত্ব অধিক। ক্ষমতাকেন্দ্ৰীক স্থিতি আৰু আত্মমৰ্য্যাদাৰ কাৰকসমূহৰ অসমান বিতৰণক ন্যায্যতা দি ব্যক্তি এজনৰ স্থিতি সলনিৰ ক্ষেত্ৰত ইয়াত সমূলি উৎসাহ নোযোগায়। বৰঞ্চ লোক এজনৰ গতিশীলতা উত্তৰণ বা স্থিতি সলনিৰ যিকোনো প্ৰচেষ্টাক ইয়াত সমূলঞ্চে দমন কৰি ৰখা হয়। ব্যক্তি এজনৰ বিভিন্ন আৰোপিত মান যেনে- বয়স, জন্ম বৃত্তান্ত, লিংগ আদিৰ ভিত্তিত এইধৰণৰ সামাজিক সংস্তৰণ প্ৰণালীত স্থান নিৰূপন কৰা হয়। কাৰ্য্য সম্পাদনৰ সুবিধা বা সুযোগ সমবিতৰণৰ আদৰ্শগত অভিপ্ৰায় আদিৰ বিবেচনা ভিন্ন স্থিতিত ব্যক্তিৰ স্থান নিৰূপনৰ ক্ষেত্ৰত তেনেই অপ্ৰাসংগিক। যথাৰ্থতে কোনো প্ৰাণালীয়েই পূৰামাত্ৰাই বন্ধ বা আৱদ্ধ হ'ব নোৱাৰে। আনকি চৰমভাৱে ৰূদ্ধ সংস্তৰণ ব্যৱস্থা এটাতো সামান্য গতিশীলতা থকাটোহে স্বাভাৱিক। ভাৰতীয় পৰম্পৰাগত সাম্প্ৰদায়িক প্ৰথা হ'ল বন্ধ সামাজিক গতিশীলতাৰ এক জলন্ত নিদৰ্শন।

১৪.৩.৩ মুক্ত আৰু বন্ধ গতিশীলতাৰ প্ৰভেদ

- সামাজিক গতিশীলতাৰ মুক্ত প্ৰণালী এটাত ব্যক্তি এজনৰ সামাজিক স্থিতি আৰু মৰ্য্যাদা তেওঁৰ ব্যক্তিগত প্ৰতিভা আৰু নিপুনতাৰ ওপৰত নিৰ্ভৰশীল আনহাতে বন্ধ সামাজিক গতিশীলতাৰ প্ৰণালী এটাৰ অন্যতম বিশিষ্টতা হ'ল উত্তৰাধিকাৰ সূত্ৰ।
- মুক্ত সামাজিক গতিশীলতাৰ সমাজ এখনৰ সংস্তৰণ প্ৰণালী নমনীয় আৰু গতিশীলতাৰ লক্ষণবোৰো আপেক্ষিকভাৱে খোলা বা মুক্ত; অন্যহাতে বন্ধ

সামাজিক গতিশীলতাৰ সংস্তৰণ প্ৰণালীযুক্ত সমাজখন দৃঢ়।

- মুক্ত সামাজিক গতিশীলতাৰ সমাজ এখনৰ বিপৰীতে বন্ধ সামাজিক গতিশীলতাৰ সমাজ এখনে ব্যক্তিক স্থিতি পৰিৱৰ্ত্তনৰ অৱকাশ প্ৰদান নকৰে।
- গতিশীলতা স্তব্ধ সমাজ এখনত, ব্যক্তিৰ স্থিতিও প্ৰায় নিৰ্দ্ধাৰিত। মুক্ত গতিশীলতাৰ সমাজ এখনৰ ক্ষেত্ৰত এই নীতি প্ৰযোজ্য নহয়।
- বন্ধ সামাজিক গতিশীলতাৰ সমাজ এখনৰ উদাহৰণ হ'ল সম্প্ৰদায় ভিত্তিক সমাজ ব্যৱস্থা, য'ত ব্যক্তিয়ে জন্মসূত্ৰে লাভ কৰা সাম্প্ৰদায়িক স্থিতি সলনি কৰা অসম্ভৱ আৰু আজীৱন সেই ব্যৱস্থাই বাহাল থাকে। আনহাতে শ্ৰেণীভিত্তিক সমাজ ব্যৱস্থা হ'ল মুক্ত সামাজিক গতিশীলতাৰ উদাহৰণ, য'ত ব্যক্তিয়ে আত্মপ্ৰচেষ্টাৰ বলত স্থিতি সলনিৰ সুযোগ লাভ কৰে।

১৪.৩.৪ গতিশীলতাক প্ৰভাৱিত কৰা কাৰকসমূহ

- **শিক্ষা ঃ** শিক্ষণ প্ৰক্ৰিয়াই এজন ব্যক্তিক কৰ্ম সংস্থাপনৰ সুবিধা দিয়াৰ লগতে, মান-সন্মান আদি আহৰণতো বিশেষভাৱে সহায় কৰে। উদাহৰণ স্বৰূপে ভাৰতীয় প্ৰশাসনিক বিষয়া হোৱাৰ নিমিত্তে এজন লোকক বিস্তৰ জ্ঞানৰ প্ৰয়োজন। একেদৰে উল্লেখনীয় পদবী পোৱাৰ বাবেও আৱশ্যকীয় শৈক্ষিক অৰ্হতা থকা অতি দৰকাৰী। এতেকে শিক্ষা হ'ল সফলতাৰ চাবিকাঠি। আনুষ্ঠানিক শিক্ষাৰ নূন্যতম অৰ্হতা লাভ কৰিলেহে এজন ব্যক্তিয়ে উচ্চ পদত অধিস্থিত হোৱাৰ প্ৰত্যাশা কৰিব পাৰে। দৰিদ্ৰ পৰিয়ালৰ লোক এজনে উপযুক্ত আনুষ্ঠানিক শিক্ষা আৰু অৰ্হতাৰ বলত আঢ্যৱন্ত হৈ পৰিব পাৰে। এইদৰে শিক্ষা হ'ল সমাজত উচ্চ পদত অধিষ্ঠিত হোৱাৰ এক প্ৰাথমিক চৰ্ত।
- **দক্ষতা আৰু প্ৰশিক্ষণ ঃ** প্ৰত্যেক সমাজতে যুৱচামক দক্ষতা আৰু নিপুনতা বৃদ্ধিৰ বাবে প্ৰশিক্ষ ণ দিয়াৰ ব্যৱস্থা আছে। এইদৰে দক্ষতা আৰু নপিুনতাৰ প্ৰশিক্ষণ লোৱাৰ প্ৰচেষ্টাত এজন ব্যক্তিয়ে যথেষ্ট সময় আৰু অৰ্থ ব্যয় কৰাৰ প্ৰয়োজন। লোকসকলে এইদৰে কি কাৰণত বাৰু অৰ্থ আৰু সময়ৰ ব্যয় কৰে? ইয়াৰ কাৰণ হ'ল যে সমাজে এনেদৰে শিক্ষণ-প্ৰশিক্ষণ প্ৰাপ্ত ব্যক্তিক প্ৰধান্যতা দান কৰে। এনে শিক্ষণ-প্ৰশিক্ষণ অবিহনে যি পদবী পোৱা সম্ভৱ, দক্ষতা-নিপুনতাৰ প্ৰশিক্ষণ পোৱাৰ পিছত তাতোকৈ উচ্চ পদবী পাবৰ যোগ্য হৈ পৰে।

  প্ৰশিক্ষণপ্ৰাপ্ত লোকক সমাজে উচ্চ আসন বা পদবী দিয়াৰ লগতে অধিক অৰ্থ আৰু অন্যান্য সা-সুবিধা, বিশেষাধিকাৰো প্ৰদান কৰে। এইধৰণৰ উদগনি সমুহৰ কথা মনত ৰাখিয়েই লোকে বিভিন্ন প্ৰাশিক্ষণ আদি লয়, যাতে সমাজৰ উন্নতিৰ জখলাত ওপৰলৈ বগাব পাৰে। প্ৰকাৰন্তৰে এইদৰেও ক'ব

পাৰি যে দক্ষতা আৰু প্ৰশিক্ষণে ব্যক্তিক সামাজিক স্থিতি উন্নত কৰাত সহায় কৰে, অৰ্থাৎ সামাজিক গতিশীলতাক উৎসাহিত কৰে।

- **সিদ্ধি আৰু বিফলতাঃ** ব্যক্তি এজনৰ ব্যক্তিত্বত লুকাই থকা অনন্য মাত্ৰাত বিৱেচনা কৰিব পৰা যি অনাকাংক্ষিত কার্য্যকৰণ, যাক লক্ষ্য কৰি লোকসকল আকৰ্ষিত হয় আৰু তেওঁৰ সক্ষমতাৰ ওপৰত ভৰষা কৰিবলৈ লয়, ইয়াকে সিদ্ধি বোলা হয়। অৱশ্যে আটাইবোৰ সিদ্ধিয়েই সামাজিক উত্তৰণত অৰিহণা যোগাব বুলি খাটাংকৈ ধৰি লোৱাও উচিত নহ'ব। দৰাচলতে চমকপ্ৰদ সাফল্যইহে ব্যক্তি এজনৰ স্থিতিৰ ওপৰত যোগাত্মক প্ৰভাৱ পেলায়। উদাহৰণ স্বৰূপে, দৰিদ্ৰ লোক এজনে সম্পত্তি লাভ কৰিলে বা অজ্ঞাত লিখক এজনে কোনো সাহিত্যৰ বটা লাভ কৰিলে তেওঁলোকৰ সামাজিক স্থিতিৰ উত্তৰণ ঘটিব পাৰে।

  বিফলতা আৰু অপকৰ্মই লোক এজনৰ সামাজিক স্থিতি অৱনমিত কৰাত প্ৰায় একে প্ৰভাৱ বিস্তাৰ কৰা দেখা যায়। দেউলীয়া প্ৰবঞ্চক চৰিত্ৰই ব্যক্তি এজনক জনমানসত হেয় প্ৰতিপন্ন কৰি সমাজৰ উচ্চাসনৰ পৰা স্খলিত কৰে; ইয়াৰ বাবে তেওঁ বন্ধুবৰ্গৰ পৰা ভোজনৰ বাবে আমন্ত্ৰণ পোৱাৰ সুবিধা হেৰুওৱাৰ লগতে বিবাহৰ প্ৰাথী হিচাপেও অযোগ্য হৈ পৰিব। বিবাহিত ব্যক্তিৰ পত্নীৰ লগতো বিচ্ছেদ হোৱাৰ আশংকা থাকে। তেনে ব্যক্তিয়ে বিভিন্ন অনুষ্ঠানাদিৰ সভ্যপদ এৰিব লগাত পৰিব। অন্যহাতে তেওঁ সমাজৰ নিম্নস্থানতো থিতাপি লোৱাত অসুবিধা পাব, কাৰণ তাত তেওঁ সংগী বিচাৰি লোৱা অসুবিধা হ'ব।

- **প্ৰবজন ঃ** প্ৰবজনেও সামাজিক গতিশীলতাত উৎসাহ দিয়ে। বিশেষ আকৰ্ষণ বা বিকৰ্ষণৰ কাৰকে ক্ৰিয়া কৰিলেহে মানুহে প্ৰবজন কৰে। সকলো ঠাই স্বচ্ছলতা, আধিপত্যৰ বাবে সমানুপাতিকভাৱে সুযোগ সুবিধাসম্পন্ন নহয়। সেয়ে, লোকসকল জীৱিকা আহৰণৰ তাগিদাত প্ৰবজন কৰিবলৈ বাধ্য হয়। তেওঁলোকে প্ৰবজন কৰা নতুন ঠাইত ভিন্নধৰ্মী সুযোগ-সুবিধা উপলব্ধ হ'ব পাৰে।

এইদৰে প্ৰবজন কৰি লোকসকলে নানা সুযোগ-সুবিধা গ্ৰহণ কৰি সমাজত উন্নতি লাভ কৰে। জীৱিকাৰ সন্ধানত পঞ্জাৰ আৰু হাৰিয়ানালৈ প্ৰবজন কৰা উত্তৰ প্ৰদেশ, বিহাৰৰ অনুসূচিত জাতিৰ লোকসকলৰ কথা আমি উদাহৰণ স্বৰূপে ল'ব পাৰো। এইসমূহ ঠাইত তেওঁলোক শ্ৰমজীৱী হিচাপে নিয়োজন লাভ কৰে।

অৰ্থ উপাৰ্জন আৰু সঞ্চয় কৰি তেওঁলোকে গাওঁলৈ গৈ মাটি ক্ৰয় কৰে। পৰৱৰ্ত্তী সময়ত তেওঁলোকে নিজৰ মাটি চহ কৰি ফচল উৎপাদন কৰে। এইদৰে তেওঁলোকে প্ৰপিতামহৰ দিনৰ মেতৰ, মুচি আদি বৃত্তি এৰি নিজ কৃষিভূমিত শস্য

উৎপাদন কৰি আত্মোৎকর্ষ সাধন কৰে। এছিয়াৰ ভিন্ন দেশৰ পৰা প্ৰবজন কৰি ইউৰোপৰ ভিন্ন দেশৰ লগতে আমেৰিকা যুক্তৰাষ্ট্ৰত থিতাপি লোৱা লোকসকলৰ ক্ষেত্ৰতো তদ্ৰুপ পৰিস্থিতি হৈছে।

মানুহে পূৰ্বতে বসবাস কৰা ঠাইত নোপোৱা ভিন্ন সা-সুবিধা নতুন ঠাইত লাভ কৰাৰ বাবেই প্ৰবজনৰ প্ৰতি আকৃষ্ট হয় আৰু এই নতুন ঠাইসমূহত নিজৰ আৰ্থিক স্বাচ্ছন্দ্যতাৰ লগতে সামাজিক পদমৰ্য্যাদাও উন্নত কৰাত সহায়ক হয়। এই ঠাইসমূহত নিত্য নতুন জ্ঞান, দক্ষতা আহৰণ কৰি সুচলতাৰে উন্নত সামাজিক স্থিতি অধিগ্ৰহণ কৰিব পাৰে।

গ্ৰাম্যাঞ্চলৰ পৰাও নগৰাঞ্চললৈ লোক প্ৰবজন কৰাৰ কাৰণ হ'ল নগৰ কেন্দ্ৰসমূহত বিভিন্ন উন্নত প্ৰতিষ্ঠান থকাৰ লগতে নিয়োজনৰ বিভিন্ন সা-সুবিধাও থুপ খাই থাকে। চহৰাঞ্চললৈ লোকে প্ৰবজন কৰি উন্নত শিক্ষা, দক্ষতা আয়ত্ত কৰি তেওঁলোকে গ্ৰাম্যাঞ্চলত এৰি থৈ অহা পিতৃ-মাতৃ, ভাই-ভনীতকৈ উন্নত সামাজিক স্থান হস্তগত কৰিবলৈ সক্ষম হয়।

এইদৰে দেখা যায় যে আকৰ্ষক আৰু বিকৰ্ষক দুয়োটা কাৰকেই প্ৰবজনত বিশেষ হাত উজান দিয়ে, যিয়ে পৰবৰ্ত্তী সময়ত সামাজিক গতিশীলতাক ত্বৰান্বিত কৰে।

- **ঔদ্যোগীকৰণ ঃ** ঔদ্যোগিক বিপ্লৱে ব্যক্তিৰ সামৰ্থ্য আৰু দক্ষতাৰ ভিত্তিত পদবী দিয়াৰ এক নতুন পৰম্পৰা সূচনা কৰিলে। ইয়াত জাত-পাত, ধৰ্ম, বৰ্ণৰ ভিত্তিত কোনোৱে প্ৰধান্য নাপায়। ঔদ্যোগীকৰণে বৃহৎ পৰিসৰত কম ব্যয়ত দ্ৰব্যৰ উৎপাদন সম্ভৱ কৰি তুলিলে। ইয়াৰ ফলত কলা-কুশলী সকলক নিবনুৱা কৰি চহৰমুখী বাট ধৰিবলৈ বাধ্য কৰোৱালে, য'ত উদ্যোগ সমূহ কেন্দ্ৰীভূত হৈ থাকে আৰু নিয়োজনৰ সুবিধা থাকে।

  বনুৱা সকলে নতুন বৃত্তিমুলক প্ৰশিক্ষণ লৈ উদ্যোগবোৰত কৰ্মসংস্থাপনৰ সুযোগ গ্ৰহণ কৰিলে। নতুন অভিজ্ঞতা আৰু প্ৰশিক্ষণেৰে তেওঁলোকে সমাজৰ উচ্চ খলপালৈ আগবাঢ়িবলৈ ধৰিলে। ঔদ্যোগিক সমাজ ব্যৱস্থাত সামাজিক স্থিতিসমূহ আৰ্জিত বা আহৰণ কৰা হয়, অন্যহাতে ভাৰতীয় পৰম্পৰাগত সমাজব্যৱস্থাত লোকে জন্মসূত্ৰেহে সামাজিক মৰ্য্যাদা লাভ কৰে বা আৰোপিত কৰা হয়। এইদৰে ঔদ্যোগীকৰণে বৃহৎ পৰিসৰত সামাজিক গতিশীলতাৰ পথ প্ৰশস্ত কৰে।
- **নগৰীকৰণ ঃ** নগৰীকৰণেও সামাজিক গতিশীলতাত সহায় কৰে। আগতে উল্লেখ কৰাৰ দৰে, নগৰমূখি কেন্দ্ৰসমূহ শিক্ষা অনুস্থান আৰু উদ্যোগিক প্ৰতিস্থান ইত্যাদিৰ প্ৰাণ কেন্দ্ৰ। এই কেন্দ্ৰসমূহে মানুহৰ সামাজিক আৰু অৰ্থনৈতিক বিকাশৰ বাট মুকলি কৰি, তেওঁলোকক সামাজিক উন্নতিৰ জখলাত

উধাৰলৈ সুবিধা কৰি দিয়ে। উচ্চ শিক্ষাৰে শিক্ষিত ব্যক্তি এজনৰ উচ্চ আয় আৰু উচ্চ মানৰ বৃত্তিয়ে সমাজত তেওঁক জাতি, বর্ণ, নির্বিশেষে উচ্চ স্থান লাভ কৰিবলৈ সক্ষম কৰে। সেয়েহে নগৰীকৰণে উক্ত সামাজিক গতিশীলতাৰ হেঙাৰবোৰ আতৰাই ইয়াক গতিশীল কৰি তোলে।

আনুষ্ঠানিক সম্পর্কেৰে চহৰাঞ্চলত জনসংখ্যা অধিক। সৰহ সংখ্যক লোকেই ইজনে-সিজনক সঠিককৈ নাজানে। চহৰাঞ্চলৰ বিশেষত্বই হ'ল অজ্ঞতা নাইবা অপৰিচিত। ইয়াৰ লোকসকল কেৱল আত্মীয়-কুটুম্বৰহে ঘনিষ্ঠ। চহৰত বসতি কৰা লোকসকলৰ ব্যক্তিগত জাত-পাত, অতীত পটভূমি গোপন হৈ ৰয়। এজনলোকৰ অতীত পটভূমিৰ তুলনাত তেওঁৰ শিক্ষা, বৃত্তি আৰু উপার্জনৰ ওপৰতহে সমাজত ব্যক্তিগত স্থিতি অধিক নির্ভৰ কৰে।

জাত-পাতৰ বিচাৰতকৈ এজন লোকৰ শিক্ষা, সন্মানীয় বৃত্তি, উপার্জন উচ্চ হ'লেই সমাজত উচ্চাসন লাভ কৰিব পাৰে। নগৰীকৰণে সামাজিক গতিশীলতাক বাধা দিয়া কাৰকবোৰ নির্মূল কৰি ইয়াৰ পথ প্রশস্ত কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৰঃ সংৰচনাত্মক গতিশীলতা মানে কি?

.....

.....

প্রশ্ন নং চঃ দিশৰ ওপৰত ভিত্তি কৰি গতিশীলতাক কি কি ভিন্ন প্রকাৰত ভাগ কৰা হৈছে?

.....

.....

প্রশ্ন নং ছঃ উলম্বিক গতিশীলতাৰ ভিন্ন ৰূপবোৰ কি কি?

.....

.....

প্রশ্ন নং জ্ঞঃ আন্তঃপ্রজন্মৰ গতিশীলতা মানে কি?

.....

.....

প্রশ্ন নং ঞঃ বন্ধ গতিশীলতাৰ এটা উদাহৰণ দিয়া।

.....

.....



১৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- আমাৰ সমাজৰ প্ৰতিজন লোককে একে স্থিতি বা পদ অৰ্পণ কৰা হোৱা নাই আৰু সেইৰূপেই সমাজখনক স্তৰীভূত কৰা হৈছে।
- সমাজ সদায় পৰিবৰ্ত্তনশীল, সেই অনুক্ৰমে প্ৰতিজন ব্যক্তি আৰু তেওঁলোকৰ স্থিতিও সলনি হৈ থাকে।
- সমাজৰ প্ৰতিজন ব্যক্তিয়ে নিজৰ স্থিতি উন্নত কৰিবলৈ অহৰ্নিশে চেষ্টা কৰি থাকে আৰু ইয়াৰ ফলশ্ৰুতিতে তেওঁলোকৰ সামাজিক পদমৰ্যদাৰো উত্তৰণ ঘটি থাকে।
- সামাজিক গতিশীলতাই কোনো নিৰ্দিষ্ট সময়ৰ পৰিধিত কোনো ব্যক্তি বা সমষ্টিৰ এক পদবী বা সামাজিক স্তৰৰ পৰা অন্য পদবী বা স্তৰলৈ স্থানান্তৰিত হোৱাটোকে সূচায়।
- ব্যক্তি বা সমষ্টি হিচাপে আমাৰ জীৱনকালত যদি আমাৰ সামাজিক স্থিতি বা পদবীৰ পৰিৱৰ্ত্তন কৰিবলৈ আমি সক্ষম হওঁ; এটা সামাজিক স্তৰ বা পদবীৰ পৰা আন এটা সামাজিক স্তৰ বা পদবীলৈ আমাৰ স্থিতিৰ পৰিবৰ্ত্তনকে সামাজিক গতিশীলতা বুলি কোৱা হ'ব।
- ব্যক্তি বা পৰিস্থিতি ভিন্ন হ'লে এই পৰিবৰ্ত্তনো ভিন্ন হ'ব পাৰে, অৰ্থাৎ এই গতি উৰ্দ্ধমুখীও হ'ব পাৰে নাইবা অধোমুখীও হ'ব পাৰে।
- সামাজিক গতিশীলতাক এখন সমাজৰ সৰলতা আৰু তৰলতাৰ হাৰৰ সূচক হিচাপে সচৰাচৰে প্ৰয়োগ কৰি আহা হৈছে।
- সামাজিক সংস্তৰণত কোনো ধৰণৰ সালসলনি নঘটোৱাকৈ সমাজৰ কোনো ব্যক্তি বা সমষ্টিৰ বৃত্তিগত স্থিতি বা প্ৰভাৱৰ পৰিৱৰ্ত্তনক অনুভূমিক গতিশীলতা বুলিব পাৰি। এই পৰিৱৰ্ত্তনত এজন ব্যক্তিয়ে নিজস্ব পদমৰ্য্যাদা বাহাল ৰাখিয়েই এক সামাজিক স্থিতিৰ পৰা আন সামাজিক স্থিতিলৈ গতি কৰে।
- সামাজিক সংস্তৰণ প্ৰণালীত কোনো স্তৰ পৰিৱৰ্ত্তন কৰি যদি ব্যক্তি বা সমষ্টিৰ স্থিতি সলনি হয়, এই পৰিঘটনাই উলম্বিক গতিশীলতা বুজায়। অনুভূমিক গতিশীলতাৰ লক্ষণৰ বিপৰীতে ইয়াত ব্যক্তিজনৰ স্থিতিৰ লগতে মৰ্য্যাদাৰো পৰিৱৰ্ত্তন হয়।
- এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ যেতিয়া পৰিৱৰ্ত্তন সংঘটিত হয়, তেতিয়া সেই গতিশীলতাক অন্তৰ্প্ৰজন্মৰ গতিশীলতা বুলি কোৱা হয়। এই ধৰণৰ গতিশীলতাত পূৰ্বপুৰুষ বা পিতৃ-মাতৃৰ সামাজিক স্থিতি, মৰ্য্যাদাৰ উত্তৰ পুৰুষ বা সতি-সন্ততিয়ে কৰা আপেক্ষিক পৰিৱৰ্ত্তন জড়িত হৈ থাকে।
- কোনো এটা প্ৰজন্মৰ ভিতৰতে সামাজিক গতিশীলতা সংঘটিত হ'লে, তেনে স্থিতি পৰিৱৰ্ত্তনক আন্তঃপ্ৰজন্মৰ গতিশীলতা বুলি কয়। আন্তঃপ্ৰজন্মৰ গতিশীলতাই এক পুৰুষ

বা ব্যক্তিৰ জীৱনকালতে সামাজিক স্থিতি সলনি হোৱাটো সূচায়।

- সংস্তৰণ প্ৰণালীত কোনো এক বিশেষ গোট বা শ্ৰেণীয়ে অন্য গোট বা শ্ৰেণীতকৈ উলম্বিক দিশত আপেক্ষিক গতি লাভ কৰাটোৱেই হ'ল সংৰচনাত্মক গতিশীলতা।
- মুক্ত সামাজিক গতিশীলতাৰ প্ৰণালীত ব্যক্তি এজনে সমাজত স্থিতি আৰু মৰ্য্যাদা সলনি কৰাৰ অৱকাশ পায়। এই ব্যৱস্থাত এগৰাকী ব্যক্তিৰ মেধা, দক্ষতা, যোগ্যতা, সামৰ্থ্য আৰু নিপুণতাৰ ভিত্তিত ব্যক্তিক ভিন্ন পদবী প্ৰদান কৰা হয়।
- বন্ধ সামাজিক গতিশীলতাৰ প্ৰণালীত ব্যক্তি এজনৰ পিতৃপুৰুষে যি শ্ৰেণী বা গোটৰ লোক হিচাপে সামাজত বৰ্ত্তি আছিল, তেৱোঁ সেই গোটতে অৱস্থান গ্ৰহণ কৰি তদ্ৰূপ স্থিতি আৰু মৰ্য্যাৰেই জীৱন অতিবাহিত কৰে। বন্ধ সামাজিক গতিশীলতাৰ প্ৰণালীত লোক এজনৰ পক্ষে স্থিতি পৰিৱৰ্ত্তন কৰাটো অতি জটিল বিষয়।
- সামাজিক গতিশীলতাক প্ৰভাৱিত কৰা ভিন্ন কাৰকসমূহ হ'ল- শিক্ষা, দক্ষতা, প্ৰশিক্ষণ, ঔদ্যোগীকৰণ, নগৰীকৰণ ইত্যাদি।



১৪.৫ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

ৰ) Rawat. H.K, (2009) "Sociology Basic Concepts"; Rawat Publications, New Delhi.



১৪.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ কোনো ব্যক্তিৰ অভিপ্ৰায় বা প্ৰচেষ্টাৰ পৰিৱৰ্ত্তে সংৰচনাৰ পৰিৱৰ্ত্তনৰ ফলত হোৱা এক আৰোপিত গতিশীলতাই হ'ল সংৰচনাত্মক গতিশীলতা।

২ নং প্ৰশ্নৰ উত্তৰ ঃ দিশৰ ওপৰত ভিত্তি কৰি সামাজিক গতিশীলতা উলম্বিক গতিসম্পন্ন (ঊৰ্দ্ধমুখী বা নিম্নগামী) নাইবা অনুভূমিক গতিসম্পন্ন হ'ব পাৰে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ কোনো এটা প্ৰজন্মৰ ভিতৰতে সামাজিক গতিশীলতা সংঘটিত হ'লে, তেনে স্থিতি পৰিৱৰ্ত্তনক আন্তঃপ্ৰজন্মৰ গতিশীলতা বুলি কয়। আন্তঃপ্ৰজন্মৰ গতিশীলতাই এক পুৰুষ বা ব্যক্তিৰ জীৱনকালতে সামাজিক স্থিতি সলনি হোৱাটো সূচায়।

৪ নং **প্রশ্নৰ উত্তৰ ঃ** উলম্বিক গতিশীলতাৰ ভিন্ন প্রকাৰবোৰ হ'ল- অন্তর্প্রজন্মৰ গতিশীলতা, আন্তঃপ্রজন্মৰ গতিশীলতা আৰু সংৰচনাত্মক গতিশীলতা।

৫ নং **প্রশ্নৰ উত্তৰ ঃ** বন্ধ সামাজিক গতিশীলতাৰ এক উদাহৰণ হ'ল সাম্প্রদায়িক প্রথা।



১৪.৭ আৰ্হি প্রশ্ন

ক) **চুটি প্রশ্ন** (উত্তৰ **ৰপ্তুত্ম** শব্দৰ ভিতৰত হোৱা উচিত)

প্রশ্ন ১ঃ ঊর্দ্ধমুখী আৰু নিম্নগামী গতিশীলতাৰ প্রভেদ আলাচনা কৰা।

প্রশ্ন ২ঃ সামাজিক গতিশীলতাৰ মুক্ত আৰু বন্ধ প্রণালীৰ পার্থক্যবোৰ কি কি?

খ) **ৰচনাধর্মী প্রশ্ন** (উত্তৰ **ত্মত্মত্ম-প্তুত্মত্ম** শব্দৰ ভিতৰত হোৱা উচিত)

প্রশ্ন ১ঃ সামাজিক গতিশীলতা মানে কি বুজা? ইয়াৰ প্রকাৰবোৰৰ সম্পর্কে আলোচনা কৰা।

প্রশ্ন ২ঃ সামাজিক গতিশীলতাক প্রভাৱিত কৰা কাৰক সমূহ আলোচনা কৰা।

*** ***** ***



প্রসংগ গ্রন্থসমূহ

1. Abraham, Francis. (2006). Contemporary Sociology - An Introduction to Concepts and Theories. Oxford University Press.
2. Bottero, Wendy. (2005) Social Stratification: Social Division and Inequality. Oxon: Routledge
3. Bottomore, T.B. (1986). Sociology. Blackie and Son (india) Ltd.
4. Das, Veena. (2007). Handbook of Indian Sociology (edited). Oxford University Press.
5. Harlambos, M. (1998).Sociology: Themes and Perspectives. New Delhi: Oxford University Press.
6. Ghurye, G.S. (1932) Caste and Race in India. London: Kegan paul.
7. Grusky, David B.(2000) Social Stratification: Class, Race and Gender. Westview
9. Jayaram, N. (1998). Introductory Sociology. Madras: Macmillan India.
10. Mac Iver, R.M. and Charles.H.Page. (2001). Society: an Introductory Analysis. New Delhi: Macmillan India Ltd.
11. Rao, C.N. Shankar. (2003). Sociology - Primary Principles of Sociology with an Introduction to Social thought. New Delhi: S. Chand and Company Ltd.
12. Rawat, H.K. (2007). Sociology - Basic Concepts. Jaipur: Rawat Publications.
13. Vidya Bhusan and D.R. Sachdeva. (2005). Text book of Sociology. New Delhi: Kitab Mahal.

অসমীয়া গ্রন্থ ঃ

ৰ) শইকীয়া, জ্যোতি প্রসাদ। (চল্লিচ) সমাজতত্ব পৰিচয় । যোৰহাট ঃ বিদ্যা ভৱন।

চ) নাথ, গুণমণি। স্নাতক মহলাৰ সমাজশাস্ত্রৰ চমু পৰিচয়। গুৱাহাটী ঃ জ্যোতি প্রকাশন।